কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্য্যৰ

# শ্ৰীভাগৱত-কথা

## দ্বিতীয় আৰু তৃতীয় স্কন্ধ

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIABRARY
Acc. No. 93
Date..................
NOWGONG ASSAM

সম্পাদক

মহেশ্বৰ নেওগ

ANANDARAM DHEKIAL PHOOKAN
COLLEGE
P.O. — NOWGONG, (ASSAM).
Date ..................

45
0

১৯৫৯

SL. NO-16

লয়াৰ্চ বুক ষ্টল
গুৱাহাটী : অসম

*93*

Acc. No. 93

Class No. 891'45 Book No. NEO

Author শৰ্মা: নেওগ, মহেশ্বৰ

Title শ্ৰীভাগৱত - কথা

**A. D. P. COLLEGE LIBRARY**
**NAGAON : ASSAM**

1. Book are issued for 14 days only. A Sum of 10 paise per day shall be charged for book not returned within due-date.
2. Book may renewed on request at the discretion of the Librarian.
3. Dog earing the pages of a book, marking or writing their with ink or pencil, tearing or taking out it pages or otherwise damaging it, will constitute an injury to a book.
4. *Any such injury to a book is a serious offence. Unless a borrower points out the injury at the time of borrowing the book, he shall be required to replace the book or pay its price.*

**Help to keep the book fresh and clean**

কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্য্যৰ

# শ্ৰীভাগৱত-কথা

দ্বিতীয় আৰু তৃতীয় স্কন্ধ

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No. 93
Date........
NAGAON : ASSAM

সম্পাদক

মহেশ্বৰ নেওগ

অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ANANDARAM DHEKIAL PHOOKAN
COLLEGE
P.O. — NOWGONG, (ASSAM).
Date ........................

প্ৰথম সংস্কৰণ

১৯৫৯

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰকাশক ঃ
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী, অসম

Acc. No. 93
Date.......................
LIBRARY ASSAM

বেচ ৩ টকা

891.45
NEO

মুদ্ৰক ঃ
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

# প্ৰাক্কথন

কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্য্যৰ শ্ৰীভাগৱত-কথা দ্বিতীয় আৰু তৃতীয় স্কন্ধ আমাৰ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্য। কিন্তু পাটবাউসীৰ চলাজনা অধিকাৰ শ্ৰীৰামদেৱ গোস্বামীৰ মুদ্ৰিত সংস্কৰণ সম্প্ৰতিকে দুষ্প্ৰাপ্য হৈ পৰাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে কেইবছৰমানৰপৰা পুথিখনৰ অনুলিপি তৈয়াৰ কৰি পৰীক্ষাৰ কাৰণে সাজু হ'ব লগীয়া হৈছিল। আমাৰ একমাত্ৰ সৎসাহসী পুথিপ্ৰকাশক শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা ডাঙৰীয়াই লাভৰ-অলাভৰ বিচাৰলৈ আওকাণ কৰি পুণ্যকাৰ্য্য বুলি আৰু ৰিদ্যাৰ্থীসকলৰ স্নেহত পুথিখন প্ৰকাশ কৰিবলৈ আগ বঢ়াত কামৰূপ অনুসন্ধান সমিতিৰ ভাণ্ডাৰত সংৰক্ষিত গড়মূৰ সত্ৰৰ পুথি ( 'সাকে বসু কৰ অস্ব সসাঙ্ক ॥ বৈসাখ মাসে সুক্লপক্ষে ত্ৰয়দস দিন গতে গুৰুবাসৰে' অৰ্থাৎ ১৭২৮ শকৰ ব'হাগ মাহৰ শুক্ল পক্ষত তেৰ দিনৰ দিনা বৃহস্পতিবাৰে লিখি সমাপ্ত কৰা ) আৰু অধিকাৰ গোসাঁইৰ সংস্কৰণৰ আশ্ৰয় গ্ৰহণ কৰি বৰ্ত্তমান সংস্কৰণ প্ৰস্তুত কৰা হ'ল। শ্ৰীমতী নিৰ্ম্মলা নেওগে পুথিৰ পাতৰপৰা পাঠ তোলাত সহায় কৰিছে। শ্ৰীমান কেশৱানন্দ দেৱ গোস্বামীয়ে ভূমিকাৰ একাংশৰ মুদ্ৰণলিপি প্ৰস্তুত কৰি দিছে। শ্ৰীকেশৱ মহন্তয়ো নানাপ্ৰকাৰে সহায় দিছে। দত্ত বৰুৱা আৰু ইসকললৈও ধন্যবাদ। মুদ্ৰাকৰ শ্ৰীকালীচৰণ পালৰ প্ৰতি কৃতজ্ঞতা এটি স্বীকাৰ্য্য।

'নাহি অৰ্থগূঢ় শাস্ত্ৰ ভাগৱত সম।' অনন্ত কন্দলিৰ এই বচন-ফাকি মনত আছে। তথাপি ছাত্ৰ-ছাত্ৰীসকলৰ আৰু নিজৰো উপকাৰৰ কাৰণে বিশেষকৈ শ্ৰীধৰস্বামীৰ ভাৱাৰ্থদীপিকা টীকাৰ সহায় লৈ কিছু টোকা সংযোগ কৰা হ'ল। ইয়াত ভা=ভাগৱত-পুৰাণ, শ্ৰী=শ্ৰীধৰস্বামীৰ ভাৱাৰ্থদীপিকা।

মহেশ্বৰ নেওগ

বৈজয়ন্তী
নতুন শৰণীয়া
গুৱাহাটী, অসম
২৬ শাওণ ১৮৮১

# সূচীপত্র

## ॥ ভূমিকা ॥

॥ কবিৰত্নৰ জীৱনী ॥ ১ ॥

॥ কবিৰত্নৰ ৰচনাৱলী ॥ ৭ ॥

॥ কথাকাৰ কবিৰত্ন আৰু গোপালচৰণ ॥ ১০ ॥

॥ কবিৰত্নৰ একশৰণ নামধৰ্ম্ম ॥ ১২ ॥

॥ কবিৰত্নৰ কথাশৈলী ॥ ১৫ ॥

## ॥ দ্বিতীয় স্কন্ধ ॥

প্ৰথম অধ্যায় ॥ শ্ৰৱণ-কীৰ্ত্তন সমে ভগৱদ্‌ৰূপৰ মূল ধাৰণা ॥ ১ ॥

॥ দ্বিতীয় অধ্যায় ॥ সূক্ষ্ম ধাৰণা আৰু ভক্তিযোগ ॥ ৫ ॥

॥ তৃতীয় অধ্যায় ॥ হৰি-বিমুখৰ সকল অঙ্গৰ ব্যৰ্থতা ॥ ৮ ॥

॥ চতুৰ্থ অধ্যায় ॥ শুকৰ হৰিক নমস্কাৰ ॥ ১১ ॥

॥ পঞ্চম অধ্যায় ॥ বিৰাট-সৃষ্টি ॥ ১৩ ॥

॥ ষষ্ঠ অধ্যায় ॥ বিৰাটৰ বিভূতি ॥ ১৮ ॥

॥ সপ্তম অধ্যায় ॥ লীলা-অৱতাৰ ॥ ২১ ॥

॥ অষ্টম অধ্যায় ॥ পৰীক্ষিতৰ প্ৰশ্ন ॥ ২৫ ॥

॥ নৱম অধ্যায় ॥ নাৰায়ণোক্ত ভাগৱত ॥ ২৮ ॥

॥ দশম অধ্যায় ॥ ভাগৱতৰ দশ লক্ষণ আৰু অধ্যাত্মাদি বিভাগ ॥ ৩৩ ॥

## ॥ তৃতীয় স্কন্ধ ॥

॥ প্ৰথম অধ্যায় ॥ বিদুৰ-উদ্ধৱ-সংবাদ ॥ ১ ॥

॥ দ্বিতীয় অধ্যায় ॥ শ্ৰীকৃষ্ণৰ শিশু-লীলা ॥ ৫ ॥

॥ তৃতীয় অধ্যায় ॥ শ্ৰীকৃষ্ণৰ মথুৰা আৰু দ্বাৰকাৰ লীলা ॥ ৭ ॥

॥ চতুৰ্থ অধ্যায় ॥ যদুকুলৰ ক্ষয়, উদ্ধৱৰ জ্ঞান-লাভ ॥ ৯ ॥

॥ পঞ্চম অধ্যায় ॥ চৌবিশ তত্ত্বৰ সৃষ্টি আৰু স্তুতি ॥ ১১ ॥

॥ ষষ্ঠ অধ্যায় ॥ বিৰাট পুৰুষৰ সৃষ্টি আৰু অধিদৈৱাদি ॥ ১৬ ॥

॥ সপ্তম অধ্যায় ॥ বিদুৰৰ সংশয়-ছেদী প্ৰশ্ন ॥ ১৮ ॥

॥ অষ্টম অধ্যায় ॥ অনন্ত-সম্প্রদায় অনুসৰি ব্ৰহ্মাৰ তপ-বৰ্ণনা ॥ ২১ ॥
॥ নৱম অধ্যায় ॥ ব্ৰহ্মাৰ স্তুতি ॥ ২৩ ॥
॥ দশম অধ্যায় ॥ কালৰ দশবিধ সৃষ্টি ॥ ২৬ ॥
॥ একাদশ অধ্যায় ॥ কালৰ গতি ॥ ৩০ ॥
॥ দ্বাদশ অধ্যায় ॥ ব্ৰহ্মাৰ সৃষ্টি ॥ ৩৩ ॥
॥ ত্ৰয়োদশ অধ্যায় ॥ বৰাহৰ জন্ম-কৰ্ম্ম ॥ ৩৬ ॥
॥ চতুৰ্দ্দশ অধ্যায় ॥ কশ্যপৰপৰা দিতিৰ গৰ্ভ-সম্ভৱ ॥ ৩৯ ॥
॥ পঞ্চদশ অধ্যায় ॥ জয়-বিজয়ৰ শাপ ॥ ৪১ ॥
॥ ষোড়শ অধ্যায় ॥ সিদ্ধসকলৰ সান্ত্বন আৰু জয়-বিজয়ক অনুগ্ৰহ ॥ ৪৫ ॥
॥ সপ্তদশ অধ্যায় ॥ হিৰণ্যাক্ষ-হিৰণ্যকশিপুৰ জন্ম, হিৰণ্যাক্ষৰ প্ৰভাৱ ॥ ৪৮ ॥
॥ অষ্টাদশ অধ্যায় ॥ হিৰণ্যাক্ষ-বৰাহৰ যুদ্ধ ॥ ৫০ ॥
॥ উনবিংশ অধ্যায় ॥ হিৰণ্যাক্ষ বধ ॥ ৫২ ॥
॥ বিংশ অধ্যায় ॥ ব্ৰহ্মাৰ দেহত্যাগ ॥ ৫৪ ॥
॥ একবিংশ অধ্যায় ॥ কৰ্দ্দম ঋষিৰ তপস্যা, ভগৱত-স্তুতি আৰু বিৱাহ-প্ৰসঙ্গ ॥ ৫৯ ॥
॥ দ্বাবিংশ অধ্যায় ॥ কৰ্দ্দম আৰু দেৱহূতিৰ বিৱাহ ॥ ৬২ ॥
॥ ত্ৰয়োবিংশ অধ্যায় ॥ কৰ্দ্দমৰ গৃহাশ্ৰম ॥ ৬৪ ॥
॥ চতুৰ্ব্বিংশ অধ্যায় ॥ কপিলৰ জন্ম আৰু কৰ্দ্দমৰ সন্ন্যাস ॥ ৬৭ ॥
॥ পঞ্চবিংশ অধ্যায় ॥ কপিলৰ ভক্তি-যোগ-কথন ॥ ৬৯ ॥
॥ ষড়্বিংশ অধ্যায় ॥ চৌবিশ তত্ত্বৰ জন্ম ॥ ৭২ ॥
॥ সপ্তবিংশ অধ্যায় ॥ সাধন-বলে প্ৰকৃতি-পুৰুষ-বিৱেক আৰু মোক্ষ ॥ ৭৬ ॥
॥ অষ্টাবিংশ অধ্যায় ॥ যোগ-পথে হৰিৰ ধ্যান ॥ ৭৭ ॥
॥ একোনত্ৰিংশ অধ্যায় ॥ ভক্তিৰ বিধ আৰু কালৰ বিক্ৰম ॥ ৮০ ॥
॥ ত্ৰিংশ অধ্যায় ॥ বিষয়ীৰ অধোগতি ॥ ৮৩ ॥
॥ একত্ৰিংশ অধ্যায় ॥ পাপ-পুণ্য-মিশ্ৰ মানুষী গতি ॥ ৮৫ ॥
॥ দ্বাত্ৰিংশ অধ্যায় ॥ পুণ্য-কৰ্ম্মে উৰ্দ্ধগতি ॥ ৮৭ ॥
॥ ত্ৰয়স্ত্ৰিংশ অধ্যায় ॥ দেৱহূতিৰ জ্ঞান-লাভ আৰু জীৱন্মুক্তি ॥ ৯০ ॥

॥ শব্দসূচী ॥ ৯২ ॥

# ভূমিকা

## কবিৰত্নৰ জীৱনী

মধুৰ কাব্যসুলভ গদ্যত 'শ্ৰীভাগৱতকথা' আৰু 'শ্ৰীগীতাকথা' নিৰ্ম্মাণ কৰোঁতা কবিৰত্ন বিখ্যাত ভট্টদেৱ নামেৰে। তেওঁৰ নিজ নাম বৈকুণ্ঠনাথ। কবিৰত্ন আৰু ভাগৱত ভট্টাচাৰ্য্য, ভক্ত-পণ্ডিতসকলে সাদৰে দিয়া এই দুই বিভূষাত তেওঁৰ ভাগৱতী পাণ্ডিত্য আৰু কাব্য-জ্ঞানৰ স্বীকৃতি। কিন্তু তেওঁৰ জীৱনীৰ বিৱৰণ আৰু আন কি, জন্মৰ ছন-তাৰিখ বিস্মৃতিৰ গৰ্ভত। নীলকণ্ঠ দাসৰ দেৱদামোদৰ-চৰিতৰপৰা জনা যায়, বজালীৰ ভিতৰত বিজনকুছিত ( বিছানকুছি ) কবি সৰস্বতী নামে ৰূপে-গুণে-পাণ্ডিত্যয় অনুপম এক মহাসন্ত দ্বিজ বাস কৰিছিল। তেওঁৰ দুজন পুত্ৰ। দ্বিজে দুই পুত্ৰৰ যত সংস্কাৰ কৰাই যজ্ঞ-সূত্ৰ দি পঢ়িবলৈ দিলে। প্ৰথমজন পণ্ডিত হৈ জয় সৰস্বতী নাম লৈ ঘৰলৈ আহি বিয়া-বাৰু কৰি সংসাৰী কামত লাগিল। কনিষ্ঠ বৈকুণ্ঠও শাস্ত্ৰত পাৰ্গত হৈ উঠি হৰি মিশ্ৰ নামে এজনৰ ঠাইত তন্ত্ৰসাৰ এখনি পাই পঢ়ি গোপালৰ অৰ্চ্চামন্ত্ৰ গ্ৰহণ কৰিলে। বৰনগৰৰ নগৰীয়াসকলে তেওঁক সাদৰে মাতি নি তেওঁৰ মুখে ভাগৱত শুনি কবিৰত্ন নাম দিয়ে। বৈকুণ্ঠনাথ নৰনগৰৰ বৰপেটীয়াত থকাত আম-গুৰিৰ ৰাজপুৰোহিত কৃষ্ণ মিশ্ৰই তেওঁক নি নিজ কন্যা দান কৰে। তাৰ পিছত তেওঁ সভাৰ্য্যে মেটুৰাকুছিত থাকিবলৈ লয়। এনেতে ভকতসকলে কোৰা-কুই কৰাত পোৱাভিটা বৰপেটা সত্ৰৰ মথুৰাদাস বুঢ়া আতাই কবিৰত্নক নিয়াই ভাগৱত ব্যাখ্যা কৰিবলৈ দি কিছু দিন ৰাখে। এইদৰে থাকোঁতে কবিৰত্ন গৈছিল দামোদৰদেৱৰ পাট-বাউসীলৈ। দামোদৰদেৱে তেওঁক পঞ্চ প্ৰসঙ্গৰ ভাঠীবেলিয়াৰ অৰ্দ্ধ পাঠৰ বাব দিলে; কবিৰত্নয়ো বুঢ়া আতাক কৈ মেটুৰাকুছি এৰি পাটবাউসী সত্ৰৰ নাম-ঘৰৰ সমুখত বহা লৈ ৰ'লহি। এদিনাখন

কবিৰত্নই শৰণ ভিক্ষা কৰাত দামোদৰদেৱে ক'লে, বিশিষ্ট গোপাল-মন্ত্ৰ গ্ৰহণ কৰাৰ পিছত পৃথকে শৰণ লোৱা অনাৱশ্যক। কবিৰত্নই দামোদৰদেৱক গুৰু মানি কাতৰ কৰাত, দামোদৰদেৱে তেওঁক শৰণ কৰাই নাম দান কৰিলে।

ৰামৰায়ৰ 'সন্তযশামৃত' ( গুৰুলীলা ) মতে বৈকুণ্ঠনাথ ( বৰনগৰৰ ওচৰৰ ) ভেৰা গাৱঁৰপৰা পাটবাউসীলৈ আহি দামোদৰৰ আজ্ঞাৰে গধূলিৰ প্ৰসঙ্গত ভাগৱত-পাঠ কৰি থাকে। এনেতে নগৰৰ মোড়লসকলে এজন ভাগৱতী বিচাৰেহি, কয়, "অন্ন-বস্ত্ৰ দিয়া আমি পুষিবো সৰ্ব্বথা।" এই অনুৰোধক্ৰমে কবিৰত্নই সত্ৰীয়া ৰাত্ৰি প্ৰসঙ্গ এৰি বৰনগৰৰ ৰাইজৰ মাজত ভাগৱত ব্যাখ্যা কৰি থাকেগৈ। তেওঁৰ গুণমুগ্ধ মোড়লসকলে তেওঁক কবিৰত্ন উপাধি দান কৰিলে। ৰামৰায়ে স্পষ্ট লিখিছে যে বৰনগৰতে দামোদৰৰ আজ্ঞা শিৰোগত কৰি কবিৰত্নই 'ভাগৱত-কথা' ৰচনা কৰে।

ইকালে 'পাষণ্ডবাদীৰ বাদে মতিভ্ৰম' হৈ কামৰূপৰাজ পৰীক্ষিত-নাৰায়ণে দামোদৰদেৱৰ ওচৰলৈ ধোপধৰা পঠালে, কাৰণ 'তেহোঁ এক-শৰণ লগাইলা লোকক, শৰত কালৰ পূজা লোকে এৰিলেক, আন দেৱতাৰ নাম নুশুনয় কাণে।' ৰজাৰ আজ্ঞা—

যদি দেৱী পূজে থাকোক সেহিথান।
নুহি তেবে মোৰ থান শীঘ্ৰে কৰি আন॥ ৰা.

দামোদৰদেৱে ৰজাৰ আদেশ প্ৰত্যাখ্যান কৰি ক'লে, "হৰি বিনে আছয় মোৰ কোন দশভুজা?" গুৰুজনে বৃদ্ধ হৰি আতাক সত্ৰৰ ভাৰ দিলে, আন সকলো নানা দিহা দি ভট্টদেৱক ক'লে বৰনগৰ এৰি পাটবাউসীলৈ আহিবলৈ।—

শুনা ভট্টদেৱ তুমি ব্যাস-সমসৰ।
তুমি মোৰ বান্ধৱ অপৰ দামোদৰ॥
আমাৰ বচনে এৰি আহা নগৰক।
আসিবাহা তুমি বৰপেটাৰ সত্ৰক॥



ভাগৱত ব্যাখ্যা তুমি আপুনি কৰিবা।
লোকক হৰিৰ ভক্তি উপদেশ দিবা॥
ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেকুৰাবা।
আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা॥
আপুনি শুনিলা নৃপতিৰ দুশ্চেষ্টাক।
কৰ্ম্ম এৰাইলেক বুলি নিয়াই আমাক॥
একাগ্ৰ ভকতি কৰিবাহা মহাভাগ।
তেবে একো উপচক্ৰে নপাইবেক লাগ॥
আৰু এক জগত-ঈশ্বৰ আজ্ঞা ধৰা।
কথাবন্ধে একখণ্ড ভাগৱত কৰা॥
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা ছবি দুলড়ি সুছন্দ॥
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত॥ ৰা.

এই কথাখিনিত ভট্টদেৱৰ মনীষাৰ প্ৰতি দামোদৰদেৱৰ শ্ৰদ্ধা, ধৰ্ম্ম-কাৰ্য্য-সংগঠনৰ পন্থ-নিৰ্দ্দেশ আৰু ভাগৱত-পুৰাণৰ ভাঙনিৰ মান-নিৰ্ণয়, সকলোখিনি কথাই প্ৰণিধানযোগ্য। অৱশ্যে ৰামৰায়ে আগতে কৈ আহিছে যে বৰনগৰত থকাতে ভট্টদেৱে ভাগৱতৰ গদ্যভাঙনি আৰম্ভ কৰিছিল। দামোদৰদেৱে পাটবাউসী এৰি পৰীক্ষিতনাৰায়ণৰ ৰাজধানী গদাধৰ নৈৰ পাৰৰ বিজয়পুৰত প্ৰৱেশ কৰে। ইয়াত প্ৰায় এবছৰ থকাৰ পিছত পৰীক্ষিতনাৰায়ণে ৰাজ্য এৰিবলৈ আদেশ কৰাত তেওঁ সোণকোষ পাৰ হৈ কোচবেহাৰত সোমায়। এই সময়তে কবিৰত্নই ভাগৱত-ভাঙনিৰ প্ৰথম স্কন্ধ আনি দামোদৰদেৱক দেখুৱায়। কিন্তু তেওঁ মূল আৰু টীকা মিলাই বহল ভাঙনি কৰাত পুথিৰ আকাৰ কিছু বৃহৎ হোৱা দেখি দামোদৰদেৱে ক'লে,—

কিন্তু এতখানি বহু কথা ভৈলে
পুথিও হুইবে বৰ।
বাহ্ৰয় কন্ধৰ কথাক লিখিতে
লাগিবে পাত বিস্তৰ॥

কবিৰত্নই শৰণ ভিক্ষা কৰাত দামোদৰদেৱে ক'লে, বিশিষ্ট গোপাল-মন্ত্ৰ গ্ৰহণ কৰাৰ পিছত পৃথকে শৰণ লোৱা অনাৱশ্যক। কবিৰত্নই দামোদৰদেৱক গুৰু মানি কাতৰ কৰাত, দামোদৰদেৱে তেওঁক শৰণ কৰাই নাম দান কৰিলে।

ৰামৰায়ৰ 'সন্তযশামৃত' ( গুৰুলীলা ) মতে বৈকুণ্ঠনাথ ( বৰনগৰৰ ওচৰৰ ) ভেৰা গাৱঁৰপৰা পাটবাউসীলৈ আহি দামোদৰৰ আজ্ঞাৰে গধূলিৰ প্ৰসঙ্গত ভাগৱত-পাঠ কৰি থাকে। এনেতে নগৰৰ মোড়লসকলে এজন ভাগৱতী বিচাৰেহি, কয়, "অন্ন-বস্ত্ৰ দিয়া আমি পুষিবো সৰ্ব্বথা।" এই অনুৰোধক্ৰমে কবিৰত্নই সত্ৰীয়া ৰাত্ৰি প্ৰসঙ্গ এৰি বৰনগৰৰ ৰাইজৰ মাজত ভাগৱত ব্যাখ্যা কৰি থাকেগৈ। তেওঁৰ গুণমুগ্ধ মোড়লসকলে তেওঁক কবিৰত্ন উপাধি দান কৰিলে। ৰামৰায়ে স্পষ্ট লিখিছে যে বৰনগৰতে দামোদৰৰ আজ্ঞা শিৰোগত কৰি কবিৰত্নই 'ভাগৱত-কথা' ৰচনা কৰে।

ইকালে 'পাষণ্ডবাদীৰ বাদে মতিভ্ৰম' হৈ কামৰূপৰাজ পৰীক্ষিত-নাৰায়ণে দামোদৰদেৱৰ ওচৰলৈ ধোঁপধৰা পঠালে, কাৰণ 'তেহোঁ এক-শৰণ লগাইলা লোকক, শৰত কালৰ পূজা লোকে এৰিলেক, আন দেৱতাৰ নাম নুশুনয় কাণে।' ৰজাৰ আজ্ঞা—

যদি দেৱী পূজে থাকোক সেহিথান।
নুহি তেবে মোৰ থান শীঘ্ৰে কৰি আন॥ ৰা.

দামোদৰদেৱে ৰজাৰ আদেশ প্ৰত্যাখ্যান কৰি ক'লে, "হৰি বিনে আছয় মোৰ কোন দশভুজা?" গুৰুজনে বৃদ্ধ হৰি আতাক সত্ৰৰ ভাৰ দিলে, আন সকলো নানা দিহা দি ভট্টদেৱক ক'লে বৰনগৰ এৰি পাটবাউসীলৈ আহিবলৈ।—

শুনা ভট্টদেৱ তুমি ব্যাস-সমসৰ।
তুমি মোৰ বান্ধৱ অপৰ দামোদৰ॥
আমাৰ বচনে এৰি আহা নগৰক।
আসিবাহা তুমি বৰপেটাৰ সত্ৰক॥



ভাগৱত ব্যাখ্যা তুমি আপুনি কৰিবা।
লোকক হৰিৰ ভক্তি উপদেশ দিবা॥
ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেৰুৱাবা।
আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা॥
আপুনি শুনিলা নৃপতিৰ দুশ্চেষ্টাক।
কৰ্ম্ম এৰাইলেক বুলি নিয়াই আমাক॥
একাগ্ৰ ভকতি কৰিবাহা মহাভাগ।
তেবে একো উপচক্ৰে নপাইবেক লাগ॥
আৰু এক জগত-ঈশ্বৰ আজ্ঞা ধৰা।
কথাবন্ধে একখণ্ড ভাগৱত কৰা॥
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা ছবি দুলড়ি সুছন্দ॥
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত॥ ৰা.

এই কথাখিনিত ভট্টদেৱৰ মনীষাৰ প্ৰতি দামোদৰদেৱৰ শ্ৰদ্ধা, ধৰ্ম্ম-কাৰ্য্য-সংগঠনৰ পন্থ-নিৰ্দ্দেশ আৰু ভাগৱত-পুৰাণৰ ভাঙনিৰ মান-নিৰ্ণয়, সকলোখিনি কথাই প্ৰণিধানযোগ্য। অৱশ্যে ৰামৰায়ে আগতে কৈ আহিছে যে বৰনগৰত থকাতে ভট্টদেৱে ভাগৱতৰ গদ্যভাঙনি আৰম্ভ কৰিছিল। দামোদৰদেৱে পাটবাউসী এৰি পৰীক্ষিতনাৰায়ণৰ ৰাজধানী গদাধৰ নৈৰ পাৰৰ বিজয়পুৰত প্ৰৱেশ কৰে। ইয়াত প্ৰায় এবছৰ থকাৰ পিছত পৰীক্ষিতনাৰায়ণে ৰাজ্য এৰিবলৈ আদেশ কৰাত তেওঁ সোণকোষ পাৰ হৈ কোচবেহাৰত সোমায়। এই সময়তে কবিৰত্নই ভাগৱত-ভাঙনিৰ প্ৰথম স্কন্ধ আনি দামোদৰদেৱক দেখুৱায়। কিন্তু তেওঁ মূল আৰু টীকা মিলাই বহল ভাঙনি কৰাত পুথিৰ আকাৰ কিছু বৃহৎ হোৱা দেখি দামোদৰদেৱে ক'লে,—

কিন্তু এতখানি বহু কথা ভৈলে
পুথিও হুইবে বৰ।
বাহুয় কন্ধৰ কথাক লিখিতে
লাগিবে পাত বিস্তৰ॥

এতেকে ইহাক কহিতে নপাৰি
নকৰিবে কেহো যত্ন।
সংক্ষেপ কৰিয়া সাৰ মাত্ৰ লৈয়া
কৰা কথা কবিৰত্ন ॥ ৰা.

কবিৰত্নই গুৰুজনৰ এই অনুজ্ঞা শিৰোগত কৰি ল'লে ; আৰু সিয়েই শ্ৰীভাগৱত-কথাৰ বৰ্ত্তমান ৰূপৰ নিৰ্ণায়ক হ'ল।

নীলকণ্ঠ দাসৰ চৰিতৰপৰা পোৱা যায়, বেহাৰত বৈকুণ্ঠপুৰ সত্ৰ কৰি থকাত দামোদৰদেৱে তেওঁৰ প্ৰিয় কবিৰত্ন আৰু উত্তৰাধিকাৰ-কামী ভতিজাক শ্ৰীকৃষ্ণলৈ 'সন্দেশ' খুজি পঠিয়ায়। শ্ৰীকৃষ্ণই 'চিৰা-লাৰু উত্তম প্ৰকাৰে কৰি দিলা' ; আৰু ভট্টদেৱে 'সাতকন্ধ ভাগৱত-কথা কৰি দিলা।' কবিৰত্নৰ এনে মধুৰ 'সন্দেশ' পাই সকলোৱে শ্ৰীকৃষ্ণৰ চিৰা-লাৰুক তুচ্ছ বুলি ঘোষণা কৰিলে। দামোদৰদেৱে পণ্ডিত শিষ্য বলদেৱক ভাগৱত-কথাখনি সমালোচনাৰ চকুৰে বিচাৰ কৰিবলৈ দিলে। বলদেৱে দুটা বঢ়া অক্ষৰ পাই গুৰুক জনালে, "দুইগোটা চোৰ পাইলো কাটিয়ো ইহাক।" দামোদৰে ক'লে, "কবিৰত্ন বিচক্ষণ বিজ্ঞ, কিবা অৰ্থত আখৰ দুটা নিয়োগ কৰিছে, কাটিব নালাগে, বন্দী কৰি থোৱাঁ সিহঁতক।" বলদেৱে আখৰ দুটা 'বেড়ি থৈলা'। এইবাৰ দামোদৰ-দেৱে কবিৰত্নক ধৰ্ম্ম সমৰ্পি পাটবাউসীত অধিকাৰী পাতি ভকতৰ হাতে তুলসীৰ মালা দি পঠিয়ালে, আৰু কৈ পঠিয়ালে, বাকী থকা পাঁচ স্কন্ধ ভাগৱতো যেন সম্পূৰ্ণ কৰে। ভকতসকলে পাটবাউসীত উপস্থিত হৈ শ্ৰীকৃষ্ণ প্ৰমুখ্যে ভক্তসকলক একেলগ কৰি গুৰু-আজ্ঞা শুনাই কবিৰত্নৰ শিৰত মালা দিলে। কবিৰত্নদেৱে বাকী থকা অংশ ভাগৱত পূৰ কৰি ভাঙি লগত চাৰিজন কামৰূপী বৈষ্ণৱ লৈ দামোদৰ-দেৱৰ সমুখত উপস্থিত হ'লগৈ। সকলোৱে সেই পাঁচ স্কন্ধ শুনি প্ৰশংসা কৰিলে। এনেতে বন্দী হৈ থকা আখৰ দুটাৰ কথা ওলাল। এদিনা আবেলি পৰলৈকে বলদেৱ-কবিৰত্নদেৱৰ শাস্ত্ৰপথে তৰ্ক চলিল। শেহান্তৰত বন্দী আখৰ বেৰাৰপৰা মুকলি হ'ল। তাতে বলদেৱে



মুখ আমোলোৱা দেখি গুৰুজনে তেওঁক কবিৰত্নেৰে সখি পতাই সখিত্ব-উৎসৱ কৰিলে।[১] ভগৱান আদি কামৰূপী মেধিৰে বৈকুণ্ঠপুৰতে কবিৰত্নই গীতা-ভাগৱত ব্যাখ্যা কৰি ভক্তজনক অমৃত পিয়াই কিছু দিন থাকিল। তেতিয়াই দামোদৰদেৱে নিবন্ধ কৰিলে,

আমাৰ পন্থৰ সাধু আছা যতজন ॥
সৱে কবিৰত্নক কৰিয়া সন্মান।
ধৰ্ম্মৰ কৰক যোগাইবাহা সেহি থান ॥
তাহাঙ্ক থাপিলো পাটবাউসীৰ থানত।
খাটিবা থানত সৱে হুয়া একমত ॥ নী.

ইয়াৰ পিছত তেওঁ কবিৰত্ন আদিক বিদায় দি নামধৰ্ম্মৰ আচাৰ-পথ নিৰ্দ্দেশ কৰিলে,

চলি যায়ো গৃহে কবিৰত্ন আদি কৰি।
থাকিয়োক থানে গৈয়া ভকতি আচৰি ॥
অন্নে আচ্ছাদনে ভকতক সন্তোষিবা।
অথিতি আলহী যত সৱাকে তুষিবা ॥
হৰিমন্দিৰত তৈল-প্ৰদীপ লগাই।
নিতৰ প্ৰসঙ্গ কৰিবাহা সমুদায় ॥
যত বস্তু মিলে ঈশ্বৰত নিবেদিবা।
প্ৰসঙ্গ কৰিয়া পাছে বিবৰ্ত্তিয়া দিবা ॥
নীতিৰ আচাৰ ধৰ্ম্ম কিছু নছাৰিবা।
নামধৰ্ম্মে প্ৰৱৰ্ত্তিয়া সবেও বঞ্চিবা ॥ নী.

কাবৰত্ন পাটবাউসীলৈ ঘূৰি ধৰ্ম্ম প্ৰৱৰ্ত্তাই ৰ'লহি। এই সময়তে তেওঁ শ্ৰীভগৱদ্-গীতাকথা লিখি অলপ অৰিহণাৰে ভকতৰ হাতত দামোদৰ-দেৱলৈ পঠাই দিয়ে। দামোদৰদেৱে হৰি মিশ্ৰ নামে এজনক পঠাই

১ ৰামৰায়ৰ গুৰুলীলামতে ( গঙ্গাৰাম বৰুৱাৰ সংস্কৰণ ) শ্ৰীকৃষ্ণ আৰু কবিৰত্ন দুয়ো স্বয়ং 'সন্দেশ' লৈ গুৰুৰ ওচৰত উপস্থিত হৈছিলগৈ, আৰু কবিৰত্নই তেতিয়াই বাৰও স্কন্ধ ভাগৱতকথা গুৰুৰ হাতত দিয়ে।

সোণ-ৰূপৰ অলঙ্কাৰ, সোণৰ নৰগুণ, হাৰমালা, কুণ্ডল, বাজু, আঙঠি, মুকুট আৰু পট্টাম্বৰ দি কবিৰত্নক ভট্টাচাৰ্য্য নাম দিলে। এই সময়ৰ-পৰাই তেওঁ সৰ্ব্বসাধাৰণৰ মাজত ভট্টাচাৰ্য্যদেৱ বা ভট্টদেৱ বুলি খ্যাত হ'ল। ইয়াৰ অলপদিনৰ ভিতৰতে বৈকুণ্ঠপুৰতে দামোদৰদেৱ বৈকুণ্ঠী হয়। ভট্টদেৱে লক্ষ্মীনাৰায়ণৰ পুত্ৰ বীৰনাৰায়ণ ৰজাৰ কথামতে কোচবেহাৰত আনোসকল ভক্তেৰে সম্মিলিত হৈ গুৰুৰ সাম্বৎসৰিক কাজ কৰেগৈ। (নীলকণ্ঠ।) ৰামৰায়ৰ মতে বৰনগৰৰ তাঁতীসকলে বৈকুণ্ঠনাথক কবিৰত্ন উপাধি দিছিল, আৰু ভাগৱত-ভট্টাচাৰ্য্য নাম দিছিল খুদিয়াৰ কবিৰত্ন বা গোপাল মিশ্ৰই। বৈকুণ্ঠনাথক স্বদেশী বিদেশী কোনো পণ্ডিতে তৰ্কত ঘটুৱাব নোৱাৰিছিল। তেওঁ প্ৰসঙ্গত নিতে গীতা-ভাগৱত ব্যাখ্যা কৰিছিল, বিয়লি ছাত্ৰশালত ছাত্ৰক পঢ়াইছিল। তেওঁৰ শ্ৰীনিৱাস নামে পুত্ৰ অকালতে মৰে আৰু দুজনী বোৱাৰী অনুগামী হয়।

এইদৰে ভট্টদেৱে 'সমস্তৰে বন্দ্য স্থান, শঙ্কৰ-মাধৱ-ৰাম-দামোদৰ, তাৰাৰ তেজে নিৰ্ম্মাণ' কৰা নৈমিষাৰণ্য-সদৃশ পাটবাউসীত নামধৰ্ম্ম প্ৰকাশ কৰি থকাত দামোদৰ পাটোৱাৰীয়ে ভকতক উপদ্ৰৱ কৰিবৰ যত্ন কৰাত তেওঁ ব্যাসকুছিত বুঢ়ী লুইতৰ পাৰত সত্ৰ পাতি ৰয়গৈ; আৰু তাতে তেওঁ ভ্ৰাতৃৰ পুত্ৰৰ পুত্ৰ নাতি বিশাৰদক (ভানুদেৱ বিদ্যাবিশাৰদ) পাটবাউসী-ব্যাসকুছিত মেধি পাতি শঙ্কৰ-মাধৱ-দামোদৰ-বিষ্ণুপুৰী আদি কেৱল ভক্তৰ শাৰীত স্থান ল'লেগৈ।

ভট্টদেৱৰ জন্ম আৰু মৃত্যুৰ তাৰিখ, দুইটাই অজ্ঞাত। তেওঁৰ ভক্তিবিৱেক গ্ৰন্থৰ ৰচনাৰ তাৰিখ ১৫৪৬ শকৰ মাঘ (শাকেহগ্নিৱেদে-ষুভিশ্চন্দ্ৰে মাঘদিনে)। গতিকে ইয়াৰ কিছু দিন পিছলৈকে তেওঁ জীৱিত আছিল। তেওঁৰ জীৱনকাল চাৰি কুৰি বছৰ আছিল বুলি এটা প্ৰৱাদ আছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে ১৪৮০—১৫৬০ শককে ভট্টদেৱৰ কাল বুলি আনুমানিকভাৱে ৰাখি গৈছে। সঠিক প্ৰমাণৰ অভাৱত এই তাৰিখকে সম্প্ৰতিকলৈ গ্ৰহণ কৰিব পাৰি।

## কবিৰত্নৰ ৰচনাৱলী

কবিৰত্নৰ ৰচনাৱলীৰ ভিতৰত 'শ্ৰীভাগৱত-কথাৰ' প্ৰথম ন স্কন্ধ পাটবাউসী সত্ৰৰপৰা বিস্তৰ ভুল পাঠেৰে প্ৰকাশিত হৈছে[২]; 'গীতাকথা' বা 'কথাগীতা' পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সম্পাদন কৰি উলিয়াইছিল (১৮৪০ শক, দ্বিতীয় সংস্কৰণ ১৮৪৬ শক); 'শ্ৰীমদ্ভক্তি-বিৱেক'খনি অধ্যাপক শ্ৰীলক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়ৰ সম্পাদিত হৈ ১৯৫১ চনত ওলাইছে। গোৱিন্দ মিশ্ৰ-কৃত 'ভক্তিবিৱেক'ৰ পদ-ভাঙনিও প্ৰকাশিত হৈছে। 'ভক্তিসাৰ' নামে এখনি সংস্কৃত পুথি লিখি কবিৰত্নই ভণিতাত কৃষ্ণভাৰতী নাম দি চলাইছিল বুলি পণ্ডিত গোস্বামীয়ে শুনিছিল; কিন্তু পুথিখন তেওঁ ক'তো দেখা পোৱা নাছিল আনফালে, মন কৰিব লগীয়া, কবিৰত্নই নিজে 'শ্ৰীমদ্ভক্তিৱিৱেক'ত শ্ৰীকৃষ্ণস্বামী বোলা এজনৰ 'ভক্তিসাৰ'ৰ উল্লেখ কৰিছে,—"তল্লোকস্য সত্যত্বং শ্ৰীকৃষ্ণস্বামিনা ভক্তিসাৰে নিৰ্ণীতমেৱাত্ৰ নোক্তং ৱিস্তাৰ-ভয়াৎ।" গতিকে, গোস্বামীদেৱে শুনা কথাটো সত্য নহ'বও পাৰে। ৰামৰায়ৰ 'সন্তযশামৃত'ত ভট্টদেৱে 'ৰত্নাৱলী কথাৰূপে বিৰচন' কৰাৰ কথা আছে। পুথিখনি কিন্তু পোৱা হোৱা নাই। নীলকণ্ঠ দাসৰ চৰিতৰ আউনীআটি সত্ৰৰ পুথিৰ অন্তত 'দ্বিজভট্টদেৱৰ'ৰ ভণিতাৰে এটি গুৰু-ভটিমা পোৱা গৈছে; এইটি মাধৱদেৱৰ গুৰু-ভটিমাৰ পৰ্য্যায়ৰ গীত। ঝাউবাৰী সত্ৰাধিকাৰৰ সংগৃহীত পুথিৰপৰা প্ৰকাশিত (১৩৫১

২ ৰামদেৱ অধিকাৰ গোস্বামী সংগৃহীত। ১ম, ২য়, ৩য় স্কন্ধ (১৮৬৮ শক), ৪ৰ্থ, ৫ম, ৬ষ্ঠ স্কন্ধ (১৮৭২ শক), ৭ম, ৮ম, ৯ম স্কন্ধ (১৮৭৪ শক)। অসম সাহিত্য সভা পত্ৰিকাৰ ষষ্ঠ বছৰ দ্বিতীয় সংখ্যাত (মাঘ-চ'ত ১৮৫৭-৫৮ শক) দশম স্কন্ধৰ প্ৰথম ছটা অধ্যায় প্ৰকাশিত হৈছিল। ইয়াৰ বাহিৰে দশম স্কন্ধৰ একাংশ পুথি আকাৰে এই সময়তে ওলাইছিল। ৰামদেৱ গোস্বামীৰ সংস্কৰণৰ প্ৰথম স্কন্ধ প্ৰায় অপৰিৱৰ্ত্তিতভাৱে শ্ৰীহৰিনাথ শৰ্ম্মা দলৈয়ে প্ৰকাশ কৰিছে (১৯৫৭ চন)।

ছন ) কবিৰত্ন বা ভট্টদেৱৰ ভণিতাৰে 'নন্দোৎসৱ' নামে ঘোষা আৰু গীতৰ কিতাপত মাধৱদেৱ আৰু ভৱানীপুৰীয়া গোলাপদেৱৰ ঘোষা আৰু গীতৰ প্ৰতিধ্বনি স্পষ্ট ; এইখনি তেওঁৰ ৰচনা প্ৰকৃততে হয়নে নহয়, বিচাৰ্য্য। 'প্ৰসঙ্গ-মালা' বা 'প্ৰসঙ্গ-প্ৰণালী'ৰ সম্পৰ্কেও সহজ সিদ্ধান্ত নহয়। হেমচন্দ্ৰ গোস্বামীয়ে 'প্ৰসঙ্গ-মালা' আৰু 'গুৰু-বংশাৱলী' নামে দুখন পদ-পুথিৰ কথা উল্লেখ কৰিছে ; ইয়াৰ বাহিৰেও সংস্কৃতত 'ভাগৱতাধিকৰণ', 'শৰণমালিকা' বা 'শৰণ-সংগ্ৰহ' আৰু পদত 'বিষ্ণু-সহস্ৰ-নাম', এইকেইখনৰ নামো শুনা যায়। শ্ৰীধৰস্বামীৰ ভাৱাৰ্থ-দীপিকাৰ টিপ্পনী 'ভাগৱতাধিকৰণ' পোৱা গৈছে যদিও তাত গ্ৰন্থকাৰৰ নাম নাই। গতিকে সাধাৰণভাৱে ভট্টদেৱৰ ভণিতা থকা আৰু ভট্টদেৱৰ ৰচিত বুলি শুনা অথচ দুষ্প্ৰাপ্য গ্ৰন্থবোৰৰ বিচাৰ আধুনিক পদ্ধতিত হোৱাটো সৰ্ব্বপ্ৰকাৰে কামনীয়। যি ৰচনাই ভট্টদেৱৰ পৱিত্ৰ নামক গৌৰৱান্বিত নকৰি তেওঁক নিম্ন খাপৰ অনুকৰণকাৰীৰ শাৰীলৈ নমায়, তেনে ৰচনা তেওঁৰ নামত অঁৰা নিতান্ত অনুচিত।

'ভাগৱত-কথা'ত বৈকুণ্ঠনাথে সততে নিজৰ কবিৰত্ন নামটিকে ব্যৱহাৰ কৰিছে আৰু শ্ৰীদামোদৰৰ আজ্ঞাত পুথিখন কৰিছিল বুলি অনেক ঠাইত উল্লেখ কৰিছে। 'গীতাকথা'তো কবিৰত্ন নামেই আদিৰপৰা অন্তলৈ আছে ; কবিৰত্নই যদিও অন্তত এবাৰলৈহে নিজ গুৰু দামোদৰৰ নাম উল্লেখ কৰিছে, গোপৰূপী শ্ৰীকৃষ্ণৰ আদেশতে 'গীতাকথা' লিখিছে বুলিহে কৈছে। ইয়াৰপৰা অৱশ্যে ক'ব নোৱাৰি যে দামোদৰদেৱক লগ পোৱাৰ আগতে তেওঁ 'গীতাকথা' লিখি প্ৰায় শেষ কৰিছিল। শ্ৰীদামোদৰৰ জীৱনৰ শেহৰ ফালেহে কবিৰত্নই ইখনি ৰচনা কৰে বুলি চৰিতত স্পষ্টকৈয়ে উল্লেখ কৰা আছে। ১৫২০ শকত দামোদৰদেৱৰ বৈকুণ্ঠপ্ৰয়াণ ; তাৰ আগতে 'গীতাকথা' লিখিত হয়, আৰু তাৰ অলপ আগতে 'ভাগৱত-কথা' ৰচিত হৈছিল। পৰীক্ষিতনাৰায়ণ ৰজাৰ আদেশত শ্ৰীদামোদৰে কামৰূপ ত্যাগ কৰাৰ সময়ত কবিৰত্নৰ এটা স্কন্ধ সমাপ্ত হৈছিল। ১৫১৫ শকত পৰীক্ষিত



নাৰায়ণ ৰজা হয়। গতিকে, ইয়াৰ দুই-এবছৰৰ ভিতৰতে কবিৰত্নই ভাগৱত-পুৰাণৰ অনুবাদ আৰম্ভ কৰি আকৌ দুই-এবছৰতে সম্পূৰ্ণ কৰা যেন লাগে। ১৫১৬-১৮ শকত 'ভাগৱত-কথা' আৰু ১৫১৯-২০ শকত 'গীতাকথা' লিখা বুলি থূলমূলভাৱে ধৰিব পাৰি।

'শ্ৰীমদ্ভক্তিবিৱেক' ১৫৪৩ শকত কৃত ; তাতো কবিৰত্নই শ্ৰীদামোদৰৰ নাম দিছে, কিন্তু তেওঁৰপৰা সিখনি লিখিবলৈ আদেশ পোৱাৰ কথা নাই। ইয়াত প্ৰণেতাৰ নাম আছে কবিৰত্ন, কিন্তু শেষত ভাগৱত-ভট্টাচাৰ্য্য উপাধিটোও ব্যৱহাৰ কৰা হৈছে। এই উপাধি বোধ হয় তেওঁ ১৫৪৩ শকৰ আগে আগেহে গোপাল মিশ্ৰৰ-পৰা পায়। 'ভাগৱত-কথা' আৰু 'গীতাকথা' লিখাৰ সময়ত সম্ভৱতঃ তেওঁৰ সেই উপাধিটি নাছিল।

কবিৰত্নই 'গীতাকথা'ত শেষত দামোদৰদেৱৰ নাম এবেলি লৈছে,

দামোদৰং নৰকলেৱৰমত্যুদাৰং সংসাৰতাপপৰিৱাৰণৱাৰিৱাহং।
লোকস্য যঃ করুণয়া হৰিভক্তিমাৰ্গমাৱৰ্তয়ন্নিজগুৰুং শৰণং প্ৰপদ্যে॥

'ভাগৱত-কথা'ত তেওঁ পোনতেই 'শ্ৰীদামোদৰৰ আজ্ঞা'ৰ কথা উল্লেখ কৰিছে আৰু নিজকে 'শ্ৰীদামোদৰপাদপদ্মমধুব্ৰত কৱিৰত্ন' বুলি পৰিচয় দিছে ; অনেক ঠাইত ইয়াৰ পুনৰাবৃত্তিও কৰিছে। শ্ৰীদামোদৰে আজ্ঞা দিবৰ সময়ত কৈছিল, 'পূৰ্ব্বত মহাপুৰুষে ( এই শব্দটোৱে অভ্ৰান্তভাৱে শঙ্কৰদেৱকেই বুজোৱা কথাটো মন কৰিব লগীয়া ) দহ স্কন্ধ ভাগৱতৰপৰা কীৰ্ত্তন, ভটিমা আদি ৰূপত সুছন্দ ছবি, দুলড়ি আদিত কবিতা কৰিছে ; এতিয়া তুমি সেই ৰচনাতকৈও বেছি খৰণে সকলোৱে বুজাকৈ এখন কথাবন্ধ কৰাঁ।' এই আদেশত শঙ্কৰ-দেৱৰ ৰচনাৰ আদৰ্শ দাঙি ধৰাটো ধৰ্ম্মমত আৰু ৰচনাশৈলীৰ দৃষ্টিৰপৰা সাৰ্থকতাপূৰ্ণ। বৈষ্ণৱসকলৰ কাৰণে ভাগৱতৰ হৃদয়-স্বৰূপ দশম স্কন্ধৰ ভাঙনিৰ মাজত কবিৰত্নই অসমত ভাগৱত-কথাৰ ঐতিহ্য নিৰ্দ্দেশ কৰিছে,—

হে সভাসদসৱ, পূৰ্ব্বত সন্ত মহন্ত মহাগুণৱন্ত শ্ৰীশঙ্কৰে শ্ৰীভাগৱত শাস্ত্ৰৰ পয়াৰ কৰি লোক-ভক্তি-পন্থ প্ৰৱৰ্ত্তাইলা, যাক পাই অন্ত্য জাতিও সংসাৰ তৰিলা। পাছে তাৰ অৱশেষ কথা অনন্ত কন্দলি পদ ৰচিলা। তাকো দেখি মোৰো কৃষ্ণগুণ বৰ্ণাইতে মনত ইছা হৈলা। তাক জানি শ্ৰীকৃষ্ণে শ্ৰীদামোদৰ-ৰূপে আজ্ঞা দিলা। এতেক মঞি টীকা-ভাষ্য অনুসাৰে সংক্ষেপে কথা নিবন্ধিলো।

ইয়াত দেখা যায়, বৈকুণ্ঠনাথে শ্ৰীদামোদৰৰ আজ্ঞাৰ পূৰ্ব্বতে শ্ৰীশঙ্কৰ আৰু অনন্ত কন্দলিৰ আদৰ্শৰ অনুপ্ৰেৰণাত ভাষাত ভাগৱত ৰচনা কৰাৰ সঙ্কল্প গ্ৰহণ কৰিছিল, আৰু দামোদৰ গুৰুৰ আজ্ঞাই সেই সঙ্কল্পক শেষ স্থিৰতা দিলে। শ্ৰীশঙ্কৰ-কন্দলি-কবিৰত্ন একে ধ্ৰুপদী সংস্কৃতি-নিৰ্ম্মাণৰ স্থপতি।

## কথাকাৰ কবিৰত্ন আৰু গোপালচৰণ

১৫১৬ আৰু ১৫২০ শকৰ ভিতৰত সম্পূৰ্ণ কাব্যিক গদ্যৰ পুথি 'ভাগৱত-কথা' আৰু 'গীতাকথা' কবিৰত্নই ৰচনা কৰিছিল বুলি ওপৰত কৈ অহা হৈছে। প্ৰায় এই সময়তে ভক্তবৃন্দোপশোভিত 'বেহাৰ নগৰত শ্ৰীদামোদৰ দেৱৰ সত্ৰত' গোপালচৰণ দ্বিজে 'শ্ৰীদামোদৰদেৱৰ পৰম বল্লভ কৃষ্ণৰ একান্ত দাস সাধুসৱৰ আজ্ঞা শিৰোগত কৰি' শঙ্কৰদেৱৰ 'ভক্তি-ৰত্নাকৰ'ৰ কথাবন্ধ কৰে। এওঁ যথাসম্ভৱ দামোদৰদেৱৰ শিষ্য, কিন্তু কোচবেহাৰত বলদেৱে শ্ৰীদামোদৰৰ সত্ৰ চলাই থকা সময়তহে 'ভক্তিৰত্নাকৰ-কথা' কৰে। গ্ৰন্থৰ শেষত দামোদৰ-বলদেৱকহে তেওঁ প্ৰণতি জনাইছে। গতিকে, ১৫২০ শকৰ ঠিক পিছতে পুথিখনি নিশ্চয় ৰচিত হৈছিল। এইখনি পঢ়িলে শ্ৰীশঙ্কৰী সম্প্ৰদায়ৰ অন্তৰ্গত বিৰোধ ভ্ৰান্ত আৰু কূট মনৰ কল্পনা যেন বোধ হয়। গোপালচৰণেও অনসূয় হৃদয়েৰে কবিৰত্নৰ দৰেই তেওঁৰ কথাবন্ধত



শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰৱৰ্ত্তিত বিভেদহীন ভক্তি-সম্প্ৰদায় স্বীকাৰ কৰি লৈছে,—

আবে সভাসদলোক দেখ, ওহি কামৰূপে ইমত হৰিভক্তি নাছিল। আবে কৃষ্ণৰ একান্ত দাস মহন্তসৱৰ অগ্ৰগণী শ্ৰীমন্ত শঙ্কৰ উদিত হৈল যাতো, এতেকেসে লোকত ইমত ভক্তি প্ৰচাৰিল। তেন্তেসে সমস্ত লোকৰ বান্ধৱ, যাৰ পুণ্যযশে জগত ঢাকিল। সিটো মহাপুৰুষৰ মঞি কি মহিমা কহিবো অল্প ব্ৰাহ্মণ ছৱাল হৈয়া? (পত্ৰ ২)।

হে সামাজিক লোক দেখ, মহাপুৰুষ শ্ৰীশঙ্কৰৰ কেন কৃপাগুণ। যাৰ ভক্তি-সম্প্ৰদায় ধৰি কলিযুগত কামৰূপ দেশত মহামূৰ্খ নৰনাৰী-সৱো অনায়াসে মায়াক জিনি সংসাৰ-সাগৰ তৰে, হেন বান্ধৱক মঞি সৰ্ব্বদায়ে হৃদয়ত চিন্তো। তোৰাসৱো অসূয়া এৰি তাঙ্ক পৰম উপকাৰী মানি ভক্তি কৰা। ইদানীক উচ্চ কৰি হৰি বোল হৰি।

শ্লোক ॥ যৎসম্প্ৰদায়েন কলৌ যুগে জনাস্তৰন্ত্যযত্নেন ভৱাৰ্ণৱম্মহৎ।
তমীশকীৰ্ত্তৌ ৰতমাৰ্ত্তবন্ধুং শ্ৰীশঙ্কৰং চেতসি চিন্তয়ে সদা ॥
(পত্ৰ ৮৬)।

একেজন গোপালচৰণেই তেওঁৰ তৃতীয় আৰু অষ্টম স্কন্ধ ভাগৱতৰ পদতো 'আমাৰ বান্ধৱ-বন্ধু শ্ৰীমন্ত শঙ্কৰ'ৰ ভক্তিপন্থ আৰু পদবন্ধৰ কথা ভক্তিৰে উল্লেখ কৰিছে।[৩] অসমীয়া কথা-সাহিত্যৰ বুৰঞ্জীত গোপালচৰণৰ স্থান কবিৰত্নৰ সমকক্ষ। তেওঁৰ ভাষা কবিৰত্নতকৈ সৰল আৰু প্ৰাঞ্জল; গতিকে পদ্যৰ কাব্যিক গঠনতকৈ প্ৰকৃত গদ্যৰ কিঞ্চিৎ অধিক নিকটৱৰ্ত্তী।

## কবিৰত্নৰ একশৰণ নামধৰ্ম্ম

কোনো কোনো লোকে কোৱা শুনিছো, শঙ্কৰ-মাধৱৰ ধৰ্ম্মতকৈ দামোদৰ-ভট্টদেৱৰ ধৰ্ম্ম পৃথক। কিন্তু ধৰ্ম্মমত আৰু বৈদান্তিক দৃষ্টি,

৩ আমাৰ 'সমসাময়িক সকলৰ দৃষ্টিত শ্ৰীশঙ্কৰ' (জয়ন্তী, দশম বছৰ, একাদশ সংখ্যা, ৮৩৪-৩৭ পিঠি) চাওক।

দুইফালৰপৰা তেওঁলোকৰ বিভেদ দেখা নাযায়; ওপৰত দিয়া ভট্টদেৱ আৰু গোপালচৰণৰ উদ্ধৃতিৰপৰা আৰু অসমৰ সামাজিক বুৰঞ্জীৰপৰাও তেওঁলোকৰ সম্প্ৰদায় অভিন্ন-ৰূপেহে দেখা যায়। পিছৰ যুগত উদ্ভৱ হোৱা অমিলবোৰ এওঁলোকৰ গাত আৰোপ কৰা ভুল কথা। নীলকণ্ঠ দাসে দামোদৰ-চৰিতৰ প্ৰাৰম্ভতে 'শঙ্কৰ মাধৱ দামোদৰ একে কায়'ৰ সত্যদৃষ্টি কৰি 'একৰ স্মৰণে হৌক তিনিৰো স্মৰণ' বুলি 'তিনিৰূপে দামোদৰ চৰণে শৰণ' মাগিছে। ৰমানন্দ দ্বিজৰ বংশীগোপাল-চৰিততো আছে, 'পৰম তেজস্বী সাধু দেৱদামোদৰ, শ্ৰীশঙ্কৰেৰে ভেদ নাহি দুইহন্তৰ', আৰু কোৱা হৈছে, দেৱদামোদৰে বংশীগোপালক 'এতেকে শঙ্কৰ-মত প্ৰমাণি কহিলা।'

ৰামৰায়-ৰচিত চৰিতত কবিৰত্নৰ প্ৰতি দামোদৰৰ দুঠাইত দুটি বিশেষ মন কৰিব লগীয়া আদেশ আছে। ওপৰত উদ্ধৃত তাৰে এটিত কোৱা হৈছে, ব্ৰাহ্মণৰ নিত্য-নৈমিত্তিক কৰ্ম্ম এৰুৱাব নেলাগে, কাৰণ পৰীক্ষিত ৰজাই কৰ্ম্ম এৰুওৱাৰ অভিযোগত তেওঁৰ ওচৰলৈ ধোপধৰা পঠাইছে; কিন্তু 'একাগ্ৰ ভকতি' ত্যাগ কৰিবলৈ দামোদৰে নক'লে। দ্বিতীয় আদেশত—

বাহিৰত বেৰা দিয়া অন্তৰত
দেখিবা সকলে মিছা।
কৰ্ম্মৰ ভাগক লোকক দেখায়া
আপুনিও আচৰিবা॥

কৰ্ম্ম সম্পৰ্কে ইয়াত দামোদৰদেৱৰ মত স্পষ্ট; কাৰণ তেৱোঁ জানিছিল, 'কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি অতিশয় দূৰ হোন্ত তাৰ।' 'ভক্তিৱিৱেক'ত কবিৰত্নই একশৰণ ধৰ্ম্মৰো দুটা ভাগ কৰিছে— জায়াদি-নিঃস্পৃহৰ সৰ্ব্বধৰ্ম্মত্যাগৰূপ শৰণ, আৰু স্পৃহাৱন্তৰ স্বধৰ্ম্মসহিত অন্যদেৱতাভজন ত্যাগৰূপ শৰণ। প্ৰথমবিধত গৃহাদিত অনাসক্তসকলে স্বধৰ্ম্ম অৰ্থাৎ নিজ বৰ্ণ আৰু আশ্ৰমৰ ধৰ্ম্মকামবোৰ



সম্পূৰ্ণৰূপে ত্যাগ কৰে। কিন্তু দ্বিতীয় বিধত পুত্ৰ-ভাৰ্য্যা, ধন-তনুত আসক্তসকলৰ কাৰণে স্বধৰ্ম্মত্যাগ বিধেয় নহয়; গতিকে তেনে ভক্তই কৰ্ম্ম কৰিব লাগে। তাতে ভট্টদেৱে প্ৰশ্ন তুলিছে, কৰ্ম্ম কৰিবলৈ গ'লেই যে অন্যদেৱতা-পূজা আহিব আৰু ধৰ্ম্মটিৰ মূলসূত্ৰ একশৰণ উফৰি যাব,—'নন্নু কৰ্মণি ক্ৰিয়মাণে নানাদেৱতাপূজা স্যাৎ, কথমেকশৰণম্?' কৰ্ম্ম চাৰিবিধ,— নিত্য, নৈমিত্তিক, কাম্য, নিষিদ্ধ। ভট্টদেৱে শাস্ত্ৰৰ উদ্ধৃতিৰে কৈছে, ভক্তই পিছৰ দুবিধ কৰ্ম্ম বৰ্জ্জন কৰি নিত্য আৰু নৈমিত্তিক কৰ্ম্ম ঈশ্বৰৰ আজ্ঞা বুলি, আৰু তাক নাপালিলে দোষ হ'ব বুলি (প্ৰত্যৱায়জিহাসয়া) কৰিব। তাতো আকৌ সকলো প্ৰকাৰ নিত্য-নৈমিত্তিক কৰ্ম্ম কৰিব নালাগে, অপৰিহাৰ্য্য কিছুমানহে কৰ্ত্তব্য,—'কানি নিত্যানি?—সন্ধ্যাদীনি। কানি নৈমিত্তিকানি?—পুত্ৰজন্মাদ্যনুবন্ধীনি।' সেইহে দামোদৰদেৱৰ উপদেশ, 'আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা।' নৈমিত্তিক কৰ্ম্মৰ ভিতৰত দুৰ্গা-পূজা আদি দামোদৰদেৱে স্বীকাৰ কৰিছেনেকি? পৰীক্ষিত ৰজাই যেতিয়া দেৱী পূজা কৰি বলি দিবলৈ কঠোৰ আদেশ পঠালে, শ্ৰীদামোদৰে সমান কঠোৰতাৰে ধোপধৰাক ক'লে,—

শুনিয়োক ৰাজদূত আমাৰ বচন।
তিনিও লোকৰ যিটো লক্ষ্মী-নাৰায়ণ॥
তাত পৰ আন কোন পাবোঁ পূজিবাক।
বলিৰ লগত যদি কাটয় আমাক॥
মোৰ গল উপৰ বলিৰ গল তল।
কাটা যদি আছয় তোহোৰ গাৱে বল॥
ৰজাৰ পাশক যাইবো নকৰিবো পূজা।
হৰি বিনে আছয় মোৰ কোন দশভূজা॥ ৰা.

ভট্টদেৱে ব্যক্তিগতভাৱে সন্ধ্যা-গায়ত্ৰী, হৰি-অৰ্চ্চন আদি নিষ্ঠাৰে পালিছিল; কিন্তু সত্ৰৰ আনুষ্ঠানিক ধৰ্ম্ম আছিল বাৰ প্ৰসঙ্গ—গীত, নাম, গীতা-ভাগৱত-ব্যাখ্যা আদি। গতিকে, দামোদৰদেৱ ভট্টদেৱৰ

অভিপ্ৰেত আৰু প্ৰচাৰিত ধৰ্ম্ম হ'ল অব্যভিচাৰিণী ভক্তি বা একশৰণ নামধৰ্ম্ম।

ৰজাৰ তাড়নাত সত্ৰ এৰাৰ আগতে দামোদৰদেৱৰ উপদেশ,—

অন্য দেৱ নভজিবা ভক্ত দ্ৰোহ নাচৰিবা
কৰিবাহা শ্ৰৱণ কীৰ্ত্তন। ৰা.

'ভক্তিৰিৱেক'ত কবিৰত্নই এটি সিদ্ধান্ত দিছে,—

অতঃ সকামো নিষ্কামো ভক্তিকামোঽপ্যেকশৰণতয়া ভগৱন্তমেৱ ভজেদিতি ৱিধিবাক্যমাৱিষ্কৰোতি শুকঃ,—

অকামঃ সৰ্ৱকামো ৱা মোক্ষকাম উদাৰধীঃ।
তীব্ৰেণ ভক্তিযোগেন ভজেত পুৰুষং পৰম্॥

অকাম একান্তভক্তঃ, তীব্ৰেণ ৱ্যভিচাৰদোষৰহিতেন। এবং নানাৱাক্যৈৰ্মামেকং শৰণং যাহীতি যদুক্তং তৎ প্ৰপঞ্চিতম্।

'গীতা-কথা'তো ( ৯.১২ ) আছে, শ্ৰীকৃষ্ণই আক্ষেপ কৰিছে,—

মোত অন্য দেৱতান্তৰক শীঘ্ৰফলপ্ৰদ মানি, বিফল আশা কৰি, ব্যৰ্থ কৰ্ম্মসৱ আচৰি, ফলশূন্য কুতৰ্কাশ্ৰিত জ্ঞানক অভ্যাসি, বিক্ষিপ্ত-চিত্ত হুয়া কামক্ৰোধাদিযুক্ত বুদ্ধিভ্ৰংশকৰ অসুৰ ৰাক্ষসৰ হেন ৰাজস তামস স্বভাৱক আশ্ৰয় কৰি মোক আদৰ নকৰে।

কবিৰত্নদেৱৰ বৈদান্তিক আলোচনা-ধাৰাৰ বিষয়ে ইয়াত বিশেষ আলোচনা কৰা নগ'ল; টোকা-সমূহত সেই সম্পৰ্কে যথেষ্ট ইঙ্গিত পোৱা যাব।

## কবিৰত্নৰ কথাশৈলী

'ভাগৱত-কথা', 'গীতা-কথা', 'ৰত্নাকৰ-কথা' আদি নামকৰণত 'কথা' আখ্যা মন কৰিব লগীয়া। সংস্কৃতত কথা নামে এশ্ৰেণী সাহিত্য আছে; তাত ৰসযুক্ত বিষয়-বস্তু গদ্যত ৰচনা কৰা হয়, আৰু ঠায়ে



ঠায়ে ছন্দৰো প্ৰয়োগ ঘটে। আৰম্ভণিতে পদ্যত নমস্কাৰ কৰি খলৰ বৃত্তান্ত কীৰ্ত্তন কৰি যোৱা হয়। কথাৰ প্ৰখ্যাত উদাহৰণ কাদম্বৰীকথা।

কথায়াং সৰসং ৱস্তু গদ্যৈৰেৱ ৱিনিৰ্মিতম্।
ক্বচিদত্ৰ ভৱেদাৰ্যা ক্বচিদ্বক্ত্ৰাপৱক্ত্ৰকে॥
আদৌ পদ্যৈৰ্নমস্কাৰঃ খলাদেৰ্বৃত্তকীৰ্তনম্॥

( সাহিত্য-দৰ্পণ )

কথাৰ এই সংজ্ঞাৰ লগত ভট্টদেৱ আদিৰ নামকৰণৰ কোনো সম্পৰ্ক নাই। বৰং তেওঁলোকৰ 'কথা' শব্দৰ অৰ্থ স্পষ্ট হয় গোপালচৰণৰ 'কথাবন্ধ' শব্দৰ ব্যৱহাৰৰপৰা ( সেহি ৰত্নাকৰৰ প্ৰযত্ন কৰিয়া কথাবন্ধ নিবন্ধিবো ); ৰামৰায়ৰ-চৰিততো 'কথাবন্ধ' শব্দটোৰ প্ৰয়োগ মন কৰিব লগীয়া ( কথাবন্ধে একখণ্ড ভাগৱত কৰা )। 'কথা' শব্দই সহজভাৱে 'কথাবন্ধ' বা গদ্য ৰচনা বুজাইছে। ইয়াৰ সমান্তৰালভাৱে 'পদ' আৰু 'পদবন্ধ' শব্দৰ প্ৰয়োগো বিৰল নহয়। কিন্তু এটা বিষয়ত 'ভাগৱত-কথা'ৰ লগত সংস্কৃতৰ 'কথা'ৰ সাদৃশ্য আছে—ঠায়ে ঠায়ে তাৰ কবিত্বময় বিষয় আৰু ছন্দস্পন্দযুক্ত ভাষা।

কথাবন্ধ-ৰূপেই 'ভাগৱত-কথা', 'গীতাকথা'ৰ অসমীয়া সাহিত্যত আটাইতকৈ বেছি মূল্য। ভট্টদেৱৰ ভাষা আৰু কথা-শৈলী বিশেষ অধ্যয়নৰ বিষয়। ভাষাতত্ত্বৰ পণ্ডিত ডক্টৰ বাণীকান্ত কাকতিয়ে লিখিছে, "ইমান দিনৰ আগতে কথা-শৈলীৰ এক নমুনা দাঙি ধৰা হিছাপে আদৰণীয় হ'লেও এই কথানুৱাদত ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা চালে বিশেষত্ব প্ৰায় নোহোৱাৰ দৰে। শব্দচয়ন সংস্কৃতীয়া শব্দেৰে ভাৰাক্ৰান্ত, আৰু ভাষাটোও মাজে মাজে কথ্য ৰূপক বাট এৰি দিয়া পদ্যলেখকসকলৰ ভাষাতকৈ বহুতগুণে কম ঘৰুৱা। বৈয়াকৰণ ৰূপবিলাকেও আধুনিকতাৰ ফালে সৰলীকৰণ নেদেখুৱায়। গতিকে এই গদ্যই তৎকালীন কথিত ভাষাৰ কোনো ধাৰণা নিদিয়ে।"[৪]

৪ *Assamese : Its Formation and Development*, § 26.

ভাষাৰ ফালৰপৰা এইখিনি কথা প্ৰণিধানযোগ্য। ১৯৪৭ চনত গুৱাহাটীত দিয়া এটি বক্তৃতাত ডক্টৰ বেণীমাধৱ বৰুৱাই 'গীতা-কথাৰ' ৰচনা-শৈলীৰ ফালে দৃষ্টি কৰি কৈছিল যে, পুথিখন গদ্য লেখা নহয়, বৰং ছন্দ-স্পন্দ-যুক্ত ৰচনাহে; তাত গদ্যৰ বাক্য-প্ৰণালী নাই। তেখেতৰ মতে প্ৰথম অসমীয়া গদ্য আমি পাওঁ বুৰঞ্জীবোৰত; বুৰঞ্জীৰ গদ্য সৰল, প্ৰত্যক্ষ আৰু প্ৰাঞ্জল। বুৰঞ্জীৰ লগতে ডক্টৰ বৰুৱাই আগ বঢ়োৱা এই সম্মান অৱশ্যে কথাচৰিতবোৰেও পাব পাৰে। কিন্তু ভট্টদেৱৰ ভাষা আৰু কথা-শৈলী বিচাৰ কৰাৰ আগতে কেইটামান কথালৈ চকু দিব লগীয়া।

পুৰণি অসমীয়া কথা-সাহিত্যক দুটা ভাগত ভাগ কৰিব পাৰি,—আদৰ্শবাদী আৰু বাস্তৱবাদী। প্ৰথম ভাগত 'ভাগৱত-কথা', 'গীতা-কথা', 'ৰত্নাকৰ-কথা', 'ৰামায়ণ-কথা', 'ক্ৰিয়াযোগসাৰ-কথা' আদি ধৰ্ম্ম-পুথিৰ অনুবাদ আদি, আৰু দ্বিতীয় পৰ্য্যায়ত কথা-গুৰুচৰিতসমূহ, 'হস্তী-বিদ্যাৰ্ণৱ' আদি ব্যৱহাৰিক বিষয়ৰ পুথি, 'হস্তমুক্তাৱলী'ৰ নিচিনা ললিতকলাৰ পুথিৰ অনুবাদ আদি, আৰু বিশেষকৈ বুৰঞ্জীসমূহ ধৰিব পাৰি। পিছৰ ভাগত গুৰু-চৰিত আৰু বুৰঞ্জীবোৰৰ নিজস্ব এক ধাৰা আছে; সিবোৰৰ আটাইতকৈ ডাঙৰ বিশেষত্ব কথিত ভাষাৰ ব্যৱহাৰ। অকল সেয়ে নহয়,—ৰাজনৈতিক আৰু সামাজিক সংস্কৃতিৰ দুটি সম্ভ্ৰান্ত কেন্দ্ৰৰ মাৰ্জ্জিত ভাষাৰূপ তাত ব্যৱহৃত হৈছে। প্ৰকৃত আধুনিক গদ্যৰ জন্মৰ ঐতিহ্য গঠনত এই দুই ধাৰা কথা-সাহিত্যৰ কীৰ্ত্তি মহান। কথা-শৈলীৰ প্ৰকৃত ৰূপ বিকশিত হয় তাৰ প্ৰত্যক্ষবোধতা, প্ৰাঞ্জলতা আৰু আধুনিকতাত। এই দুই ধাৰা অসমীয়া কথা-সাহিত্যৰ জন্ম ধৰ্ম্মপুথিৰ গদ্যৰ জন্মৰ প্ৰায় সমসাময়িক, যদিও প্ৰথম কথা-চৰিত বা বুৰঞ্জীৰ তাৰিখ নিৰ্ণীতভাৱে কোৱা বৰ্ত্তমানে টান।

গুৰুচৰিত আৰু বুৰঞ্জীৰ গদ্যৰ ভাষাৰ লগত অমিল 'ভাগৱত-কথা' আদি ধৰ্ম্মপুথিৰ গদ্যৰ ভাষাৰ মিল তদানীন্তন ধৰ্ম্মপুথিৰ পদবন্ধৰ লগত। তাৰ আগতে অসমীয়া গদ্যৰ আৰ্হি আছিল শঙ্কৰদেৱ, মাধৱদেৱ আদিৰ



নাটৰ সূত্ৰকথা আৰু পাত্ৰৰ বচনসমূহ। কিন্তু নাটৰ অন্তৰ্গত গীত আৰু বৰগীতবোৰৰ দৰে এই গদ্যৰ ভাষা কাব্যসুলভ আৰু এক কৃত্ৰিম সাহিত্যিক ভাষাৰূপ। এইটো সঁচা যে এই ভাষাৰূপৰ সৌন্দৰ্য্য প্ৰাকৃতসুলভ ভগা ভগা শব্দৰ মাধুৰ্য্যত আৰু ব্ৰজধাম আৰু মিথিলাৰ ভাষাৰ কৃত্ৰিম অথচ পৱিত্ৰ স্পৰ্শত। হয়তো ইয়াৰ সংবেদনশীলতাৰ পৰিসৰৰ বহল সম্ভাৱনাও শঙ্কৰ-মাধৱে কামনা কৰিছিল। কিন্তু যেতিয়া দামোদৰ গুৰুৱে কবিৰত্নৰ ওপৰত ভাগৱতৰ কথাবন্ধ কৰাৰ দায়িত্ব আৰোপ কৰিলে, তেওঁৰ পক্ষে এই নাটকীয় ভাষা গ্ৰহণ কৰাটো সম্ভৱ নাছিল, কাৰণ মৈথিলী, ব্ৰজভাখা বা খড়ীবোলীৰ লগত তেওঁৰ প্ৰত্যক্ষ পৰিচয় নাছিল, অকল শঙ্কৰ-মাধৱে লিখা কথাখিনিৰ আদৰ্শতে এটা কৃত্ৰিম ভাষাত বিৰাট ভাগৱতখন ভাঙি উলিওৱা কঠিন। আনফালে, বুৰঞ্জী বা কথাচৰিতৰ দৰে কথিত ভাষাত ভাগৱত লিখাও উদাত্তক অৰ্ব্বাচীনলৈ নমাই পুণ্যবস্তুদূষক অধৰ্ম্ম ( sacrilege ) কৰা বুলিও কোনো লোকে ল'ব পাৰে। তৃতীয়তে, অসমীয়াত আন কোনো কথা-সাহিত্যৰো আদৰ্শ তেতিয়া সম্ভৱতঃ নাই; কবিৰত্নৰ পূৰ্ব্বৰ লেখকসকলে ছন্দতেই তেওঁলোকৰ ভাৰত-ৰামায়ণ, পুৰাণ-ভাগৱত ৰচনা কৰিছে। কিন্তু এই তৃতীয় আপত্তিতে কবিৰত্নই তেওঁৰ সমস্যাৰ নিষ্পত্তি দেখা পালে। মাধৱ কন্দলি, হেম সৰস্বতী, শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি আদিৰ লেখাৰ যোগেদি এক সাহিত্যিক ভাষা-পৰম্পৰা গঢ় লৈ উঠিছিল, কবিৰত্নই ব্ৰজবুলিৰ দৰে আচহুৱালৈ নগৈ বা অৰ্ব্বাচীনলৈও নানামি এই ভাষা-পৰম্পৰাকে তেওঁৰ মাধ্যম-ৰূপে গ্ৰহণ কৰিলে। গতিকে, ভাষাবিষয়ত তেওঁ নৱোন্মেষ নঘটালে, সঁচা; কিন্তু তেওঁৰ কৃতিত্ব পুৰণি ভাষা-পৰম্পৰাৰে নব্য প্ৰয়োগত।

ভাষাৰ আভিধানিক আৰু বৈয়াকৰণ ৰূপত ডক্টৰ কাকতিয়ে আঙুলিয়াই দিয়া দৰে, কবিৰত্নৰ কথা-ৰচনাৰ অভিনৱত্ব নাই। কাকতিয়েই অৱশ্যে দেখুৱাইছে যে কবিৰত্নৰ ৰচনাত প্ৰথম পুৰুষৰ ভৱিষ্যত কালত 'বো' প্ৰত্যয়ৰ লগে লগে আধুনিক 'ম' প্ৰত্যয়ৰো

প্ৰয়োগ হৈছে ; আৰু ‘ওহো’, ‘লোহো’, ‘বোহো’, ‘আহা’, ‘লাহা’, ‘বাহা’, ‘লিহি’, ‘বিহি’ আদি সম্প্ৰসাৰিত ধাতু-প্ৰত্যয়ৰ ৰূপবোৰ গদ্যত অনাৱশ্যক দেখি সঙ্কুচিত কৰা হৈছে। এই দুটা বিষয়ৰ বাহিৰে আনবোৰ বিষয়ত ভট্টদেৱৰ ভাষা শঙ্কৰ-মাধৱৰ ভাষাৰপৰা পৃথক নহয়।[৫]

ভট্টদেৱৰ ভাষা ‘সংস্কৃতীয়া শব্দেৰে ভাৰাক্ৰান্ত’ হোৱাৰ প্ৰধান কাৰণ তেওঁ আছিল গীতা-ভাগৱত আদি সংস্কৃত শাস্ত্ৰৰ অগাধ পণ্ডিত। বিশেষতে, সিবোৰ শাস্ত্ৰৰ গদ্যত লিখা টীকা-ভাষ্যৰ যুক্তিবহুল বাক্য-প্ৰণালীৰ মোহৰ প্ৰভাৱ তেওঁৰ ওপৰত আছিল, আৰু তাৰ কথা-ৰীতিৰ লগত সংযুক্ত বিশেষ অৰ্থব্যঞ্জনা-( connotation )যুক্ত শব্দৰপৰা তেওঁৰ মন আঁতৰাই অনা টান হৈ পৰিছিল। সংস্কৃত মূল আৰু টীকাৰ অনুৱাদত সংস্কৃত শব্দৰ খুন্দাও সহজতে পৰে। এনে সংস্কৃতীয়া শব্দ-সম্ভাৰৰ লগত জতুৱা আৰু ঘৰুৱা শব্দ বা খণ্ডবাক্য ৰেঙাই থাকিব বুলিয়ে তেনে শব্দ বা খণ্ডবাক্যৰ প্ৰয়োগ প্ৰায় নাই। গীতা বৰ সহজ কথা-বস্তুৰ গ্ৰন্থ নহয়, ভাগৱতৰ দাৰ্শনিক তত্ত্বমূলক অংশবোৰো কোমল পদাৰ্থ নহয়। এইবোৰ কথা ভাষাত লিখিব লগীয়া হোৱাত শ্ৰীধৰস্বামী আদিৰ টীকাৰ সঘন সহায় লোৱাত তেওঁ পাৰিভাষিকৰ কটুতা আৰু সংস্কৃতৰ বাক্য-গাঁঠনিৰ মেৰ-পাকৰো হাত সাৰিব নোৱাৰিলে। ইয়ে তেওঁৰ লেখাসমূহ জনপ্ৰিয় নোহোৱাৰ ঘাই কাৰণ ; ইবোৰৰ তুলনাত শঙ্কৰ, মাধৱ, কন্দলি আৰু গোৱিন্দ মিশ্ৰৰ পদবন্ধ গীতা-ভাগৱতৰ ঠায়ে ঠায়ে ভাষাৰ ঘৰুৱা পৰিৱেশ আৰু ছন্দৰ সংৱেদনশীলতাই তেওঁলোকৰ ৰচনাৱলী সৰ্ব্বজনৰ সম্পত্তি কৰি তুলিলে। এই যুগটোৱেই সংস্কৃতৰ বন্ধ পানীৰপৰা আঁতৰি ভাষাৰ ‘বহতী নদী’ৰ ক্ৰিয়াশীলতা অনুভৱ কৰাৰ যুগ।

কথা-শৈলীৰ ফালৰপৰা চকু দিব লগীয়া আন এটি কথা ভাগৱত-

৫ ভট্টদেৱৰ ভাষাৰ আভিধানিক আৰু বৈয়াকৰণ বৈশিষ্ট্যৰ বাবে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ ‘অসমীয়া কথা-সাহিত্য’ ( পুৰণি ভাগ ) চাওক।



পুৰাণৰ কবিত্বময়তা। হিব্ৰু ভাষাৰপৰা ইংৰাজীলৈ বাইবেল ভাঙি উলিয়াওঁতে মূলৰ হিব্ৰু কবিত্বৰ পৰশত ইংৰাজী বাইবেলৰ ভাষাও হ’ল কাব্যসুলভ। যুক্তিতকৈ আৱেগৰ হেচা অধিক হোৱা কাৰণে কাৰ্লাইলৰ *French Revolution*-ও হ’ল কাব্যোপম গদ্য। ভক্তিৰ দৰে আৱেগময় ধৰ্ম্মৰ মূলশাস্ত্ৰ ভাগৱত-পুৰাণ কবিতা-সমাগম-বহুল। তেনে এখনি শাস্ত্ৰ গদ্য কৰি লিখিলেও তাৰ কবিতাৰ প্ৰৱাহ ব্যাহত হ’ব নোৱাৰে স্বাভাৱিকতে। যুক্তি-গ্ৰথিত সংস্কৃত টীকা আৰু কটু পাৰিভাষিকৰ প্ৰভাৱ, আৰু আৱেগ-গ্ৰথিত ছন্দস্পন্দ, দুইটাৰে সংমিশ্ৰণ সকলো ঠাইতে সম্ভৱ নহ’লেও সিহঁতৰ সহাৱস্থান অসম্ভৱ নহয়। বিষয়-বস্তু আৰু প্ৰকাশ-শৈলীৰ সমন্বয়ৰ চেষ্টা কবিৰত্নৰ ৰচনাৰ এটি বিশেষত্ব।

কবিৰত্নৰ বস্তু-গ্ৰহণৰ পদ্ধতি, সংক্ষেপকৰণ, শ্ৰীধৰস্বামীৰ যুক্তি-গ্ৰথিত বাক্যাৱলীৰ প্ৰভাৱ, আৰু এই সকলোবোৰৰ ফল-স্বৰূপে তেওঁৰ গদ্যশৈলীৰ ৰূপ বুজিবলৈ তৃতীয় স্কন্ধ ভাগৱতৰ সপ্তম অধ্যায়ৰ প্ৰথমৰ অংশ লোৱা হওক। ইয়াত মূলৰ ১৪টি শ্লোক আৰু শ্ৰীধৰস্বামীৰ টীকাৰ সাৰ গ্ৰহণ কৰি কবিৰত্নই মুঠ ১১ শাৰী কথা লিখিছে। মূল ভাগৱত-পুৰাণ—

শ্ৰীশুক উৱাচ ॥ এৱং ব্ৰুৱাণং মৈত্ৰেয়ং দ্বৈপায়নসুতো বুধঃ।
প্ৰীণয়ন্নিৱ ভাৰত্যা ৱিদুৰঃ প্ৰত্যভাষত ॥ ১

ৱিদুৰ উৱাচ ॥ ব্ৰহ্মন্ কথং ভগৱতশ্চিন্মাত্ৰস্যাৱিকাৰিণঃ।
লীলয়া চাপি যুজ্যেৰন্নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ ॥ ২
ক্ৰীড়ায়ামুদ্যমোঽৰ্ভস্য কামশ্চিক্ৰীড়িষান্যতঃ।
স্বতস্তৃপ্তস্য চ কথং নিৱৃত্তস্য সদাত্মনঃ ॥ ৩
অস্ৰাক্ষীদ্ভগৱান্ ৱিশ্বং গুণময্যাত্মমায়য়া।
তয়া সংস্থাপয়ত্যেতদ্ভূয়ঃ প্ৰত্যভিধাস্যতি ॥ ৪
দেশতঃ কালতো যোঽৱস্থাতঃ স্বতোঽন্যতঃ।
অৱিলুপ্তাৱবোধাত্মা স যুজ্যেতাজয়া কথম্ ॥ ৫

ভগৱানেক এৱৈষ সৰ্ব্বক্ষেত্ৰেষ্ৱস্থিতঃ।
অমুষ্য দুৰ্ভগত্বং বা ক্লেশো ৱা কৰ্মভিঃ কৃতঃ ॥ ৬
এতস্মিন্মে মনো ৱিদ্বন্ খিদ্যতেঽজ্ঞানসংকটে।
তন্নঃ পৰাণুদ ৱিভো কশ্মলং মানসং মহৎ ॥ ৭

শ্ৰীশুক উৱাচ॥ স ইত্থং চোদিতঃ ক্ষত্ৰা তত্ত্বজিজ্ঞাসুনা মুনিঃ।
প্ৰত্যাহ ভগৱচ্চিত্তঃ স্ময়ন্নিৱ গতস্ময়ঃ ॥ ৮

মৈত্ৰেয় উৱাচ॥ সেয়ং ভগৱতো মায়া যন্নয়েন ৱিৰুদ্ধ্যতে।
ঈশ্বৰস্য ৱিমুক্তস্য কাৰ্পণ্যমুত বন্ধনম্ ॥ ৯
যদৰ্থেন ৱিনাঽমুষ্য পুংস আত্মৱিপৰ্যয়ঃ।
প্ৰতীয়ত উপদ্ৰষ্টুঃ স্বশিৰশ্ছেদনাদিকঃ ॥ ১০
যথা জলে চন্দ্ৰমসঃ কম্পাদিস্তৎকৃতো গুণঃ।
দৃশ্যতেঽসন্নপি দ্ৰষ্টুৰাত্মনোঽনাত্মনো গুণঃ ॥ ১১
স ৱৈ নিবৃত্তিধৰ্মেণ ৱাসুদেৱানুকম্পয়া।
ভগৱদ্ভক্তিযোগেন ৱিৰোধেন শনৈৰিহ ॥ ১২
যদেন্দ্ৰিয়োপৰামোঽথ দ্ৰষ্ট্ৰাত্মনি পৰে হৰৌ।
ৱিলীয়ন্তে তদা ক্লেশাঃ সংসুপ্তস্যেৱ কৃৎস্নশঃ ॥ ১৩
অশেষসংক্লেশশমং ৱিধত্তে গুণানুৱাদঃ শ্ৰৱণং মুৰাৰেঃ।
কুতঃ পুনস্তচ্চৰণাৰৱিন্দপৰাগসেৱাৰতিৰাত্মলব্ধা ॥ ১৪

শ্ৰীধৰ স্বামীৰ টীকা—

অথ তে ভগৱল্লীলা যোগমায়োপবৃংহিতাঃ ইত্যাদিনা মায়াগুণৈৰ্লীলয়া ভগৱান্ স্ৰষ্ট্যাদি কৰোতীত্যেৱং ক্ৰৱাণং ভাৰত্যা প্ৰাৰ্থনাৰূপয়া প্ৰীণয়ন্নিৱেত্য-ভিপ্ৰায়াজ্ঞানেনাক্ষেপাৎ ॥ ১ ॥ নিৰ্ৱিকাৰস্য ক্ৰিয়া নিৰ্গুণস্য চ গুণাঃ কথং লীলয়েত্যুক্তিঃ প্ৰয়োজনাভাৱং পৰিহৰতি। ন ৱস্তুৱিৰোধমিতি ভাৱঃ ॥ ২ ॥ অৰ্ভকৱল্লীলাপি ন যুজ্যতে ৱৈষম্যাদিত্যাহ।···অৰ্ভকস্য ক্ৰীড়ায়াং প্ৰবৃত্তিহেতুঃ কামোঽস্তি অন্যতস্তু ৱস্ত্বন্তৰেণ বালান্তৰপ্ৰৱৰ্তনেন ৱা তস্য ক্ৰীড়েচ্ছা ভৱতি ঈশ্বৰস্য তু স্বতস্তৃপ্তস্য কথং কামোঽন্যতঃ সদা নিৱৃত্তস্য চাসঙ্গাদ্বিতীয়স্য কথমন্যতশ্চিক্ৰীড়িষেত্যৰ্থঃ ॥ ৩ ॥ যচ্চোক্তম্ 'স্মৰন্ বিশ্বসৃজামীশো ৱিজ্ঞাপিত-মধোক্ষজঃ' ইত্যাদিনাৱিদ্যোপাধেৰ্জীৱস্য ভোগাৰ্থমীশ্বৰঃ স্ৰষ্ট্যাদি কৰোতীতি তদপ্যাক্ষেপ্তুমনুৱদতি। অস্ৰাক্ষীদিতি। গুণময়ী আত্মনো জীৱস্য কৰ্তৃত্ব-ভোক্তৃত্বাদিমোহোৎপাদিকা যা মায়া তয়া সৃষ্টৱান্।···অতো ভগৱতো মায়া মায়িনামপি মোহিনী ইতি। সংস্থাপয়তি পালয়তি প্ৰত্যভিধাস্যতি প্ৰাতি-লোম্যেন তিৰোহিতং কৰিষ্যতি ॥ ৪ ॥ এতচ্চ জীৱস্যাৱিদ্যাশ্ৰয়ত্বে ঘটেত ন তু তৎ সম্ভৱতীত্যাহ। দেশত ইতি। যোঽসৌ দেশাদিভিৰৱিলুপ্তাৱবোধ আত্মা জীৱঃ ব্ৰহ্মস্বৰূপত্বাৎ স কথমজয়াৱিদ্যয়া যুজ্যেত? তত্ৰ দেশতো দীপপ্ৰভায়া ইৱ লোপো নাস্তি সৰ্ৱগতত্বাৎ। ন কালতো ৱিদ্যুত ইৱ নিত্যত্বাৎ। নাৱস্থাতঃ স্মৃতিৱদৱিক্ৰিয়ত্বাৎ। ন স্বতঃ স্বপ্নৱৎ সত্যত্বাৎ। নান্যতো ঘটাদিৱদদ্বিতীয়ত্বাৎ। এৱমেতৈৰ্যস্য বোধো ন লুপ্যতে স কথমজয়া যুজ্যেত অজা চাত্ৰাৱিদ্যৈৱ ন মায়া তস্যা অৱবোধেন ৱিৰোধাভাৱাৎ ॥ ৫ ॥ কিঞ্চ ব্ৰহ্মৰূপত্বাদেৱ জীৱস্য সংসাৰোঽপি ন ৱিদ্যত ইত্যাক্ষিপতি। সৰ্ৱক্ষেত্ৰেষ্ৱস্থিতো ভোক্তাপি ৱস্তুতো ভগৱানেৱ চিদ্ৰূপত্বেন তদ্ব্যতিৰেকাভাৱাৎ। এৱং চ সত্যমুষ্য জীৱস্য দুৰ্ভগত্ব-মানন্দাদিভ্ৰংশঃ কৰ্মভিৰ্হেতুভূতৈঃ ক্লেশো ৱা কুতঃ কৰ্মসম্বন্ধাভাৱাৎ। অন্যথা ঈশ্বৰস্যাপি তৎপ্ৰসঙ্গঃ স্যাদিতি ভাৱঃ ॥ ৬ ॥ অজ্ঞানমেৱ সংকটং দুৰ্গং তস্মিন্ তন্মানসং কশ্মলং মোহং পৰাণুদাপাকুৰু ॥ ৭ ॥ ···॥ ৮ ॥ ভগৱতোঽচিন্ত্য-শক্তেৰীশ্বৰস্য সেয়ং মায়া নয়েন তৰ্কেণ ৱিৰুদ্ধ্যত ইতি যৎ তৰ্কৱিৰোধমেৱানু-ৱদতি। ৱিমুক্তস্যৈৱ পুংসোঽৱিদ্যয়া ৱন্ধনং কাৰ্পণ্যং চেতি ॥ ৯ ॥ অত্ৰোদাহ-ৰণমাহ। যদ্ যথা অৰ্থেন শিৰশ্ছেদাদিনা ৱিনাপ্যুপদ্ৰষ্টুঃ স্বপ্নসাক্ষিণো মমেদং শিৰশ্ছিন্নমিত্যাত্মৱিপৰ্যয়ঃ কেৱলং মৃষৈৱ প্ৰতীয়তে তদ্বৎ ॥ ১০ ॥ তৰ্হীশ্বৰস্যাপি কিং ন প্ৰতীয়েত তত্ৰাহ। যথা জলে প্ৰতিবিম্বিতস্যৈৱ চন্দ্ৰমসো জলোপাধিকৃতঃ কম্পাদিধৰ্মো দৃশ্যতে ন ত্বাকাশে স্থিতস্য। তথানাত্মনো দেহাদেৰ্ধৰ্মোঽসন্নপি তদভিমানিনো দ্ৰষ্টুৰাত্মনো জীৱস্যৈৱ নত্বীশ্বৰস্যেত্যৰ্থঃ ॥ ১১ ॥ তন্নিবৃত্ত্যুপায়মাহ। স ৱৈ অনাত্মনো গুণো নিবৃত্তিধৰ্মেণ ৱাসুদেৱস্যানুকম্পা তয়া চ তস্মিন্ ভক্তি-যোগস্তেন তিৰোধত্তেঽদৃশ্যো ভৱতি। শনৈৰিত্যনেন সাধনানুসাৰেণেত্যুক্তম্ ॥১২॥ তৰ্হি সৰ্ৱানৰ্থনিবৃত্তিঃ কদেত্যপেক্ষায়ামাহ। যদেন্দ্ৰিয়ানামুপৰামো নৈশ্চল্যং, ক্ব দ্ৰষ্টৰ্যাত্মন্যন্তৰ্যামিৰূপে। ···॥ ১৩ ॥ ভক্তিযোগেন ক্লেশনিবৃত্তিং দৰ্শয়তি। ·· ॥ ১৪ ॥



শ্ৰীধৰস্বামীৰ যুক্তি-তৰ্কৰ দ্বাৰা বস্তু-প্ৰতিপাদন ক্ষমতা অসীম। ভাগৱতৰ মতৰ বিৰোধ-নিবৃত্তি আৰু শ্লোকৰপৰা শ্লোকান্তৰলৈ ভাৱ-সঙ্গতিৰ নিবিড়তা স্থাপন তেওঁৰ চিন্তা তথা ৰচনা-শৈলীৰ মনোৰম

বিশেষত্ব। ভাগৱতৰ উপৰোদ্ধৃত চৈধ্যটি শ্লোকৰ ব্যাখ্যাত ক'ব লগীয়া সকলো কথা আৰু সমাধান কৰিব লগীয়া প্ৰায় সকলো প্ৰশ্নৰ সমাধান তেওঁ টীকাত দিছে। ইয়াৰ পিছত কবিৰত্নৰে বা নতুন কথা ক'ব লগীয়া কি থাকিব পাৰে? গুৰুজনৰ 'সংক্ষেপ কৰিয়া সাৰ মাত্ৰ লৈয়া কৰা কথা কবিৰত্ন', এই উপদেশ মনত ৰাখি তেওঁৰ কৰ্ত্তব্য মাত্ৰ 'ভাৱাৰ্থদীপিকা'ৰ পোহৰত ভাগৱতৰ কথাখিনি যথাসম্ভৱ পৰিস্কাৰ কৰি চমুতে 'সাৰোদ্ধাৰ' প্ৰকাশ কৰা। এইটি বৰ সহজ কাম নহয়। চিন্তাশীল মনে চিন্তাৰ আঁত মাৰি কথা কোৱাৰ প্ৰলোভনৰ হাত সৰা টান। আনফালে, মূল কথাখিনিৰ আঁত ছিগিবলৈ দিয়াও বাঞ্ছনীয় নহয়। এইবোৰ সমস্যাৰ মাজত কবিৰত্নই কেনেকৈ মধ্যম পন্থ অৱলম্বন কৰিছে, মন কৰিব লগীয়া।—

> বিদুৰে পুছন্ত, হে মৈত্ৰেয়, নিগুণ ভগৱন্তৰ গুণময় সৃষ্টি আদি লীলা কেমনে হয়? তুমি কহিছা, মিছা জীৱৰ অৰ্থে কৰন্ত। সিও নঘটে। দেশ-কালাদিয়ে অলুপ্তবোধ ব্ৰহ্ম-ৰূপ জীৱৰ কেনে অবিদ্যাময় সংসাৰ হয়, মোৰ এই মনৰ সংশয় দূৰ কৰা।
>
> মৈত্ৰেয়ে কহন্ত, জানা বিদুৰ, এইতো হৰিৰ মায়া। ই বিচাৰ নহে, যাত হন্তে মিছা সংসাৰো জীৱত লক্ষি, যেন স্বৰূপ আপুনাৰ শিৰ আপুনি ছেদ দেখি। বোলা যদি, ঈশ্বৰত কেনে নেদেখি, আত দৃষ্টান্ত শুনা,—যেনে চন্দ্ৰৰ প্ৰতিবিম্বতেসে কম্পাদি গুণ দেখি, বিম্বত নেদেখি, তেমনে জীৱৰেসে সংসাৰ, ঈশ্বৰৰ নাই। এতেকে ঈশ্বৰত ভক্তি কৰিলে আপুনি সংসাৰ গুচে। বুলিবা কেতিয়া গুচিবে? তাত শুনা .....।

ইয়াত 'সিও নঘটে', 'বোলা যদি', 'আত শুনা', 'এতেকে,'—এই খণ্ডবাক্যবোৰে বিৰোধ-নিৱাৰণ, সংশয়াত্মক প্ৰশ্নৰ উপস্থাপন, সংশয়-নিবৃত্তি আৰু উপসংহাৰ আদি চিন্তাৰ বাদাত্মক গতি নিৰ্দ্দেশ কৰিছে। গতিকে ইয়াত ব্যাখ্যামূলক ( expository ) কথাশিল্পীৰ গুণো হৈছে নৈৰ্ব্যক্তিকভাৱে বাদাত্মক আৰু প্ৰত্যয়কাৰী ( argumentative,



persuasive )। মূলৰ বা শ্ৰীধৰস্বামীৰ অনেক কথা ভট্টদেৱে সন্নিৱেশ কৰিব পৰা নাই, কাৰণ 'বিস্তৰ পাত' নলগাকৈ তেওঁ ভাগৱত-কথা লিখি উলিয়াব লাগিব। কোনো কোনো ঠাইত এই সংক্ষেপকৰণে উপপাদ্য বিষয়টো বুজাও পাঠকৰ কাৰণে কঠিন কৰি তুলিছে; ঠায়ে ঠায়ে মূল কথাবোৰৰ আভাস ( gist ) মাত্ৰ দি গৈছে। এনেবোৰ ঠাইতে শৈলীৰ নীৰস কঠোৰতাই দেখা দিছে, যদিও সি তেওঁৰ সমূলি ঈপ্সিত নহয়।

কথা কোৱাটো যদি এটি নিয়মিত কলা হয়, তেনেহ'লে তাক সুৰলাকৈ কোৱাটো নিশ্চয় প্ৰশংসনীয়। কিন্তু কবিতাৰ ছন্দপতন যেনেকৈ ৰসভঙ্গৰ লক্ষণ, কথা-শৈলীত ছন্দপ্ৰয়োগ, বিশেষকৈ সচেতন-ভাৱে ছন্দপ্ৰয়োগ, সমালোচকসকলৰ অপ্ৰিয়। আমাৰ দিনতে লম্বোদৰ বৰা আদিয়ে ধ্বনিপ্ৰৱাহযুক্ত মঞ্জুল গদ্যেৰে আমাৰ মৰম লগাইছে; আন ভাল ভাল কথাকাৰৰ ৰচনাতো মাজে সময়ে ছন্দৰ হিল্লোল আমাৰ কাৰণে আমনি লগা নহয়। আনফালে, ভট্টদেৱৰ কথাবন্ধ আধুনিক গদ্য-শৈলীৰ প্ৰতি প্ৰযত্ন নহয়। বৰং তেওঁৰ কথাবন্ধই, সংস্কৃত কথা-নামক ৰচনা আৰ্য্যা আদি ছন্দলৈ মাজে মাজে বাগৰি যোৱাৰ দৰে, অকপট ছন্দধ্বনি অৱলম্বন কৰিছে, আন কি, গদ্যৰ বৰ্জ্জিত অন্ত্যানুপ্ৰাসো দেখা-দেখিকৈ ব্যৱহাৰ কৰিছে। তৃতীয় স্কন্ধৰ ২৮শ অধ্যায়ত 'ইন্দ্ৰিয় মম নিয়মি হৃদয়ত হৰিৰ ৰূপ চিন্তিব', এই নিৰ্ভুল গদ্যৰ পিছত 'কেমন ৰূপ' বুলি প্ৰশ্ন কৰি ভট্টদেৱে একাৱলী আৰম্ভ কৰিছে,—

> শ্যাম-সুন্দৰ । পীতাম্বৰ ॥ প্ৰসন্ন-বদন । কমল নয়ন ॥
> নাসা তিলফুল । অধৰ ৰাতুল ॥ মুখে মন্দ হাস । কটাক্ষ-বিলাস ॥
> পৰম নিৰুজ । চাৰু চতুৰ্ভুজ ॥ শঙ্খ-চক্ৰধৰ । গদা-পদ্ম-কৰ ॥
> সৰ্ব্বাঙ্গে সুন্দৰ । ৰূপ মনোহৰ ॥ কিৰীটিৰ কান্তি । অলকাৰ পান্তি ॥
> কৰ্ণত কুণ্ডল । শোভে গণ্ডস্থল ॥ কৌস্তুভ কণ্ঠত । শ্ৰীৱৎস বক্ষত ॥
> বনমালাচয় । ভ্ৰমৰে ৰঞ্জয় ॥ অঙ্গদ বলয় । বাহুত শোভয় ॥

মেখলা কটিত । কিঙ্কিনী-ৰঞ্জিত ॥ চৰণ দুতয় । নূপুৰে শোভয় ॥
ৰঙ্গা পাদতল । অঙ্কুশ কমল ॥ ধ্বজ বজ্ৰ ভান্তি । নখচন্দ্ৰ-কান্তি ॥
জজ্ঘা জানুবৰ । উৰু কৰিকৰ ॥ কিশোৰ বয়স । আছে সৰ্ব্ব ৰস ॥
ভকত-বৎসল । পৰম উজ্জল ॥ ভক্ত হৃদয়ত । থাকন্ত সতত ।

ইয়াক ছন্দস্পন্দযুক্ত গদ্য বুলিলেও সমালোচকৰ আত্মপ্ৰৱঞ্চনা হ'ব, কাৰণ এয়া উদাৰভাৱে ছন্দময় কবিতা। ইয়াৰ পিছৰ পুনৰ আৰম্ভ হ'ল,—

এমনে সমগ্ৰ ৰূপ মনত থিৰ কৰি এৰৈক অঙ্গ চিন্তিব [ এয়া গদ্য । ]
চৰণৰপৰা : হাস্য পৰ্য্যন্ত ।

বাক্যটোৰ পিছৰ অংশ ছন্দিত, শঙ্কৰদেৱৰ ধ্যান-বৰ্ণনৰ অনুৰূপ ।—

মস্তকৰপৰা : পাদ পৰ্য্যন্তে ।
নমাইবে মনক : ছুনাই দেখন্তে ॥

এনে ধৰণৰ অনেক বাক্য ওলাব, য'ত অন্ততঃ একাংশ ছন্দৰ পৰ্ব্ব অনুসৰি ভাগ কৰিব পৰা যাব। ইয়াৰ উপৰি ঠায়ে ঠায়ে সমপংক্তিক বা সমছন্দ নহ'লেও নিয়ত বাক্যাংশ ( harmonic period ) থকা বাক্যও আছে। এনে নিয়ত বাক্যাংশই বাক্য এটাত হেন্দোলনি দি মঞ্জুল ( sonorous ) কৰি তোলে ।—

যাক সৰস্বতী । নদী আবৰিছে, ।
যাৰ পুণ্যজলক ) ঋষিসৱে সেৱা কৰে, ।
যাত নানা ) বৃক্ষলতাসৱ আছে, ।
অনেক ) পশু-পক্ষীসৱো আছে, ।
মনু সেই আশ্ৰম্ পশি, ।
পৰম সুন্দৰ । তপস্বী ঋষিক দেখি, ।
নমস্কাৰ কৰিলা ।

কোনো বাক্য গদ্যৰ সাধাৰণ ৰূপত ( পদ্যৰ বিশ্লেষণ তাত সম্ভৱ হ'লেও ) আৰম্ভ কৰি ৰীতিসম্মত ছন্দ আৰু অন্ত্যানুপ্ৰাসেৰে শেষ কৰা হৈছে।



হে নাৰদ, মোক তুমি কি দায়া কৰিলা,
যাতো গোৱিন্দৰ গুণ কহিতে বুলিলা। ( ২. ৫ )

ইয়াৰ লগত শঙ্কৰদেৱৰ তলৰ শাৰীকেইটা মিলাই চালে এনে লাগে কবিৰত্নৰ অন্তৰ যেন পূৰ্ব্বকবিসকলৰ ছন্দৰ হিল্লোলত হিল্লোলিত হৈ আছে, আৰু সেই হেতুকেই তেওঁৰ ভাষাত আপোনা-আপুনি ছন্দস্পন্দৰ সমাৱেশ ঘটিছে।

ধন্য ধন্য কৃপালু নাৰদ মহামতি ॥
মোক পুনু আসি তুমি কৃপাসে কৰিলা ।
যাতো গোৱিন্দৰ গুণ কহিবে বুলিলা ॥ ( দ্বিতীয় স্কন্ধ )

এনে ধৰণে কবিগুৰুসকলৰ কবিতাৰ পংক্তিৰ দ্বাৰা ভট্টদেৱী গদ্যহে অনুপ্ৰাণিত হৈছিল, এনে নহয়, চৰিতৰ গদ্যতো তাৰ সহজ প্ৰতিধ্বনি উঠিছে ঠায়ে ঠায়ে ।—

আতৈএ বোলে ঃ নাৰদক কৃপাসে কৰিলা ঃ যাতো গোৱিন্দৰ গুণ কহিবে বুলিলা ঃ মোকো তোমাসৱে কৃপাসে কৰিলা ঃ দাসক এই তিনি তাপে পুৰি মাৰে ঃ প্ৰাণগুৰু সুমৰাইলা আজি ।

ভাগৱত বেছি অংশই বিৱৰণাত্মক। বিৱৰণমূলক গদ্যৰীতি কৃতকাৰ্য্য হয় যদি সি সৰল হয় আৰু বিষয়পদাশ্ৰিত ( objective ) হয়; তদুপৰি সি বেগময় আৰু চিত্ৰধৰ্ম্মী হোৱা বাঞ্ছনীয়। 'ভাগৱত-কথা'ৰ অনেক বিৱৰণতেই অত্যন্ত খৰ-ধৰ লাগিলেও এইবোৰ গুণ ঠায়ে ঠায়ে দেখা পোৱা যায়।

'ভাগৱত-কথা'ৰ ভাষা আৰু কথা-শৈলীতকৈ 'গীতা কথা'ৰ ভাষা আৰু কথা-শৈলী বেছি পুৰঠ, গম্ভীৰ আৰু ওজস্বী। ইয়াতো একেই ব্যাখ্যামূলক কথাৰীতি অৱলম্বন কৰা হৈছে। 'ভাগৱত-কথা'ত মূলৰ কথাখিনিৰ সাৰাৰ্থৰ আভাস দিয়ে কবিৰত্ন ক্ষান্ত হ'ব লগীয়া হৈছিল; পঞ্চম স্কন্ধৰ ভাওনিৰ শেষত সেই কাৰণে তেওঁ তাক 'পঞ্চমস্কন্ধগূঢ়াৰ্থ-কথাযথাৰ্থৰূপিণী' বুলিছে। গীতাৰ অনুবাদ কৰোঁতে কিন্তু তেওঁৰ হাত বন্ধনৰপৰা মুকলি, গতিকে 'গীতা-কথা'তে তেওঁৰ আচল স্টাইল

প্ৰকাশ পাইছে। সমস্ত ভাৰতবৰ্ষতে ৰামায়ণ-গীতা-ভাগৱত আদিৰ যি কথকতা চলে, 'ভাগৱত-কথা' 'গীতা-কথা' তাৰে এটি সাহিত্যিক নিদৰ্শন। সেই হিছাপেও তাৰ এটি তাৎপৰ্য্য বৰ্ত্তমান। কিন্তু কবিৰত্নই তেনে কথকতাৰ কথিত ভাষা ব্যৱহাৰ নকৰি তদানীন্তন সাহিত্যৰ উদাত্তীকৃত ভাষাকেহে ব্যৱহাৰ কৰিছে। এই ভাষাৰূপ ত্যাগ কৰি সত্ৰৰ সম্ভ্ৰান্ত কথাৰীতি গ্ৰহণ কৰা হ'লে কবিৰত্ন কথা-চৰিতৰ পৰ্য্যায়ৰ উচ্চাঙ্গৰ স্বৰূপ গদ্যৰ স্ৰষ্টা হ'লহেঁতেন। তাকে নকৰা কাৰণে তেওঁৰ ৰচনা লোকপ্ৰিয় নহ'ল আৰু তেওঁৰ পন্থা অনুসৰণ কৰা লেখকৰ অভাৱ ঘটিল।

মহেশ্বৰ নেওগ

॥ শ্ৰীভাগৱত-কথা ॥

## ॥ দ্বিতীয় স্কন্ধ ॥

### ॥ প্ৰথম অধ্যায় ॥

॥ শ্ৰৱণ-কীৰ্ত্তন সমে ভগৱদ্‌ৰূপৰ থূল ধাৰণা ॥

॥ শ্লোক ॥ ৱন্দে গোৱিন্দমীশানমিন্দিৰানন্দৱৰ্ধনং।
ৱৃন্দাৰণ্যকবন্দাৰুৱৃন্দাৰকগণাৱৃতম্ ॥

যাৰ নাম-কীৰ্ত্তন যাগ-যোগাদিৰ সত্যফল, সেই পৰমানন্দ গোৱিন্দক নমো।

প্ৰথম স্কন্ধত শ্ৰোতা-বক্তাৰ জন্ম-কৰ্ম্ম প্ৰসঙ্গ সহিতে কহিলা। আবে দ্বিতীয় স্কন্ধত দশ অধ্যায় সংক্ষেপে ভাগৱত কহিবা। তাত প্ৰথম অধ্যায়ে ৰাজাৰ প্ৰশ্নৰ উত্তৰ কহিতে শ্ৰৱণ-কীৰ্ত্তন সমে থূল ধাৰণা কহিবা।

---

॥ প্ৰথম অধ্যায় ॥

কবিৰত্নদেৱে জয়জয়তে লক্ষ্মী দেৱীৰ আনন্দবৰ্দ্ধনকাৰী আৰু কৃষ্ণ-ৰূপী বিষ্ণুক বন্দনা জনাইছে এটি শ্লোকেৰে; তাৰ পিছতে শ্ৰীধৰস্বামীৰ টীকাৰ নিৰ্দ্দেশ অনুসৰি কথাৰে পৰমানন্দ গোৱিন্দক নমস্কাৰ কৰি প্ৰসঙ্গ মুকলি কৰিছে। দ্বিতীয় স্কন্ধৰ মূল কথা থূলমূলকৈ শ্ৰীভাগৱত বৰ্ণনা কৰা,—

দ্বিতীয়ে তু দশাধ্যায়ে শ্ৰীভাগৱতমাদিতঃ।
উদ্দেশলক্ষণোক্তিভ্যাং সংক্ষেপেণোপৱৰ্ণ্যতে ॥ (শ্ৰীধৰ)

ইয়াৰ প্ৰথম অধ্যায়ৰ কাম হ'ল শ্ৰৱণ-কীৰ্ত্তন আদিৰে ভগৱদ্‌ৰূপত মনৰ ধাৰণা নিৰূপণ কৰা। শুক মুনিয়ে এই নিৰূপণ কাৰ্য্য কৰিছে প্ৰথম স্কন্ধৰ শেষ উনবিংশ অধ্যায়ৰ অন্তৰ পৰীক্ষিত ৰজাৰ এই প্ৰশ্নৰ উত্তৰ-প্ৰসঙ্গত: "পুৰুষৰ মৰণ সময়ত কি কৰ্ত্তব্য, কি অকৰ্ত্তব্য, কাক ভজিব, কি শুনিব, কি জপিব, কি চিন্তিব আৰু মোক এখানে কহিয়োক।" মুনিয়ে ৰজাৰ প্ৰশ্নক অভিনন্দা জনায়ে বক্তব্য আৰম্ভ কৰিছে।

১-৬ ] শ্ৰীশুকদেৱে বোলন্ত, "হে মহাৰাজা, তুমি ভাল প্ৰশ্ন কহিলা। যাতো লোকৰ হিত, মুক্তৰো সম্মত, ভগৱন্ত কৃষ্ণৰ শ্ৰৱণ কীৰ্ত্তন স্মৰণ কৰিবো।

"প্ৰথমে অকৰ্ত্তব্য প্ৰশ্নৰ উত্তৰ শুনা: অজ্ঞানী লোকৰ অনেক অকৰ্ত্তব্য আছে; সি কৰ্ম্মে পুনু বৃথায়ে আয়ু যাই, যাতো দিনত অকাৰ্য্যে মিছা পুত্ৰ-ভাৰ্য্যা পোষে, ৰাত্ৰিত মৈথুন নিদ্ৰা কৰে, আপুনাৰ মৰণ নেদেখে। এতেকে পুৰুষৰ এইমানে কৰ্ত্তব্য, ভগৱন্ত কৃষ্ণক শ্ৰৱণ-কীৰ্ত্তন স্মৰণ কৰিব, যাতো হৰি-স্মৰণেসে জন্মৰো লাভ, সাংখ্য-যোগ-স্বধৰ্ম্মৰো ফল।[১] অন্ত-কালত স্মৰণৰ পুনু কি মহিমা কহিবো? —এতেকে মুক্ত হয়! মুক্তসৱো হৰি-কথাত সদা ৰতি কৰে।

৭-১১ ] "বুলিবা, 'অপূৰ্ব্ব কহিলা।' ই অত্যন্ত অপূৰ্ব্ব, যাতো ই শাস্ত্ৰ ভগৱন্তে কহিলা, নাম-প্ৰধান, চাৰি বেদ-তুল্য; কলি-যুগৰ আন্তত ময়ো ব্যাসত পঢ়িলো। বুলিবা, 'মুক্ত হুই কেনে ভাগৱত পঢ়িলা?' আত শুনা: মঞি নিৰ্গুণ ব্ৰহ্মত থাকিতিয়ো হৰি-গুণে টানি আনিলেক; এতেকে ভাগৱত পঢ়িলো।[২] সেই ভাগৱত তোমাত

১। 'সাংখ্য-যোগ-স্বধৰ্ম্মৰো ফল'—আত্মানাত্ম-বিৱেক-স্বৰূপ সাংখ্য, ধ্যান-ধাৰণা আদি অষ্টাঙ্গ-ৰূপ যোগ, আৰু স্বধৰ্ম্মৰ দ্বাৰা যদি প্ৰাণ-প্ৰয়াণৰ সময়ত নাৰায়ণ-স্মৰণ হয়, সিয়ে পুৰুষৰ জন্মৰ পৰম লাভ হ'ব। ইয়াত ভক্তি এৰি স্বতন্ত্ৰভাৱে সাংখ্য যোগাদিৰ দ্বাৰা পৰমাৰ্থ-লাভৰ পথ বাৰণ কৰা হৈছে।

২। ভাগৱত—ভগৱৎ-প্ৰোক্ত ভগৱৎ-বিষয়ক শাস্ত্ৰ, ভগৱদ্ভক্তি-নিৰূপক পুৰাণ। 'ইদং ভাগৱতং নাম পুৰাণং ব্ৰহ্মসম্মিতম্' (শ্লোক ৮)। শ্ৰীধৰে ব্যাখ্যা কৰি কৈছে—'ইদং ভগৱৎপ্ৰোক্তং তন্নামৈকপ্ৰধানং পুৰাণং ব্ৰহ্মসম্মিতং -ৰৱেদতুল্যং যদ্বা ব্ৰহ্ম সম্যক্ মিতং যেন কুতস্ত্বয়া প্ৰাপ্তমত আহ।'

মূলৰ ৭, ৯ আৰু ১০ সংখ্যক শ্লোকৰ ভাঙনি মাধৱদেৱে এইদৰে দিছে "নামঘোষা"ত,—



কহিবো, যাতো তুমি পৰম বৈষ্ণৱ,[৩] যাত শ্ৰদ্ধামাত্ৰে মুকুন্দত সতী মতি[৪] হৱে। জানা ৰাজা, ইহাৰ কীৰ্ত্তনে কামীৰ কামনা পূৰণ কৰে, মুমুক্ষুৰ মোক্ষ সাধে, মুক্তৰো এহিসে ফল।

১১-৩৯ ] "'মোৰ অল্প আয়ু মাত্ৰ' বুলি খেদ নকৰিবা। প্ৰমত্তজনৰ অনেক আয়ু কি কাৰ্য্য সাধিলে? বিৱেকীজনৰ দুই দণ্ডে মুক্তি সাধে। ইহাত প্ৰমাণ কহো। খট্বাঙ্গ ৰাজা দেৱৰ পক্ষ হয়া অসুৰ জিনিলা। পাছে দেৱসৱে তুষ্ট হয়া বৰ যাচিলা। ৰাজা বোলন্ত,

ঐকান্তিক মহামুনি যত নিৱৰ্ত্তিয়া বিধি-নিষেধত
নিৰ্গুণ ভাৱত থিতি হুয়া নিৰন্তৰ।
জানি পুৰুষাৰ্থ সাৰ-তত্ত্ব কৃষ্ণ-কথামৃত-সাগৰত
কথনে-মথনে সদায়ে ৰমণ কৰে॥ ৬৪৭
হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষফল
তাহাৰাসৱৰো চিত্তক আনয় টানি।
এতেকে নিপুণ যিটোজন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নছাড়িবা সাৰ জানি॥ ৬৪৮
শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম-শ্লোকৰ মহিমা-গুণে।
কৰিলেক মোক বঞ্চিত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো আমি আপুনে॥ ৬৪৯
তোমাত কহিবো সেহি শাস্ত্ৰ তুমি আৰু শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা-মাত্ৰকত মুকুন্দৰ পাদ-পঙ্কজত
আতি শীঘ্ৰে তাৰ হুইবে জানা সতী মতি॥ ৬৫০

কবিৰত্নদেৱৰ কথাত মাধৱদেৱৰ মনোৰম অনুবাদৰ ছাঁ পৰিছে।

৩ কবিৰত্নৰ 'পৰম বৈষ্ণৱ' আৰু মাধৱদেৱৰ 'মহাপুৰুষৰ সেৱক'ৰ মূল ভাগৱতৰ 'মহাপৌৰুষিকো',—শ্ৰীধৰস্বামীৰ মতে 'মহাপুৰুষো ৱিষ্ণুস্তদীয়ঃ', অৰ্থাৎ সাধাৰণ ভাষাত 'মহাপুৰুষীয়া।'

৪ 'সতী মতি'—অহৈতুকী, অব্যৱহিতা ভক্তি।

'মোৰ আয়ু কহ।' দেৱসৱে বোলন্ত, 'দুই দণ্ড মাত্ৰ আয়ু আছে।' পাছে দেৱদত্ত বিমানে পৃথিৱীত আসি সকল সঙ্গ এৰি হৰিক চিন্তি গতি পাইলা। তোমাৰ পুনু সাত দিন আয়ু আছে। এতেকে যথাযোগ্য পৰলোকৰ কৰ্ম্ম কৰা।[৫] অন্ত-কালে পুৰুষে মৃত্যুত ভয় নকৰিব; কিন্তু বৈৰাগ্য-খৰ্গে পুত্ৰ-ভাৰ্য্যাৰ স্নেহ-লতা কাটিব; গৃহৰ বঝাই পুণ্য তীৰ্থ যাইব; নিৰঞ্জন থানত আসন পাৰি বহিব; প্ৰাণায়ামে মন থিৰ কৰিব, হৰিৰ স্থূল ৰূপ চিন্তিব। যি বিৰাট ৰূপত চৈধ্য ভুৱন আছে, সকল দেৱগণো প্ৰকাশ কৰে, সি বৈৰাজ নাৰায়ণক আগে অভেদে ধৰিব।[৬] পাছে নাৰায়ণক মাত্ৰ চিন্তিব; তেবে পৰমানন্দ পায়া কৃতাৰ্থ হয়।[৭] এতেকে বিবেকীজনে সদায় হৰিক ভজোক, আনত মন নেদোক।"

॥ শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং দ্বিতীয়স্কন্ধে প্ৰথমোঽধ্যায়ঃ ॥

৫ শুক মুনিয়ে পৰীক্ষিতক অন্ত-কালৰ কৰ্ত্তব্য নিৰ্দ্দেশ কৰি অষ্টাঙ্গ যোগৰ পৰামৰ্শ দিছে—ব্ৰহ্মচৰ্য্যাদি যম, তীৰ্থ-স্নানাদি নিয়ম, আসন, প্ৰণৱ জপ-স্বৰূপ প্ৰাণায়াম, ভগৱদ্ৰূপৰ ধাৰণা, ইত্যাদি।

৬ 'হৰিৰ স্থূল ৰূপ', 'বিৰাট ৰূপ' বা 'বৈৰাজ নাৰায়ণ'—ভগৱন্তৰ এই বিৰাট ৰূপৰ বৰ্ণনা কৱিৰত্নই ইয়াত নিদি পঞ্চম অধ্যায়লৈ থৈছে। (যথাস্থানত চাওক।) ক্ষিতি, অপ্, তেজঃ, মৰুৎ, আকাশ, অহঙ্কাৰ আৰু মহত্তত্ত্ব,—এই সপ্ত আৱৰণেৰে আবৃত ব্ৰহ্মাণ্ডকোষত অন্তৰ্য্যামীৰূপে ভগৱন্তৰ আদি অৱতাৰ বিৰাট পুৰুষ অৱস্থান কৰিছে। তেৱেঁই যোগীসকলৰ ধাৰণাৰ আশ্ৰয়। তেৱেঁই "কীৰ্ত্তন-ঘোষা"ৰ 'সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।' পাতাল, ৰসাতল, মহাতল, তলাতল, সুতল, বিতল, মহীতল (ভূলোক), নভস্তল (ভুৱলোক), স্বৰ্লোক, মহৰ্লোক, জনলোক, তপোলোক, সত্যলোক,—এই চৈধ্য ভুৱন তেওঁৰ শৰীৰ। ইন্দ্ৰ, অশ্বিনীকুমাৰ প্ৰভৃতি দেৱসকল তেওঁৰ অঙ্গ।

৭ পদং তৎ পৰমং বিষ্ণোৰ্মনো যত্ৰ প্ৰসীদতি (শ্লোক ২০)।



॥ বিৰাট কহিলো সংহৰি; আৰু জানি সামাজিকসৱ ডাকি বোলা জয় হৰি হৰি॥

॥ শ্লোক ॥ দ্বিতীয়ে প্ৰথমাধ্যায়ে নৰাণাং কৃত্যমীৰিতং।
শ্ৰৱণং কীৰ্তনং ৱিষ্ণোৰকৰ্তৱ্যমতঃ পৰম্॥ ১॥

## ॥ দ্বিতীয় অধ্যায় ॥

### ॥ সূক্ষ্ম ধাৰণা আৰু ভক্তিযোগ ॥

দ্বিতীয় অধ্যায়ে সূক্ষ্ম ধাৰণা কহিবা।

১-৭] শুকে কহন্ত, "হে মহাৰাজা, এই বিৰাট ধাৰণা কৰি পূৰ্ব্বৱত ব্ৰহ্মা হৰিক তুষ্ট কৰাই জগত স্ৰজিলা। আবে তাৰ সাধ্য সূক্ষ্ম ধাৰণা শুনা, যাক ঢাকি বেদে নানা কৰ্ম্ম কহে, যাৰ ফলে পুৰুষে সংসাৰত ফুৰে।[১] এতেকে বিবেকীজনে আন কৰ্ম্ম এৰি দেহ-নিৰ্ব্বাহৰ অৰ্থে যত্ন কৰিব, অধিক নকৰিব, তাকো সুখ-বুদ্ধি নেদিব। তাকো যদি শ্ৰম দেখে এমনে প্ৰৱৰ্ত্তিব : মাটিত নিদ্ৰা আসিলে পাটীক লাগি যত্ন নকৰিব। বাহু শিথান হৈলে গাণ্ডুত যত্ন নকৰিব। অঞ্জলি থাকিতে ঝাৰি-খুৰিত কি কাৰ্য্য? কানি থাকিতে বস্ত্ৰত কি ফল আছে? আৰো, পন্থত কি কানি নপাইবেক? গাছত কি ফল-মূল

॥ দ্বিতীয় অধ্যায় ॥

প্ৰথম অধ্যায়ত দৃশ্যাৱলম্বন-ৰূপ বৈৰাজ পুৰুষৰ ধাৰণা দিয়া হ'ল। দ্বিতীয় অধ্যায়ত তাৰ সাধ্য-ৰূপ সূক্ষ্ম সৰ্ব্বান্তৰ্য্যামী-ধাৰণা বৰ্ণোৱা হৈছে। পূৰ্ব্বতে প্ৰলয়ত সৃষ্টিৰ স্মৃতি নষ্ট হোৱাৰ পিছতো ব্ৰহ্মাদেৱে স্থূল বৈৰাজ ধাৰণাৰে নাৰায়ণক স্মৰি পুনৰ ব্যৱসায়াত্মিকা বুদ্ধিৰে জগৎ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল।

১ সূক্ষ্ম ধাৰণা বেদৰ দ্বাৰা নিৰূপিত ব্ৰহ্মপ্ৰাপ্তিৰ পন্থা। কিন্তু বেদৰ পন্থা 'কৰ্ম্মফল-বোধ-প্ৰকাৰঃ', গতিকে জীৱই কৰ্ম্মফলত ৰতি হেতুকে সেই পন্থাকে বিচাৰি নাপায় আৰু তাৰ ফলত জন্ম-মৃত্যুৰ চক্ৰত ঘূৰি থাকে।

নপাইবেক ? নদী কি শুখাইবেক ? পৰ্ব্বত গহ্বৰ নিৰোধিবে ? বুলিবা, 'আকো নপাইলে কি কৰিবেক ?' তেবে শৰণাগতক হৰি কি নৰাখিবা ? তথাপি ধন-মদে অন্ধজনক পণ্ডিতে ভজে, নৰ ভগৱন্ত কৃষ্ণক নচাৱে। যাতো ভগৱন্ত আপুনি হৃদয়ত আছা, তাক নিচয় কৰি ভজিলে অযত্নে সংসাৰ গুচে। সংসাৰত তাপিত লোকক দেখি পশু বিনে কোন জনে হৰি-সেৱা এড়ি বিষয়-সেৱা কৰিবেক ?[২]

৮-১৪ ] "এতেকে মহন্তসৱে আপুনাৰ হৃদয়ত হৰিক চিন্তে।[৩] হৰিৰ ৰূপ শুনা ঃ শ্যাম-শৰীৰ, পীত-বসন, চতুৰ্ভুজ, শঙ্খ-চক্ৰ-গদা-পদ্ম-ধাৰী, প্ৰসন্ন-মুখ, কমল-লোচন, নীল-আকুঞ্চিত-কেশ, কিৰীটি-কুণ্ডল-হাৰ-অঙ্গদ-বলয়-অঙ্গুৰী-মেখলা-কিঙ্কিণী-নূপুৰে অলঙ্কৃত, শ্ৰীবৎস-কৌস্তুভ-বনমালা-আলাতা, হাস্য-বদন, সদয়-নিৰীক্ষণ। এমনে সৰ্ব্বাঙ্গ চিন্তিব ; পাছে চৰণৰপৰা আস্য পৰ্য্যন্তে একৈক অঙ্গ চিন্তিব। যাৱে ই ৰূপত প্ৰীতি নুপজে, তাৱে পূৰ্ব্বোক্ত স্থূল ধাৰণাও কৰিব।[৪]

---

২ যিহেতু অবিৱেকী জীৱই সংসাৰত আসক্তি কৰি তাতেই আবদ্ধ হয়, বিৱেকীসকলে সাংসাৰিক ভোগ্য বস্তু এৰি হৰি-ভক্তিত নিৰত হ'ব। এই দেহেই ভক্তিৰ আশ্ৰয় ; গতিকে দেহ-ৰক্ষা কৰিবই লাগিব। গতিকে বিলাস এৰি যিখিনি নকৰিলে দেহ-ৰক্ষা নহয়, সেইখিনি মাত্ৰ ভোগ কৰিব।

৩ কেচিৎ স্বদেহান্তৰ্হৃদয়াৱকাশে প্ৰাদেশমাত্ৰং পুৰুষং ৱসন্তম্।
চতুৰ্ভুজং কঞ্জৰথাঙ্গশঙ্খগদাধৰং ধাৰণয়া স্মৰন্তি ॥ ( শ্লোক ৮ )

শ্ৰুতিত আছে—

অঙ্গুষ্ঠমাত্ৰং পুৰুষং মধ্যে আত্মনি সংস্থিতম্।
তং জ্ঞাত্বা মৃত্যুমত্যেতি নান্যঃ পন্থা ৱিমুক্তয়ে ॥

জীৱৰ হৃদয়-কমলত অঙ্গুষ্ঠ-পৰিমাণ সূক্ষ্ম ৰূপে ব্যাপক ভগৱন্ত নিৱাস কৰে।

৪ শঙ্কৰদেৱৰ "কীৰ্ত্তন-ঘোষা"ৰ চতুৰ্থ খণ্ড 'ধ্যান-বৰ্ণন'ত ( দ্বিতীয় কীৰ্ত্তন ) এই শুদ্ধসত্ত্ব সূক্ষ্ম ৰূপৰ বৰ্ণনা দিয়া আছে।

যাৱন্ন জায়েত পৰাৱৰেঽস্মিন্ ৱিশ্বেশ্বৰে দ্ৰষ্টৰি ভক্তিযোগঃ ॥
তাৱৎ স্থৱীয়ঃ পুৰুষস্য ৰূপং ক্ৰিয়াৱসানে প্ৰযতঃ স্মৰেত ॥ ( শ্লোক ১৪ )



১৫-৩২ ] "আবে যোগীৰ দেহ এড়িবাৰ প্ৰকাৰ কহো। আসন প্ৰাণায়াম ধ্যান ধাৰণা সমাধি কৰি নিৰ্গুণ ব্ৰহ্মত মন দিব ; পাছে ষড়চক্ৰ ভেদি মূৰ্দ্ধ ফুটি প্ৰাণ এড়ি ব্ৰহ্মক পাইব। আক সদ্য-মুক্তি বুলি।[৫] যদি তাৰ ভোগ্যক ইছা থাকে, তবে লিঙ্গ-শৰীৰে সাতো স্বৰ্গ এড়াই ব্ৰহ্মলোক পাইব ; তাত ভোগে বিৰক্ত হয়া সপ্তাৱৰণ ভেদি ব্ৰহ্মক পাইব। আক ক্ৰম-মুক্তি বুলি।[৬]

৩৩-৩৭ ] "জানা ৰাজা, এমনে মোক্ষৰ অনেক পন্থ আছে। ভাল পন্থ পুনু ইহাকে বুলি, যাত হন্তে হৰিত ভক্তি হয়। বুলিবা, 'দেখিলেসে হৰিক ভজিবাক পাৰে, নেদেখিলে কমনে ভজিব ?' ই শঙ্কা নকৰিবা, যাতো হৰি সকল জীৱৰ অন্তৰ্য্যামীৰূপে আছা ; কাৰ্য্য-দ্বাৰেসে কাৰণ জানি ; জড় দেহৰ প্ৰবৃত্তিয়ে চৈতন্য হৰিক

---

যেতিয়ালৈকে ব্ৰহ্মাদি দেৱতাৰ শ্ৰেষ্ঠ, দ্ৰষ্টা বা সৰ্ব্বান্তৰ্য্যামী বিশ্বেশ্বৰত ভক্তিযোগ নোপজে, তেতিয়ালৈকে আৱশ্যকীয় কৰ্ম্মানুষ্ঠানৰ পিছত নিয়ম-তৎপৰ হৈ বৈৰাজ নাৰায়ণৰ ৰূপ ধ্যান কৰিব।

৫ যোগীসকলে আসন, প্ৰাণায়াম আদি অষ্টাঙ্গ যোগৰ সাধনা কৰে, আৰু অন্তকালত পাদ-মূলেৰে মূলাধাৰক নিৰোধ কৰি প্ৰাণবায়ুক সুষুম্না নাড়ীৰ ভিতৰেদি ক্ৰমে নাভিৰ মণিপুৰচক্ৰ, হৃদয়ৰ অনাহতচক্ৰ, বক্ষঃস্থলৰ বিশুদ্ধচক্ৰ, তালুৰ বিশুদ্ধচক্ৰৰ অগ্ৰদেশ, ভ্ৰূমধ্যৰ আজ্ঞাচক্ৰ ভেদ কৰি নি শেষত ব্ৰহ্মৰন্ধ্ৰ ( সহস্ৰাৰচক্ৰ ) ভেদি পৰমব্ৰহ্মত মিলিত হয় আৰু স্থূলদেহ ত্যাগ কৰে। এয়েই সদ্যোমুক্তি।

৬ মূলৰ ২২—৩১ শ্লোকত যোগীৰ ক্ৰমমুক্তিৰ বহল বৰ্ণনা দিয়া আছে। যোগীৰ ভোগৰ ইচ্ছা থাকিলে স্থূল শৰীৰ ত্যাগ কৰিও সূক্ষ্ম বা লিঙ্গশৰীৰ ত্যাগ নকৰি মন আৰু ইন্দ্ৰিয়ে সৈতে দেৱতাৰ স্থান পাই সূক্ষ্মতৰ লিঙ্গশৰীৰেৰে শিশুমাৰ জ্যোতিশ্চক্ৰ অতিক্ৰম কৰি ব্ৰহ্মবিদ্‌সকলৰ স্থান পায়, আৰু ক্ৰমে বৰুণলোক, ইন্দ্ৰলোক এৰাই কল্পান্তৰ পৰ্য্যন্ত মহৰ্লোকত থাকি ব্ৰহ্মলোক পায়গৈ, য'ত শোক-দুখ, জৰা-মৃত্যু, উদ্বেগ নাই। ইয়াৰ পিছত যোগীয়ে ক্ষিতি, অপ্, তেজঃ, মৰুৎ, আকাশ, অহঙ্কাৰ আৰু মহত্তত্ত্ব, এই সাত আৱৰণ ভেদি প্ৰকৃতিক অতিক্ৰমি শান্ত, আনন্দময় পৰমাত্মাত লীন যায়।

জানিবা।[৭] এতেকে সৰ্ব্বাত্মা হৰিক সকল ঠাই সৰ্ব্বদায় শ্ৰৱণ-কীৰ্ত্তন স্মৰণ কৰা। যাবা কৃষ্ণ-কথাক কৰ্ণ-পথে পান কৰে, তাৱা বিষয়-দূষিত চিত্তক শুদ্ধি কৰি হৰিৰ চৰণ-সমীপ পাৱে।"

শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং দ্বিতীয়স্কন্ধে দ্বিতীয়োঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ দ্বিতীয়ে ভক্তিযোগৈকসৎপথো মোক্ষলব্ধয়ে।
উক্তঃ শ্ৰীশুকদেৱেন ৰাজপ্ৰশ্নানুসাৰতঃ ॥ ২ ॥

## ॥ তৃতীয় অধ্যায় ॥

### ॥ হৰি-বিমুখৰ সকল অঙ্গৰ ব্যৰ্থতা ॥

তৃতীয় অধ্যায়ে নানা দেৱতা-ভজনত কৰি হৰি-ভজন শ্ৰেষ্ঠ শুনি শৌনকে প্ৰশ্ন কৰন্ত।

১-১১ ] শুকে কহন্ত, "জানা মহাৰাজা, তুমি যি পুছিলা, 'পুৰুষৰ মৰণ-সময়ত কি কৰ্ত্তব্য', তাক কহিলো; হৰি-ভজন বিনে আন শ্ৰেষ্ঠ নাই। আক নজানি লোকে নানা কামনায়ে নানা দেৱতাক ভজে;[১] তাৰ সৱে তুচ্ছ ফল। এতেকে সকামে, নিষ্কামে, ভক্তি-কামেবা কেৱল ভক্তিযোগে হৰিক ভজোক।[২] আন দেৱ ভজিবাৰ এহি মোক্ষ-ফল যেৱে সাধুৰ সঙ্গত হৰিত দৃঢ় ভক্তি হয়।[৩]

১২ ] "সাধুৰ সঙ্গত হৰি-কথা শুনিলে অযত্নে জ্ঞান হয়, যি জ্ঞানে ৰাগাদি গুচে, চিত্তো প্ৰসন্ন হয়, আৰো মোক্ষ-ৰূপ ভক্তি হয়।[৪] এতেকে কোননো জনে হৰিৰ কথাত ৰতি নকৰিবেক ?"

১৩-১৭ ] শৌনকে পুছন্ত,—হে সূত, পৰীক্ষিত ৰাজা শুক-মুখে এই কথা শুনি আন কি প্ৰশ্ন কৰিলা, তাক আমাত কহা। অৱশ্যে হৰি কথা হয়াছে, যাতো শ্ৰোতা বক্তা দুয়ো পৰম বৈষ্ণৱ। আমাৰ আয়ু সূৰ্য্যে বিফলে হৰন্ত; তুমি হৰি-কথা কহি সাফল কৰা।

১৮-১৯ ] বুলিবা, অভক্তৰো জীৱন সাফল আছে। তাত শুনা অভক্তৰো যদি জীৱন বুলি, তেৱে বৃক্ষ কি নিজীয়ে? বুলিবা, বৃক্ষৰ

---

৭ ভগৱান্ সৰ্ব্বভূতেষু লক্ষিতঃ স্বাত্মনা হৰিঃ।
দৃশ্যৈৰ্বুদ্ধ্যাদিভিৰ্দ্ৰষ্টা লক্ষণৈৰনুমাপকৈঃ॥ (শ্লোক ৩৫)

অনুভূত বস্তুত আসক্তি হয়, কিন্তু অননুভূত ভগৱন্তত ৰতি কেনেকৈ হ'ব ? ভগৱন্ত লক্ষিত হৈছে সকলো জীৱৰ অন্তৰ্য্যামিতাৰ দ্বাৰা—দৃশ্যমান জড় বস্তুৰ দ্বাৰা আৰু বুদ্ধি আদিৰ দ্বাৰা। জড় দেহাদিৰ দৰ্শন স্বপ্ৰকাশ দ্ৰষ্টা নহ'লে হ'ব নোৱাৰে, কিন্তু ভগৱন্তৰ স্বপ্ৰকাশ অন্তৰ্য্যামিলক্ষণ দেখা গৈছে। আন-ফালে কৰ্ত্তৃপ্ৰযোজ্য বুদ্ধি আদিৰপৰা অনুমানৰ দ্বাৰা কৰ্ত্তাৰূপে ঈশ্বৰ আছে বুলি সিদ্ধ হয়।

॥ তৃতীয় অধ্যায় ॥

তৃতীয় অধ্যায়ত বিষ্ণু-ভক্তিৰ বৈশিষ্ট্য শুনি শৌনক মুনিৰ ভক্তিৰ উদ্ৰেক হয় আৰু বিষ্ণু-কথা শ্ৰৱণৰ প্ৰতি আদৰ হয়।



১ যিসকলে ব্ৰহ্মতেজ কামনা কৰে তেওঁলোকে ব্ৰহ্মাক, ইন্দ্ৰিয়ৰ সামৰ্থ-কামীসকলে ইন্দ্ৰক, সন্তানকামীসকলে দক্ষ প্ৰভৃতি প্ৰজাপতিক, স্বৰ্গাভিলাষী-সকলে দ্বাদশ আদিত্যক, আৰু সেইদৰে বিভিন্ন অৰ্থীসকলে বিভিন্ন দেৱতাক পূজে।

২ অকামঃ সৰ্ব্বকামো ৱা মোক্ষকাম উদাৰধীঃ।
তীব্ৰেণ ভক্তিযোগেন যজেত পুৰুষং পৰম্॥ (শ্লোক ১০)

৩ ইন্দ্ৰ আদি দেৱতাক যজোঁতেও যদি ভক্তসকলৰ সঙ্গত হৰিত ভক্তি হয়, সেয়ে মোক্ষ-লাভৰ কাৰণ হয়। 'মোক্ষ-ফল'—নিঃশ্ৰেয়সোদয়ঃ (ভা), নিঃশ্ৰেয়সস্য পৰমপুৰুষাৰ্থস্য উদয়ো লাভঃ (শ্ৰী)।

৪ তীব্ৰ ভক্তি-যোগৰ উৎপত্তি-ক্ৰম এনে—ভাগৱতসকলৰ সঙ্গত হৰি-কথা লাভ হয়; তাৰপৰা গুণ-কাৰ্য্য-ৰূপ ৰাগ-আদিৰ আৰু ছয় উৰ্ম্মিৰ চক্ৰ (জন্ম, মৰণ, শোক, মোহ, ক্ষুধা, পিপাসা) বিনষ্ট হৈ জ্ঞানৰ উৎপত্তি হয়; তাৰ পিছত ঐহিক-পাৰত্ৰিক বিষয়ত অসঙ্গ বা অনাসক্তি হয়; তাৰপৰা মোক্ষ-প্ৰদায়ক ভক্তি-যোগ লাভ হয়; আৰু আত্মপ্ৰসাদ বা চিত্তৰ প্ৰসন্নতা ওপজে।

নিশ্বাস নাই। তেৱে কি ভাথি নিশ্বাস নাকাঢ়ে? বোলা যেৱে, তাহাৰ আহাৰ-মৈথুন নাই, তেৱে শূকৰসৱে বিষ্ঠা-ভোগ শূকৰী-সম্ভোগ নকৰেনেকি? এতেকে মনুষ্য হয়া হৰি-কথা নুশুনিলে কুকুৰ, শূকৰ, উট, গাধ, এহি চাৰি পশু-সম হয়।[৫]

২০-২৫ ] আৰো তাৰ সকল অঙ্গ ব্যৰ্থ। হৰি-কথা নুশুনিলে দুয়ো কৰ্ণ গৰ্ত্ত-সম। হৰি-নাম নলৈলে বেঙ্গৰ জিহ্বা সম জিহ্বা। হৰিক প্ৰণাম নকৰিলে কিৰীটি-যুক্ত শিৰো কেৱলে ভাৰ। হৰিৰ কৰ্ম্ম নকৰিলে কঙ্কণ-যুক্ত হস্তো মৃতকৰ হস্ত-সম। হৰিৰ মূৰ্ত্তি নেদেখিলে দুই চক্ষু ময়ূৰৰ পুচ্ছ। হৰিৰ ক্ষেত্ৰ নগৈলে বৃক্ষ-মূল-সম দুই চৰণ। বৈষ্ণৱৰ পদ-ৰেণু নলৈলে জীৱন্তে মৰা শৱ। হৰিৰ নিৰ্ম্মাল্য তুলসীৰ ঘ্ৰাণ নলৈলে সাক্ষাতে শৱ বুলি। হৰিৰ গুণ-নাম গাইতে যদি হৃদয় নদ্ৰৱে, প্ৰেম-পুলক নহে, তেৱে সি হৃদয় শিলা-সম।[৬] এতেকে আমাক তুমি হৰিৰ চৰিত্ৰ কহ, যাক শুকে ৰাজাত কহিছা।

শ্ৰীভাগৱতকথায়াং কৱিৰত্নকৃতায়াং দ্বিতীয়স্কন্ধে তৃতীয়োঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ হৰিভক্তিৱিহীনানাং সৰ্ব্বান্যঙ্গানি কেৱলং।
ৱিফলানীতি মুনীনাং তৃতীয়ে সমুদীৰিতম্॥ ৩॥

৫ কুকুৰ অৱজ্ঞাস্পদ, গ্ৰাম্য শূকৰ অপৱিত্ৰভোজী, উট কণ্টকভক্ষী আৰু গাধ বৃথাভাৰবাহী; অভক্ত অৱজ্ঞাৰ পাত্ৰ, বিষয়ত আসক্ত, দুঃখভোগী আৰু বৃথা কষ্টকাৰী হয়।

৬ "ঘোষা-কীৰ্ত্তন"ৰ অন্তৰ্গত স্বকবিশেখৰ ৰত্নাকৰ কন্দলিৰ 'সহস্ৰ-নাম-বৃত্তান্ত'ৰ আদিতে ভাগৱতৰ এই শ্লোক কেইটিৰ (২০-২৫) সুন্দৰ ব্যৱহাৰ কৰা হৈছে।

## ॥ চতুৰ্থ অধ্যায় ॥

### ॥ শুকৰ হৰিক নমস্কাৰ ॥

চতুৰ্থ অধ্যায়ে ৰাজা পুছিলে শুকে হৰিক নমিবা।

১-১০ ] সুতে কহন্ত,—পৰীক্ষিত ৰাজা শুকৰ বাক্য শুনি কৃষ্ণত সতী মতি কৰিলা, দেহ-গেহাদিতো মমতা এৰিলা; আপুনাৰ মৃত্যুক জানি কৃষ্ণ-কথা শুনিতে শ্ৰদ্ধালু হৈয়া শুকক পুছন্ত, "হে মহামুনি, তুমি ভাল কহিলা, যাক শুনি মোৰ অজ্ঞান গুচিল। আৰো হৰিৰ লীলা জানিতে চাঞো: যেমনে ভগৱন্তে আপুনাৰ মায়ায়ে জগত স্ৰজন পালন সংহাৰ কৰন্ত, প্ৰকৃতিৰ গুণকো যেমনে ধৰন্ত, আক কহিয়োক, যাতো তুমি শব্দব্ৰহ্ম পৰমব্ৰহ্মকো জানা।"[১]

১১-২৩ ] ৰাজাৰ এহি প্ৰশ্ন শুনি শুকে হৰিক স্মৰন্ত, "পৰম পুৰুষ ভগৱন্তক নমো, যাৰ অপৰিমিত মহিমা, সৱাৰে অন্তৰ্য্যামী, তথাপি কেৱে নজানে, সন্তৰ দুখহাৰী, অসন্তৰ নাশকাৰী, জ্ঞানীৰ জ্ঞানদাতা, ভক্তৰ বিধাতা, অভক্তৰ অগম্য, হেন ঈশ্বৰক নমো। যাৰ শ্ৰৱণ-কীৰ্ত্তন স্মৰণ-দৰ্শন বন্দন-পূজনে লোকৰ সদ্যে পাপ নষ্ট কৰে, তথাপি সৱাতে শ্ৰেষ্ঠ যাৰ সুমঙ্গল নাম, হেন হৰিক নমো। বিচক্ষণসৱে যাৰ চৰণ-সেৱায়ে সৰ্ব্ব সঙ্গ এড়ি ব্ৰহ্মগতিক পাৱে, যাত অৰ্পণা

॥ চতুৰ্থ অধ্যায় ॥

চতুৰ্থ অধ্যায়ত পৰীক্ষিত ৰজাই প্ৰশ্ন কৰিছে, পৰমেশ্বৰে প্ৰকৃতিৰ তিনি গুণক আশ্ৰয় কৰি কেনেকৈ সৃষ্টি আদি কাৰ্য্য কৰে? শুকে প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ পূৰ্ব্বৰে এই-বিষয়ক ব্ৰহ্মা আৰু নাৰদৰ সংবাদ স্মৰণ কৰিছে, আৰু ভগৱৎ-কথাৰ আৰম্ভ স্বৰূপে পৰমপুৰুষৰ স্তুতিৰে মঙ্গলাচৰণ কৰিছে।

১ শাব্দে ব্ৰহ্মণি নিষ্ণাতঃ পৰস্মিংশ্চ ভৱান্ খলু। (শ্লোক ১০)
তুমি বিচাৰৰ দ্বাৰা শব্দব্ৰহ্ম-স্বৰূপ বেদ আৰু অনুভৱৰ দ্বাৰা পৰমব্ৰহ্মক জানা।

নকৰিলে সকল কৰ্ম্ম বিফল হৱে, যাৰ ভক্তক আশ্ৰয় কৰি মহাপাপী অন্ত্যজাতি[২] শুদ্ধ হৱে, সেই প্ৰভুক নমো। যাক জ্ঞান-কৰ্ম্ম-ভক্তি-পথে ভজে, ব্ৰহ্মাদিও যাৰ মহিমা নজানে, সেই লক্ষ্মীপতি, যজ্ঞপতি, জগতপতি, লোকপতি, ভক্তৰ গতি মোত প্ৰসন্ন হৈয়োক। ব্ৰহ্মাৰ জ্ঞানদাতা, সৰাৰে অন্তৰ্য্যামী মোৰ বচনক অলঙ্কৃত কৰা, যেমনে শ্ৰোতাৰ আনন্দ হয়।

২৪ ] "শাস্ত্ৰকৰ্ত্তা ব্যাসক নমো, যাৰ মুখ-পদ্ম-উদ্ভূত জ্ঞান-মধু ভক্তসবে পান কৰে।

২৫ ] "জানা ৰাজা, তুমি মোত যি কথা পুছিলা, এহি প্ৰশ্ন পূৰ্ব্বত নাৰদে ব্ৰহ্মাত পুছিলা। ব্ৰহ্মায়ো ভগৱন্তে আপুনাত যি কহিছা তাকে কহিলা। সেহি কথা তোমাত কহো ; সাৱধানে শুনা।"

শ্ৰীভাগৱতকথায়াং দ্বিতীয়স্কন্ধে চতুৰ্থোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল ॥

॥ শ্লোক ॥ যথাকথঞ্চিৎ শ্ৰীকৃষ্ণভক্তিঃ পাতকনাশিনী।
সুমঙ্গলং যশস্তস্য চতুৰ্থে সমুদীৰিতম্ ॥ ৪ ॥

২ অন্ত্যজাতি—কিৰাত, হূণ, অন্ধ, পুলিন্দ, পুক্কস, আভীৰ, শুহ্ম, যৱন, খশ আদি (ভা)।

## ॥ পঞ্চম অধ্যায় ॥

### ॥ বিৰাট-সৃষ্টি ॥

পঞ্চম অধ্যায়ে নাৰদ হৰি-লীলা পুছিলা, ব্ৰহ্মায়ে কহিলা।

১-৮ ] নাৰদে পুছন্ত, "হে দেৱদেৱ বিধাতা, মোত আত্মজ্ঞান কহ ; আৰো জগতৰ স্বৰূপ কহ, তাক যি প্ৰকাশে, যি নিয়ম কৰে, যি স্ৰজে, যাত লয় যাই, যাৰ অধীন। আৰো মঞি জানো তুমি ঈশ্বৰ, একলায়ে সৃষ্টি স্থিতি সংহাৰ কৰা। তোমাৰ তপস্যা দেখি শঙ্কায়ে পোছো, তুমি কাৰ অধীন, কোনে জ্ঞান দিছে, কাক আশ্ৰয় কৰিছা ? ই কথা যেমনে ময়ো বুঝো, তেমনে কহা।"

৯-২০ ] ব্ৰহ্মা বোলন্ত, "হে নাৰদ, মোক তুমি কি দায়া কৰিলা, যাতো গোৱিন্দৰ গুণ কহিতে বুলিলা। মোকয়ে ঈশ্বৰ বুলিলা, সিও তোমাৰ বাক্য মিছা নহে ; যাত হন্তে মোৰ এতেক ঐশ্বৰ্য্য, তাঙ্ক নজানা।[১] যাৰ প্ৰকাশিত জগত মঞি প্ৰকাশ কৰো, যাৰ মায়ায়ে মোহ হয়া তোৰা মোক ঈশ্বৰ বোলা, সেই বাসুদেৱক প্ৰণাম কৰি চিন্তো। যি মায়ায়ে মোহ হয়া লোক অহঙ্কাৰ মমকাৰ কৰে, সি মায়া যাৰ আগত লজ্জায়ে থাকিতে নপাৰে[২], কাৰ্য্য-কাৰণ জগত যাত

॥ পঞ্চম অধ্যায় ॥

পঞ্চম অধ্যায়ত নাৰদৰ প্ৰশ্ন অনুসৰি ব্ৰহ্মাই কাল-কৰ্ম্মাদি শক্তিৰ দ্বাৰা বিৰাট সৃষ্টি আদি হৰিৰ লীলা বৰ্ণনা কৰিছে।

১ নাৰদে যে ব্ৰহ্মাক ঈশ্বৰ বুলি ক'লে, সি অত্যন্ত অসত্য নহয়, কাৰণ নাৰদে ব্ৰহ্মাৰ সৃষ্টি আদিত কৰ্তৃত্ব-কপ প্ৰভাৱ দেখা পাইছে। মাত্ৰ ব্ৰহ্মাতকৈও পৰ পৰমেশ্বৰক নাজানি সেই কথা কৈছে। সাদৃশ্যৰ হেতুকে ব্ৰহ্মাৰ এই ভ্ৰান্তি, সি বুদ্ধি-পূৰ্ব্বক মিছা কথা নহয়।

২ ইয়াত মায়াৰ কাৰ্য্য বৰ্ণোৱা হৈছে। মায়া পৰমেশ্বৰৰ অধীন। মায়াক আশ্ৰয় কৰি ভগৱন্তই জগত সৃষ্টি কৰে। মায়াৰ প্ৰভাৱত জীৱই আত্মাক

বিনে নাই[৩] যাৰ সৃজ্যক মঞি স্ৰজো, যাৰ মায়া-গুণে জীৱ বন্ধ হয়া[৪] যাক জানিতে নপাৰে, সেই ভগৱন্ত সকল লোকৰ মোৰো পৰমেশ্বৰ ; তাহান অধীন মঞি। আবে তাহান সৃষ্টিৰ প্ৰকাৰ শুনা।

২১-২৯ ] "ভগৱন্ত ঈশ্বৰ পুৰুষ-ৰূপ হয়া মায়াক কটাক্ষ কৰা। পাছে কাল কৰ্ম্ম স্বভাৱে মহত্তত্ত্ব উপজে।[৫] মহত্তত্ত্ব হন্তে অহঙ্কাৰ হৰে। অহঙ্কাৰো তিনিবিধ হৰে।[৬] তামস অহঙ্কাৰত শব্দ হৰে, শব্দ হন্তে আকাশ, আকাশ হন্তে স্পৰ্শ, স্পৰ্শ হন্তে বায়ু, বায়ু হন্তে

---

চিনি নাপাই দেহকে অহং বা মই বুলি কয়, অনৃত পুত্ৰ-ভাৰ্য্যা আৰু সম্পত্তিক মম বা মোৰ বুলি কয়, পৰমাত্মা পৰমেশ্বৰক চিনি নাপায়। মায়াৰ প্ৰভাৱতে নাৰদে ব্ৰহ্মাক ঈশ্বৰ বা কৰ্ত্তা প্ৰভু বুলি ভুল কৰি আছিল।

৩ ব্ৰহ্মাই নিজতকৈ পৰ পৰমেশ্বৰক নিৰূপণ কৰি পৰমেশ্বৰ ব্যতিৰেকে অন্য সকলোৱে অসত্ত্ব দেখুৱাইছে। মহাভূত-স্বৰূপ দ্ৰব্য, উপাদান-ৰূপ জন্ম-নিমিত্ত কৰ্ম্ম, গুণৰ ক্ষোভক কাল-শক্তি, গুণৰ পৰিণাম-হেতু স্বভাৱ, আৰু ভোক্তা জীৱ বাসুদেৱৰপৰা পৃথক নহয়, কাৰণ কাৰ্য্য কাৰণৰপৰা স্বতন্ত্ৰ নহয়। ( কাৰণাব্যতিৰেকাৎ কাৰ্য্যস্য—শ্ৰী )।

৪ কাৰ্য্য ভোগ্য আৰু ভোগায়তনাদিৰূপ অধিভূত ; কাৰণ চক্ষু আদি কৰণ-ৰূপ অধ্যাত্ম আৰু কৰ্ত্তা চক্ষু আদিৰ অধিষ্ঠাতা অধিদৈৱতৰ বিষয়ত গুণত্ৰয়ে জীৱক মায়ামোহিত কৰি জন্ম-মৰণ-প্ৰৱাহত বন্ধ কৰে।

৫ মায়াধীশ পৰমপুৰুষে বিবিধ হ'বৰ ইচ্ছা কৰি ( ৱিবুভূষুঃ ) নিজৰ মায়া শক্তিৰ দ্বাৰা মায়াৰ গুণৰ ক্ষোভক কাল, জীৱৰ অদৃষ্ট-ৰূপ কৰ্ম্ম আৰু পৰিণামিত্ব-ৰূপ স্বভাৱ গ্ৰহণ কৰিলে। এইদৰে পুৰুষ-ৰূপে অধিষ্ঠান কৰাত কালৰপৰা গুণত্ৰয়ৰ ক্ষোভ (গুণব্যতিকৰঃ), স্বভাৱৰপৰা গুণত্ৰয়ৰ ৰূপান্তৰ-প্ৰাপ্তি (পৰিণামঃ) আৰু কৰ্ম্মৰপৰা মহত্তত্ত্বৰ জন্ম হয়।

৬ ৰজঃ আৰু সত্ত্ব-বৰ্দ্ধিত বিকাৰ-প্ৰাপ্ত মহত্তত্ত্বৰপৰা ( মহতস্তু ৱিকুৰ্ব্বাণাৎ ৰজঃসত্ত্বোপবৃংহিতাৎ ) দ্ৰব্য ( মহাভূত ), জ্ঞান ( দেৱতা ) আৰু ক্ৰিয়াৰ ( ইন্দ্ৰিয়সমূহ ) মূল-স্বৰূপ, তমঃপ্ৰধান অহঙ্কাৰৰ জন্ম হয়। সেই অহঙ্কাৰ বিকাৰপ্ৰাপ্ত হৈ তিনিবিধ হয়—বৈকাৰিক বা সাত্ত্বিক, তৈজস বা ৰাজস, আৰু তামস। এই তিনি অহঙ্কাৰ ক্ৰমে জ্ঞান-শক্তি, ক্ৰিয়া-শক্তি আৰু দ্ৰব্য-শক্তি।



ৰূপ, ৰূপ হন্তে তেজ, তেজ হন্তে ৰস, ৰস হন্তে জল, জল হন্তে গন্ধ, গন্ধ হন্তে পৃথিৱী। আকাশত শব্দ, বায়ুত স্পৰ্শ শব্দ, তেজত ৰূপ স্পৰ্শ শব্দ, জলত ৰস ৰূপ স্পৰ্শ শব্দ, পৃথিৱীত গন্ধ ৰস ৰূপ স্পৰ্শ শব্দ আছে।[৭]

৩০-৩১ ] "ৰাজস অহঙ্কাৰ হন্তে দশ ইন্দ্ৰিয় হয়—শ্ৰোত্ৰ, ত্বক্, ঘ্ৰাণ, চক্ষু, জিহ্বা, আকে জ্ঞান-ইন্দ্ৰিয় বুলি ; বাক, পাণি, পাদ, পায়ু, উপস্থ, আক কৰ্ম্মেন্দ্ৰিয় বুলি।[৮]

"সাত্ত্বিক অহঙ্কাৰ হন্তে ইন্দ্ৰিয়ৰ অধিষ্ঠাতা দশ দেৱতা হন্ত—দিশ্, বায়ু, সূৰ্য্য, বৰুণ, অশ্বিনীকুমাৰ, ই পাঞ্চ জ্ঞানেন্দ্ৰিয়ৰ

---

৭ ভূতৰ মূল-স্বৰূপ তামস অহঙ্কাৰৰপৰা ( তামসাদপি ভূতাদেঃ ) বিকাৰ উৎপত্তি হৈ আকাশ হয়। আকাশৰপৰা তন্মাত্ৰ ( গুণঃ ) হ'ল শব্দ। এই শব্দৰ লক্ষণ হ'ল—ই দ্ৰষ্টা আৰু দৃশ্যক বুজায় ; যেনেকৈ, কোনোবাই 'হাতী, হাতী' বুলি চিঞৰিলে হাতী-দেখোঁতাজন আৰু দৃশ্য হাতী দুইকো বুজোৱা হয়। ইয়াত তামসৰপৰা পোনতে শব্দ আৰু শব্দৰপৰা আকাশৰ উৎপত্তি বুজিব লাগে।

বিকাৰপ্ৰাপ্ত আকাশৰপৰা বায়ুৰ উৎপত্তি হয়। বায়ুৰ গুণ স্পৰ্শ আৰু ( আকাশৰপৰা হোৱা কাৰণে ) শব্দ। বায়ুৰ লক্ষণ প্ৰাণ বা দেহধাৰণ, ইন্দ্ৰিয়-শক্তিৰ হেতু ওজঃ, মনঃশক্তিৰ হেতু সহঃ, শৰীৰ-শক্তিৰ হেতু বল।

বিকাৰপ্ৰাপ্ত বায়ুৰপৰা উৎপন্ন হয় তেজঃ। ইয়াৰ তন্মাত্ৰ ৰূপ, ( তেজত আকাশ আৰু বায়ুৰ সম্বন্ধ আছে বুলি ) স্পৰ্শ আৰু শব্দ।

বিকাৰপ্ৰাপ্ত তেজৰপৰা জলৰ উৎপত্তি হয়। জলৰ গুণ ৰস, ৰূপ, স্পৰ্শ আৰু শব্দ।

বিকাৰপ্ৰাপ্ত জলৰপৰা পৃথিৱী ( ৱিশেষঃ ) হয়। পৃথিৱীৰ গুণ গন্ধ, ৰস, ৰূপ, স্পৰ্শ আৰু শব্দ।

৮ জ্ঞানেন্দ্ৰিয়বোৰ ( জ্ঞানশক্তিঃ বুদ্ধিঃ ) আৰু কৰ্ম্মেন্দ্ৰিয়বোৰ ( ক্ৰিয়াশক্তিঃ প্ৰাণঃ ) তৈজস বা ৰাজস অহঙ্কাৰৰ কাৰ্য্য।

অধিষ্ঠাতা ; অগ্নি, ইন্দ্ৰ, বিষ্ণু, মিত্ৰ, প্ৰজাপতি, ই পাঞ্চ কৰ্ম্মেন্দ্ৰিয়ৰ অধিষ্ঠাতা ।[৯]

৩২-৪২ ] "এহি ভূত, ইন্দ্ৰিয়, দেৱতাগণো আপুনে ব্ৰহ্মাণ্ড কৰিতে নাপাৰিলা ; পাছে ঈশ্বৰ-শক্তি পায়া ব্ৰহ্মাণ্ড স্ৰজিলা। সিও অণ্ড অচেতনে সহস্ৰ বৎসৰ জলত আছিলা। পাছে বৈৰাজৰ অন্তৰ্য্যামী নাৰায়ণে চেতন কৰাইলা। তেৱে বৈৰাজ পুৰুষ উঠিলা, যাৰ মুখত ব্ৰাহ্মণ, বাহুত ক্ষত্ৰিয়, উৰুত বৈশ্য, পদত শূদ্ৰ, যাৰ শৰীৰত চৈধ্য ভুৱন কল্পি। তাক শুনা ঃ পদতলত পাতাল, পাদাগ্ৰত ৰসাতল, গুল্‌ফত মহাতল, জঙ্ঘাত তলাতল, জানুত সুতল, উৰুত বিতল, কটিত অতল, জঘনত ভূৰ্লোক, নাভিত ভুৱৰ্লোক, হৃদয়ত স্বৰ্লোক, বক্ষস্থলত মহৰ্লোক, গ্ৰীৱাত জনলোক, ওষ্ঠত তপৰ্লোক, মূৰ্দ্ধাত সত্যলোক। ব্ৰহ্মাণ্ডৰ বাহিৰত সনাতন বৈকুণ্ঠলোক।"[১০]

---

৯ বৈকাৰিক বা সাত্ত্বিক অহঙ্কাৰৰপৰা মন আৰু মনৰ অধিষ্ঠাতা দেৱতা চন্দ্ৰ হয়। পঞ্চ জ্ঞানেন্দ্ৰিয় আৰু পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ দেৱতাও বৈকাৰিকৰপৰাই হয়। দিক্ শ্ৰোত্ৰৰ, বায়ু ত্বকৰ, সূৰ্য্য চক্ষুৰ, বৰুণ জিহ্বাৰ, অশ্বিনীকুমাৰদ্বয় ঘ্ৰাণৰ, অগ্নি বাকৰ, ইন্দ্ৰ পাণিৰ, উপেন্দ্ৰ বিষ্ণুপাদৰ, মিত্ৰ বা যম পায়ুৰ, আৰু প্ৰজাপতি উপস্থৰ দেৱতা।

১০ এই পৰ্য্যন্ত **কাৰণ সৃষ্টি** বৰ্ণনা কৰি এতিয়া **কাৰ্য্য সৃষ্টিৰ** বৰ্ণনা আৰম্ভ কৰিছে। ভূত, ইন্দ্ৰিয়, মন, তন্মাত্ৰৰূপ গুণ, এই পদাৰ্থবোৰ অসংযুত (অসঙ্গতাঃ) আছিল কাৰণে আয়তন বা শৰীৰ অৰ্থাৎ ব্ৰহ্মাণ্ড নিৰ্ম্মাণ কৰিব নোৱাৰিলে (আয়তননিৰ্মাণে ন শেকুঃ)। পিছত সিহঁত ভগৱৎ-শক্তি পাই পঞ্চীকৰণ প্ৰণালীৰে ইটোৱে সিটোৱে মিলি (সংহত্য চান্যোন্যং) স্থূল আৰু সূক্ষ্ম ভাব ধাৰণ কৰি (সদসত্ত্বমুপাদায়, ভা ; প্ৰধানগুণভাৱং স্বীকৃত্য, শ্ৰী) স্থূল আৰু সূক্ষ্ম-ৰূপ ব্ৰহ্মাণ্ড (সমষ্টিব্যষ্ট্যাত্মকং শৰীৰম্, শ্ৰী) সৃষ্টি কৰিলে। হাজাৰ বছৰৰ পিছত কাল, কৰ্ম্ম আৰু স্বভাৱত অধিষ্ঠিত পৰমাত্মাই (কালকৰ্মস্বভাৱস্থো জীৱো) সেই জলশায়ী অচেতন ব্ৰহ্মাণ্ডক জীয়াই তুলিলে। সেই পৰমাত্মা পুৰুষেই সহস্ৰ উৰু, সহস্ৰ পদ, সহস্ৰ বাহু, সহস্ৰ চকু, সহস্ৰ শিৰ, সহস্ৰ মুখ লৈ ব্ৰহ্মাণ্ড ভেদ কৰি পৃথক হৈ ওলাল।



শ্ৰীভাগৱতকথায়াং দ্বিতীয়স্কন্ধে পঞ্চমোঽধ্যায়ঃ ॥

আক জানি সব লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ পঞ্চমে ব্ৰহ্মণা পোক্ত এক এৱেশ্বৰো হৰিঃ।
সৰ্ব্বকৰ্তা সৰ্ব্বভোক্তা সৰ্ব্বাত্মা সৰ্ব্বদৰ্শনঃ ॥ ৫ ॥

---

স এৱ পুৰুষস্তস্মাদণ্ডং নিৰ্ভিদ্য নিৰ্গতঃ।
সহস্ৰোৰ্ৱঙ্ঘ্ৰি বাহ্বক্ষঃ সহস্ৰাননশীৰ্ষৱান্ ॥ (শ্লোক ৩৫)

এয়ে হ'ল বিৰাট পুৰুষ, আদি অৱতাৰ, 'সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ' (কীৰ্ত্তন-ঘোষা)।

ৱিষ্ণোস্তু ত্ৰীণি ৰূপাণি পুৰুষাখ্যান্যথো ৱিদুঃ।
প্ৰথমং মহতঃ স্ৰষ্টৃ দ্বিতীয়ং ত্বণ্ডসংস্থিতম্।
তৃতীয়ং সৰ্ৱভূতস্থং তানি জ্ঞাত্বা ৱিমুচ্যতে ॥ (সাত্বততন্ত্ৰ)

বিষ্ণুৰ এই পুৰুষ নামৰ তিনি ৰূপৰ দ্বিতীয়টি হ'ল এই ব্ৰহ্মাণ্ডৰ অন্তৰ্য্যামী বিৰাট পুৰুষ। এই বিৰাট পুৰুষৰ বিভিন্ন অৱয়ৱত চতুৰ্দ্দশ ভুৱন আছে বুলি লোককল্পনা আছে।

## ॥ ষষ্ঠ অধ্যায় ॥

### ॥ বিৰাটৰ বিভূতি ॥

ষষ্ঠ অধ্যায়ে বিৰাটৰ বিভূতি কহিবা।

১-১৭
১৮-২১ ] ব্ৰহ্মা বোলন্ত, "জানা নাৰদ, ভগৱন্ত বৈৰাজ পুৰুষৰ অঙ্গ-সৱো আমাৰ ইন্দ্ৰিয়-দেৱতা বিষয়ৰ আশ্ৰয় ;[১] আৰো মোৰপৰা তৃণ পৰ্য্যন্তে জগত সৱে পুৰুষ সৱাৰে হৃদয়ত আছা ;[২] বিৰাটকো বাহিৰে ভিতৰে প্ৰকাশ কৰা ;[৩] জীৱকো কৰ্ম্মফল দিয়া ; মোক্ষৰো ঈশ্বৰ।

২২-২৯ ] "আৰো মই যেখন নাৰায়ণৰ নাভি-পদ্মত জাত ভৈলো, তেখন তান অৱয়ৱ বিনে যজ্ঞৰ সম্ভাৰ নাজানিলো। পাছে তাহান

---

॥ ষষ্ঠ অধ্যায় ॥

ষষ্ঠ অধ্যায়ত অধ্যাত্মাদি-ভেদে বিৰাট পুৰুষৰ বিভূতি বৰ্ণোৱা হৈছে ; আৰু পুৰুষ-সূক্তৰ কথাখিনিও ইয়াতে পুনৰ ব্যাখ্যা কৰা হৈছে।

১ বিৰাট পুৰুষৰ মুখ বাক্ ইন্দ্ৰিয় আৰু সেই ইন্দ্ৰিয়ৰ অধিষ্ঠাতা অগ্নিৰ আশ্ৰয়-স্থান ; নাসিকাৰন্ধ্ৰ সেইদৰে প্ৰাণ আৰু বায়ু দেৱতাৰ, ঘ্ৰাণেন্দ্ৰিয় অশ্বিনীকুমাৰ আৰু গন্ধৰ, চক্ষু তেজৰ, নয়নগোলক সূৰ্য্যৰ, কৰ্ণ দিক্‌সমূহৰ, শ্ৰৱণেন্দ্ৰিয় আকাশ আৰু শব্দৰ, ত্বক্ স্পৰ্শ আৰু বায়ুৰ, উপস্থ জল আৰু প্ৰজাপতিৰ, পায়ু যমৰ আশ্ৰয়।

২ পুৰুষ-সূক্তৰ 'পুৰুষ এৱেদং সৰ্ব্ব' এই মন্ত্ৰৰ অৰ্থ প্ৰকাশ কৰি ব্ৰহ্মাই কৈছে যে তেওঁ নিজে, নাৰদ, সনকাদি মুনি, সুৰ, অসুৰ, নৰ, নাগ, খগ, গন্ধৰ্ব্ব, অপ্সৰা, যক্ষ, ৰাক্ষস, পশু, পিতৃ, সিদ্ধ, বৃক্ষ, বিবিধ জীৱ, গ্ৰহ, নক্ষত্ৰ, তড়িৎ আদি সকলোৱেই বিৰাট পুৰুষৰ শৰীৰতে আছে।

৩ আদিত্যই যেনেকৈ নিজৰ মণ্ডল প্ৰকাশ কৰি বহিৰ্ভাগকো প্ৰকাশ কৰে, পৰম পুৰুষেও সেইদৰে বিৰাটৰ শৰীৰ ব্ৰহ্মাণ্ডক প্ৰকাশ কৰি বাহিৰ ভাগকো প্ৰকাশ কৰে।



অৱয়ৱে নানা সম্ভাৰ কৰি তাহাঙ্ক যজ্ঞে যজিলো। পাছে ঋষিগণে যজিল।[৪]

৩০-৪০ ] "ই জগতখান ভগৱন্ত নাৰায়ণত আছে, যাতো নিৰ্গুণ ব্ৰহ্মে নানা গুণক ধৰিছা। তাহান আজ্ঞায়ে মঞি জগত স্ৰজো, ৰুদ্ৰে সংহৰন্ত, আপুনি বিষ্ণু ৰূপে পালন্ত। ভগৱন্ত বিনে কাৰ্য্য কাৰণ কিছো[৫] নাই। তাহান প্ৰভাৱেসে মোৰ মন, বাক্য, ইন্দ্ৰিয়ৰ ব্যাপাৰ ব্যৰ্থ নহে, যাতো প্ৰেম-ভক্তিয়ে হৰিক হৃদয়ে ধৰিছো। তান ভক্তি বিনে বেদ জানি, তপ কৰি আপুনাৰ উদ্ভৱ-স্থান নাজানিলো। এতেকে তাহান সুমঙ্গল চৰণক নমো, যাত শৰণ লৈলে সংসাৰ গুচে, সকল কুশল হয়, যাৰ মায়া-বৈভৱৰ অন্ত নাই, যাৰ স্বৰূপক কেৱে নাজানে। যাতো তাহানে মায়ায়ে মোহিত হয়া প্ৰপঞ্চ মাত্ৰ জানে, যাৰ অৱতাৰ-চৰিত্ৰ গাই তান স্বৰূপ সাক্ষাতে নজানি।[৬] এতেকে কেৱলে নমস্কাৰ মাত্ৰ কৰি। সেই ভগৱন্ত পুৰুষ অৱতাৰ হয়া কল্পে কল্পে জগতক

---

৪ পুৰুষ-সূক্তৰ 'যৎপুৰুষেণ হৱিষে' এই অংশৰ অৰ্থ প্ৰকাশ কৰি ব্ৰহ্মাই কৈছে, তেওঁ বিষ্ণুৰ নাভি-কমলৰপৰা জন্ম হৈ একো যজ্ঞ-সম্ভাৰ বিচাৰি নাপাই নাৰায়ণৰ অৱয়ৱবোৰকে যজ্ঞৰ উপকৰণ অৰ্থাৎ পশু, সবনস্পতি কুশ, যজ্ঞভূমি, কাল, যজ্ঞপাত্ৰ, ব্ৰীহি আদি ওষধি, ঘৃত আদি স্নেহ, সোম আদি ৰস, মৃত্তিকা, জল, ঋক্-যজুঃ-সাম-মন্ত্ৰ, স্বাহা আদি মন্ত্ৰ, দক্ষিণা, ব্ৰত, বিধি, সঙ্কল্প আদি কৰি যজ্ঞত যজিলে। তেতিয়া মৰীচি আদি প্ৰজাপতি একাগ্ৰচিত্তে ব্যক্ত বা অব্যক্ত-ৰূপ পুৰুষৰ যজ্ঞ কৰে। তাৰ পিছত মনুসকল, অন্য ঋষিসকল, অৰ্য্যমাদি পিতৃসকল, ইন্দ্ৰাদি দেৱসকল, দৈত্য, মনুষ্যসকল নিজ সময়মতে সৰ্ব্বব্যাপী প্ৰভুক যজনা কৰে।

৫ সদসদাত্মকম্ কিঞ্চিৎ ( ভা )—সূক্ষ্ম আৰু স্থূল-স্বৰূপ যি কোনো বস্তু।

৬ তন্মায়য়া মোহিতবুদ্ধয়স্ত্বিদং ৱিনিৰ্মিতঞ্চাত্মসমং ৱিচক্ষহে। ( শ্লোক ৩৬ )
ভগৱন্তৰ শক্তি-স্বৰূপা মায়াৰ দ্বাৰা মোহিত হৈ অজ্ঞান আৰু প্ৰপঞ্চজ্ঞান হেতুকে লোকে এই সৃষ্ট প্ৰপঞ্চ-ৰূপ দেহ-গেহাদিকে নিজৰ জ্ঞান অনুৰূপে জানে, সম্যকৰূপে নাজানে।

স্ৰজন্ত, পালন্ত, সংহাৰ কৰন্ত, শান্তচিত্ত মুনিসৱে যাক জানন্ত, কুতৰ্ক-বাদীত অন্তৰ্দ্ধান হন্ত,[৭] আৱে তাহান অৱতাৰ-কথা কহো।

৪১-৪৫ ] "ভূমা পৰমেশ্বৰৰ আদি অৱতাৰ প্ৰকৃতি-ক্ষোভক পুৰুষ, যাৰ লীলা-বিগ্ৰহ সহস্ৰশীৰ্ষ নাৰায়ণ, কাল স্বভাৱ প্ৰকৃতিক শক্তি বুলি, মহত্তত্ত্বাদিক কাৰ্য্য বুলি, ব্ৰহ্মা বিষ্ণু মহেশক গুণাৱতাৰ বুলি, প্ৰজাপতি দেৱৰ্ষিসৱক বিভূতি বুলি, আৰো সকল জগত তাহান ৰূপ।[৮]

৪৬ ] "আবে শুদ্ধসত্ত্ব অৱতাৰ কহো সাৱধান-মনে শুনা, যাক শুনিলে কৰ্ণৰ মল হৰে॥"

শ্ৰীভাগৱতকথায়াং দ্বিতীয়স্কন্ধে ষষ্ঠোঽধ্যায়ঃ॥

আক জানি সৰ্ব্বলোক হৰি বোল হৰি॥

শ্লোক॥ কায়ৱাঙ্মনসাং চেষ্টা সত্যে ৱিষ্ণৌ স্মৃতা যতঃ।
অতস্তচ্ছ্ৰৱণং কাৰ্যমিতি ষষ্ঠে নিৰূপিতম্॥ ৬॥

---

৭ যদা তদেৱাসত্তৰ্কৈস্তিৰোধীয়েত ৱিপ্লুতম্॥ (শ্লোক ৪০)

প্ৰশান্ত দেহ, ইন্দ্ৰিয় আৰু অন্তঃকৰণৰ মুনিসকলে ভগৱৎস্বৰূপ দেখা পাই থাকে। কিন্তু যেতিয়া সেই স্বৰূপ অসৎ তৰ্ক বা ভগৱৎবিৰোধী কথাৰ দ্বাৰা আচ্ছন্ন হয়, তেতিয়া সি তিৰোহিত হয়।

৮ আদ্যোঽৱতাৰঃ পুৰুষঃ পৰস্য কাল স্বভাৱঃ সদসন্মনশ্চ।
দ্ৰৱ্যং ৱিকাৰো গুণ ইন্দ্ৰিয়াণি ৱিৰাট্ স্বৰাট্ স্থাস্নু চৰিষ্ণু ভূম্নঃ॥
(শ্লোক ৪১)

ভূমা পৰমেশ্বৰৰ (ভূম্নঃ পৰস্য) প্ৰকৃতি-প্ৰৱৰ্ত্তক পুৰুষ হ'ল আদ্য অৱতাৰ; যাৰ লীলা-বিগ্ৰহ হ'ল সহস্ৰশীৰ্ষ পুৰুষ বা নাৰায়ণ (যস্য সহস্ৰশীৰ্ষেত্যুক্তো লীলাৱিগ্ৰহঃ, শ্ৰী); কাল, স্বভাৱ আৰু সদসদৎ বা কাৰ্য্যকাৰণাত্মিকা প্ৰকৃতি হ'ল যাৰ শক্তি; মন বা মহত্তত্ত্ব (মনো মহত্তত্ত্বং, শ্ৰী) আদি হ'ল যাৰ কাৰ্য্য; ব্ৰহ্মা আদি যাৰ গুণাৱতাৰ (ব্ৰহ্মাদয়ো গুণাৱতাৰাঃ, শ্ৰী); দক্ষ আদি প্ৰজাপতি আৰু লোকপাল আদি যাৰ বিভূতি। দ্ৰব্য বা মহাভূত, বিকাৰ বা অহঙ্কাৰ, সত্ত্বাদি গুণ, দহ ইন্দ্ৰিয়, বিৰাট (সমষ্টি শৰীৰ), স্বৰাট্ (বৈৰাজ পুৰুষ), স্থাৱৰ-জঙ্গম ব্যষ্টি শৰীৰ—সকলো পৰম তত্ত্ব।

## ॥ সপ্তম অধ্যায় ॥

### ॥ লীলা-অৱতাৰ ॥

সপ্তম অধ্যায়ে অৱতাৰ-লীলা কহিবা।

১-২৫ ] ব্ৰহ্মা বোলন্ত, "যেখন নাৰায়ণ পৃথিৱী উদ্ধাৰিতে বৰাহ-ৰূপ ধৰিলা, তেখনে হিৰণ্যাক্ষ দৈত্যক দন্তে ছিৰি মাৰিলা।

"ৰুচি প্ৰজাপতিৰ ভাৰ্য্যা আকৃতি কন্যাত যজ্ঞ অৱতাৰ ভৈলা; দক্ষিণা পত্নীত যম নামে দেৱক জাত কৰাই আপুনি ইন্দ্ৰ হয়া লোকৰ দুঃখ হৰিলা।[১]

"কৰ্দ্দমৰ গৃহত দেৱহুতি কন্যাত কপিল অৱতাৰ হয়া মাতৃত আত্মজ্ঞান কহিলা।

"অত্ৰিৰ পুত্ৰ দত্ত অৱতাৰ হৈলা, যাৰ পাদ-পদ্মক আশ্ৰয় কৰি যদু হৈহয় আদি ভুক্তি-মুক্তি পাইলা।[২]

"ঘোৰ অখণ্ড তপস্যাত সনক, সনন্দন, সনাতন, সনতকুমাৰ চাৰি ৰূপ হয়া আত্মজ্ঞান কহিলা।

---

॥ সপ্তম অধ্যায় ॥

সপ্তম অধ্যায়ত নাৰদৰ আগত ব্ৰহ্মাই ভগৱন্তৰ লীলা-অৱতাৰৰ কথা, সিসমূহৰ কৰ্ম্ম, প্ৰয়োজন আৰু গুণে সৈতে কৈছে।

"কীৰ্ত্তন-ঘোষা"ৰ চতুৰ্বিংশতি অৱতাৰ-বৰ্ণনা চাওক।

১ ৰুচি নামে প্ৰজাপতিৰ ঔৰসত স্বয়ম্ভুৱ মনুৰ কন্যা আকৃতিৰ গৰ্ভত সুযজ্ঞৰ জন্ম হয়। সুযজ্ঞৰ পত্নী দক্ষিণাৰ গৰ্ভত সুযম নামে দেৱতাসকলৰ জন্ম হয়। সুযজ্ঞই ইন্দ্ৰ হৈ লোকত্ৰয়ৰ আৰ্ত্তি হৰণ কৰে। সেই কাৰণে সুযজ্ঞক মাতামহ স্বয়ম্ভুৱ মনুৱে হৰি নাম দিয়ে।

২ অত্ৰি ঋষিৰ পুত্ৰ দত্তাত্ৰেয়ৰ ভক্ত হৈ যদু, কাৰ্ত্তবীৰ্য্য প্ৰভৃতিয়ে যোগসিদ্ধি আৰু ঐহিক-আমুষ্মিক ভোগ আৰু মোক্ষৰূপ সিদ্ধি লাভ কৰে।

"ধৰ্ম্মৰ পত্নী মূৰ্ত্তি কন্যাত নৰ-নাৰায়ণ অৱতাৰ হয়া দুশ্চৰ তপ আচৰিলা, যাৰ তপ ভঙ্গ কৰিতে আপুনাৰ গণ সমে কামো নপাৰিলা।[৩]

"সপত্নী মাতৃৰ বাক্য-সায়কে বেথিত হয়া ধ্রুৱ বনে গয়া হৰিক আৰাধিলা। তাঙ্ক শান্ত অৱতাৰ হয়া ধ্রুৱলোক দিলা।

"বিপ্র-শাপে দুষ্ট বেণ নষ্ট ভৈলে বিপ্রৰ প্ৰাৰ্থনাত পৃথু-ৰূপ ভৈলা, পৃথিৱী দুহিলা।[৪]

"নাভিৰ পত্নী মেৰুদেৱীত ঋষভ অৱতাৰে যোগচৰ্য্যা আচৰিলা।

"মোৰ যজ্ঞত[৫] হয়গ্রীৱ অৱতাৰ হয়া নাসিকাৰ হন্তে বেদ স্ৰজিলা।

"সত্যব্রত ৰাজাক মৎস্য-ৰূপ দেখাই প্ৰলয়-জলত বিহাৰ দেখাই ক্রীড়িলা।

"খীৰ-সাগৰত দেৱ-দৈত্যে অমৃত মথিতে কচ্ছপ-ৰূপে মন্দৰ ধৰিলা।

"নৰসিংহ-ৰূপ ধৰি হিৰণ্যকশিপুক নখে ছিৰিলা।

"গজেন্দ্ৰক গ্ৰাহে ধৰিল ; মহাদুঃখ পায়া হাতত পদ্ম ধৰি নাৰায়ণ বুলি শৰণ পশিলা ; তাঙ্ক হৰি-অৱতাৰে তাৰিলা।

"অদিতিত বামন-ৰূপ হয়া তিনি পদ-ছলে বলিৰ ত্ৰৈলোক্য আক্ৰমিলা।

"হংস অৱতাৰে আমাত আত্মজ্ঞান ভক্তি কহিলা।

"চৈধ্য মন্বন্তৰত নানা অৱতাৰে দুষ্টক দণ্ডি কীৰ্ত্তি বিস্তাৰ কৰিলা।

---

৩ ধৰ্ম্মৰ ঔৰসত দক্ষ-দুহিতা মূৰ্ত্তিৰ গৰ্ভত নৰ আৰু নাৰায়ণ যুগল-স্বৰূপে ভগৱন্তৰ জন্ম হয়। কামদেৱে দেৱী-অপ্সৰাসকলক সহায় লৈও নৰ-নাৰায়ণৰ কঠোৰ তপস্যা ভঙ্গ কৰিব নোৱাৰিলে।

৪ কালিদাসৰ "কুমাৰসম্ভৱ"ৰ দ্বিতীয় শ্লোকতে পৃথুৰ দ্বাৰা পৃথিৱীৰ ৰত্নাদিদোহনৰ কথা কীৰ্ত্তিত হৈছে হিমালয়ৰ কথা-প্ৰসঙ্গত :

যং সৰ্ব্ব শৈলাঃ পৰিকল্প্য বৎসং মেৰৌ স্থিতে দোগ্ধৰি দোহদক্ষে।
ভাস্বন্তি ৰত্নানি মহৌষধীংশ্চ পৃথূপদিষ্টাং দুদুহুৰ্ধৰিত্ৰীম্॥

৫ মোৰ যজ্ঞত—মম সত্ৰে ( ভা )।



"ধন্বন্তৰি অৱতাৰে যজ্ঞ-ভাগ ভুঞ্জিলা, আয়ুৰ্ব্বেদ প্ৰকাশিলা।

"পৰশুৰাম অৱতাৰে একৈশবাৰে পৃথিৱী ফুৰি দুষ্ট খেত্ৰিয়ক বধিলা।

"আমাক কৃপায়ে চাৰিৰূপে ৰামচন্দ্ৰ হয়া, পিতৃৰ বাক্যে বনক গৈয়া, সীতা-হৰণ হেতুৱে সাগৰত সেতু বান্ধি, সসৈন্যে ৰাৱণ বধিলা।

২৬-৩৫ ] "আৱে কৃষ্ণ-অৱতাৰ শুনা। পৃথিৱীৰ মহাভাৰ হৰিবাক লাগি বলভদ্ৰ সহিতে পৰিপূৰ্ণ কৃষ্ণ-অৱতাৰ হৈবা। আক সামান্যজনে ঈশ্বৰ বুলি নাজানিব, কিন্তু অকৰ্ম্ম সমে মহিমা কহিবেক, যাতো শিশু-কালে পূতনা শুষিলা, তিনি মাসত শকট উভতাইবা, গৰ্ভতে যশোদা চৈধ্য ভুৱন দেখিবা, অনেক জড়িয়ে যশোদা বান্ধিবে নপাৰিবা, যমলাৰ্জ্জুন উভঞ্জিবা, বৎসাসুৰ বক অঘ বধিবা, ব্ৰহ্মাকো মুহিবা, ধেনুকাসুৰ বধিবা, তালফল খাইবা, বিষ-জল-পানে মৃতক গোপ গৰুক জীয়াইবা, কালিক দমি হ্ৰদৰ খেদাইবা, বনাগ্নিকো পান কৰি ব্ৰজক ৰাখিবা, গোৱৰ্দ্ধন ধৰি বৃষ্টি-বাত হন্তে গোকুল পালিবা, বৰুণৰ পাশত নন্দক মেলাইবা, গোকুল-বাসীক বৈকুণ্ঠ দেখাইবা, ৰাসক্ৰীড়া কৰি শঙ্খচূড় বধিবা, বৃষভ কেশীকো বধিবা, অক্ৰূৰকো নিজ ৰূপ দেখাইবা, ধনুক ভাঙ্গিবা, কুৱলয় পীড়িবা, চাণূৰাদি মাল কংসকো একেদিনে বধিবা, জৰাসন্ধ সত্ৰবাৰ সেনা বধিবা, দ্বাৰকা নিৰ্ম্মিয়া সৰ্ব্ব লোককো নিবা, কালযৱন মৰাইবা, অষ্ট মহিষীক বিহা কৰাইবা, আৰো নৰকক মাৰি যোল্ল হাজাৰ একশত কন্যা বিহাইবা, সৱাতে দশ দশ পুত্ৰ উপজাইবা, ইন্দ্ৰকো জিনি পাৰিজাত হৰিবা, বাণৰ নিমিত্তে শিৱক জিনিবা, পৌণ্ড্ৰক কাশীৰাজাকো বধিবা, জৰাসন্ধ মৰাইবা, ৰাজসূয় কৰাইবা, শিশুপাল সাল্ব দন্তবক্ৰ বিদূৰথ নিপাতিবা, ভাৰত-যুদ্ধ কৰাই ৰাজাগণ বধিবা, ব্ৰাহ্মণসৱক অনুগ্ৰহ কৰিবা, উদ্ধৱত তত্ত্বজ্ঞান কহিবা, যদু-কুল সংহৰিবা, ভূমিৰ ভাৰ সংহৰিবা, সেই শৰীৰে বৈকুণ্ঠে যাইবা, আৰো আপুনি যাক বধিছা অৰ্জ্জুনাদিৰো হাতায়ে যাক মৰাইছা সৱাকে বৈকুণ্ঠে নিবা।

৩৬-৩৮ ] "পৰাশৰ হন্তে সত্যৱতী কন্যাত ব্যাস অৱতাৰ হয়া বেদ-বৃক্ষক শাখা-ভেদ কৰিবা।

"বুদ্ধ-অৱতাৰ হয়া পাষণ্ডৱাদে অসুৰ মুহিবা।

"পাছে কলি যুগত হৰি-কথা বৰ্জ্জিত হৈলে, ব্ৰাহ্মণসৱ পাষণ্ড হৈলে, বেদ-পন্থ লুপ্ত হৈলে, কল্কি অৱতাৰ হয়া পাষণ্ড দমিবা।

৩৯ ] "আৰো সৃষ্টিত ব্ৰহ্মা, থিতিত বিষ্ণু, প্ৰলয়ত ৰুদ্ৰ আদি ৰূপ ধৰিবন্ত।

৪০-৪৯ ] "জানা নাৰদ, এমনে মঞি বিষ্ণুৰ লীলা সংক্ষেপে কহিলো; বিস্তৰ কৰি কহিবাক সাৰশেষে কেহো কহিতে নপাৰে। যদি পৃথিৱীৰ ধূলাকো গণিতে পাৰে, তথাপি বিষ্ণুৰ বীৰ্য্যৰ অন্ত নপাৰে। হৰিৰ মায়া-বলৰ মঞি, মুনিগণো অন্ত নপাঞ; আনে আৰ কৈত পাৰে, যাতো অনন্ত সহস্ৰ মুখে গুণ গায়া অন্ত নপান্ত। যদি বোলা, 'জানিতে নপাৰিলে কোনে কেমতে তৰিবেক?' তাত শুনা: যাৰাক ভগৱন্তে দায়া কৰন্ত, তাৰায়ো যদি নিষ্কপটে কায়-বাক্য-মনে তেন্তো কৃষ্ণ-চৰণক আশ্ৰয় কৰে, তেৱে দুস্তৰ মায়াক অনায়াসে তৰে। অন্তক নজানিও মায়া হেন জ্ঞান তাহান কৃপায়ে অনেকৰ হয়াছে, তাক শুনা: মঞি, তুমি, সনকাদি, শিৱ, স্বয়ম্ভুৱ মনু, তান পুত্ৰ-ভাৰ্য্যা-দুহিতা, ধ্ৰুৱ, অঙ্গ, পৃথু, প্ৰাচীনবৰ্হি, ইক্ষ্বাকু, মুচুকুন্দ, ৰঘু, অম্বৰীষ, সগৰ, যযাতি, জনক, গয়, গাধি, মান্ধাতা, অলৰ্ক, হৈহয়, শতধনু, অনু, ৰন্তিদেৱ, সৌভৰি, উতঙ্ক, দিলীপ, শিবি, দেৱল, পিপ্পলাদ, কৃপ, উদ্ধৱ, পৰাশৰ, ভূৰিষেণ, বিভীষণ, হনুমন্ত, শুক, পাণ্ডৱ, বিদুৰ, শ্ৰুতদেৱ। আৰাসৱৰ সঙ্গীও হৰিৰ কৃপায়ে হৰিক জানিছন্ত। বিস্তৰ কি কহিবো? সৎসঙ্গ লৈলে স্ত্ৰী জাতি অৰ্দ্ধশৌচী শূদ্ৰ অন্ত্যজাতি মহাপাপীও তৰে। উত্তম মনুষ্যৰ কি কথা কহিবো? সাধুসঙ্গে পশু-পক্ষীও তৰে।

৫০-৫৩ ] "হে বাপু নাৰদ, ইটো ভাগৱত-কথা হৰি-লীলা ময়ো তোমাত সংক্ষেপে কহিলো। তুমি আন ঠাইত বিস্তৰ কৰি কহা। যেমনে



লোকৰ হৰি-ভক্তি হৱে, তেমনে কহিবা। বুলিবা, 'লীলা মায়াশ্ৰয়, আক কহিলে কি হৈবেক?' আত শুনা: হৰিৰ লীলা বৰ্ণাইলে, প্ৰশংসিলে, শুনিলে, মায়ায়ে মোহ নহে।"

শ্ৰীভাগৱতকথায়াং দ্বিতীয়স্কন্ধে সপ্তমোঽধ্যায়ঃ॥

আক জানি সৰ্ব্ব লোক হৰি বোল হৰি।

॥ শ্লোক॥ সদ্যো কৃষ্ণকৃপাং হিত্বা সতাং সঙ্গম্মহৎফলং।
গীত্বা শ্ৰুত্বা হৰিকথাং মুচ্যেৎ সপ্তম ঈৰিতম্॥ ৭॥

## ॥ অষ্টম অধ্যায় ॥

### ॥ পৰীক্ষিতৰ প্ৰশ্ন ॥

অষ্টম অধ্যায়ে ৰাজাৰ প্ৰশ্নচয় কহিবা।

১-৩ ] পৰীক্ষিতে পুছন্ত, "হে মহামুনি, নিৰ্গুণ কৃষ্ণৰ গুণ কহিবাক ব্ৰহ্মা নাৰদক বুলিলা; নাৰদো যে ঠাইত যেমনে কহিলা, তাক মোত কহিয়োক। আৰো হৰিৰ সুমঙ্গল কথা কহ, যাক শুনি কৃষ্ণত একান্তে মন দিয়া দেহ এড়িবো।

৪-৬ ] "হৰি-কথা শুনন্তা কহন্তাজনৰ হৃদয়ত অল্পকালে ভগৱন্ত প্ৰৱেশন্ত। তেৱে সাৰশেষে মল হৰন্ত। তেৱে শুদ্ধচিত্ত পুৰুষে কৃষ্ণ-পাদ-মূল নেৰে; তেৱে সকল ক্লেশ গুচে।[১]

---

॥ অষ্টম অধ্যায় ॥

অষ্টম অধ্যায়ত পৰীক্ষিত ৰজাই ভাগৱতৰ অৰ্থোদ্দীপক জীৱ-ঈশ্বৰ সম্পৰ্কীয় প্ৰশ্ন শুক মুনিৰ আগত উত্থাপন কৰিছে।

১ মূলৰ ৪-৬ শ্লোকৰ অৰ্থ ইয়াত সংক্ষেপে দিয়া হৈছে। মাধৱদেৱৰ "নামঘোষা"ত তাৰ বহল ভাঙনি আছে এইদৰে:—

কৃষ্ণ কথা গাৱে শুনে যিটো শ্ৰদ্ধা কৰি।
অল্পকালে হিয়াত প্ৰৱেশ হোন্ত হৰি॥ ৪৪০

৭ ] "আৰো অসঙ্গ আত্মাৰ কেনে দেহ-সম্বন্ধ হৱে ?[২] আৰো জীৱ-ঈশ্বৰৰ সমান শৰীৰ কহিছা ;[৩] তাত কি বিশেষ আছে তাকো কহা।

"ঈশ্বৰে প্ৰলয়ত যিমতে থাকন্ত, প্ৰলয়ৰ কথা, কালৰ স্বৰূপ, সৱাৰে আয়ুৰ প্ৰমাণ, কৰ্ম্মৰ গতি কহা। স্বৰ্গ-মঞ্চ-পাতাল, নদী-নদ, সমুদ্ৰ-দ্বীপ, বৰ্ষ-পৰ্ব্বত, গ্ৰহ-নক্ষত্ৰৰ কথা কহা। ব্ৰহ্মাণ্ডৰ প্ৰমাণ, বৰ্ণাশ্ৰম-ধৰ্ম্ম, হৰিৰ অৱতাৰ-চৰিত্ৰ, মহন্তসৱৰ চৰিত্ৰ, যুগ, যুগৰ মান, যুগধৰ্ম্ম কহা। কৃষ্ণৰ পূজাৰ বিধি, যোগৰ প্ৰকাৰ, অনিমাদি সিদ্ধি, লোকৰ সৃষ্টি-স্থিতি-প্ৰলয় কহা। জীৱৰ বন্ধ-মোক্ষ কহা। আৰো যি কথা পুছিবাক নাজানো, তাকো কহিবা, যাতো তোমাত প্ৰপন্ন হুই

কৰ্ণ-পথে ভকতৰ  হিয়াত প্ৰৱেশি হৰি
দুৰ্ব্বাসনা হৰা সমস্তয়।
জলৰ যতেক মল  যেহেন শৰত-কালে
স্বভাৱতে নিৰ্ম্মল কৰয় ॥ ১৫

কৃষ্ণ-যশে চিত্ত-ধৌত হুয়া  সমস্তে ক্লেশক তৰি পুনু
কৃষ্ণ-দাসে কৃষ্ণ-চৰণ-মূল নেড়য়।
সকলে সম্পূৰ্ণ নিজ গৃহ  পথিকসকলে পায়া পুনু
দুখ এড়াই যেন সিটো গৃহ নছাড়য় ॥ ৬৬৭

২ যদধাতুমতো দেহাৰম্ভোঽস্য ধাতুভিঃ (ভা)। অধাতুমতঃ ধাতৱো মহাভূতানি তৎসম্বন্ধশূন্যস্যাস্য লৌকিকস্যাত্মনো জীৱস্য ধাতুভিঃ দেহাৰম্ভ ইতি যদেতৎ কিম্ ? (শ্ৰী।) অপাঞ্চভৌতিক বা পঞ্চ মহাভূতৰ লগত অসম্বদ্ধ আত্মাই কিয় মহাভূতৰ দ্বাৰা দেহাৰম্ভ কৰে ?

৩ যাৱানয়ং ৱৈ পুৰুষ ইয়ত্তাৱয়ৱৈঃ পৃথক্।
ভাৱানসাৱিতি প্ৰোক্তঃ সংস্থাৱয়ৱৱানিৱ ॥ (শ্লোক ৮)

বিভিন্ন যিবোৰ অৱয়ৱৰ দ্বাৰা লৌকিক পুৰুষ যুক্ত, সেই পৰমাত্মাও সিমানবোৰ অৱয়ৱযুক্ত বুলি কোৱা আছে।



আছো। তুমি ব্ৰহ্ম-সম্প্ৰদায়ে[৪] জানা ; এতেকে সকলে কথা কহিবা। মঞি কিছো ভোজন নকৰিয়ো আকুল নোহো, যাতো তোমাৰ মুখে হৰি-কথা পান কৰোঁ।"

সুতে বোলন্ত,—জানা শৌনক, এমনে ৰাজা প্ৰশ্ন কৰিলে শুক মুনি মহাপ্ৰীতি হুয়া, যাক ভগৱন্তে ব্ৰহ্মাত কহিছা, সেই ভাগৱত কহি প্ৰশ্নৰ সিদ্ধান্ত কহিতে লাগিলা ॥

শ্ৰীভাগৱতকথায়াং দ্বিতীয় স্কন্ধে অষ্টমোঽধ্যায়ঃ ॥

আক জানি সামাজিক হৰি বোল হৰি ॥

॥ শ্লোক ॥ অষ্টমে ৰাজসংপ্ৰশ্নে শৃণ্বতাং গৃণতাং হৃদি।
ৱিষ্ণোঃ প্ৰৱেশান্নশ্যন্তি পাপানীতি নিৰূপিতম্ ॥ ৮ ॥

৪ ব্ৰহ্ম-সম্প্ৰদায় আৰু অনন্ত-সম্প্ৰদায়,—এই দুই সম্প্ৰদায় বা ঐতিহ্যৰ যোগেদি ভাগৱত-কথা প্ৰৱৰ্ত্তিত হৈছে। ব্ৰহ্ম-সম্প্ৰদায় বা নাৰায়ণ-সম্প্ৰদায়ৰ বৰ্ণনা দ্বিতীয় স্কন্ধৰ নৱম অধ্যায়ত আছে। তৃতীয় স্কন্ধৰ অষ্টম অধ্যায়ত অনন্ত-সম্প্ৰদায়ৰ কথা আছে।

## ॥ নৱম অধ্যায় ॥

### ॥ নাৰায়ণোক্ত ভাগৱত ॥

নৱম অধ্যায়ে নাৰায়ণোক্ত শ্ৰীভাগৱত কহিবা।

১-৪ ] শুকে বোলন্ত, "হৰিৰ মায়া বিনে জীৱৰ দেহ-সম্বন্ধ নঘটে।[১] সংসাৰো মায়াতেসে হয়। যেখন আত্মাৰ স্বৰূপ ব্ৰহ্মাক জানে, তেখনে মায়াক এৰি মুক্ত হয়। জীৱৰ জ্ঞানদাতা ভগৱন্তেসে, যাতো ব্ৰহ্মাৰ ভক্তিত তুষ্ট হয়া শুদ্ধসত্ত্ব স্বৰূপ দেখাই জ্ঞান কহিছা। এহি কথা আছে অন্তে শুনা।

৫-১৩ ] "যেখন নাৰায়ণৰ নাভি-পদ্মত ব্ৰহ্মা উপজিলা, তেখন আপুনাৰ কাৰণ জানিতে পদ্মনালত বুৰ দিয়া শত বৎসৰ বিচাৰিলা ; তথাপি অন্ত নপাই উলটি আসি, পদ্মত বসি, সৃষ্টি কৰিবাক চাহিলা, যেমতে প্ৰপঞ্চ নিৰ্ম্মাণ হয়, তাক নজানিলা। পাছে চিন্তা কৰিতে 'তপ, তপ' বাক্য শুনিলা ; তাৰ বক্তা দেখিবাক লাগি দশো দিশ চায়া কিছো নেদেখিলা। পাছে আপুনাৰ হিত হেন মানি প্ৰাণ-মন-ইন্দ্ৰিয় নিয়মি দেৱৰ বৎসৰে সহস্ৰ বৎসৰ তপ কৰিলা। পাছে ভগৱন্ত তুষ্ট হুয়া আপুনাৰ বৈকুণ্ঠ লোক দেখাইলা, যাত মোহ, ক্লেশ,

---

॥ নৱম অধ্যায় ॥

নৱম অধ্যায়ত পৰীক্ষিত ৰজাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ শুক মুনিয়ে নাৰায়ণে ব্ৰহ্মাৰ আগত কোৱা ভাগৱত অৰ্থাৎ ভগৱৎ-কথা ব্যাখ্যা কৰিছে। এই ভাগৱত ক্ৰমে নাৰায়ণে ব্ৰহ্মাক, ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক কয়। এই দৰে সি পৰম্পৰা-গত হৈ নাৰায়ণ-সম্প্ৰদায়-ৰূপে বিদিত হ'ল।

১ "আৰো অসঙ্গ আত্মাৰ কেনে দেহ-সম্বন্ধ হৱে ?"—শুকে পোনতে পৰীক্ষিত ৰজাৰ এই প্ৰশ্নটোৰ উত্তৰ দিছে।



ভয়, কালৰ বিক্ৰম, মায়াৰ কাৰ্য্য, প্ৰকৃতিৰ তিনি গুণ নেদেখিলা, শুদ্ধ-সত্ত্বময়, জ্ঞানীয়ো যাক তুতি কৰে, যাত পাৰিষদসৱ শ্যাম-মনোহৰ, পীত-বসন, কমল-লোচন, সৰ্ব্বাঙ্গ-সুন্দৰ, নানা অলঙ্কাৰে মণ্ডিত, সৱে চতুৰ্ভুজ, পোৱাল-মৃণাল-বৈদূৰ্য্যৰ বৰ্ণ ; তাৰাৰো বিমানসৱ প্ৰকাশ কৰে, যাত উত্তম নাৰীসৱ আছে, যাত লক্ষ্মী অনেক বিভৱে পূজা কৰন্ত, হৰি-গুণ নিতান্তে গান্ত।

১৪-১৭ ] "সেই বৈকুণ্ঠে জগৎপতি, লক্ষ্মীপতি, ভক্তৰ গতি ভগৱন্ত দেখা দিলা, সুনন্দ-নন্দাদি পাৰিষদগণ, অনিমাদি সিদ্ধিসৱো উপাসন্ত, ভৃত্যক কৃপায়ে সম্মুখ হয়াছন্ত, কটাক্ষে অমৃত বৰিষে, প্ৰসন্ন-হাস, অৰুণ-লোচন-যুক্ত, মুখ-পদ্ম, পীতাম্বৰ, চতুৰ্ভুজ, কিৰীটি কুণ্ডলাদি অলঙ্কাৰে মণ্ডিত, বক্ষস্থলত সুৱৰ্ণ ৰেখাকাৰে লক্ষ্মী প্ৰকাশন্ত, দিব্য সিংহাসনত বসিছা, এমন ঈশ্বৰক দেখি ব্ৰহ্মা হৰ্ষে আপ্লুত হয়া, প্ৰেমে পুলক সলোতকনয়ন হয়া পাদ-পদ্মক নমিলা।

১৮-২৩ ] "ভগৱন্তে মহাপ্ৰীতি হয়া হাস্য-বদনে ব্ৰহ্মাৰ হাতত ধৰি বোলন্ত 'হে ব্ৰহ্মা, তুমি মোক মহাতুষ্ট কৰাইলা, যাতো সৃষ্টিক ইছায়ে চিৰকাল যত তপ কৰিলা। তোমাৰ কুশল হোক। মনবাঞ্ছিত বৰ লৱা। মোৰ কৃপায়ে বৈকুণ্ঠলোক দেখিলা। যি তপ কৰিলা, সিও মোৰ আজ্ঞায়েসে পাৰিলা, যাতো আগে মোহ হয়াছিলা। তপেসে জানিবা মোৰ মুখ্য বল, যাতো তপোবলে জগত স্ৰজন পালন সংহাৰণ কৰোঁ।'

২৪-২৯ ] "ব্ৰহ্মা বোলন্ত, 'হে ভগৱন্ত, তুমি সবাৰে বুদ্ধি-সাক্ষী।[২] এতেকে মোৰ কাৰ্য্যক আপুনি জানা। তথাপি প্ৰাৰ্থনা কৰোঁ, যেমনে তোমাৰ স্থূল সূক্ষ্ম ৰূপ জানিবো, যেমনে তুমি জগত স্ৰজন পালন সংহাৰ কৰি ক্ৰীড়া কৰা। তোমাতে মোৰ ৰতি ৰহোক। জগত স্ৰজিতে যেমনে অহঙ্কাৰ নুপজে, তেমনে কৰা।'

---

২ সৰ্ব্বভূতানামধ্যক্ষোঽৱস্থিতো গুহাম্ ( ভা )—সকলো প্ৰাণীৰে বুদ্ধিত অৱস্থিত।

৩০-৩৬ ] "ভগৱন্তে বোলন্ত, 'হে ব্ৰহ্মা, জ্ঞান, বিজ্ঞান, ভক্তি কহিবো ; তুমি ধৰিবা।[৩] আৰো মোৰ স্বৰূপ, ভাৱৰূপ, গুণ, কৰ্ম্ম, তত্ত্বজ্ঞান তোমাত ৰহোক।[৪] স্বৰূপ শুনা : সৃষ্টিৰ পূৰ্ব্বত, প্ৰলয়ৰ অন্তত এক মঞি মাত্ৰ থাকো।[৫] মায়াক শুনা : যাত হন্তে মিছা জগত দেখি,

---

৩ জ্ঞানং পৰমগুহ্যং মে যদ্বিজ্ঞানসমন্বিতম্।
সৰহস্যং তদঙ্গঞ্চ গৃহাণ গদিতং ময়া ॥ ৩০

ভগৱন্তই ব্ৰহ্মাক শাস্ত্ৰ-নিৰূপিত জ্ঞান, অনুভৱ-স্বৰূপ বিজ্ঞান, ৰহস্য-ৰূপ ভক্তি, আৰু সাধন-ৰূপ অঙ্গ এই চাৰিবিধে পৰমগুহ্য তত্ত্ব বুজাই দিছে ( জ্ঞানং শাস্ত্ৰোত্থম্। ৱিজ্ঞানমনুভৱঃ। ৰহস্যং ভক্তিঃ। সুগোপ্যমপি ৱক্ষ্যামী-ত্যাদিনির্দেশাৎ তস্যাঙ্গং সাধনম্। শ্ৰী )।

এই জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্য বুজোৱা নৱম অধ্যায়ৰ ৩২—৩৫-সংখ্যক শ্লোককে একেলগে চতুঃশ্লোকী ভাগৱত বোলা হয়। অসমৰ বৈষ্ণৱ ধৰ্ম্মৰো এই চাৰিটিয়েই মূল বস্তু বা সত্য তত্ত্ব।

৪ যাৱানহং যথাভাৱো যদ্ৰূপগুণকৰ্ম্মকঃ।
তথৈৱ তত্ত্বৱিজ্ঞানমস্তু তে মদনুগ্ৰহাৎ ॥ ৩১

ব্ৰহ্মাই ক'ব পাৰে, "মই তোমাক দেখাতে অসমৰ্থ ; কেনেকৈ জ্ঞানৰ অধিকাৰী হ'ম ?" তাৰ উত্তৰত ভগৱন্তই কৈছে, "মোৰ যেনে স্বৰূপ ( যাৱানহং ), যেনে ভাৱ-ৰূপ বা সত্তা ( যথাভাৱো যাদৃক্ সত্তাৱান্, শ্ৰী ), যেনে ৰূপ, গুণ আৰু কৰ্ম্ম, তাৰ তত্ত্ব-জ্ঞান ( তত্ত্বৱিজ্ঞানম্ ) মোৰ অনুগ্ৰহত তোমাৰ হওক।"

৫ ভগৱন্তৰ স্বৰূপ ( যাৱানহং ) বুজাই কোৱা হৈছে,—
অহমেৱাসমেৱাগ্ৰে নান্যদ্ যৎ সদসৎপৰম্।
পশ্চাদহং যদেতচ্চ যোঽৱশিষ্যেত সোঽস্ম্যহম্ ॥ ৩২

"সৃষ্টিৰ পূৰ্ব্বতে ময়ে মাত্ৰ আছিলো ; আন একো নাছিল। স্থূল আৰু সূক্ষ্ম, দুইৰো কাৰণ-স্বৰূপ প্ৰধান ( সদসৎপৰম্ ) মোতে লীন হৈ আছিল। সৃষ্টিৰ পিছতো ময়ে আছো কাৰণ এই বিশ্ব ( এতচ্চ ) ময়েই। প্ৰলয়ৰ শেষতো যি অৱশিষ্ট থাকিব, সেয়াও ময়েইহে।"



সত্য আত্মাক নেদেখি, তাকে মোৰ মায়া কৰি জানিবা।[৬] ভাৱ শুনা : সমস্ত ভূতত মোৰ প্ৰৱেশ-অপ্ৰৱেশ জানিবা।[৭] জিজ্ঞাসুসৱে মোক মাত্ৰ জিজ্ঞাস কৰিবেক।[৮] মোৰ এহি মত আচৰিলে তুমি মোহ নহৈবা।"

৩৭-৩৮ ] শুকে কহন্ত, "এহি বুলি ভগৱন্ত অন্তৰ্দ্ধান ভৈলা। ব্ৰহ্মাও হৰিক নমিয়া পূৰ্ব্বৱতে জগত সৃজিলা।

---

৬ মায়াক নিৰূপণ কৰি কোৱা হৈছে,—
ঋতেঽৰ্থং যৎ প্ৰতীয়েত ন প্ৰতীয়েত চাত্মনি।
তদ্বিদ্যাদাত্মনো মায়াং যথাভাসো যথা তমঃ ॥ ৩৩

যেনেকৈ দুটা চন্দ্ৰ বাস্তৱতে নথকাকৈয়ে প্ৰতীত হয় ( যথাভাসো ) অথবা গ্ৰহমণ্ডলত ৰাহু থকাতো যেনেকৈ প্ৰতীত নহয়, তেনেকৈ যিহৰপৰা বাস্তৱ নোহোৱাকৈয়ে প্ৰতীতি জন্মে অথচ সত্য আত্মা থাকোঁতেও তাৰ প্ৰতীতি নহয়, সেয়ে হ'ল ভগৱন্তৰ শক্তি মায়া।

৭ ভগৱন্তৰ ভাৱ-ৰূপ বা সত্তা ( যথাভাৱো ) স্পষ্ট কৰি কৈছে,—
যথা মহান্তি ভূতানি ভূতেষূচ্চাৱচেষ্বনু-।
প্ৰৱিষ্টান্যপ্ৰৱিষ্টানি তথা তেষু ন তেষ্বহম্ ॥ ৩৪

যেনেকৈ ভৌতিক ঘট-পটাদিত পঞ্চ মহাভূত সৃষ্টিৰ পিছত প্ৰৱিষ্ট হৈ থাকে অথচ আগৰেপৰা কাৰণ-ৰূপে সিবিলাকত থকাত ( প্ৰাগেৱ কাৰণতয়া তেষু ৱিদ্যমানত্বাৎ ) অপ্ৰৱিষ্ট বুলিও ক'ব পাৰি, তেনেকৈ ভগৱন্তও ভূত আৰু ভৌতিকসমূহত প্ৰৱিষ্ট আৰু অপ্ৰৱিষ্টও।

৮ সাধন নিৰ্দ্দেশ কৰিছে,—
এতাৱদেৱ জিজ্ঞাস্যং তত্ত্বজিজ্ঞাসুনাত্মনঃ।
অন্বয়ৱ্যতিৰেকাভ্যাং যৎ স্যাৎ সৰ্ব্বত্ৰ সৰ্ব্বদা ॥ ৩৫

সকলো কাৰ্য্যত উপাদান কাৰণ-ৰূপে অনুবৃত্তি ( সহস্থিতি ) আৰু নিমিত্ত কাৰণ-ৰূপে ব্যতিৰেক বা অননুবৃত্তি ( অনৱস্থিতি ), জাগ্ৰৎ অৱস্থাত সাক্ষী-ৰূপে অন্বয় আৰু সমাধি আদিত ব্যতিৰেক ( তথা জাগ্ৰদৱস্থাসু তত্তৎসাক্ষিতান্বয়ঃ ব্যতিৰেকশ্চ সমাধ্যাদৌ ),—এনে অন্বয় আৰু ব্যতিৰেকৰ দ্বাৰা যি সকলোতে সদায় আছে, সেই আত্মাই তত্ত্বজিজ্ঞাসুসকলৰ জিজ্ঞাসা বা বিচাৰৰ বিষয়।

৩১-৪৫ ] "পাছে একদিনা প্ৰজাপতি লোকৰ কুশল ইচ্ছা কৰি আছন্ত। সেইবেলা বিষ্ণুৰ মায়া জানিবাক প্ৰতি নাৰদে শুশ্ৰূষা কৰি পিতৃক তুষ্ট কৰাইলা। তুষ্ট দেখি, তুমি যি পুছিলা, তাক পুছিলন্ত। ব্ৰহ্মায়ো তাহাত ভগৱন্ত-কথিত দশ-লক্ষণ ভাগৱত কহিলা। পাছে নাৰদে ব্যাসত কহিলা। সেহি ভাগৱত কহি তোমাৰ প্ৰশ্নৰ উত্তৰ কহো; সাৱধানে শুনা।"

শ্ৰীভাগৱতকথায়াং দ্বিতীয়স্কন্ধে নৱমোঽধ্যায় ॥

আক জানি সব লোক হৰি বোল ॥

॥ শ্লোক ॥ সংক্ষেপতঃ চতুঃশ্লোকৈঃ শ্ৰীভাগৱতমুত্তমং।
যেনোক্তং ব্ৰহ্মণে তস্মৈ হৰয়ে গুৰৱে নমঃ ॥ ৯ ॥

## ॥ দশম অধ্যায় ॥

### ॥ ভাগৱতৰ দশ লক্ষণ আৰু অধ্যাত্মাদি-বিভাগ ॥

দশম অধ্যায়ে ভাগৱতৰ দশ লক্ষণ কহি অধ্যাত্মাদি প্ৰপঞ্চিবা।

১-২ ] শুকে কহন্ত, "এহি ভাগৱত সৰ্গ, বিসৰ্গ, স্থান, পোষণ, উতি, মন্বন্তৰ, ঈশানুকথা, নিৰোধ, মুক্তি, আশ্ৰয়, দশ লক্ষণে কহিছা। দশ লক্ষণ কহিলিও শাস্ত্ৰৰ অৰ্থ ভেদ নুবুঝিবা, যাতো দশ লক্ষণে একে ঈশ্বৰক মাত্ৰ জনাৱে।

---

॥ দশম অধ্যায় ॥

নৱম অধ্যায়ত ভগৱন্ত-কথিত দশ-লক্ষণ ভাগৱত ক'ম বুলি কৰা সংকল্প-মতে শুকে দশম অধ্যায়ত ভাগৱতৰ দহ লক্ষণ; বিৰাট শৰীৰৰ অধ্যাত্ম, অধিভূত আৰু অধিদৈৱ বিভাগ: আৰু ভগৱন্তৰ স্থূল আৰু সূক্ষ্ম ৰূপ বৰ্ণনা কৰিছে।



৩-৭ ]। "দশৰো প্ৰত্যেক লক্ষণ শুনা। কাৰণ-সৃষ্টি সৰ্গ।[১] কাৰ্য্য-সৃষ্টি বিসৰ্গ।[২] মৰ্য্যাদা-পালনে স্থান।[৩] ভক্তৰ অনুগ্ৰহে পোষণ।[৪] সন্তৰ ধৰ্ম্ম মন্বন্তৰ।[৫] কৰ্ম্ম-বাসনায়ে উতি।[৬] হৰিৰ অৱতাৰ-চৰিত্ৰ, ভক্তৰো চৰিত্ৰ ঈশানুকথা।[৭] জীৱৰ শক্তি-লয় নিৰোধ।[৮] অহঙ্কাৰ এৰি স্বৰূপ-স্থিতিক মুক্তি বুলি।[৯] সৃষ্টি, প্ৰলয় যাত হন্তে প্ৰকাশ হয়, তাঙ্ক আশ্ৰয় বুলি; আৰু ব্ৰহ্ম, পৰমাত্মা, ভগৱন্ত শব্দে কহে।[১০]

---

১ মায়াৰপৰা পৰমব্ৰহ্মৰ গুণ-বৈষম্য হেতুকে পঞ্চ মহাভূত, পঞ্চ তন্মাত্ৰ, একাদশ ইন্দ্ৰিয় (মন, জ্ঞানেন্দ্ৰিয়, কৰ্ম্মেন্দ্ৰিয়), মহত্তত্ত্ব আৰু অহঙ্কাৰ-তত্ত্ব আদিৰ নিজ নিজ ৰূপে আৰু বিৰাট ৰূপে জন্ম,—এয়ে হ'ল কাৰণ-সৃষ্টি। ইয়াকে বোলে সৰ্গ।

২ পৌৰুষ অৰ্থাৎ ব্ৰহ্মাৰ সৃষ্টি হ'ল কাৰ্য্য-সৃষ্টি; তাকেই বোলা হয় বিসৰ্গ।

৩ বৈকুণ্ঠ-বিজয় বা ভগৱন্তৰ উৎকৰ্ষ অৰ্থাৎ সৃষ্টসমূহৰ মৰ্য্যাদা-পালন-ৰূপ উৎকৰ্ষক (শ্ৰী) বোলা হয় স্থিতি বা স্থান।

৪ ভক্তৰ প্ৰতি ভগৱন্তৰ অনুগ্ৰহ বা কৃপাই হ'ল পুষ্টি বা পোষণ।

৫ সদ্ধৰ্ম্ম বা ভগৱন্তৰ অনুগৃহীত সৎসকলৰ অৰ্থাৎ মন্বন্তৰাধিপতিসকলৰ ধৰ্ম্মই মন্বন্তৰ নামে কথিত হৈছে।

৬ কৰ্ম্মৰ বাসনাৰ নাম উতি।

৭ হৰিৰ মৎস্য আদি লীলা-অৱতাৰৰ বৰ্ণনা আৰু তেওঁৰ অনুৱৰ্ত্তীসকলৰ নানা-আখ্যান-যুক্ত কথাই ঈশকথা বা ঈশানুকথা।

৮ হৰিৰ যোগনিদ্ৰাৰ পিছত শক্তিৰে অৰ্থাৎ উপাধিসমূহেৰে সৈতে জীৱৰ শয়ন বা লয়ক বোলা হয় নিৰোধ।

৯ মুক্তিৰ্হিত্বান্যথাৰূপং স্বৰূপেণ ব্যৱস্থিতিঃ (ভা)—অন্যথা-ৰূপ অৰ্থাৎ অবিদ্যাৰ দ্বাৰা অধ্যস্ত কৰ্তৃত্ব বা অহঙ্কাৰ পৰিহাৰ কৰি স্বৰূপ বা ব্ৰহ্মতাত অৱস্থিতিয়েই মুক্তি।

১০ আভাস আৰু নিৰোধ অৰ্থাৎ সৃষ্টি আৰু লয় যাৰপৰা অধ্যৱসিত বা প্ৰকাশিত হয়, সেয়ে আশ্ৰয়; সেয়ে ব্ৰহ্ম বা পৰমাত্মা নামে কথিত ভগৱন্ত (ব্ৰহ্মেতি পৰমাত্মেতি ভগৱানিতি শব্দ্যতে)।

৮-৪৭ ] “অধ্যাত্মাদি বিভাগ কহো। যেখনে পুৰুষে আপুনাৰ স্থান ইচ্ছা কৰিলা, তেখন শুচি জল স্ৰজিলা। সেই জলতে সহস্ৰ

---

শঙ্কৰদেৱৰ অনুবাদত ভাগৱতৰ দহ লক্ষণৰ বৰ্ণনা :

পুৰুষৰ পায়া দৃষ্টি উপজে কাৰণ-সৃষ্টি<br>
আকে **সৰ্গ** বোলে সাধুজন॥<br>
ব্ৰহ্মা আদি নানামত স্ৰজে চৰাচৰ যত<br>
ইহাকে **বিসৰ্গ** বুলি জান।<br>
ৰাজা দেৱ দৈত্য-জাক পাইলে মহা মহিমাক<br>
ইটো লক্ষণৰ নাম **স্থান**॥<br>
মহাপাপী ভক্ত হয় তাকো কৃষ্ণে নিস্তাৰয়<br>
জানা ৰাজা এইতো **পোষণ**।<br>
মহন্তৰ কোপে আসি হৰে দুৰ্ব্বাসনা-ৰাশি<br>
**উতি** বুলি কৰিল বৰ্ণন॥<br>
যিটো হৰে পুণ্য-ভাগী সাধুৰ কৃপাক লাগি<br>
কায়-বাক্যে কৰোক যতন।<br>
তেৱে কৃষ্ণ-পাৱে ৰতি বাঢ়িবে সপ্ৰেম মতি<br>
তৰিবেক দুৰ্ঘোৰ মৰণ॥<br>
মনু মনুপুত্ৰচয় তেসম্বাৰ ধৰ্ম্ম হয়<br>
**মন্বন্তৰ** ইহাকে বোলয়।<br>
বিষ্ণু-বৈষ্ণৱৰ কথা প্ৰকটি কহয় যথা<br>
এহিতো **ঈশানুকথা** হয়॥<br>
জগত উদৰে ধৰি শয়ন কৰন্ত হৰি<br>
**নিৰোধন** কহিলো স্বৰূপ।<br>
ছাড়ি মিছা মায়াময় নিজ ব্ৰহ্ম-ৰূপ হয়<br>
**মুকুতি** বুলিয়া আকে ভূপ॥<br>
কোটি কোটি ব্ৰহ্মাণ্ডৰ যত জীৱ সমস্তৰ<br>
একেমাত্ৰ আশ্ৰয়ৰ স্থান।<br>
সৃষ্টি স্থিতি প্ৰলয়ৰ হেতু যিটো মহেশ্বৰ<br>
**আশ্ৰয়** কহিলো ভগৱান॥



বৎসৰ আছিলা ; এতেকে নাৰায়ণ নাম ভৈলা।[11] আৰো নানা বিষয় ভোগ বাঞ্ছাত গোলক, ইন্দ্ৰিয়, দেৱতা, বিষয় সমে হৈলন্ত।[12] ইন্দ্ৰিয়গণক অধ্যাত্ম বুলি। অধিষ্ঠাতা দেৱগণক অধিদৈৱ বুলি। গোলক, বিষয়কো অধিভূত বুলি। সপ্তাৱৰণ-যুক্ত বিৰাটক হৰিৰ স্থূল দেহ বুলি।[13] বিৰাটৰ কাৰণ সূক্ষ্ম দেহ আছে। দুয়ো দেহ ঈশ্বৰত মায়াময় বুলি বিৱেকীসৱে কহে, যাতো তাহান নিজ ৰূপ বাক্য মনৰ অগোচৰ। এতেকে প্ৰথম উপাসাৰ পদে ইহাকে দেহ বুলি কহে।[14]

---

১১ বিৰাট পুৰুষে ব্ৰহ্মাণ্ড ভেদ কৰি নিজৰ স্থান বিচাৰি গৰ্ভোদক নামে শুদ্ধ জল স্ৰজিলে, আৰু সেই শুদ্ধ জলতে হেজাৰ বছৰ বাস কৰিলে। ‘নৰ’ৰ অৰ্থ পুৰুষ। পুৰুষৰপৰা হোৱা জল হ’ল ‘নাৰ’। নাৰ যাৰ অয়ন বা স্থান, তেৱেঁই হ’ল নাৰায়ণ ( নাৰা আপোঽয়নমস্যেতি নাৰায়ণ ইত্যৰ্থঃ )।

আপো নাৰা ইতি প্ৰোক্তা আপো ৱৈ নৰসূনৱঃ।<br>
অয়নং তস্য তাঃ পূৰ্ব্বং তেন নাৰায়ণঃ স্মৃতঃ॥ ( মনু )

১২ বিৰাট পুৰুষে শ্বাস-প্ৰশ্বাসৰ চেষ্টা কৰাত আকাশৰপৰা প্ৰাণৰ উদ্ভৱ হ’ল। বিৰাটৰ দেহাত প্ৰাণ সঞ্চালিত হোৱাত ক্ষুধা-তৃষ্ণা জন্মিল, তেতিয়া তেওঁৰ মুখ উৎপন্ন হ’ল, মুখৰপৰা জিহ্বা, জিহ্বাৰপৰা তাৰ উপভোগ্য নানা-বিধ ৰস আৰু অধিষ্ঠাতা দেৱতা বৰুণ উৎপন্ন হ’ল। কথা ক’ব খোজাত বিৰাটৰ মুখত বাগধিষ্ঠাতা অগ্নি, বাগিন্দ্ৰিয় আৰু বাক্য উৎপন্ন হ’ল। এই ক্ৰমে বিৰাট শৰীৰৰ ইন্দ্ৰিয়সমূহ, সিবোৰৰ অধিষ্ঠাতা দেৱতা আৰু বিষয় বা ব্যাপাৰসমূহ উৎপন্ন হ’ল।

১৩ ক্ষিতি, অপ্, তেজ, মৰুৎ, ব্যোম, অহঙ্কাৰ, মহত্তত্ত্ব আৰু প্ৰকৃতি, এই আঠটা আৱৰণৰ দ্বাৰা বাহিৰফালে আবৃত ( মহাদিভিশ্চাৱৰণৈৰষ্টভিৰ্বহিৰাবৃতম্, ভা ) বিৰাট ৰূপেই ভগৱন্তৰ স্থূল দেহ। ( শ্লোক ৩৩। ) ইয়াত প্ৰকৃতি বাদ দি সপ্ত আৱৰণ ধৰা হৈছে।

১৪ ভগৱন্তৰ স্থূল ৰূপৰ বাহিৰেও বাক্য আৰু মনে চুকি নোপোৱা, স্থূল ৰূপৰ কাৰণ-ভূত, অতীন্দ্ৰিয়, অনাদি, উৎপত্তি-স্থিতি-লয়-শূন্য, নিত্য, বিকাৰ-শূন্য এক সমষ্টিলিঙ্গ শৰীৰ আছে। স্থূল আৰু সূক্ষ্ম, দুয়ো দেহেই মায়াসৃষ্ট

"জানা ৰাজা তোমাত মহাকল্প পদ্ম-কল্পৰ কথা সামান্যে কহিলো। তৃতীয় স্কন্ধত বাহুল্যে কহিবো শুনিবা।"

৪৮-৪৯ ] শৌনকে পুছন্ত,—হে সূত, তুমি প্ৰথম স্কন্ধত কহিছা, বিদুৰে বন্ধুগণ এৰি তীৰ্থ-যাত্ৰা কৰিতে মৈত্ৰেয়ত হন্তে জ্ঞান পায়া হস্তিনাপুৰক আসিলা। সেই বিদুৰ-মৈত্ৰেয়-সম্বাদ-কথা আমাত কহা; বিদুৰে যেমনে বন্ধুগণ এৰি গৈলা তাকো কহা।

৫০ ] সূতে বোলন্ত,—জানা শৌনক, তুমি যি কথা পুছিলা তাকে পৰীক্ষিত ৰাজায়ো শুকত পুছিলন্ত। এতেকে তোমাৰ প্ৰশ্নক শুক-পৰীক্ষিত- সম্বাদে কহো; সাৱধানে শুনা।

শ্ৰীভাগৱত-কথায়াং কৱিৰত্নকৃতায়াং দ্বিতীয়স্কন্ধে দশমোঽধ্যায়ঃ।

আহে সামাজিকসৱ, ই ভাগৱত সংক্ষেপ সাৰ-কথা; কিঞ্চিতো লম্ভা নাই। আক মোৰ বাক্য বুলি অসূয়া নকৰিবা। কেৱল শ্ৰৱণ-কীৰ্ত্তন কৰা; তেৱে শ্ৰীকৃষ্ণ তুষ্ট হুয়া সকল বাঞ্ছা সিদ্ধ কৰিবা, অযত্নে বৈকুণ্ঠ পাইবা। অধিক কি বুলিবো? আপুনি মন্দমতি পৰ-উপদেশে পণ্ডিত বোলাঞো, আপুনাৰ কাৰ্য্য নাচাঞো। হে কৃষ্ণ, দৈৱকী-নন্দন, ভক্ত-ৱৎসল, তোমাৰ চৰণত কোটি কোটি নমস্কাৰ কৰোঁ। মোক এক কৃপা কৰিয়োক ঃ তোমাৰ কথাত বাক্য মন কৰ্ণ সততে ৰহোক। এহিমানে প্ৰাৰ্থনা কৰো। আন কিছো নোখোজো। আৱে মোক পৰম-কৃপা-যুক্ত হয়া সৱ সামাজিক লোক উচ্চ কৰি হৰি বোল হৰি ॥[১৫]

কাৰণে বিৱেকীসকলে সত্য-ৰূপে গ্ৰহণ নকৰে (ন গৃহ্ণন্তি ৱস্তুতো নাঙ্গীকুৰ্ৱন্তি, শ্ৰী); মাত্ৰ উপাসনাৰ কাৰণে ভগৱন্তত আৰোপিত এই দুই ৰূপ কোৱা হয় (উপাসনাৰ্থং ভগৱত্যাৰোপিতং ৰূপদ্বয়মপৱদতি, শ্ৰী)।

১৫ ছপা সংস্কৰণত এইখিনিতে কথা-ভাগ শেষ হৈছে, পিছৰ দুটা প্ৰেৰাগ্ৰাফ নাই; তাৰ পৰিৱৰ্ত্তে প্ৰথিত নোহোৱা এই শ্লোককেইটা আছে—



মোৰ মন সহজ বাসনা-ৰূপে কেৱল ভক্তৰ চৰণতে ৰহোক। বুলিবা, কেৱল ভক্তনো কেনুৱা? তাৰা বৈকুণ্ঠৰো পাঞ্চবিধ মোক্ষকো ঈশ্বৰৰ প্ৰসাদ-ৰূপে দিলেও তাৰা নলৱন্ত। তাৰাসৱে মোক্ষকো নলৱন্ত, তেৱে বৈকুণ্ঠত আন কি ভক্তি আছে? তাৰা শ্ৰৱণ-কীৰ্ত্তনত যেমন প্ৰীতি হন্ত, তেমন পাঞ্চবিধ মোক্ষাদিত প্ৰীতি নহন্ত। এতেকে বৈকুণ্ঠত শ্ৰৱণ-কীৰ্ত্তন, সন্ত-সেৱা ভক্তি আছে। আক জানিবা শ্ৰীকৃষ্ণৰ যশস্যাত যেমন প্ৰীতি, সেহিতো কেৱল ভক্ত তাৰাকে গুৰু মানিলে সেহি যশস্যা-পৰ হুইবা, মোক্ষাদিত বাঞ্ছা নকৰিবা।

আহে সামাজিকসৱ সৎসঙ্গ দ্বাৰে শ্ৰৱণ-কীৰ্ত্তন কৰিলে অৱশ্যে পাছে বান্ধৱ কৃষ্ণক লাগ পাইবা, মায়াৰো চেষ্টা এৰাইবা, মোক্ষকো নলৈবা, বৈকুণ্ঠ-প্ৰাপ্তি হৈবা, কিন্তু ভক্তৰ সেৱাত দৃঢ় হুইবাক লাগে; তেৱেসে কেৱলিয়াৰ ভাগ দৈৱকী-নন্দনে দিৱন্ত। অন্যত্ৰ জ্ঞান-কৰ্ম্মাদিৰ প্ৰকাৰে ভক্তিৰ মোক্ষ নপাইবা। কেৱল সন্ত-সেৱা বিনে বৈকুণ্ঠত আন সেৱা নলৈবা। ইহাক জানি সমস্ত সমাজে ডাকি বোলা জয় কৃষ্ণ জয় ৰাম ॥ ১০ ॥

॥ ইতি দ্বিতীয় স্কন্ধ সমাপ্ত ॥ ২ ॥

নমামি দামোদৰপাদপদ্মং প্ৰপন্নতাপোপশমং সুসেৱ্যং।
যদোঃ কুলে স্বনুগৃহীতমেতাং কৰোমি গাথাং কৱিৰত্নঃ শৰ্ম্মা ॥
দ্বিতীয়ে দশমাধ্যায়ে বৰ্ণিতং দশলক্ষণং।
তেষামাশ্ৰয়ৰূপেণ হৰিৰেৱ সদা স্থিতঃ ॥
বৰ্ণিতা দ্বিতীয়স্কন্ধে কথা হেষা শুভপ্ৰদা।

॥ শ্রীভাগবত-কথা ॥

॥ তৃতীয় স্কন্ধ ॥

## ॥ তৃতীয় স্কন্ধ ॥

## ॥ প্ৰথম অধ্যায় ॥

### ॥ বিদুৰ-উদ্ধৱ-সংবাদ ॥

॥ শ্লোক ॥ গোপালবালসমনালকযুক্তভালং
গোলোকপালসুৰবৈৰিনিকায়কালং।
গোপাঙ্গনাগণলসৎকুসুমাৱজালং
গোগোপগোপীৰমণং প্ৰণমামি পালম্॥

যাৰ কৃপায়ে মূৰ্খকো পণ্ডিত কৰাৰে, পঙ্গুকো পৰ্ব্বত আৰোহাৰে, সেই পৰমানন্দ নন্দ-নন্দনক বন্দো।

তৃতীয় স্কন্ধত তেত্ৰিশ অধ্যায়ে সৰ্গ কহিবা। ঈশ্বৰৰ ইচ্ছায়ে তিনি গুণ হন্তে ব্ৰহ্মাণ্ড-উৎপতিক সৰ্গ বুলি। তাত প্ৰথম অধ্যায়ে বন্ধুগণ এৰি বিদুৰ তীৰ্থক যাত্ৰা কৰিতে উদ্ধৱক দেখি যাদৱ-পাণ্ডৱৰ

---

॥ প্ৰথম অধ্যায় ॥

বৈকুণ্ঠনাথ ভট্টদেৱে নিজৰ ৰচনাৰ এটি শ্লোকেৰে গোপাল কৃষ্ণক নমস্কাৰ কৰি বিখ্যাত এই শ্লোকটিৰ ভাঙনি দিছে,

মূকং কৰোতি ৱাচালং পঙ্গুং লঙ্ঘয়তে গিৰিং।
যৎকৃপা তমহং ৱন্দে পৰমানন্দমাধৱম্॥

ইয়াৰ পিছতে শ্ৰীধৰ স্বামীৰ টীকা অনুসৰি তৃতীয় স্কন্ধৰ এটি অতি চমু আভাস দিছে। তৃতীয় স্কন্ধ হ'ল সৰ্গ-বৰ্ণনা। সৰ্গ কি? ঈশেক্ষয়া গুণক্ষোভাৎ সৰ্গো ব্ৰহ্মাণ্ডসম্ভৱঃ।—ঈশ্বৰৰ ইচ্ছা হোৱাত প্ৰকৃতিৰ তিনি গুণৰ ক্ষোভ হোৱাৰপৰা ব্ৰহ্মাণ্ডৰ সৃষ্টি হয়,—এয়ে সৰ্গ।

দ্বিতীয় স্কন্ধৰ শেষত ( ২. ১০. ৪৭ ) শুক মুনিয়ে কৈছিল,—

পৰিমাণঞ্চ কালস্য কল্পলক্ষণৱিগ্ৰহম্।
যথা পুৰস্তাদ্ব্যাখ্যাস্যে পাদ্মকল্পমথো শৃণু॥

এতিয়া সেই প্ৰতিজ্ঞা অনুসৰি মুনিয়ে বিস্তৰকৈ প্ৰস্তাৱ আৰম্ভ কৰিছে।

কুশল পুছিবা। দুই প্ৰকাৰে ভাগৱত প্ৰৱৰ্ত্তিছে; এক ব্ৰহ্ম-সম্প্ৰদায়, আউৰ অনন্ত-সম্প্ৰদায়। দ্বিতীয় স্কন্ধত ব্ৰহ্ম-সম্প্ৰদায়ে সংক্ষেপে ভাগৱত কহিলা। আৰে তৃতীয় স্কন্ধত অনন্ত-সম্প্ৰদায় বাহুল্য কৰি কহিবা। তাত চাৰি অধ্যায়ে বিদুৰ-উদ্ধৱ-সম্বাদ কহিবা; আঠ অধ্যায়ে সৃষ্টি; সাত অধ্যায়ে বৰাহ অৱতাৰ; এক অধ্যায়ে সৃষ্টি-সংহাৰ; চাৰি অধ্যায়ে কপিল অৱতাৰ; নৱ অধ্যায় কপিলাখ্যান; এমনে তেত্ৰিশ অধ্যায়ে তৃতীয় স্কন্ধ কহিবা। তাহাৰ মতি অনুসাৰে সংক্ষেপে কথা নিবন্ধো।

১-২ ] শ্ৰীশুকে কহন্ত,—জানা ৰাজা, তোমাৰ ই প্ৰশ্নক পূৰ্ব্বত বিদুৰো গৃহক এৰি তীৰ্থ-যাত্ৰা কৰিতে মৈত্ৰেয়ত পুছিলা।

৩-৪ ] ৰাজা পুছন্ত,—হে মহামুনি, কোন ঠাই কৈসানি বিদুৰ-মৈত্ৰেয়-সম্বাদ হৈল, তাক মোত কহিয়োক, যাতো দুই সন্তৰ সম্বাদত বৰ কথা হয়াছে।

৬-১৫ ] শুকে কহন্ত,—যেখন ধৃতৰাষ্ট্ৰ ৰাজা আপুনাৰ দুষ্ট পুত্ৰৰ পক্ষ হয়া পাণ্ডৱসৱক জোগৃহত থৈয়া দাহ কৰিলেক, আৰো কূট পাশা খেলি অন্যায়ে জিনি দ্ৰৌপদীৰ কেশাকৰ্ষণ কৰিলেক, তেৰ বছৰ বনবাস খপি আসিলেও ৰাজ্যক বাৰ্ন্টি নেদিল, শ্ৰীকৃষ্ণ পাণ্ডৱৰ দূত হৈয়া যি বাক্য বুলিলন্ত তাকো নকৰিল, তেখনে বিদুৰৰ মন বিচাট হৈলেক। আৰো ধৃতৰাষ্ট্ৰ ৰাজা বিদুৰক গৃহক আনি মন্ত্ৰণা পুছন্ত, "হে বাপু বিদুৰ, আৰে কি কৰিবে? পাণ্ডৱক ৰাজ্য দিব, নেদিব?" বিদুৰে বোলন্ত, "হে ৰাজা, যুধিষ্ঠিৰক সত্বৰে ৰাজ্য দিয়া, যাতো তোঠৈৰ অনেক অপৰাধ সহিছন্ত। তান দুই ভাই, মহাবলৱন্ত ভীম-অৰ্জ্জুন ক্ৰোধ কৰি আছন্ত। এতেকে তাহাক ভয় কৰা। আৰো পাণ্ডৱৰ পক্ষ শ্ৰীকৃষ্ণ হয়াছন্ত। বুলিবা, দুৰ্য্যোধনে আক নকৰিব। তাত শুনা,—ই দুৰ্য্যোধন কেৱল দোষগোট, যাতো কৃষ্ণক দ্বেষ কৰে, যাক পুত্ৰ বুলি তুমি হতশ্ৰী ভৈলা। ইদানীক কুলৰ কুশলৰ অৰ্থে আক সত্বৰে এৰা।"



হেন শুনি ক্ৰোধ কৰি দুৰ্য্যোধনে বোলয়, "কপটী দাসীৰ পুত্ৰক কোনে ইঠাইক আনিলেক? যাতো আমাৰ অন্ন খায়া পৰোৰ কাৰ্য্য কৰে, এতেকে ইহাৰ সৰ্ব্বস্ব আগ্ৰহি লয়া ঢকাই খেদাওঁ।"

১৬-৩৫ ] ধৃতৰাষ্ট্ৰৰ আগতে দুৰ্য্যোধনে বাক্যশৰে মৰ্ম্ম ভেদ কৰিলিও বিদুৰে হাস্য কৰি ভগৱন্তৰ মায়াৰ মহিমা জানি তাহাৰ দ্বাৰতে ধনু-শৰ থৈয়া হস্তিনাপুৰৰ বাজ হৈয়া গৈল। এক বৎসৰ ভাৰতবৰিষৰ ক্ষেত্ৰ তীৰ্থ[১] কৰি প্ৰভাসক আসিলা। সিঠাইতে শুনিলা, কৌৰৱ-পাণ্ডৱ অন্যোঅন্যে যুদ্ধ কৰি নষ্ট ভৈলা, যুধিষ্ঠিৰো কৃষ্ণক সহায় কৰি কৌৰৱক মাৰি একছত্ৰে ৰাজ্য কৰন্ত। পাছে মনত শোক কৰি সৰস্বতীক গৈলা। সিঠাইতো একাদশ তীৰ্থ[২] কৰিলা, হৰিৰো নানাবিধ মন্দিৰ দেখিলা। পাছে নানা দেশ[৩] এড়াই যমুনাক পায়া কৃষ্ণৰ একান্ত ভক্ত উদ্ধৱক দেখি পৰম আনন্দে সাবটি ধৰি জ্ঞাতিসৱৰ বাৰ্ত্তা পুছন্ত, "হে উদ্ধৱ, পুৰাণ পুৰুষ ৰাম কৃষ্ণ পৃথিৱীৰ ভাৰ সংহৰিতে বসুদেৱৰ গৃহত কুশলে আছন্ত? আমাৰ সুহৃদ বসুদেৱ কুশলে আছন্ত? কৃষ্ণৰ পুত্ৰ মুখ্য সেনাপতি প্ৰদ্যুম্ন কুশলে আছা, যাক ৰুক্মিণী ব্ৰাহ্মণক আৰাধি পায়াছন্ত? ৰাজা উগ্ৰসেন[৪] কুশলে আছন্ত, যাক কৃষ্ণে অভিষেক কৰিছা? মহাৰথী সাম্ব কুশলে আছন্ত, যাক জাম্বৱতী ব্ৰত কৰি পায়াছা? সাত্যকি কুশলে আছা, যিটো কৃষ্ণ-সেৱা কৰি তাহান

---

১ বিদুৰে কেনে তীৰ্থ কৰিছিল? অনন্তলিঙ্গৈঃ সমলঙ্কৃতেষু চচাৰ তীৰ্থায়তনেষ্বনন্যঃ।—ভগৱন্তৰ অনন্ত-মূৰ্ত্তিৰ দ্বাৰা সমলঙ্কৃত তীৰ্থ-স্থানসমূহত বিদুৰ অকলশৰে ঘূৰি ফুৰিছিল।

২ সৰস্বতীৰ পাৰৰ এঘাৰখন তীৰ্থ—ত্ৰিত, উশনা, মনু, পৃথু, অগ্নি, অসিত, বায়ু, সুদাস, গো, গুহ আৰু শ্ৰাদ্ধদেৱৰ নামেৰে জনাজাত তীৰ্থ।

৩ নানা দেশ মানে সুৰাষ্ট্ৰ, সৌবীৰ, মৎস্য আৰু কুৰুজাঙ্গল।

৪ উগ্ৰসেন সাত্বত, বৃষ্ণি, ভোজ আৰু দাশাৰ্হসকলৰ অধিপতি। তেওঁ প্ৰাণৰ ভয়ত ৰাজসিংহাসনৰ আশা পৰিত্যাগ কৰি থকাৰপৰা কৃষ্ণই আনি ৰাজ্যাভিষেক কৰে।

গতিক পায়াছা ? কৃষ্ণৰ ভক্ত অক্ৰূৰ কুশলে আছন্ত, যাতো তাহান পদাঙ্কিত ৰেণুত বাগৰ পাৰিছা ? কৃষ্ণৰ নাতি অনিৰুদ্ধ ভালে আছা ? আনো কৃষ্ণৰ পুত্ৰ নাতি মিত্ৰসৱ কুশলে আছন্ত ?”

৩৬-৪৫ আৰে পাণ্ডৱৰ কুশল পোছন্ত, “কৃষ্ণাৰ্জ্জুন-সহায়ে ধৰ্ম্মৰাজা যুধিষ্ঠিৰ প্ৰজা পালন্ত, যাৰ সভাৰ সম্পত্তিক দেখি দুৰ্য্যোধনে তাপ কৰিছি ? মহাক্ৰোধী ভীম কুশলে আছন্ত, যাৰ চৰণৰ প্ৰহাৰ যুদ্ধভূমি নসহন্ত ? গাণ্ডীৱধন্বা অৰ্জ্জুন কুশলে আছন্ত, যাৰ শৰ-সমূহে মহেশ তুষ্ট হয়াছা ? যৱঞ্জ নকুল সহদেৱ কুশলে আছা, যি শত্ৰুক জিনি ধন-মাল আনিছা ? আপুনাৰ পতি পাণ্ডু বিনে কুন্তী প্ৰাণে জীৱন্ত, যি পাণ্ডু একেশ্বৰে চৌদিশ জিনিছন্ত ?

“হে উদ্ধৱ, অধোগামী বড় ভাই ধৃতৰাষ্ট্ৰক লাগি শোক কৰো, যাতো পাণ্ডৱক অনেক দুঃখ দিলেক, পুত্ৰৰ বশ্য হয়া মোক নগৰৰ খেদাইলেক। বুলিবা, ‘কি বিস্ময়, মহাজ্ঞানী ধৃতৰাষ্ট্ৰে কেনে এতেক অন্যায় কৰিলেক’ ? আত শুনা,—হৰিৰ এমন লীলা, জ্ঞানীৰো বুদ্ধি-ভ্ৰংশ কৰন্ত। মঞিও পুনু তাহান প্ৰসাদে বিস্ময় নমানি তান লীলা দেখি পৃথিৱী পৰ্য্যটো। যদি বোলা, ‘হৰিৰ ই কি লীলা, তান ভক্তসৱকো দুষ্টসৱে দুখ দেই, কোনো বেলা আপুনাক পৰাভৱ কৰে ?’ তেৱেসে ভাল দেখি, যেখনে অপৰাধ কৰে, তেখনে মাৰিৱন্ত ; আত শুনা,—ভগৱন্তে অপৰাধ সময়তো মাৰিতে সমৰ্থ হুয়ো অপেক্ষা কৰিছিলা, যাতো সকলে দুষ্ট একেলগে বধ্য নহে। হে সখি, দুষ্টক দণ্ডি সন্তক ৰাখি দেৱ-কাৰ্য্য সাধিতে ভগৱন্ত যদু-কুলে অৱতাৰ হয়াছন্ত। আগে তাহান বাৰ্ত্তা কহা।”

শ্ৰীদামোদৰানুগত-কৱিৰত্ন-কৃতায়াং শ্ৰীভাগৱত-কথায়াং তৃতীয় স্কন্ধে প্ৰথমোঽধ্যায় ॥

আঁক জানি সৱে লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ তৃতীয়ে প্ৰথমাধ্যায়ে ভক্তপাণ্ডৱদ্ৰোহতঃ।
দুৰ্যোধনাদিনাশেন সতাং দ্বেষো নিৱাৰিতঃ ॥ ১ ॥

## ॥ দ্বিতীয় অধ্যায় ॥

### ॥ শ্ৰীকৃষ্ণৰ শিশু-লীলা ॥

১-৬ ] দ্বিতীয় অধ্যায়ে উদ্ধৱ কৃষ্ণ-বিয়োগে শোক কৰি শিশু-লীলা কহিবা।

৭-২৪ ] শুকে কহন্ত, এমনে পৰম ভাগৱত উদ্ধৱত কৃষ্ণৰ বাৰ্ত্তা পুছিলে উত্তৰ দিবাক নপাৰিলা। যি পাঞ্চ বৰিষতে বাল্য-লীলায় কৃষ্ণ-পূজা কৰিতে মাতৃ-বাক্যেও ভোজন ইছা নকৰন্ত, সি উদ্ধৱ কৃষ্ণ-সেৱায় বৃদ্ধ ভৈলা। এতেকে কেমনে উত্তৰ দিবাক পাৰিবা ? দুই দণ্ডমানে মৌনে আছিলা। পাছে ভক্তি-সুখে মগ্ন হৈয়া প্ৰেমে পুলকিত হয়া চক্ষুৰো লোতক ঝৰিলা। কৃষ্ণত মন লাগি দেহকো পাসৰিলা। পাছে দেহত স্মৃতি পায়া লোতক মলচি বিদুৰক বোলন্ত, “জানা বিদুৰ, কৃষ্ণ-সূৰ্য্য অস্ত গৈলে লোকক কাল-অজগৰে গিলিলেক। আউৰ আমি কি কুশল কহিবো, যাতো আমি গৃহতে হতশ্ৰী হৈলো। সকল লোক ভাগ্যহীন, তাতে যদুকুল অত্যন্ত অভাগী, যাতো একে ঠাই থাকিও কৃষ্ণক ঈশ্বৰ বুলি নজানিল। তাহান মায়ায়ে মোহ হয়া কতো লোকে কৃষ্ণক বান্ধৱ বুলিলেক ; কতো শত্ৰু বুলিলেক। তাৱাৰ বাক্যে আমাৰ ভক্তৰ ঈশ্বৰ বিনে আন মতি নহৈল। যাক দেখি আপুনি বিস্ময় হৰন্ত, হেন ভূষণৰো ভূষণ পৰমলাৱণ্য শ্ৰীমূৰ্ত্তিক অপুণ্য লোকক দেখাই ইতৰোৰ চক্ষুকো লৈয়া অন্তৰ্দ্ধান হৈল। যি মূৰ্ত্তিক ৰাজসূয় যজ্ঞত তিনিও লোকে দেখি চক্ষুৰ পৰম আনন্দ পায়া তাত অধিক আনন্দ নমানিলা, যাৰ হাস্য-কটাক্ষ-লীলায়ে মান্য পাই গোপীসৱ সকল কৰ্ম্ম

---

॥ দ্বিতায় অধ্যায় ॥

উদ্ধৱে কৃষ্ণ-বিয়োগৰ দুখত আৰ্ত্ত হৈ হুমুনিয়াহ কাঢ়ি শ্ৰীকৃষ্ণৰ শিশু-লীলা বৰ্ণনা কৰিবলৈ আৰম্ভ কৰিছে।

এৰি তাহাঙ্ক দেখি থাকন্ত, এমন মূৰ্ত্তি দেখাইবাৰ কাৰণ কহো।— দুৰ্জ্জনত হন্তে সাধুসৱৰ দুঃখ দেখি তাৰাক কৃপায়ে অজ ভগৱন্তো জাত হৈলা। হে সখি, অজৰ জন্ম দেখি, অনন্তবীৰ্য্যৰ ভয় পলায়ন দেখি, ঈশ্বৰো অনীশ্বৰতা দেখি মোৰ মনে খেদ কৰে। যদি বোলা, 'অনীশ্বৰ কেনে নুবুলি', তাত শুনা,—যাৰ কটাক্ষে ভূ-ভাৰ হৰিলেক, যাৰ চৰণ-পদ্ম-গন্ধ পায়া পুৰুষে পাসৰিতে নপাৰে, যাক দ্বেষ কৰিও শিশুপালো মহাগতি পাইলে, তাঙ্ক কোনে অনীশ্বৰ বুলিব ? আৰো যুদ্ধত বীৰসৱ যাৰ মুখ-পদ্ম দেখি অৰ্জ্জুনৰ শৰত পৰি পৰম গতি পায়াছে, তাহান বিৰহ কোনে সহিবেক ? এমন ঐশ্বৰ্য্য থাকিতেও উগ্ৰসেন ৰাজাক অনুৱৰ্ত্তন দেখি মোৰ মনত মহা দুঃখ মিলে[১]। কি তাহান কৃপাৰ মহিমা কহিবো, যাতো মাৰিবাক লাগি পূতনা তন দিলেক, তথাপি জননীৰ গতি পাইলেক ? এতেকে তান্ত বিনে কাত শৰণ পশিবো ? অসুৰসৱকো বৈষ্ণৱ মানো, যতো ক্ৰোধ-পথে হৰিত চিত্ত দিয়া থাকে, আৰো মৰণ-সময়ত কৃষ্ণক সমুখে দেখে।

২৫-৩৪ ] "আবে আত্মৰপৰা তাহান চৰিত্ৰ সংক্ষেপে কহো। ব্ৰহ্মাৰ প্ৰাৰ্থনাত ভূ-ভাৰ হৰিতে ভগৱন্তে দৈৱকীৰ গৰ্ভত উপজিলা। পাছে বসুদেৱে নন্দৰ ব্ৰজত পলুৱাই থৈলা। তহিতে গূঢ় হয়া বলভদ্ৰ সহিতে এঘাৰ বৎসৰ আছিলা। শিশু-কালতে পূতনা শুষিলা ; তৃণাৱৰ্ত্ত বধিলা। অনেক বাল-লীলা কৰি গোপ-গোপীক আনন্দ কৰাইলা। যমলাৰ্জ্জুন উভণ্ডিলা। গোপ-ছৱাল সহিতে যমুনা-তীৰত নানা ক্ৰীড়া কৰি গৰু চাৰিলা। অঘ, বক, বৎস, ধেনুক বধিলা ;

---

১ তৎ তস্য কৈঙ্কৰ্যমলং ভৃতান্ নো বিগ্লাপয়ত্যঙ্গ ! যদুগ্ৰসেনম্।
তিষ্ঠন্ নিষণ্ণং পৰমেষ্ঠিধিষ্ণ্যে ন্যবোধয়দ্দেৱ ! নিধাৰয়েতি ॥ ২২

উদ্ধৱে কৈছে, "হে বিদুৰ, সাৰ্ব্বভৌমৰ সিংহাসনত উপৱিষ্ট উগ্ৰসেনৰ সমুখত থিয় হৈ শ্ৰীকৃষ্ণই তেওঁক 'হে দেৱ, অৱধাৰণ কৰক' বুলি নিৱেদন কৰে, ভগৱন্তৰ সেই দাসত্ব-ভাবে আমি হেন ভৃত্যক বৰ বেছিকৈ দুখ দিয়ে।"



কালিকো দমিলা ; প্ৰলম্ব মৰাইলা ; বনাগ্নিকো পিলা ; গোৱৰ্দ্ধন ধৰিলা ; ৰাস-ক্ৰীড়া কৰিলা।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে দ্বিতীয়োঽধ্যায়ঃ ॥

আক জানি সৱ লোক ডাকি হৰি বোল হৰি ॥

॥ শ্লোক ॥ দ্বিতীয়ে দ্বেষভাৱেন ভজন্তী পূতনাপি চ।
লেভে মুক্তিং শ্ৰদ্ধয়া চ কিং ৱক্তব্যমিতীৰিতম্ ॥ ২ ॥

## ॥ তৃতীয় অধ্যায় ॥

### ॥ শ্ৰীকৃষ্ণৰ মথুৰা আৰু দ্বাৰকাৰ লীলা ॥

তৃতীয় অধ্যায়ে মথুৰাৰ দ্বাৰকাৰ লীলা কহিবা।

১-১১ ] উদ্ধৱে কহন্ত, "পাছে মথুৰাক আসি পিতৃক প্ৰীতিৰ অৰ্থে কংস বধিলা। সান্দীপনি গুৰুত সকল শাস্ত্ৰ পঢ়ি মৃতক পুত্ৰক আনি দক্ষিণা দিলা। কালযৱন মৰাইলা। ৰাজাগণ জিনি ৰুক্মিণীক হৰি আনিলা। স্যমন্তক আনি জাম্বৱতী সত্যভামাক বিহাইলা। সাত বলধ বান্ধি নাগ্নজিতীক বিবাহ কৰাইলা। কালিন্দীক যমুনা-তীৰত পাইলা। ভদ্ৰা, সত্যা, লক্ষ্মণাকো স্বয়ম্বৰে হৰিলা। ইন্দ্ৰকো জিনি পাৰিজাত আনিলা ; নৰকক বধি ষোল্ল হাজাৰ এক শত কন্যা আনিলা। তাৰাক একেলগে নানা গৃহত অনেক-ৰূপে বিবাহ কৰাইলা। সৱাতে দশ দশ পুত্ৰ উপজাইলা। বাণৰ নিমিত্তে হৰক জিনিলা। পৌণ্ড্ৰক কাশীৰাজ বধিলা। বাৰাণসী দহিলা। জৰাসন্ধ মৰাই

---

॥ তৃতীয় অধ্যায় ॥

কংসই অক্ৰূৰক পঠিয়াই কৃষ্ণ আৰু বলৰামক মথুৰালৈ অনাৰ পিছত মথুৰা আৰু দ্বাৰকাত শ্ৰীকৃষ্ণৰ কীৰ্ত্তি-কলাপ তৃতীয় অধ্যায়ৰ বিষয়-বস্তু।

ৰাজসূয় কৰাইলা। সাল্ব, শিশুপাল, দন্তবক্ৰ বধিলা। সম্বৰ, দ্বিবিদ, বল্বলাদিকো মৰাইলা।

১২-১৫ ] "পাছে ভাৰত-যুদ্ধত দুৰ্য্যোধন আদি বীৰগণক মৰাই আনন্দ পাই মনত গুণি বোলন্ত, 'পৃথিবীৰ অল্পমাত্ৰ ভাৰ হৰিছো, যাতো মহাভাৰ যদু-কুল আছে। যেখন মদ্য-পানে তাৰাৰ মাজত বিবাদ হয়, তেখনে মোৰ উদ্যমত অন্যোঅন্যে যুদ্ধ কৰি আপুনি নষ্ট হৈবেক।"

১৬-২৩ ] "এই চিন্তি যুধিষ্ঠিৰক ৰাজা পাতিলা ; সুহৃদসৰকো আনন্দ কৰাই দ্ৰৌণিৰ ব্ৰহ্মাণ্ড হন্তে উত্তৰাৰ গৰ্ভ ৰক্ষা কৰিলা। যুধিষ্ঠিৰৰো তিনি অশ্বমেধ কৰাইলা ; আপুনিও লোকত বেদ-পন্থ প্ৰৱৰ্ত্তাই দ্বাৰকা নগৰত নানাবিধ বিষয়-ভোগ কৰিলা। স্নেহ, হাস্য, কটাক্ষ, অমৃত বচনে, মনোহৰ শৰীৰে, সুন্দৰ লীলায় সকলো লোকক আনন্দ কৰাই যদু-কুলকো অধিক আনন্দ কৰাইলা ; পত্নীসৰকো ৰহস্য-আলাপে প্ৰীতি দিলা।

"এহুমতে অনেক বৎসৰ আনন্দ কৰিতে গৃহ-সুখত বিৰক্তি কৰিলা। যাতো স্বতন্ত্ৰ কৃষ্ণো স্বাধীন বিষয়-সুখত বিৰক্তি কৰিলা, দৈৱাধীন বিষয়ত কোন দৈৱাধীন পুৰুষে আসক্তি কৰিবেক, যদি ভক্তি কৰি হৰি ভজি থাকে ?

২৪-২৮ ] "পাছে একদিনা যদুকুমাৰসৱে ঋষিসৱক উপালম্ভ কৰিলেক। তাৰায়ো কৃষ্ণৰ অভিপ্ৰায় জানি ক্ৰোধ কৰি শপিলেক। পাছে সকল যদু-বংশ প্ৰভাস ক্ষেত্ৰ গৈলা। সিঠাই স্নান-তৰ্পণ কৰি ব্ৰাহ্মণসৰক গো-সুৱৰ্ণাদি দান কৰিল, ভোজন কৰাই নমস্কাৰ কৰিলেক।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে তৃতীয়োঽধ্যায় ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ কংসধ্বংসি ৰণদ্বংশি হংসি মে পাপশংসিনঃ।
গুঞ্জাৱতংসি হংসীৰ বুদ্ধিস্ত্বৎপদাব্জয়োঃ ॥ ৩ ॥

## ॥ চতুৰ্থ অধ্যায় ॥

### ॥ যদু-কুলৰ ক্ষয়, উদ্ধৱৰ জ্ঞান-লাভ ॥

চতুৰ্থ অধ্যায়ে যদু-কুলৰ ক্ষয়, উদ্ধৱৰ জ্ঞান-লাভ কহিবা।

১-৮ ] উদ্ধৱে কহন্ত, "পাছে যদুগণে মদ্য পান কৰি শ্ৰুতিহত হয়া অন্যোঅন্যে যুদ্ধ কৰি সবংশে মৰিল। ভগৱন্তে আপুনাৰ মায়া-গতি দেখি সৰস্বতী-জলত আচন্ত কৰি বৃক্ষ-মূলত বসিলা। মোক দ্বাৰকাতে বুলিলা বদৰিকাশ্ৰমক যাইবাক প্ৰতি। তথাপি তাহান চৰণক এৰিবাক নপাৰি তাহান পাছতে গৈলো। যদু-কুল সংহৰি একলায়ে বসিছন্ত। বিচাৰি গৈয়া সাক্ষাতে দেখিলো শ্যাম-মনোহৰ, পীত-বসন, অৰুণ-লোচন, শ্ৰীনিৱাস, চতুৰ্ভুজ ; দক্ষিণ উৰুত বাম পাদ-পদ্ম থাপিছন্ত, শিশু-অশ্বত্থত আৱজি আছন্ত।

৯-১৩ ] "সেহিবেলা পৰম বৈষ্ণৱ মৈত্ৰেয় ঋষি উপস্থিত হয়া কৃষ্ণক দণ্ডৱতে নমি অঞ্জলি কৰি ৰহিলা। তাহাঙ্ক শুনায়া মোক স্নেহে হাস্য-অৱলোকন কৰি কৃষ্ণে বুলিলা, 'হে উদ্ধৱ, তোমাৰ মনৰ বাঞ্ছিত জানো ; যদি আনৰ দুৰ্লভ তথাপি তোমাক দিবো। যাতো পূৰ্ব্ব জন্মত তুমি বসু আছিলা, মোকো আৰাধিছা, এতেকে ইজন্মত মোৰ অনুগ্ৰহ লভিলা, যাতো বৈকুণ্ঠে যাইবাৰ বেলা ভক্তিৰ প্ৰভাৱে সাক্ষাতে মোক দেখিলা। পূৰ্ব্বত ব্ৰহ্মাত যাক কহিছো, যি মোৰ লীলা প্ৰকাশ কৰে, যাক জ্ঞানীজনে ভাগৱত বোলে, সেই জ্ঞান তোমাত কহিবো।'

---

॥ চতুৰ্থ অধ্যায় ॥

চতুৰ্থ অধ্যায়ত বন্ধু-নিধনৰ কথা শুনি আত্মজ্ঞান-লাভৰ অৰ্থে উদ্ধৱৰ উপদেশ অনুসৰি বিদুৰ মৈত্ৰেয়ৰ ওচৰলৈ যায়।

১৪-১৮ ] "ঈশ্বৰৰ এহি আদৰ-বাক্য শুনি আপুনাক তাহান অনুগ্ৰহৰ পাত্ৰ মানি প্ৰেমে লোম শিহৰিল, চক্ষুৰো লোতক ঝাৰিল; গদগদ বাক্যে বুলিলো, 'হে ঈশ্বৰ, তোমাৰ পাদ-পদ্ম ভজন্তাজনৰ সকল পুৰুষাৰ্থ দুৰ্লভ নহে। তথাপি তোমাৰ চৰণ-সেৱাক ইছায়ে মই কিছোকো বাঞ্ছা নকৰো। কিন্তু অজনৰ জন্ম, অকৰ্ত্তাৰ কৰ্ম্ম, কাল-ৰূপৰ ভয়-পলায়ন দেখি, আত্মাৰামৰো অনেক নাৰীত বিহাৰ দেখি মোৰ মনে খেদ কৰে। আৰো মন্ত্ৰণা-সময়ত অখণ্ডজ্ঞান হুয়ো নজানা হেন মন্ত্ৰণা পোছা। তাক সুমৰিলে মোৰ মন অধিক মোহ যাই। এহি মোহ নিবাৰিবাৰ অৰ্থে ব্ৰহ্মাত যি জ্ঞান কহিছা, তাৰ যেৱে পাত্ৰ হওঁ, তেৱে কহিয়োক, যাক জানি অনায়াসে সংসাৰ তৰিম।'

১৯-২০ ] "এনাই মোৰ অভিপ্ৰায় বুজি আপুনাৰ স্বৰূপ-জ্ঞান কহিলা। এমনে ঈশ্বৰ-গুৰুত হন্তে জ্ঞান পায়া তাহাঙ্ক প্ৰদক্ষিণ কৰি বিৰহে আকুল হয়া ইঠাই আসিলো। তাহান আজ্ঞায়ে বদৰিকাশ্ৰমক যাইবো, যাত নৰ নাৰায়ণ তপ কৰন্ত।"

২১-২৬ ] শুকে কহন্ত,—উদ্ধৱৰ মুখে বন্ধুৰ বধ শুনি বিদুৰৰ পৰম শোক হৈল। তাক জ্ঞানে শান্ত কৰি উদ্ধৱত পোছন্ত, "হে উদ্ধৱ, ভগৱন্ত কৃষ্ণে তোমাত যি জ্ঞান কহিছা, তাক মোত কহা, যাতো বিষ্ণু-ভক্তসৱ আপুনাৰ ভৃত্যৰ অৰ্থে ফুৰন্ত।"

উদ্ধৱে বোলন্ত, "জানা বিদুৰ, তোমাত জ্ঞান কহিবাক লাগি কৃষ্ণ মোৰ আগতে মৈত্ৰেয়ক আজ্ঞা কৰিছা। তাহান আজ্ঞা ভাঙ্গি কমনে মঞি কহিবো? এতেকে তাহান্ত পোছা গৈয়া।"

২৭-৩৬ ] শুকে বোলন্ত,—এমনে দুয়োজনে কৃষ্ণ-কথা কহি যমুনা-তীৰত একক্ষণ হেন ৰাত্ৰিগোট বঞ্চিলা। প্ৰভাতে উদ্ধৱ লড়ি গৈলা।

ৰাজা পুছন্ত,—বিপ্ৰ-শাপে সকল যদু-কুল নষ্ট হৈলে মহাবীৰ উদ্ধৱ কিয় ৰহিলা, যাতো হৰিও মনুষ্য-শৰীৰ এৰিলা?

শুকে কহন্ত,—বিপ্ৰ-শাপ-ছলে যদু-কুল সংহৰি কৃষ্ণে মনত গুণিলা,



'মঞি বৈকুণ্ঠত গৈলে মোৰ ভক্তি লোকক প্ৰৱৰ্ত্তাই মোৰ সমান উদ্ধৱ এঠাই থাকন্তোক।' যাতো বিষয়ে আকুল নোহন্ত, এতেকে কৃষ্ণৰ আজ্ঞায়ে হৰি-ভক্তি প্ৰৱৰ্ত্তায়া বদৰিকাশ্ৰমত ৰহিলা, আপুনিও হৰি-ভক্তি কৰিলা। বিদুৰো উদ্ধৱৰ মুখে কৃষ্ণৰ জন্ম-কৰ্ম্ম বৈকুণ্ঠ-পয়াণ শুনি আপুনাকো কৃষ্ণ স্মৰিবাৰ শুনি প্ৰেমে আকুল হয়া কান্দিলা। পাছে গঙ্গা-দ্বাৰ গৈলা, যাত মৈত্ৰেয় আছন্ত।

শ্ৰীভাগৱত-কথায়াং তৃতীয় স্কন্ধে চতুৰ্থোঽধ্যায় ॥

আক জানি হৰি বোল হৰি ॥

॥ শ্লোক ॥ আত্মজ্ঞানায় লোকানাং উদ্ধৱো যেন স্থাপিতঃ।
তং প্ৰপদ্যে দয়াসিন্ধুং দীনবন্ধুং জগদ্গুৰুম্ ॥ ৪ ॥

## ॥ পঞ্চম অধ্যায় ॥

### ॥ চৌবিশ তত্ত্বৰ সৃষ্টি আৰু স্তুতি ॥

পঞ্চম অধ্যায়ে বিদুৰে হৰিৰ লীলা পুছিলে চবিশ তত্ত্বৰ সৃষ্টি, স্তুতি মৈত্ৰেয়ে কহিবা।

১-১৬ ] শুকে কহন্ত,—গঙ্গা-দ্বাৰত অগাধবোধ মৈত্ৰেয়ক বিদুৰে দেখি দণ্ডৱতে প্ৰণাম কৰি পুছন্ত, "হে মৈত্ৰেয়, লোকে সুখৰ অৰ্থে নানা কৰ্ম্ম কৰে। সি কৰ্ম্মে সুখ নপাৱে; দুঃখো নুগুচে; কিন্তু পুনু

---

॥ পঞ্চম অধ্যায় ॥

পঞ্চম অধ্যায়ত বিদুৰৰ ভগৱন্তৰ লীলা-বিষয়ক প্ৰশ্নৰ উত্তৰত মৈত্ৰেয়ই চৌবিশ তত্ত্বৰ সৃষ্টি আৰু ব্ৰহ্মাণ্ড সৃজিব নোৱাৰি সিবোৰৰ ভগৱৎ-স্তুতি বৰ্ণনা কৰিছে। ইয়াৰেপৰা চাৰি অধ্যায়ত বিদুৰ-মৈত্ৰেয়-সংবাদৰ বৰ্ণনা সন্নিৱিষ্ট হৈছে।

দুঃখ মাত্ৰ পাৱে। আত যি মুক্ত হয়, তাক সৰ্ব্বজ্ঞ তুমি কহিয়োক। লোকসৱ কৃষ্ণত বিমুখ হয়া অধৰ্ম্ম কৰে, এতেকে নানা দুঃখ পাৱে। তাৱাক অনুগ্ৰহৰ অৰ্থে বিষ্ণু-ভক্তসৱ ভ্ৰমন্ত। এতেকে তুমি মোত হৰি ভজিবাৰ পন্থ দেখায়োক। তেৱে ভক্তিযুক্ত চিত্তত হৰি প্ৰকাশ হয়া জ্ঞান দিবন্ত। আৰো ভগৱন্তে পুৰুষ অৱতাৰ হয়া যেমনে জগত স্ৰজন পালন সংহাৰ কৰন্ত, তাকো কহা। নানা অৱতাৰ ধৰি নানা ক্ৰীড়া কৰি যেমনে গো, দেৱ, ব্ৰাহ্মণৰ হিত কৰন্ত, তাকো কহিয়োক, যাতো তাহান চৰিত্ৰ শুনি মোৰ মন তৃপিতি নাযায়। হৰি-কথা বিনে ব্যাসৰ মুখত ধৰ্ম্ম-কৰ্ম্ম শুনি তৃপিতি নহৈলো, যাতো তাক আচৰিলে অল্পমাত্ৰ সুখ পাই। এতেকে মহাফল কৃষ্ণ-কথা তোৰাৰ সঙ্গত শুনি কোনজন তৃপিতি নহৈবেক, যাক মুক্তসৱে স্তুতি কৰে, যি কথা শ্ৰদ্ধালু পুৰুষৰ কৰ্ণ-ৰন্ধ্ৰে প্ৰৱেশ হয়া বিৰক্তি কৰায়া সংসাৰ গুচাৱে। এতেকে যিজনে হৰি-কথা নজানি নুশুনে, সি শোচ্যমাত্ৰ। যিজনে জানিও নুশুনে, সি শোচ্যৰো শোচ্য হয়, যাতো বৃথা ব্যাপাৰে আয়ু ক্ষয় হোৱে। এতেকে তুমি সকল শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি হৰি-কথা কহ। বিশেষত কৃষ্ণ-কথা বাহুল্য কৰি কহিবা।

১৭-২২ ] শুকে কহন্ত,— এমনে লোকৰ কুশলৰ অৰ্থে বিদুৰে প্ৰশ্ন কৰিলে মৈত্ৰেয়ে প্ৰশ্নক প্ৰশংসা কৰি বোলন্ত, "হে সাধু বিদুৰ, তুমি ভাল প্ৰশ্ন কৰিলা, যাতো লোকক দয়া কৰি আপুনাৰ কীৰ্ত্তি বিস্তাৰ কৰিলা। তোমাত ইটো চিত্ৰ নহে, যাতো মাণ্ডব্য ঋষিৰ শাপে যম আসি ব্যাসৰ বীৰ্য্যে হয়াছা,[১] একান্তভাৱে কৃষ্ণক ভজিছা, কৃষ্ণৰো পৰম প্ৰিয়। যাতো তোমাত জ্ঞান কহিবাক লাগি মোক আজ্ঞা কৰিছা, এতেকে তোমাত হৰি-লীলা কহিবো।

১ লোক-নিয়ন্তা যম দেৱতা মাণ্ডব্য মুনিৰ শাপত ব্যাসদেৱৰ ভ্ৰাতা বিচিত্ৰবীৰ্য্যৰ পত্নীৰূপে গৃহীতা দাসীৰ গৰ্ভত সত্যৱতী-নন্দন ব্যাসদেৱৰ ঔৰসত জন্ম-গ্ৰহণ কৰি বিদুৰ হৈছে ( ৩. ৫. ২০ )।



২৩-৩৬ ] "প্ৰথমে সৃষ্টি-লীলা শুনা। জগতৰ আদ্যত ভগৱন্ত একলায়ে আছিলা, যাতো মায়া কাৰ্য্য সহিতে তাহান্তে লীন হয়া আছিলা[২]। পাছে ঈশ্বৰে প্ৰপঞ্চ নেদেখি আপুনাক নাইকা হেন মানিলা।[৩] এতেকে মায়া জাত হৈলা।[৪] পাছে আপুনি পুৰুষ-ৰূপে কাল-শক্তিয়ে মায়াত গৰ্ভাধান কৰিলা।[৫] এতেকে

২ ভগৱানেক আসেদমগ্ৰ আত্মাত্মনাং ৱিভুঃ।
আত্মেচ্ছানুগতাৱাত্মানানামত্যুপলক্ষণঃ॥ ২৩

সৃষ্টিৰ পূৰ্ব্বতে ( অগ্ৰে ) এই বিশ্ব ( ইদম্ ) পৰমাত্মা ভগৱন্ত-ৰূপে একেই আছিল ( ভগৱানেক আস )। জীৱৰ স্বৰূপ ( আত্মনাং জীৱানামাত্মা স্বৰূপম্— শ্ৰী ) আৰু স্বামী ( ৱিভুঃ ) আন দ্ৰষ্টা-দৃশ্য-স্বৰূপ একো নাছিল ( নান্যদ্দ্ৰষ্টৃ-দৃশ্যাত্মকং কিঞ্চিদাসীৎ। কাৰণাত্মনা সত্ত্বেঽপি পৃথক্প্ৰতীত্যভাৱাদিত্যাহ। অনানামত্যুপলক্ষণো নানাদ্ৰষ্টৃদৃশ্যাদিমতিভিৰ্নোপলক্ষ্যত ইতি তথা—শ্ৰী )। কিয়নো? আত্মেচ্ছা-স্বৰূপ মায়া তেওঁতে লয় গৈ আছিল ( আত্মেচ্ছা মায়া তস্যা অনুগতো লয়ে সতি—শ্ৰী )। উপনিষদতো আছে—সদেৱ সৌম্যেদমগ্ৰ আসীৎ।

৩ স ৱা এষ তদা দ্ৰষ্টা নাপশ্যদ্দৃশ্যমেকৰাট্।
মেনেঽসন্তমিৱাত্মানং সুপ্তশক্তিৰসুপ্তদৃক্॥ ২৪

তেতিয়া সেই ভগৱন্তই মায়া আদি শক্তি সুপ্ত থকা হেতুকে ( সুপ্তা মায়াদ্যাঃ শক্তয়ো যস্য সঃ—শ্ৰী ) চিৰজাগ্ৰত চিৎশক্তি-যুক্ত হৈও ( অসুপ্তা দৃক্ চিচ্ছক্তিৰ্যস্য—শ্ৰী ) অকলশৰীয়া দ্ৰষ্টা-ৰূপে ( দ্ৰষ্টা···একৰাট্ ) কোনো দৃশ্য বস্তু বা প্ৰপঞ্চ দেখা নাপালে, আৰু নিজকে অসৎ বা নাইকিয়া যেন ভাবিলে।

৪ সা ৱা এতস্য সংদ্ৰষ্টুঃ শক্তিঃ সদসদাত্মিকা।
মায়া নাম মহাভাগ! যয়েদং নিৰ্মমে ৱিভুঃ॥ ২৫

মায়াৰ সহায়েৰে ভগৱন্তই জগৎ সৃষ্টি কৰে। মায়া ভগৱন্তৰ শক্তি। মায়া সদসদাত্মিকা অৰ্থাৎ কাৰ্য্য-কাৰণ-ৰূপা, দ্ৰষ্টৃ-দৃশ্যানুসন্ধান-ৰূপা ( সদ্দৃশ্যম্ অসদদৃশ্যম্ আত্মস্বৰূপং চ তয়োৰাত্মা যস্যাঃ তদুভয়ানুসন্ধানৰূপত্বাৎ—শ্ৰী )।

৫ কালবৃত্ত্যা তু মায়ায়াং গুণময্যামধোক্ষজঃ।
পুৰুষেণাত্মভূতেন ৱীৰ্যমাধত্ত ৱীৰ্যৱান্॥ ২৬

মহত্তত্ত্ব[৬] উপজিলা। মহত্তত্ত্ব হন্তে অহঙ্কাৰ[৭] হৈল। অহঙ্কাৰো সাত্ত্বিক, ৰাজসিক, তামসিকভেদে তিনি বিধ ভৈলা। সাত্ত্বিকত হন্তে মন সহিতে দেৱগণ হৈল। ৰাজসিকত হন্তে ইন্দ্ৰিয়গণ হৈল। তামসিকত হন্তে শব্দ, পৰশ, ৰূপ, ৰস, গন্ধৰ দ্বাৰায়ে আকাশ, বায়ু, তেজ, জল, পৃথ্বী হৈল।[৮]

৩৭-৪৬ ] "ইসব দেৱগণে নানামত নিমিত্তে ব্ৰহ্মাণ্ড কৰিতে নপাৰি অঞ্জলি কৰি হৰিক স্তুতি বোলন্ত, 'হে পৰমেশ্বৰ, তোমাৰ পদাৰৱিন্দক

কাল-শক্তিৰ দ্বাৰা ( কালবৃত্ত্যা ) ক্ষোভিতগুণা গুণময়ী মায়াত অধোক্ষজ পৰমাত্মাই আত্মাংশভূত প্ৰকৃতিৰ অধিষ্ঠাতা পুৰুষ-ৰূপে চিদাভাস-ৰূপ বীৰ্য্য ( ৱীৰ্যং চিদাভাসম্—শ্ৰী ) আধান কৰিলে।

সাত্বত-তন্ত্ৰত তিনিজন পুৰুষৰ কথা কোৱা হৈছে,—

ৱিষ্ণোস্তু ত্ৰীণি ৰূপাণি পুৰুষাখ্যান্যথো ৱিদুঃ।
প্ৰথমং মহতঃ স্ৰষ্টৃ দ্বিতীয়ং ত্বণ্ডসংস্থিতং।
তৃতীয় সৰ্ৱভূতস্থং তানি জ্ঞাত্বা ৱিমুচ্যত॥

প্ৰথম পুৰুষ ভগৱন্তৰ আত্মাংশভূত শক্তি-স্বৰূপ আৰু মহত্তত্ত্বৰ উৎপত্তি-স্থল। দ্বিতীয় পুৰুষ আদি-অৱতাৰ-স্বৰূপ ব্ৰহ্মাণ্ড-সংস্থিত "সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।" তৃতীয় পুৰুষ সকলো প্ৰাণীৰ অন্তৰত সংস্থিত আত্মা-স্বৰূপ।

৬ মহৎ অব্যক্ত অৰ্থাৎ মায়াৰপৰা জাত, বিজ্ঞানাত্মা বা সত্ত্বপ্ৰধান, স্বদেহস্থিত বিশ্বৰ প্ৰকাশক আৰু অন্ধকাৰ-নাশক। ( ৩. ৫. ২৭ ) মহত্তত্ত্ব অংশগুণকালাত্মা ( ৩. ৫. ২৮ )—নিমিত্ত-স্বৰূপ চিদাভাস ( অংশ ), উপাদান ( গুণ ) আৰু গুণৰ ক্ষোভক কালৰ অধীন ( অংশশ্চিদাভাসো নিমিত্তং গুণা উপাদানং কালঃ ক্ষোভকস্তদাত্মা তদধীনঃ—শ্ৰী )।

৭ মহত্তত্ত্বৰ বিকাৰৰপৰা উৎপন্ন অহঙ্কাৰৰ লক্ষণ—কাৰ্য্যকাৰণকৰ্ত্ৰাত্মা বা অধিভূত, অধ্যাত্ম আৰু অধিদৈৱৰ আশ্ৰয়-স্বৰূপ, আৰু ভূতেন্দ্ৰিয়মনোময় বা ভূত, ইন্দ্ৰিয়, মন আৰু দেৱতা যাৰ বিকাৰ।

৮ বিকাৰপ্ৰাপ্ত তামস অহঙ্কাৰৰপৰা শব্দ-তন্মাত্ৰ, শব্দৰপৰা আকাশ, আকাশৰপৰা স্পৰ্শ-তন্মাত্ৰ, স্পৰ্শৰপৰা বায়ু, বায়ুৰপৰা ৰূপ-তন্মাত্ৰ, ৰূপৰপৰা তেজ, তেজৰপৰা ৰস-তন্মাত্ৰ, ৰসৰপৰা জল, জলৰপৰা গন্ধ-তন্মাত্ৰ, গন্ধৰপৰা পৃথিৱী হয়।



নমো, যাত প্ৰপন্নজনৰ সকল তাপ গুচে, যাক আশ্ৰয় কৰি সন্ন্যাসীসৱো সংসাৰ-তাপ দূৰ কৰে। হে বিধাতা ভগৱন্ত, ই সংসাৰত জীৱসৰ তিনি তাপে তাপিত হয়া আপুনাত কিছো সুখ নপাৱে। এতেকে তোমাৰ চৰণ-ছায়াত শৰণ পশিলো। যাক ঋষিসৱে বেদ-পন্থে বিচাৰ কৰে, যাত গঙ্গাও উদ্ভৱ হয়াছা, সেই চৰণত আমি প্ৰপন্ন হৈলো। শ্ৰদ্ধায়ে শ্ৰৱণ-কীৰ্ত্তন ভক্তি কৰি যাক হৃদয়ত ধৰি জ্ঞান-বিজ্ঞান বৈৰাগ্য লভি মুক্ত হয়, যাক বেদেও নজানে, যাক স্মৰণ-মাত্ৰে মুক্ত হয়, পুৰুষৰ সকল পাপ গুচে, হেন তোমাৰ চৰণত শৰণ পশিলো। হৃদয়ত থাকিলিও কেৱল বিষয়ীসৱে যাক নজানে, সেই তোমাৰ চৰণক প্ৰণামো। হে ভগৱন্ত, বহিৰ্ম্মুখসবৰ তোমাক জানন থাকোক, তোমাক পাইবাৰ পথ ভক্তসৱক নজানে। যাৰা তোমাৰ কথামৃত কৰ্ণ-দ্বাৰে পান কৰে, তাৰা অনায়াসে বৈকুণ্ঠ-লোক পাৱে।[৯] জ্ঞানী-গণে যদি তোমাক যোগ-বলে পাৱে, তথাপি তাহাত অনেক শ্ৰম আছে। ভক্তি-পথত অনায়াসে পাৱে।"

৪৭-৫০ ] "এহি স্তুতি কহি আপুনাৰ কাৰ্য্য কহে, 'হে আদ্য, ব্ৰহ্মাণ্ড স্ৰজিবে লাগি আমাক স্ৰজিলা। আমি পুনু তাক কৰিতে নপাৰি, যাতো সৱাৰে এক মতি নাই। এতেকে তোমাৰ আজ্ঞায়ে মনে কৰি আমিও যেমনে অন্ন খাইব, যেমনে তোমাক আমাক পূজা কৰিবেক, তেমনে শক্তি দিয়া, যাতো তুমিসে আমাৰ পিতৃ।' "

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে পঞ্চমোঽধ্যায়ঃ॥

আৰু জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ পঞ্চমে বিদুৰপ্ৰশ্নে কথিতং তত্ত্ব-সংস্তুতো।
বৃথাকথাশ্ৰমং হিত্বা শ্ৰৱণং কীৰ্ত্তনং হৰেঃ॥ ৫॥

৯ হে দেৱ মহেশ্বৰ হৰি তয়ু কথামৃত পান কৰি
বঢ়ায়া ভকতি মনক শুদ্ধ কৰয়।
বৈৰাগ্যেসে সাৰ ভৈলা যাৰ হেনয় বোধক লভি পুনু
পৰম নিৰ্ম্মল বৈকুণ্ঠ গৈয়া পাৱয়॥ নামঘোষা ৬৭৫

## ॥ ষষ্ঠ অধ্যায় ॥

### ॥ বিৰাট পুৰুষৰ সৃষ্টি আৰু অধিদৈৱাদি ॥

ষষ্ঠ অধ্যায়ে বিৰাটৰ সৃষ্টি কহি অধিদৈৱাদি প্ৰপঞ্চিবা।

১-২৯ ] মৈত্ৰেয়ে কহন্ত, "এমনে তত্ত্বৰ তুতি শুনি ভগৱন্তে প্ৰকৃতি সহিতে তেইশ তত্ত্বত একেবাৰে প্ৰৱেশ হৈলা। ভগৱন্তৰ প্ৰৱেশে তাৰাৱো একত্ৰ হৈয়া আপুনাৰ অংশে বিৰাট স্ৰজিলা। বিৰাটো সহস্ৰ বৎসৰ জলতে আছিলা।[১] পাছে নাৰায়ণৰ অধিষ্ঠানে চৈতন্য, মন, প্ৰাণ হৈলা।[২] পাছে ঈশ্বৰৰ ইচ্ছায়ে গোলক, ইন্দ্ৰিয়-দেৱতা,

---

॥ ষষ্ঠ অধ্যায় ॥

ষষ্ঠ অধ্যায়ত ভগৱন্তৰ দ্বাৰা আৱিষ্ট তত্ত্বসমূহৰ দ্বাৰা বিৰাট-তনুৰ সৃষ্টি আৰু ভগৱৎকৃত অধিদৈৱাদি-ভেদ বৰ্ণনা কৰা হৈছে।

১ অমিলিত আৰু বিশ্ব-ৰচনা শক্তি-ৰহিত মহদাদি তত্ত্বৰ গতি দেখি ঈশ্বৰে প্ৰকৃতিৰ সহায়েৰে যুগপৎ মহৎ, অহঙ্কাৰ, পঞ্চ তন্মাত্ৰ, মহাভূত, আৰু একাদশ ইন্দ্ৰিয়, এই তেইশ তত্ত্বত অন্তৰ্য্যামী-ৰূপে প্ৰৱেশ কৰিলে। তত্ত্ববোৰ তেতিয়া সংযোজিত আৰু প্ৰবুদ্ধকৰ্ম্মা হৈ নিজ নিজ অংশৰ দ্বাৰা অধিপুৰুষ অৰ্থাৎ বিৰাট্-দেহ উৎপাদন কৰিলে। এই বিৰাট দেহতেই চৰাচৰ বিশ্ব আছে। হিৰণ্ময় বিৰাট পুৰুষ সপ্তাৱৰণ-যুক্ত ব্ৰহ্মাণ্ডৰ মাজৰ জলত অনুশায়ী জীৱ-সমূহেৰে হাজাৰ বছৰ আছিল।

২ স ৱৈ ৱিশ্বসৃজাং গৰ্ভো দৈৱকৰ্মাত্মশক্তিমান্।
ৱিবভাজাত্মনাত্মানমেকধা দশধা ত্ৰিধা ॥ ৭

সেই ( স ৱৈ ) মহদাদিৰ কাৰ্য্য-ৰূপ বিৰাট ( ৱিশ্বসৃজাং গৰ্ভঃ ) নিজৰ দ্বাৰা নিজকে ( আত্মনাত্মানম্ ) দৈৱ বা জ্ঞান শক্তিৰে হৃদয়-ৰূপে একপ্ৰকাৰে ( দেৱশক্তিৰ্জ্ঞানশক্তিস্তয়ৈকধা—শ্ৰী ), আত্মশক্তি বা ভোক্তৃশক্তিৰে আধ্যাত্মিক, আধিদৈৱিক আৰু আধিভৌতিক," এই তিনি প্ৰকাৰে ( আত্মশক্তিৰ্ভোক্তৃশক্তিস্তয়াধ্যাত্মাদিভেদেন ত্ৰিধা—শ্ৰী ) চৈতন্য-ৰূপে কৰ্ম্মশক্তিৰে দশ প্ৰাণ অৰ্থাৎ



বিষয় হৈল,[৩] যাৰ শিৰত স্বৰ্গ আছে, চৰণত পৃথিৱী, নাভিত আকাশ।

---

প্ৰাণ, অপান, ব্যান, উদান, সমান, নাগ, কূৰ্ম্ম, কৃকৰ, দেৱদত্ত আৰু ধনঞ্জয়, এই দহ প্ৰকাৰে ( হৃদয়াৱচ্ছিন্নচৈতন্যৰূপেণ কৰ্মশক্তিঃ ক্ৰিয়াশক্তিস্তয়া দশধা। প্ৰাণৰূপেণ প্ৰাণাদয়ঃ পঞ্চ। নাগঃ কূৰ্মশ্চ কৃকলো দেৱদত্তো ধনঞ্জয়ঃ। ইত্যেতে পঞ্চৈৱ বৃত্তিভেদেন দশবিধঃ প্ৰাণঃ—শ্ৰী ) বিভক্ত কৰিলে ( ৱিবভাজ )।

৩ ভগৱন্তৰ ইচ্ছাত বিৰাট দেহৰপৰা দেৱতাসকলৰ আয়তন বা স্থানসমূহৰ ( গোলক ? ) সৃষ্টি হ'ল। সেই স্থানত নিজ নিজ আধেয় ইন্দ্ৰিয়বৃত্তিৰে ইন্দ্ৰিয়দেৱতা প্ৰৱেশ কৰিলে। সেই ইন্দ্ৰিয়বৃত্তিৰ দ্বাৰা নিজ নিজ বিষয়ৰ প্ৰতিপত্তি হৈ থাকে। যেনে,—মুখত অগ্নিদেৱতা বাগিন্দ্ৰিয়েৰে প্ৰৱেশ কৰিলে, আৰু সেই ইন্দ্ৰিয়ৰ বিষয় হ'ল শব্দ। তলত বিভিন্ন অধিষ্ঠান, ইন্দ্ৰিয়-দেৱতা, ইন্দ্ৰিয় আৰু বিষয় ক্ৰমে দেখুওৱা হ'ল। ( ৩. ৬. ২২-২৬ )

| অধিষ্ঠান | অধিদৈৱত-ৰূপ | অধ্যাত্ম-ৰূপ | অধিভূত-ৰূপ |
|---|---|---|---|
| মুখ | অগ্নি | বাগিন্দ্ৰিয় | বাক্য |
| তালু | বৰুণ | ৰসনেন্দ্ৰিয় | ৰস |
| নাসাদ্বয় | অশ্বিনীকুমাৰদ্বয় | ঘ্ৰাণেন্দ্ৰিয় | গন্ধ |
| চক্ষু-গোলকদ্বয় | আদিত্য | চক্ষুৰিন্দ্ৰিয় | ৰূপ |
| চৰ্ম্ম | বায়ু | ত্বগিন্দ্ৰিয় | স্পৰ্শ |
| কৰ্ণদ্বয় | দিক্‌সমূহ | শ্ৰৱণেন্দ্ৰিয় | শব্দ |
| চৰ্ম্ম | ওষধিসমূহ | ৰোম-যুক্ত ত্বগিন্দ্ৰিয় | কণ্ডূয়ন |
| মেঢ় ( শিশ্ন ) | প্ৰজাপতি | উপস্থেন্দ্ৰিয় | জনন |
| গুহ্য | মিত্ৰ | পায়ু ইন্দ্ৰিয় | মলত্যাগ |
| হস্তদ্বয় | ইন্দ্ৰ | পাণীন্দ্ৰিয় | আদানাদি |
| পাদদ্বয় | বিষ্ণু | পাদেন্দ্ৰিয় | গমন |
| বুদ্ধি | বৃহস্পতি | বুদ্ধীন্দ্ৰিয় | নিশ্চয় |
| হৃদয় | চন্দ্ৰ | মন | সংশয় |
| অহঙ্কাৰ | ৰুদ্ৰ | অহংবৃত্তি | অভিমান |
| চিত্ত ( মহৎ ) | ব্ৰহ্মা | চেতনা | স্মৰণ |

৩০-৪০ ] "তান মুখত বেদ সমে ব্ৰাহ্মণ ভৈল ; বাহুত প্ৰজা-পালন সমে ক্ষত্ৰিয় হৈলা ; উৰুত কৃষি বাণিজ সমে বৈশ্য হৈল ; চৰণত শুশ্ৰূষা সমে শূদ্ৰ হৈলা। জানা বিদুৰ, ই চাৰিও জাতিৰ ভগৱন্ত গুৰু, পিতৃ, ঈশ্বৰ। এতেকে তাহাঙ্ক সদায়ে ভজোক। ভগৱন্তৰ লীলা সাৰশেষে কহিতে নপাৰি। তথাপি আপুনাৰ বৃথা কথায়ে, অশুদ্ধ বাক্যকো শুদ্ধ কৰিবাক লাগি গুৰু-মুখে যে শুনি মতি অনুসাৰে কহিবো, যাতো হৰি-গুণ কথনে-শ্ৰৱণেসে বাক্য-কৰ্ণৰ একান্ত লাভ। ব্ৰহ্মায়ো সহস্ৰ বৎসৰেও হৰি-গুণৰ অন্ত নপান্ত। এতেকে পুৰুষৰ মতি অনুসাৰে যিমানে পাৰে তাকে সদায়ে শ্ৰৱণ-কীৰ্ত্তন কৰোক।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে ষষ্ঠোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ ৱাক্কৰ্ণয়োঃ পৰো লাভঃ শ্ৰৱণং কীৰ্তনং হৰেঃ।
আত্মমত্যনুসাৰেণ ইতি ষষ্ঠে নিৰূপিতম্ ॥ ৬ ॥

## ॥ সপ্তম অধ্যায় ॥

### ॥ বিদুৰৰ সংশয়-ছেদী প্ৰশ্ন ॥

সপ্তম অধ্যায়ে বিদুৰৰ সংশয়-ছেদী নানা প্ৰশ্ন কহিবা।

১-৭ ] বিদুৰে পুছন্ত, "হে মৈত্ৰেয়, নিৰ্গুণ ভগৱন্তৰ গুণময় সৃষ্টি আদি লীলা কেমনে হয় ? তুমি কহিছা, মিছা জীৱৰ অৰ্থে কৰন্ত। সিও নঘটে। দেশ-কালাদিয়ে অলুপ্তবোধ ব্ৰহ্ম-ৰূপ জীৱৰ কেনে অবিদ্যাময় সংসাৰ হয় ? মোৰ এহি মনৰ সংশয় দূৰ কৰা।"

---

॥ সপ্তম অধ্যায় ॥

ভগৱন্তই মায়া-গুণৰ সহায়েৰে সৃষ্ট্যাদি লীলা কৰে, এই কথা শুনি সৃষ্টি-লীলা, মায়া, অবিদ্যা, জীৱ আদিৰ বিষয়ে বিদুৰে মৈত্ৰেয়ক নানা প্ৰশ্ন কৰে। মৈত্ৰেয়ই তাৰ যথাযথ উত্তৰ দিয়ে।



৮-১৪ ] মৈত্ৰেয়ে কহন্ত, "জানা বিদুৰ, এইতো হৰিৰ মায়া। ই বিচাৰ নহে, যাত হন্তে মিছা সংসাৰ জীৱত লখি, যেন স্বৰূপ আপুনাৰ শিৰ আপুনি ছেদ দেখি। বোলা যদি, 'ঈশ্বৰত কেনে নেদেখি', আত দৃষ্টান্ত শুনা ঃ যেনে চন্দ্ৰৰ প্ৰতিবিম্বতেসে কম্পাদি গুণ দেখি, বিম্বত নেদেখি, তেমনে জীৱৰেসে সংসাৰ, ঈশ্বৰৰ নাই।[১] এতেকে ঈশ্বৰত ভক্তি কৰিলে আপুনি সংসাৰ গুচে। বুলিবা, 'কেতিয়া গুচিবে ?' তাত শুনা ঃ যেখন সকল ইন্দ্ৰিয়ৰ বৃত্তি ঈশ্বৰত লাগে, তেখনে সকল ক্লেশ গুচে। হৰি-গুণ-শ্ৰৱণ-কীৰ্ত্তনে সাঙ্গে সকল ক্লেশ গুচাৱে ; তাহান চৰণত সপ্ৰেম ভকতিয়ে গুচাইবে, তাক কি বুলিবো ?"

১৫-৪১ ] বিদুৰে বোলন্ত, "হে মৈত্ৰেয়, তোমাৰ বাক্য-শৰে মোৰ

---

১ সেয়ং ভগৱতো মায়া যন্নয়ে ন ৱিৰুধ্যতে।
ঈশ্বৰস্য ৱিমুক্তস্য কাৰ্পণ্যমুত বন্ধনম্ ॥৯
যদৰ্থে ৱিনামুষ্য পুংস আত্মৱিপৰ্য্যয়ঃ।
প্ৰতীয়ত উপদ্ৰষ্টুঃ স্বশিৰশ্ছেদনাদিকঃ ॥১০
যথা জলে চন্দ্ৰমসঃ কম্পাদিস্তৎকৃতো গুণঃ।
দৃশ্যতেঽসন্নপি দ্ৰষ্টুৰাত্মনোঽনাত্মনো গুণঃ ॥১১

মৈত্ৰেয়ই কৈছে, "সেয়ে ভগৱন্ত অৰ্থাৎ অচিন্ত্যশক্তি ঈশ্বৰৰ মায়া ; তাক তৰ্কেৰে বুজাব নোৱাৰি ( নয়েন তৰ্কেন ৱিৰুধ্যত ইতি যৎ তৰ্কৱিৰোধমেৱা-নুৱদতি—শ্ৰী )। সেই মায়াৰ দ্বাৰা বিমুক্ত জীৱৰ অবিদ্যাৰে বন্ধন আৰু কাৰ্পণ্য অৰ্থাৎ দেহাদি-অভিমান-জনিত সংকোচন হয়। ইয়াৰ এক পটন্তৰ— স্বপ্ন দেখা মানুহৰ ( উপদ্ৰষ্টুঃ স্বপ্নসাক্ষিণঃ—শ্ৰী ) প্ৰকৃত শিৰশ্ছেদ নোহোৱা-কৈয়ে 'মোৰ মূৰ কাটি পেলালে' এনে বিপৰ্য্যয় মিছায়ে প্ৰতীত হয়। তেনে হ'লে ঈশ্বৰৰ তেনে প্ৰতীতি নহয় কিয় ? যেনেকৈ জলত প্ৰতিবিম্বিত চন্দ্ৰৰহে জলৰ গুণ অনুসৰি কম্পন আদি ধৰ্ম্ম ( জলোপাধিকৃতঃ কম্পাদিধৰ্মঃ —শ্ৰী ) দেখা যায়, আকাশত থকা আচল চন্দ্ৰৰ দেখা নাযায়, তেনেকৈ দেহাদিৰ ধৰ্ম হেতুকে তাত অভিমানী জীৱৰ মিছাকৈয়ে সিবোৰ ধৰ্ম্মৰ প্ৰতীতি হয়, সত্য ঈশ্বৰৰ নহয়।

সংশয় গুচিল, যাতো জানিলঞ, স্বতন্ত্ৰ ঈশ্বৰক ভজিলেসে পৰতন্ত্ৰ জীৱৰ মায়াময় সংসাৰ গুচে। জ্ঞানী, অজ্ঞানী, দুইৰো সংশয় নাই। মধ্যস্থ পদে আগে মোত আছিল। আবে তোমাৰ প্ৰসাদে গুচিল। কেৱল আভাস-মাত্ৰ আছে। তাকো তোমাৰ চৰণ-সেৱাৰ প্ৰসাদে গুচাইবো, যাতো সন্ত-সঙ্গে হৰিক সেৱা কৰি হৰি-কথা শুনিলেসে হৰিৰ চৰণত প্ৰেম-ৰতি হয়, তেবে সংসাৰ গুচে। যে সাধুসৱে সততে কৃষ্ণ-সেৱা কৰন্ত, তাৰাৰ সেৱা অল্পপুণ্যৰ দুৰ্লভ। তাক মঞি পায়া কৃতাৰ্থ হৈলো। এতেকে কৃষ্ণ-কথা শুনিতে চাঞো। হৰিৰ ব্ৰহ্মাদি বিভূতি কহা, যাৰ পুত্ৰ-পৌত্ৰে প্ৰজাসৱ হয়াছে। মনু, মনু-বংশ, তাৰো চৰিত্ৰ কহা। ভূলোক, জ্যোতিশ্চক্ৰৰ কথা কহা, আৰ যেমনে হৰি তুষ্ট হয়, তাকো কহা।"

আৰো নানা প্ৰশ্ন কৰি বোলন্ত, "নোপোছা কথাকো অনুগত শিষ্যত গুৰুসৱে কহন্ত। গুৰু বিনে জ্ঞান, বৈৰাগ্য, ভক্তি নোহয়। মঞি অবিদ্যায়ে অন্ধ হয়া হৰিৰ লীলা জানিতে এতেক প্ৰশ্ন কৰিলো। তুমি কৃপায়ে কহিয়োক, যাতো হৰি-ভক্তি-উপদেশে জীৱক অভয় দিবাৰ সম সকল বেদ-যজ্ঞ-তপ-দানে লেশ-মাত্ৰো নহে।"

৪২ ] শুকে কহন্ত, "এমনে কুৰু-প্ৰধান বিদুৰে প্ৰশ্ন কৰিলে মুনি-প্ৰধান মৈত্ৰেয়ে হৰিষ-বদনে কহিবাক লাগিলা।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে সপ্তমোঽধ্যায়ঃ।

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ সৎসেৱা কৃষ্ণযশসঃ শ্ৰৱণং তদ্ৰতিৰ্গতি-।
ৰ্যথাক্ৰমেণ ভৱন্তীত্যেতাৱৎ সপ্তমে স্থিতম্॥ ৭॥



## ॥ অষ্টম অধ্যায় ॥

### ॥ অনন্ত-সম্প্ৰদায় অনুসৰি ব্ৰহ্মাৰ তপ-বৰ্ণনা ॥

অষ্টম অধ্যায়ে অনন্ত সম্প্ৰদায়ে ব্ৰহ্মাৰ তপ কহিবা।

১-৯ ] মৈত্ৰেয়ে বোলন্ত, "হে বিদুৰ, কুৰু-বংশ সন্তৰো সেব্য হৈলা, যাতো মহাভাগৱত যম তুমি জাত হুয়াছা, যাতো হৰি-কথাক ক্ষণে ক্ষণে নৱ হেন কৰা। ময়ো লোকৰ সংসাৰ-দুঃখ গুচাইবাক লাগি অনন্ত-সম্প্ৰদায়ে ভাগৱত কহি তোমাৰ প্ৰশ্নৰ উত্তৰ দিবো।

"পূৰ্ব্বত সনতকুমাৰ আদি চাৰি মুনি ভাগৱত শুনিবে ইছায়ে সত্য লোকতে গঙ্গাত বুড় দিয়া পাতালে গৈলা। সিঠাই ভগৱন্ত অনন্তৰ পাদপীঠ-পদ্মক জটাৰ অগ্ৰে ছুয়া বাসুদেৱক জানিবাক লাগি স্তুতি-নতি কৰি পুছিলা। অনন্তো কৃপাদৃষ্টি চায়া তাৰাত ভাগৱত কহিলা। পাছে সনতকুমাৰে সাংখ্যায়নত কহিলা। সাংখ্যায়নো পৰাশৰত কহিলা। পৰাশৰো মোত কহিলা। মঞো সেই ভাগৱত তোমাত কহিবো, যাতো শ্ৰদ্ধায় অনুগত হয়াছা।

১০-৩৩ ] "প্ৰথমে ব্ৰহ্মাৰ জন্ম কহো। যেখন প্ৰলয়-জলত সকল জগত মগ্ন হৈল, তেখনে কাল-শক্তিয়ে সৱাকে উদৰত কৰি শ্ৰীনাৰায়ণ জলৰ উপৰত অনন্ত শয্যাত নিদ্ৰা কৰিলা। পাছে চাৰি হাজাৰ যুগ অনন্তৰে আপুনাত সকল লোক লীন হয়াছে দেখিলা। পাছে তাহান ইছায়ে ৰজোগুণে নাভি-পদ্মত হন্তে পদ্মগোট হৈলা। সেই পদ্মত আপুনি ব্ৰহ্মা হৈলা। ব্ৰহ্মায়ো পদ্মৰ কৰ্ণিকাত থাকি লোক নেদেখি চাৰিও দিশ চাহিতে তেখনে তাহান চাৰি মুখ হৈল। পাছে পদ্মক,

---

॥ অষ্টম অধ্যায় ॥

এই অধ্যায়ত অনন্ত বা সঙ্কৰ্ষণ দেৱৰপৰা ভাগৱত-সম্প্ৰদায়-প্ৰৱৰ্ত্তনৰ ঐতিহ্য আৰু সেই ঐতিহ্যমতে ব্ৰহ্মাৰ উৎপত্তি আৰু ভগৱৎস্তৱ বৰ্ণিত হৈছে।

আপুনাক, লোককো নজানি মনত গুণন্ত, 'মঞি কোন? ই পদ্ম কোথাইৰপৰা হৈল? আৰ আশ্ৰয় একগোটা আছে।'

"এই মনে গুণি পদ্মৰ নালে জলত বুড় দিলা। একশত বৎসৰ বিচাৰিও কিছোকো নেদেখিলা। পাছে উলটি আসি পদ্মত বসি প্ৰাণ-মন নিয়মি একশত বৎসৰ সমাধি ধৰিলা। পাছে যোগবলে জ্ঞান পায়া আপুনাৰ হৃদয়ত মৃণাল-গৌৰ, সহস্ৰ-ফণ অনন্ত-শয্যাত হৰিক দেখিলা। আগে মৰকত-পৰ্ব্বত চন্দন-বৃক্ষ হেন, দেখি,[১] পাছে শ্যামসুন্দৰ, পীত-বসন, চতুৰ্ভুজ, সুৱৰ্ণ-অলঙ্কাৰে-মণ্ডিত, শ্ৰীবৎস-কৌস্তুভ-বনমালা-যুক্ত, হাস্য-বদন, নিৰুপম মূৰ্ত্তি দেখি হৰি বুলি জানিলা। সৃষ্টিক ইছায়ে স্তুতি কৰিবাক লাগিলা।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে অষ্টমোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ কৃপয়া ব্ৰহ্মণে যেন দৰ্শিতং ৰূপমুত্তমং।
তং প্ৰপদ্যেঽখিলাধাৰং নাৰায়ণমনাময়ম্॥ ৮॥

১ ব্ৰহ্মাই ভগৱন্ত পুৰুষক পোনতে মৰকত-পৰ্ব্বত-ৰূপে, তাৰ পিছত চন্দন-বৃক্ষ-ৰূপে, তাৰ পিছত চতুৰ্ভুজ ৰূপত দেখা পাইছিল।

## ॥ নৱম অধ্যায় ॥

### ॥ ব্ৰহ্মাৰ স্তুতি ॥

নৱম অধ্যায়ে ব্ৰহ্মাৰ স্তুতি কহিবা।

১-২৫ ] "ব্ৰহ্মা স্তুতি বোলন্ত, 'হে ভগৱন্ত, তোমাক মঞি বহু-কালে উপাসা কৰি আজি জানি কৃতাৰ্থ হৈলো। লোকৰ এই দোষ,—তোমাক নজানে, যাতো তোমাত বিনে আন সত্য বস্তু নাই। তুমি আমাক কৃপায়ে অৱতৰি নিজ ৰূপ দেখাইলা, যাৰ নাভি-পদ্মত মঞি জাত হয়াছো। ব্ৰহ্ম-ৰূপকো আত কৰি ভিন্ন নেদেখো। এতেকে ইহাক উপাসা কৰো।[১] হে ভুৱন-মঙ্গল, যি কুতৰ্কী ই ৰূপক অনাদৰ

॥ নৱম অধ্যায় ॥

নৱম অধ্যায়ত ব্ৰহ্মাই নাৰায়ণক তপস্যাত তুষ্ট দেখা পাই প্ৰলয়-জলত কষ্ট পোৱা লোকৰ সৃষ্টিৰ ইচ্ছাৰে ভগৱৎ-জ্ঞানেৰে নিজকে কৃতাৰ্থ বুলি আৱিষ্কাৰ কৰি অজ্ঞজনৰ প্ৰতি অনুশোচ কৰিছে।

১ ৰূপং যদেতদৱবোধৰসোদয়েন শশ্বন্নিবৃত্ততমসঃ সদনুগ্ৰহায়।
আদৌ গৃহীতমৱতাৰশতৈকবীজং যন্নাভিপদ্মভৱনাদহমাৱিৰাসম্॥২
নাতঃ পৰং পৰম! যদ্ভৱতঃ স্বৰূপমানন্দমাত্ৰমৱিকল্পমৱিদ্ধৱৰ্চঃ।
পশ্যামি ৱিশ্বসৃজমেকমৱিশ্বমাত্মন্! ভূতেন্দ্ৰিয়াত্মকমদস্ত উপাশ্ৰিতোঽস্মি॥৩

ভগৱন্তই ব্ৰহ্মাক ক'ব পাৰে, "তুমি সম্যক্ জানিব পৰা নাই; কাৰণ, তুমি যি ৰূপ এতিয়া দেখিছা, সি গুণাত্মক হে; নিৰ্গুণ ব্ৰহ্মহে কিন্তু সত্য।" এই আশঙ্কা গুচাবৰ বাবে ব্ৰহ্মাই কৈছে, "হে ভগৱন্ত, তোমাৰ চিৎ-শক্তিৰ দ্বাৰা (অৱবোধৰসোদয়েন চিচ্ছক্ত্যাৱিৰ্ভাৱেন—শ্ৰী) যাৰ সদায় অজ্ঞান (তমঃ) নিবৃত্ত হৈছে, তেনে তোমাৰ (শশ্বন্নিবৃত্ততমসঃ) যি এই ৰূপ উপাসক-সকলৰ প্ৰতি অনুগ্ৰহৰ অৰ্থে (সদনুগ্ৰহায়) পোনতে প্ৰকট হৈছে, যি ৰূপ শত শত শুদ্ধসত্ত্বাত্মক গুণাৱতাৰৰ মূল ("অৱতাৰশতৈকবীজম্), যি ৰূপৰ নাভি-কমল স্থানৰপৰা মই আৱিৰ্ভূত হৈছো, হে পৰমাত্মা, যিটো আপোনাৰ

কৰে, সি নৰক-ভাগী হয়; যি আদৰে, শ্ৰৱণ-কীৰ্ত্তন কৰি ভজে, তাৰ হৃদয়ৰপৰা তুমি নুগুচা। তাৰে পুৰুষৰ শোক-মোহ দুঃখ-ভয় নুগুচে, যাৰে তোমাৰ অভয় চৰণ নভজে। যি তোমাৰ কথাত বিমুখ হয়া বিষয়-সুখৰ অৰ্থে নানা কৰ্ম্ম কৰে, সি দৈৱে হত-বুদ্ধি হয়া নানা দুখ[২] পায়া সংসাৰত ফুৰে। তাক দেখি মোৰ মনত মহা দুখ মিলে। ভক্তৰ হৃদয়-পদ্মত সদায় থাকা, যাতো তাৰা তোমাৰ কথা শুনি তোমাৰ পন্থ দেখিছে; আৰো যি যি ৰূপক মনে দেখিব খোজে, তাকো কৃপায়ে প্ৰকট কৰা। নিষ্কামে সৰ্ব্বভূত-দায়াত যেমনে তুমি তুষ্ট হৰা, সকামে দেৱগণে অনেক দ্ৰব্যে পূজা কৰিলেও কেমনে তুষ্ট নহৰা।[৩] এতেকে পুৰুষৰ সকল ধৰ্ম্মৰ ফল তোমাৰ ভক্তিয়ে। যাৰ নামক মৰণ-সময়ত অনিছায়ে লৈয়া অনেক জনমৰ পাপ এড়াই পৰম গতি পাৰে, সেই তোমাৰ চৰণত শৰণ পশিলো। যি ভগৱন্ত সকল লোক উদৰত কৰি প্ৰলয়-জলত অনন্ত-শয্যাত নিদ্ৰা কৰিছা, যাৰ নাভি-পদ্মত মঞি উপজিলো, তাহান চৰণত মঞি প্ৰণাম কৰো। ইদানীক নিদ্ৰাৰ উঠিয়া মোক কৃপা-দৃষ্টি চায়া মধুৰ বচনে খেদ দূৰ কৰন্তোক।'

নিজ ৰূপ ( যত্তৱতঃ স্বৰূপম্ ), অনাবৃত-প্ৰকাশ ( অৱিদ্ধৱৰ্চঃ ), নিৰ্ভেদ ( অবিকল্পম্ ) হেতুকে আনন্দ-স্বৰূপ ( আনন্দমাত্ৰম্ ), ব্ৰহ্মাৰপৰা তৃণ পৰ্য্যন্ত সকলো জীৱৰ কাৰণৰূপ ( ভূতেন্দ্ৰিয়াত্মকম্ ), বিশ্বৰ স্ৰষ্টা হ'লেও বিশ্বৰপৰা স্বকীয়া ( বিশ্বস্থ জম্ এৱ অৱিশ্বম্ ৱিশ্বস্মাদন্যৎ—শ্ৰী ) আৰু অদ্বিতীয় ( একম্ )। তোমাৰ এই ৰূপৰপৰা ভিন্ন ( অতঃ পৰম্ ) আন কিছু মই নেদেখো। এই কাৰণেই তোমাৰ এই ৰূপকে আশ্ৰয়ৰ যোগ্য বুলি মই আশ্ৰয় কৰিছো।"

২ নানা দুখ—ক্ষুধা, তৃষ্ণা, বাত, পিত্ত, কফ, শীত, উষ্ণ, বায়ু, বৃষ্টি, কামানল আৰু ক্ৰোধ ( ৩. ৯. ৮ )।

৩ ইয়াত শ্ৰৱণ-কীৰ্ত্তন-ৰূপ ভক্তি আৰু বিশেষকৈ নিষ্কাম ভক্তিক প্ৰশংসা কৰা হৈছে ( ৩. ৯. ১১-১২ ), আৰু সৰ্ব্ব-ভূতদয়াক তাৰ এটি লক্ষণ-ৰূপে দেখুৱাইছে।



২৬-৪৩ ] মৈত্ৰেয়ে কহন্ত, "ব্ৰহ্মা এহি স্তুতি কৰি মৌন হৈলা। পাছে তান অভিপ্ৰায় বুঝি ভগৱন্তে বোলন্ত, 'হে ব্ৰহ্মা, আউৰ খেদ নকৰিবা। সৃষ্টিক উদ্যম কৰা, যাতো তোমাৰ কাম মঞি আগে কৰিছো। তাক পুনু তপ কৰিলেসে দেখিবা। তোমাত মঞি তুষ্ট হৈলো, যাতো গুণময় মোক নিৰ্গুণ কৰি স্তুতি কৰিলা। যিজনে এহি স্তুতি পঢ়ি মোক ভজে, তাৰো তুষ্ট হয়া বাঞ্ছিত পূৰো। মঞি সৱাৰে আত্মা। মোৰ নিমিত্তেসে দেহাদি প্ৰিয় হুয়াছে। এতেকে পুৰুষে মোত সদায় ভক্তি কৰোক।[৪] তুমিও মোত ভক্তি কৰি পূৰ্ব্বৱতে প্ৰজা স্ৰজা।' "

৪৪ ] মৈত্ৰেয়ে কহন্ত, "ভগৱন্তে এহি বাক্য ব্ৰহ্মাক বুলি অন্তৰ্দ্ধান ভৈলা।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে নৱমোঽধ্যায় ॥

আক জানি সব লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ শৃন্বন্ গৃণন্ যশো যস্য জনো যান্তি পৰং পদং।
পাপতাপাদ্বিনিৰ্মুক্তস্তমহং শৰণং ৱ্ৰজে ॥ ৯ ॥

৪ অহমাত্মাত্মনাং ধাতঃ প্ৰেষ্ঠঃ সন্ প্ৰেয়সামপি।
অতো ময়ি ৰতিং কুৰ্যাদ্দেহাদিৰ্যৎকৃতে প্ৰিয়ঃ ॥৪২

## ॥ দশম অধ্যায় ॥

### ॥ কালৰ দশবিধ সৃষ্টি ॥

দশম অধ্যায়ে কালৰ দশবিধ সৃষ্টি কহিবা।

১-২ ] বিদুৰে পুছন্ত, "হে মৈত্রেয়, ভগৱন্ত অন্তৰ্দ্ধান হৈলে, ব্ৰহ্মা কেমনে কেইবিধ প্ৰজা স্ৰজিলা তাক কহা।"

৩-৯ ] মৈত্রেয়ে বোলন্ত, "পাছে ব্ৰহ্মা ভগৱন্তৰ বাক্যে তাহান্ত মন দিয়া দেৱৰ বৎসৰে একশত বৎসৰ তপ কৰিলা। পাছে তপোবলে প্ৰলয়ৰ জল বায়ুকো পান কৰিলা।[১] পদ্মকো তিনি লোক-ৰূপে বিভাগ কৰিলা, যাত জীৱসৱ ব্ৰহ্মাৰ দিন, ৰাত্ৰিত ওপজে, মৰে।[২]"

---

### ॥ দশম অধ্যায় ॥

কাল সম্পৰ্কে বিদুৰৰ প্ৰশ্নৰ উত্তৰত মৈত্রেয়ই দহ বিধ সৃষ্টিৰ বৰ্ণনা দিছে।

১ ব্ৰহ্মাৰ অৱস্থান-স্বৰূপ পদ্ম আৰু জল প্ৰলয়-কালৰ শক্তিসম্পন্ন বায়ুত কম্পিত হোৱা দেখি ব্ৰহ্মাই তপ আৰু আত্মসংস্থ বিদ্যাৰ দ্বাৰা বিজ্ঞান-বল বঢ়াই সেই জলে সৈতে সেই বায়ুক পান কৰিলে।

২ ব্ৰহ্মাই পদ্মক লক্ষ্য কৰি "ইয়াৰেই মই পূৰ্ব্বতে অৰ্থাৎ পূৰ্ব্ব কল্পত লয় হোৱা তিনি লোক সৃষ্টি কৰিম" ( অনেন লোকান্ প্ৰাগ্‌লীনান্ কল্পিতাস্মীত্য-চিন্তয়ৎ ॥৭ )—এই বুলি পদ্মক লোকত্ৰয়-ৰূপে বিভক্ত কৰিলে। ই একো আচৰিত নহয়, সেই পদ্মকোষ ইমান বিশাল যে সি চৈধ্য ভুৱন-ৰূপে (দ্বিসপ্তধা), আন কি বহু-ৰূপে ( উৰুধা ) ভাগ কৰিবৰো যোগ্য ( ৩. ১০. ৮ )। এইদৰে ভূঃ, ভুৱঃ আৰু স্বঃ, ত্ৰিলোকী-ৰূপে বিভাগৰ হেতু কি ?—এতৱান্ জীৱলোকস্য সংস্থাভেদঃ ( ৩. ১০. ৯ )—এই ত্ৰিলোকী-ৰূপ জীৱ-সমূহৰ ভোগস্থানৰ ৰচনা-বিশেষ, য'ত ব্ৰহ্মাৰ দিনত জীৱৰ সৃষ্টি আৰু ৰাতিত প্ৰলয় হৈ থাকে, কাৰণ ত্ৰিলোকী প্ৰতি কল্পতে সৃজ্য ( প্ৰত্যহং সৃজ্যস্য—শ্ৰী )। ত্ৰিলোকীৰ ওপৰৰ



১০ ] বিদুৰে পুছন্ত, "হে মৈত্রেয়, কালৰ স্বৰূপ কহা।"

১১-৩০ ] মৈত্রেয়ে বোলন্ত, "কাৰ্য্যৰ দ্বাৰেসে কাৰণ জানি, যাতো আদি-অন্ত নাই, যাক নিমিত্ত কৰি ঈশ্বৰে জগত স্ৰজন্ত।[৩] তাহান নিত্য, নৈমিত্তিক, প্ৰাকৃত ভেদে তিনি বিধ প্ৰলয়[৪], দশবিধ সৃষ্টি। তাক সাৱধান মনে শুনা, যাতো হৰিৰ লীলা বুলি।

"প্ৰথমে মহত্তত্ত্বৰ সৃষ্টি। দ্বিতীয়ে অহঙ্কাৰ সৃষ্টি। তৃতীয়ে মহা পঞ্চভূতৰ সৃষ্টি। চতুৰ্থে ইন্দ্ৰিয়ৰ সৃষ্টি। পঞ্চমে দেৱতাৰ সৃষ্টি। ষষ্ঠে অবিদ্যাৰ পঞ্চ পৰ্ব্বাৰ সৃষ্টি। ই ছয় বিধক প্ৰাকৃত বুলি।[৫]

---

মহঃ, জন, তপঃ আৰু সত্য লোক কিন্তু প্ৰতি কল্পতে স্ৰজিব নালাগে। এই কথা লৈ শ্ৰীধৰস্বামীয়ে নৱম শ্লোকৰ ব্যাখ্যা-প্ৰসঙ্গত কৈছে যে এই লোকবোৰ আৰু তাৰ নিৱাসীসকল নিষ্কাম ধৰ্ম্মৰ ফল-স্বৰূপ (ধৰ্মস্য হ্যনিমিত্তস্য ৱিপাকঃ ৩.১০.৯), কিন্তু ত্ৰৈলোক্য আৰু ত্ৰৈলোক্যবাসী কাম্য কৰ্ম্মৰ ফল-স্বৰূপ হোৱাত সিবোৰৰ প্ৰতি কল্পতে উৎপত্তি আৰু বিনাশ হয়। মহঃ প্ৰভৃতি লোক দুই পৰাৰ্দ্ধ ( অৰ্থাৎ ব্ৰহ্মাৰ এক জীৱন-কাল ) থাকে, তাৰ পিছত সেই সেই লোকবাসীসকলে মুক্তি লাভ কৰে।

৩ মৈত্রেয়ৰ মুখত কালভেদে লোক-সৃষ্টিভেদ হোৱা কথা শুনি বিদুৰে কালৰ লক্ষণ অৰ্থাৎ সূক্ষ্ম আৰু স্থূল ৰূপ জানিবলৈ বিচাৰিলে। মৈত্রেয়ই কালৰ স্বৰূপ একাদশ অধ্যায়ত বহলকৈ ব্যাখ্যা কৰিব ; এতিয়া সামান্যভাৱে কৈছে যে কাল গুণ-ত্ৰয়ৰ ক্ষোভকাৰক ( গুণৱ্যতিকৰাকাৰঃ—গুণানাং ৱ্যতিকৰো মহদাদিপৰিণামস্তেনৈৱাক্ৰিয়তে যঃ স কাল ইতি শেষঃ—শ্ৰী ), কিন্তু নিজে অপৰ্য্যৱসিত আৰু আদি-অন্ত-শূন্য ( নিৰ্ৱিশেষোঽপ্ৰতিষ্ঠিতঃ )। পৰম পুৰুষ ভগৱন্তই সেই কালকে নিমিত্ত ( উপাদানম্ ) স্বীকাৰ কৰি নিজকে বিশ্ব-ৰূপে সৃষ্টি কৰে। কালেইহে বিশ্বক প্ৰকাশ কৰে।

৪ প্ৰলয় তিনি বিধ—কালৰ দ্বাৰা সংঘটিত নিত্য প্ৰলয়, কল্পান্তত দ্ৰব্য অৰ্থাৎ সঙ্কৰ্ষণ-স্বৰূপ অগ্নিৰ দ্বাৰা ঘটিত নৈমিত্তিক প্ৰলয়, আৰু গুণ-সমূহে স্ব স্ব কাৰ্য্য গ্ৰাস কৰাৰপৰা প্ৰাকৃত প্ৰলয়।

৫ সৰ্গ বা সৃষ্টি দহ বিধ। তাৰে ছবিধ প্ৰাকৃত সৃষ্টি : গুণত্ৰয়ৰ ক্ষোভৰ পৰা মহতৰ জন্ম আদ্য সৃষ্টি। দ্ৰব্য, জ্ঞান আৰু ক্ৰিয়াৰ উদয় যাৰ লক্ষণ, সেই

"সপ্তমে ছয় বিধ বৃক্ষৰ সৃষ্টি।৬ অষ্টমে আঠাইশ বিধ পশু-পক্ষীৰ সৃষ্টি।৭ নৱমে এক বিধ মনুষ্যৰ সৃষ্টি।৮ দশমে আঠ বিধ দেৱৰ সৃষ্টি।

---

অহঙ্কাৰৰ সৃষ্টি দ্বিতীয়। আকাশ আদি পাঁচ মহাভূত যাৰ কাৰ্য্য, সেই শব্দাদি পঞ্চতন্মাত্ৰ-ৰূপ সূক্ষ্ম ভূত-সৃষ্টি তৃতীয় সৃষ্টি। জ্ঞানেন্দ্ৰিয় আৰু কৰ্ম্মেন্দ্ৰিয়ৰ সৃষ্টি চতুৰ্থ। ইন্দ্ৰিয়াধিষ্ঠাতা দেৱসমূহ আৰু বৈকাৰিক অহঙ্কাৰ-জাত মনৰ সৃষ্টি পঞ্চম। জীৱন্ত আৱৰণ আৰু বিক্ষেপ-স্বৰূপ অবুদ্ধি-কাৰক তমস্ অৰ্থাৎ পঞ্চপৰ্ব্বা অবিদ্যাৰ সৃষ্টি ষষ্ঠ সৃষ্টি। এই কেইবিধ প্ৰাকৃত বা মূল তত্ত্বসমূহৰ সৃষ্টি।

৬ সপ্তম সৃষ্টি হ'ল ছবিধ স্থাৱৰৰ সৃষ্টি—বনস্পতি ( ফুল নোহোৱাকৈ ফল হোৱা গছ ), ওষধি ( ফল পকালৈকে জীয়াই থকা লতা ), লতা ( ওপৰলৈ বগোৱা লতা ), ত্বক্সাৰ ( বাঁহ আদি, বাকলিখনেই যাৰ সাৰ ), বীৰুধ (কঠিন শৰীৰ বাবে ওপৰলৈ নবগোৱা লতা ), দ্ৰুম ( ফুলৰপৰা ফল হোৱা গছ )। এই ছয়োবিধ উৰ্দ্ধ-স্ৰোতা, অৰ্থাৎ ইহঁতৰ খোৱা আহাৰ ওপৰলৈ যায়। ইহঁত তমঃ গুণৰ দ্বাৰা আবৃত বাবে চৈতন্যৰ বিকাশ দেখা পোৱা নাযায়।

৭ অষ্টম সৃষ্টি হ'ল আঠাইশ বিধ পশু-পক্ষীৰ সৃষ্টি। তাৰে ন বিধৰ খুৰা ফটা—গৰু, ছাগলী, ম'হ, কৃষ্ণসাৰ, গাহৰি, গৱয় ( এবিধ গৰু ), ৰুৰু ( এবিধ মৃগ ), ভেৰা আৰু উট ; ছবিধৰ খুৰা নফটা—গাধ, ঘোঁৰা, খচ্চৰ, গৌৰ ( এবিধ মৃগ ), শৰভ আৰু চোঁৱৰ-পহু ; বাৰবিধ পাঁচনখীয়া—কুকুৰ, শিয়াল, কুকুৰ-নেচীয়া বাঘ, বাঘ, মেকুৰী, শহা, কেঁটেলা পহু, সিংহ, বান্দৰ, হাতী, কাছ আৰু ঘৰিয়াল ; জলচৰ মাছ আদি আৰু খেচৰ চৰাইক এবিধ বুলি ধৰা হৈছে। অষ্টম সৃষ্টিৰ প্ৰাণীবিলাক তিৰ্য্যকস্ৰোতা, অৰ্থাৎ সিহঁতৰ খোৱা বস্তু পথালি হৈ যায়। ইহঁত ভূত-ভৱিষ্যৎ-বৰ্ত্তমানৰ জ্ঞান-ৰহিত ( অৱিদঃ ), আহাৰাদি-মাত্ৰ-নিষ্ঠ ( ভূৰিতমসঃ ), ঘ্ৰাণৰ দ্বাৰা পৰিচালিত ( ঘ্ৰাণজ্ঞাঃ ) আৰু দীৰ্ঘানুসন্ধানশূন্য ( হৃদ্যৱেদিনঃ )।

৮ নৱম সৃষ্টি একেবিধ মানুহৰ সৃষ্টি। মনুষ্য অৰ্ব্বাক্স্ৰোতা, অৰ্থাৎ ইহঁতৰ খোৱা বস্তু তললৈ যায়। ইহঁত ৰজঃপ্ৰধান, কৰ্ম্মপৰ আৰু দুখক সুখ বুলি ভবা ( দুঃখে চ সুখমানিনঃ )।



ই চাৰিবিধ বৈকৃত বুলি। সনকাদিৰ সৃষ্টিক প্ৰাকৃত, বৈকৃত দুয়ো বুলি।"৯

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে দশমোঽধ্যায়ঃ॥

আক জানি সব লোক হৰি বোল হৰি॥

॥ শ্লোক॥ যৎকালশক্ত্যা ভূতানাং সৃষ্টিভেদঃ প্ৰৱৰ্ততে।
লয়ভেদশ্চ তমহং শৰণং যামি মাধৱম্॥

---

৯ স্থাৱৰ, তিৰ্য্যক্ আৰু মনুষ্য, এই তিনি বিধৰ সৃষ্টিক বৈকৃত অৰ্থাৎ তত্ত্বাদি-বিকাৰ-হেতুক সৃষ্টি বোলা হয়। দেৱ-সৃষ্টিও বৈকৃত। বৈকাৰিক অৰ্থাৎ সাত্ত্বিক অহঙ্কাৰৰপৰা জাত ইন্দ্ৰিয়াধিষ্ঠাতা দেৱ-সৃষ্টি প্ৰাকৃতৰ ভিতৰতে ধৰা হৈছে। সনৎকুমাৰ আদিৰ সৃষ্টি প্ৰাকৃত আৰু বৈকৃত দুয়োটাই ( কৌমাৰস্ত ভয়াত্মকঃ ) ( ৩. ১০. ২৬ )।

বৈকৃত দেৱ-সৃষ্টি আঠ বিধ—বিবুধ, পিতৃ, অসুৰ, গন্ধৰ্ব্ব-অপ্সৰা, সিদ্ধ-চাৰণ-বিদ্যাধৰ, যক্ষ-ৰাক্ষস, ভূত-প্ৰেত-পিশাচ, কিন্নৰ-কিম্পুৰুষ-অশ্বমুখ আদি ( ৩. ১০. ২৭-২৮ )।

# ॥ একাদশ অধ্যায় ॥

## ॥ কালৰ গতি ॥

একাদশ অধ্যায়ে কালৰ গতি কহিবা।

১-২৪ ]  মৈত্রেয়ে কহন্ত, "যাক ভাগ কৰিতে নপাৰি, সেই কালক পৰমাণু বুলি।[১] দুই পৰমাণুৰে এক অণু বুলি। তিনি অণুৰে এক ত্রসৰেণু হয়, যাক কুন্দ্রাক্ষ-জালত আসিতে দেখি। তাৰ তিনি ভাগ

---

### ॥ একাদশ অধ্যায় ॥

এই অধ্যায়ত কালৰ পৰমাণু আদি লক্ষণেৰে যুগ, মন্বন্তৰ আদি আৰু কল্প-মান বৰ্ণনা কৰা হৈছে। দশম অধ্যায়ত সামান্যভাৱে কালৰ উপলক্ষণ-ভূত গুণ-ব্যতিকৰ-স্বৰূপ দহ বিধ সৃষ্টি বৰ্ণনা কৰি ইয়াত এই বিশেষ বৰ্ণনা দিয়া হৈছে।

১ পোনৰ ছটা শ্লোকেৰে কালৰ পৰিমাপক সূক্ষ্ম আৰু স্থূল পদাৰ্থ নিৰ্ণয় কৰা হৈছে: কাৰ্য্যৰ অংশৰ ( সতঃ কাৰ্য্যস্য বিশেষণানামংশানাম্—শ্রী ) যিটো চৰম অংশ, যিবোৰ সদায় অনেক আৰু পৃথক ( অনেকোঽসংযুতঃ ) হৈ থাকে, সেয়ে অৰ্থাৎ সেই পদাৰ্থ ই পৰমাণু বুলি জানিব লগীয়া। সমস্ত পৰমাণুৰ বিশেষ-ৰহিত সমষ্টি-ৰূপ অৰ্থাৎ সমস্ত স্থূল সৃষ্টি একেলগে হ'ল পৰম-মহৎ। এই পৰমাণু আৰু পৰম-মহৎ পদাৰ্থৰ দ্বাৰে কালো পৰমাণু আদি সূক্ষ্ম আৰু স্থূল-ৰূপে অনুমিত হয়। কাৰ্য্য-জগতৰ পৰমাণু-অৱস্থা ভোগ কৰা কালকে এক পৰমাণু বোলে, আৰু কাৰ্য্য-জগতৰ সমষ্টি-ৰূপ ভোগ কৰা কালকে পৰম-মহৎ কাল বোলে। শ্রীধৰ স্বামীয়ে ইয়াৰ ব্যাখ্যা কৰি কৈছে, সূৰ্য্যই নিজৰ কক্ষ-পথৰ এক পৰমাণু স্থান অতিক্রম কৰোঁতে যিমান সময় লাগে, সেয়ে এক পৰমাণু কাল, আৰু সূৰ্য্যই দ্বাদশ ৰাশি-স্বৰূপ ভুৱনকোশ অতিক্রম কৰোঁতে লগা সময়েই হ'ল সম্বৎসৰ-স্বৰূপ পৰম-মহৎ কাল, যাৰ আবৃত্তিত যুগ, মন্বন্তৰ, দ্বিপৰাৰ্দ্ধ পৰ্য্যন্ত হয়।



এক ক্রুটি হয়। এমনে চাৰি যায়া পক্ষ, মাস, বৎসৰ হয়। আমাৰ বৎসৰে দেৱৰ দিন-ৰাত্রি হয়। আমাৰ তিনি শ ষাঠি বৎসৰে দেৱৰ এক বৎসৰ হয়। তেনয় বাৰ হাজাৰ বৎসৰে চাৰি যুগ হয়। তাত সত্য যুগ চাৰি হাজাৰ আঠ শত, ত্রেতা যুগ তিনি হাজাৰ ছয় শত, দ্বাপৰ যুগ দুই হাজাৰ চাৰি শত, কলি যুগ এক হাজাৰ দুই শত। এমনে চাৰি হাজাৰ যুগে ব্রহ্মাৰ এক দিন, ৰাত্রিও সেইমান।[৩]

২৫-৩১ ] "ব্রহ্মাৰ দিনত তিনি লোক প্রবৰ্ত্তে; তাতে চৈধ্য মনু, চৈধ্য ইন্দ্র হয়। একো মনু কিছো অধিক একাসত্তৰি যুগ ভোগ কৰে।[৪] পাছে ব্রহ্মাৰ ৰাত্রি হৈলে অনন্তৰ মুখাগ্নিয়ে তিনি লোক দাহ কৰে; সাত সাগৰ এক-ঠাই হৈয়া তিনি লোক বুড়াৱে; ব্রহ্মাও

---

২ ২ পৰমাণু মিলি এক অণু বা দ্ব্যণুক হয়। ৩ দ্ব্যণুক মিলি এক ত্রসৰেণু হয়। ত্রসৰেণু অতি লঘু কাৰণে আকাশতে উৎপত্তি হৈ উৰি ফুৰে ( খমেৱানুপতনগাৎ ); ই গৱাক্ষ-প্রৱিষ্ট সূৰ্য্য-ৰেণুত অৱগত হয় ( জালাৰ্কৰশ্ম্যৱগতঃ )। ৩ ত্রসৰেণু = ১ ক্রুটি। ১০০ ক্রুটি = ১ ৰেধ। ৩ ৰেধ = ১ লৱ। ৩ লৱ = ১ নিমেষ ( চকুৰ এটা পঁচাৰৰ সময় )। ৩ নিমেষ = ১ ক্ষণ। ৫ ক্ষণ = ১ কাষ্ঠা। ১৫ কাষ্ঠা = ১ লঘু। ১৫ লঘু = ১ দণ্ড বা নাড়িকা। ২ নাড়িকা = ১ মুহূৰ্ত্ত। ৬ বা ৭ নাড়িকা = ১ প্রহৰ বা যাম। ৮ প্রহৰ = ১ অহোৰাত্র। ১৫ অহোৰাত্র = ১ পক্ষ। ২ পক্ষ = ১ মাহ। ২ মাহ = ১ ঋতু। ৩ ঋতু = ১ অয়ন। ২ অয়ন = ১ বছৰ।

৩ ১২,০০০ দেৱ-বছৰ = ৪ যুগ। গতিকে ৪,০০০ যুগ = ১,২০,০০,০০০ দেৱ-বছৰ = ব্রহ্মাৰ ১ দিন বা ১ কল্প।

৪ ব্রহ্মাৰ এদিন অৰ্থাৎ এক কল্প সময় ভুঃ, ভুৱঃ, স্বঃ, এই ত্রিলোকী থাকে। প্রতি কল্পতে স্বায়ম্ভুৱ আদি চৈধ্যজন মনুৱে ৰাজত্ব কৰে। এক মনুৰ কালকে মন্বন্তৰ বোলা হয়। সকলো মন্বন্তৰতে মনুসকল, তেওঁলোকৰ বংশৰ ৰজাসকল, সপ্তৰ্ষিসকল, দেৱসকল, ইন্দ্রসকল, তেওঁলোকৰ অনুগামী গন্ধৰ্ব্বসকল যুগপৎ হৈ থাকে।

১ কল্প বা ১৪ মন্বন্তৰত ৪,০০০ যুগ বা ১,০০০ চতুৰ্যুগ। গতিকে, ১ মন্বন্তৰত ৭১$\frac{৩}{৭}$ চতুৰ্যুগ ( বা যুগ-চক্র )।

নাৰায়ণৰ লগত অনন্ত-শয্যাত নিদ্ৰা কৰন্ত; জন লোক-বাসীজনে স্তুতি কৰে।[৫] পাছে দিন হৈলে ব্ৰহ্মা নিদ্ৰাৰ উঠি পুনু তিনি লোক স্ৰজন্ত।

৩২-৩৮] "এমনে দিন-ৰাত্ৰিয়ে পক্ষ-মাস-ক্ৰমে শত বৎসৰ ব্ৰহ্মাৰ পৰমায়ু। তাৰ অৰ্দ্ধেক গৈল, অৰ্দ্ধেক মাত্ৰ আছে।[৬] ব্ৰহ্মাৰ প্ৰথম দিনক ব্ৰাহ্ম কল্প বুলি, যাত ব্ৰহ্মা শব্দময় হয়াছা। পঞ্চাশ বৎসৰ অন্ত[৭] দিনক পাদ্ম কল্প বুলি, যাত হৰিৰ নাভিত লোক-পদ্ম হয়াছে। তাৰ আউৰ দিনক[৮] বৰাহ কল্প বুলি, যাত হৰি বৰাহ অৱতাৰ হয়াছা। ব্ৰহ্মাৰ শত বৎসৰ পৰম-মহন্ত কাল বুলি। তাকো পৰমেশ্বৰৰ এক নিমিষ কৰি উপচাৰ কৰি, স্বৰূপ জানিতে নপাৰি, যাতো ভগৱন্তক কালে নিয়মিবে নপাৰে।[৯]

---

৫ নৈমিত্তিক প্ৰলয়ৰ বৰ্ণনা দিয়া হৈছে: ব্ৰহ্মাৰ ৰাতি আহিলে, তেওঁ তমোগুণৰ লেশ গ্ৰহণ কৰি নিজৰ বিক্ৰম বা কাৰ্য্য সামৰি কালৰ প্ৰভাৱত সমস্ত জগত নিজতে অনুপ্ৰৱিষ্ট কৰি নিৰ্লিপ্তভাৱে ৰয় (আস্তে তুষ্ণীম্)। তেতিয়া ত্ৰিলোক সূৰ্য্য-চন্দ্ৰই সৈতে তিৰোহিত হয়। ভগৱৎ-শক্তি-স্বৰূপ সঙ্কৰ্ষণৰ মুখাগ্নিয়ে ত্ৰিলোক দহন কৰাত তাৰ উত্তাপ পাই ভৃগু আদি ঋষিসকল মহৰ্লোকৰপৰা জনলোকলৈ যায়। উৎকট ক্ষোভ আৰু প্ৰচণ্ড বায়ু-বেগত উদ্বেলিত ঊৰ্ম্মিযুক্ত, প্ৰলয়-কাল-বৰ্দ্ধিত সমুদ্ৰবোৰে হঠাতেই ত্ৰিলোক প্লাৱিত কৰে। সেই জলৰ ওপৰত অনন্ত-শয্যাত যোগ-নিদ্ৰাৰে চকু মুদি থকা হৰিক জনলোকবাসীসকলে তুতি কৰে। হৰিৰ মধ্যতে ব্ৰহ্মাও ৰয়গৈ।

৬ মৈত্ৰেয়ই কৈছে, "ব্ৰহ্মাৰ নিজৰ পৰিমাণে অহোৰাত্ৰ, পক্ষ, মাহ আদি হৈ তেওঁৰ পৰিমাণৰ এশ বছৰ তেওঁৰ জীৱন-কাল বা আয়ু হয়। তেওঁৰ এই পৰমায়ুৰ অৰ্দ্ধাংশকে পৰাৰ্দ্ধ বোলা হয়। গতিকে তেওঁৰ পৰমায়ু হ'ল দ্বিপৰাৰ্দ্ধ। এতিয়া পূৰ্ব্বপৰাৰ্দ্ধ শেষ হৈ, আজিৰপৰা অপৰ পৰাৰ্দ্ধ প্ৰৱৰ্ত্তিছে।"

৭ পঞ্চাশ বৎসৰ অন্ত—পূৰ্ব্বপৰাৰ্দ্ধৰ অন্ত।

৮ তাৰ আউৰ দিন—দ্বিতীয় পৰাৰ্দ্ধৰ আদি।

৯ ব্ৰহ্মাৰ এশ বছৰ অৰ্থাৎ দ্বিপৰাৰ্দ্ধ কাল কালপৰিচ্ছেদ-ৰহিত, কাৰ্য্যোপাধি-শূন্য, অনাদি, অনন্ত, জগদাত্মা পৰমেশ্বৰৰ এক পঁচাৰ বুলি কল্পিত হ'ব



৩৯-৪১] "ব্ৰহ্মাণ্ড ভিতৰত পঞ্চাশ কোটি, বাহিৰত দশ গুণে অধিক সপ্তাৱৰণ।[১০] হেনয় ব্ৰহ্মাণ্ড কোটি কোটি যাত পৰমাণু-প্ৰায় দেখি, তাহাঙ্ক পুৰুষোত্তম বুলি। তাহান চৰণ ভজিলে কালো কিছো কৰিতে নপাৰে।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে একাদশোঽধ্যায়॥

আক জানি সব লোক হৰি বোল হৰি॥

॥ শ্লোক॥ গ্ৰসন্ সৰ্ব্বং মহাকালো যং ন কলয়িতুং ক্ষমঃ।
আশ্ৰয়ে তমহং ৱন্দে অনন্তমজমচ্যুতম্॥ ১১॥

## ॥ দ্বাদশ অধ্যায় ॥

### ॥ ব্ৰহ্মাৰ সৃষ্টি ॥

দ্বাদশ অধ্যায়ে ব্ৰহ্মাৰ সৃষ্টি কহিবা।

১-৩৩] মৈত্ৰেয়ে কহন্ত, "জানা বিদুৰ, তোমাত কালৰ কথা কহিলো। আবে ব্ৰহ্মাৰ সৃষ্টি শুনা। প্ৰথমে ব্ৰহ্মা অবিদ্যাৰ পাঞ্চ পৰ্ব্বা স্ৰজিলা—

---

পাৰে; কিন্তু এই নিমেষ তেওঁৰ পৰমায়ুৰ ক্ষুদ্ৰাংশ বুলি ধৰি গণনা কৰিলে ভুল হ'ব; কাৰণ তেওঁ কালাতীত; কাল তেওঁৰ এক শক্তি মাত্ৰ।

১০ অণ্ডকোষ একাদশ ইন্দ্ৰিয় আৰু পঞ্চ মহাভূত, এই ষোড়শ বিকাৰেৰে (ৱিকাৰৈঃ), প্ৰকৃতি, মহৎ, অহঙ্কাৰ আৰু পঞ্চ তন্মাত্ৰ, এই অষ্ট প্ৰকৃতিৰে (যুক্তৈঃ) সৈতে মাজত পঞ্চাশ কোটি যোজন বিস্তৃত, আৰু বাহিৰে পৃথিবী, জল, অগ্নি, বায়ু, আকাশ, অহঙ্কাৰ আৰু মহৎ, এই সাত আৱৰণেৰে (বিশেষাদিভিঃ) আবৃত। সপ্ত আৱৰণৰ পৰিমাণ—ব্ৰহ্মাণ্ডৰ পৰিমাণৰপৰা দহগুণ উত্তৰোত্তৰ অধিক।

॥ দ্বাদশ অধ্যায় ॥

দ্বাদশ অধ্যায়ত সনকাদি, সপ্তৰ্ষি, মনু আদিৰ সৃষ্টি বৰ্ণনা কৰা হৈছে।

তম, মোহ, মহামোহ, তামিস্ৰ, অন্ধতামিস্ৰ।[১] তাক পাপ-সৃষ্টি দেখি আপুনাক ভাল নমানি হৰিক চিন্তিলা। পাছে সনকাদি চাৰি সিদ্ধ স্ৰজি তাৰাক সৃষ্টি কৰিবে বুলিলা।[২] তাৰা নিবৃত্তি-ৰত, ঊৰ্দ্ধৰেতা, বাসুদেৱ-পৰ হয়া সৃষ্টিক ইছা নকৰিলা। বাক্য নকৰিবাৰ দেখি ব্ৰহ্মাৰ ক্ৰোধ ভৈলা। তাক ৰাখিতেও ভ্ৰূৰ মধ্যৰপৰা ৰুদ্ৰ উপজিলা।[৩] তাক স্থান, নাম, ভাৰ্য্যা দিয়া সৃষ্টিক আদেশিলা।[৪] ৰুদ্ৰৰ সৃজ্য উগ্ৰ

---

১ তমোগুণ বা অবিদ্যাৰ পাঁচ পৰ্ব্বা বা খলপাৰ ( বৃত্তি ) কাৰ্য্য সম্পৰ্কে শ্ৰীধৰস্বামীয়ে লিখিছে,—তমো নাম স্বৰূপাপ্ৰকাশঃ, মোহো দেহাদ্যহংবুদ্ধিঃ, মহামোহো ভোগেচ্ছা, তামিস্ৰং তৎপ্ৰতিঘাতে ক্ৰোধঃ, অন্ধতামিস্ৰং তন্নাশেঽহমেৱ মৃতোঽস্মীতি বুদ্ধিঃ। এই পাঁচটা পতঞ্জলিৰ মতে অবিদ্যা, অস্মিতা, ৰাগ, দ্বেষ আৰু অভিনিৱেশ নামে পাঁচ ক্লেশ। বিষ্ণু-পুৰাণত আছে,—

তমোঽৱিৱেকো মোহঃ স্যাদন্তঃকৰণৱিভ্ৰমঃ।
মহামোহস্তু ৱিজ্ঞেয়ো গ্ৰাম্যভোগসুখৈষণা॥
মৰণং হ্যন্ধতামিস্ৰস্তামিস্ৰঃ ক্ৰোধ উচ্যতে।
অৱিদ্যা পঞ্চপৰ্ৱৈষা প্ৰাদুৰ্ভূতা মহাত্মনঃ॥

২ শ্ৰীধৰস্বামী : সনকাদি কুমাৰৰ প্ৰতি কল্পতে সৃষ্টি নহয়। তথাপি এয়া ব্ৰাহ্ম কল্পৰ বৰ্ণনা কাৰণে সেই সৃষ্টিৰ কথা কোৱা হৈছে। বস্তুতঃ প্ৰতি কল্পতে নানা প্ৰাণীৰ সৃষ্টি ( মুখ্যসৰ্গাদয়ঃ ) হয় ; কিন্তু সনকাদিৰ সৃষ্টি ব্ৰাহ্ম কল্পতহে হয়।

৩ ব্ৰহ্মাৰ খং ( মন্যু ) নীল-লোহিত কুমাৰ-ৰূপে জন্ম হৈ "হে ধাতা, মোক স্থান দিয়াঁ।" বুলি ৰোদন আৰম্ভ কৰিলে। সেয়েহে তেওঁৰ নাম ৰুদ্ৰ।

৪ ৰুদ্ৰৰ একাদশ স্থান—হৃদয়, ইন্দ্ৰিয়, প্ৰাণ, আকাশ, বায়ু, অগ্নি, জল, পৃথিৱী, সূৰ্য্য, চন্দ্ৰ আৰু তপস্যা। ৰুদ্ৰৰ একাদশ নাম—মন্যু, মনু, মহিনস, মহান, শিৱ, ঋতধ্বজ, উগ্ৰৰেতা, ভৱ, কাল, বামদেৱ আৰু ধৃতব্ৰত। ৰুদ্ৰৰ একাদশ ভাৰ্য্যা—ধী, ধৃতি, উশনা, উমা, নিয়ুৎ, সৰ্পি, ইলা, অম্বিকা, ইৰাৱতী, স্বধা আৰু দীক্ষা। ৰুদ্ৰও এজন প্ৰজাপতি ( প্ৰজানামসি যৎপতিঃ—৩. ১২. ১৪ )।



প্ৰজা দেখি তপ কৰিবাক বুলিলা।[৫] পাছে ব্ৰহ্মাৰ শৰীৰৰপৰা মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু, দক্ষ, ভৃগু, বশিষ্ঠ, নাৰদ জাত হৈলা।[৬] আৰো ধৰ্ম্ম, অধৰ্ম্ম, কাম, ক্ৰোধ, লোভ, কৰ্দ্দমকো স্ৰজিলা। পাছে ব্ৰহ্মাৰ সৰস্বতী নাম দুহিতা হৈলা।[৭] তান ৰূপ দেখি কামে মোহিত হয়া ইছা কৰিলা। মৰীচি আদি পুত্ৰসৱে বাধা কৰিলা। তথাপি নৰহিলা। তাৰা হৰিত গোচৰ কৰিলা। তাক দেখি ব্ৰহ্মা লজ্জিত হয়া সি দেহ এৰিলা ; সি কুহৰি[৮] হৈল ; তাক দশোদিশে ধৰিল।

৩৪-১৬ ] "পাছে চাৰি মুখে চাৰি বেদ, ধৰ্ম্মৰো চাৰি পাদ স্ৰজিলা, আৰো নানা কৰ্ম্ম-ধৰ্ম্ম-শাস্ত্ৰ স্ৰজিলা।[৯] তথাপি সৃষ্টিৰ বৃদ্ধি নেদেখি আপুনাৰ দেহক দুইভাগ কৰিলা। এক ভাগে স্বায়ম্ভুৱ মনু হৈলা। আউৰ ভাগে তান পত্নী শতৰূপা হৈলা। তাহান্তে মনু পাঞ্চ অপত্য উপজাইলা : দুই পুত্ৰ—প্ৰিয়ব্ৰত, উত্তানপাদ ; তিনি ঝী—আকূতি, দেৱহূতি, প্ৰসূতি। আকূতি কন্যাক ৰুচি প্ৰজাপতিক দিলা,

---

৫ ৰুদ্ৰৰ সৃষ্ট ৰুদ্ৰমূৰ্ত্তি প্ৰজা দেখি ব্ৰহ্মাই ভয় খাই তেওঁক নিৰস্ত কৰি ভগৱন্ত-প্ৰাপ্তিৰ অৰ্থে তপ কৰিবলৈ ক'লে। ৰুদ্ৰ বনলৈ গ'ল তপ কৰিবলৈ।

৬ ব্ৰহ্মাৰ বিভিন্ন অঙ্গৰপৰা ( যেনে, ক্ৰোড়দেশৰপৰা নাৰদ, অঙ্গুষ্ঠৰপৰা দক্ষ ) লোক-প্ৰৱাহৰ মূল ( লোকসন্তানহেতৱঃ ) এই দহজন পুত্ৰ উপজিল।

৭ ব্ৰহ্মাৰ স্তনদেশৰপৰা ধৰ্ম্ম ( য'ত নাৰায়ণ বিদ্যমান ), পিঠিৰপৰা অধৰ্ম্ম ( য'ত ভয়ঙ্কৰ মৃত্যুৰ্লোক বিদ্যমান ), হৃদয়ৰপৰা কাম, ভ্ৰূদ্বয়ৰপৰা ক্ৰোধ, অধৰোষ্ঠৰপৰা লোভ, মুখৰপৰা বাক্, মেঢ্ৰস্থানৰপৰা সমুদ্ৰবোৰ, গুহ্যৰপৰা ৰাক্ষস, আৰু ব্ৰহ্মাৰ ছাঁৰপৰা কপিল-মাতা দেৱহূতি-পতি কৰ্দ্দম ঋষি হ'ল।

৮ কুহৰি—আন্ধাৰ নিয়ৰ ( নীহাৰং যদ্বিদুস্তমঃ )।

৯ হোতাগণৰ ( হোতা, উদ্গাতা, অধ্বৰ্য্যু আৰু ব্ৰহ্মা ) কৰ্ম্ম, কৰ্ম্ম-তন্ত্ৰ, আয়ুৰ্ব্বেদ আদি উপবেদ শাস্ত্ৰ, ধৰ্ম্মৰ চাৰি পাদ ( তপঃ, শৌচ, দয়া, সত্য ), চাৰি আশ্ৰম উৎপন্ন হ'ল। লগতে নানা ইতিহাস-পুৰাণ আদিও হ'ল।

দেৱহূতিক কৰ্দ্দমক দিলা, প্ৰসূতিক দক্ষক দিলা, যাৰ বৈ-বংশে জগত ব্যাপিলা।”

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে দ্বাদশোঽধ্যায় ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ যদ্ধ্যানাজ্জগতাং ধাতা সসর্জাভিমতাঃ প্ৰজাঃ ॥
তং প্ৰপদ্যেঽখিলাৱাসমাকাশৱদনাশ্ৰয়ম্ ॥ ১২ ॥

## ॥ ত্ৰয়োদশ অধ্যায় ॥

### ॥ বৰাহৰ জন্ম কৰ্ম্ম ॥

ত্ৰয়োদশ অধ্যায়ে বৰাহৰ জন্ম-কৰ্ম্ম কহিবা।

৫-১৫ ] বিদুৰে পুছন্ত, “হে মৈত্ৰেয়, স্বায়ম্ভুৱ মনু আদি ৰাজা বিষ্ণুক আশ্ৰয় কৰিছা। এতেকে তাহান চৰিত্ৰ কহিয়োক যাতো মুকুন্দৰ পাদ-পদ্ম যাৰাৰ হৃদয়ত থাকে, তাৰাৰ কথা-শ্ৰৱণে পুৰুষৰ মহাফল বুলি মহন্তসৱে কহে।”

মৈত্ৰেয়ে কহন্ত, “যেখনে স্বায়ম্ভুৱ মনু ভাৰ্য্যা সমে জাত হৈল, তেখনে ব্ৰহ্মাক প্ৰণাম কৰি বোলন্ত, ‘হে বিধাতা তুমি সৱাৰে কাৰণ। তথাপি তোমাৰ শুশ্ৰূষা যেমনে হয়, তাক কহিয়োক।’

“ব্ৰহ্মা বোলন্ত, ‘হে পুত্ৰ, তোৰ কুশল হোক। মঞি তোত তুষ্ট হৈলো, যাতো অকপটে মোৰ আজ্ঞা কৰিতে চাস। পিতৃত পুত্ৰৰ

॥ ত্ৰয়োদশ অধ্যায় ॥

ত্ৰয়োদশ অধ্যায়ত মনুৱে সৃষ্টি-কাৰ্য্য কৰিব খোজাত আকস্মিকভাৱে প্ৰলয়-জলত আপ্লুতা পৃথিৱী উদ্ধাৰ কৰিবলৈ বিষ্ণুৱে বৰাহ অৱতাৰ ধৰি হিৰণ্যাক্ষক বধ কৰা বৰ্ণনা কৰা হৈছে।



এহিম্বানে উপকাৰ, আদৰে বচন কৰিবেক। এতেকে তঞি ই ভাৰ্য্যাত পুত্ৰ উৎপন্ন কৰাই ধৰ্ম্মে পৃথিৱী পালন কৰি হৰিক ভজ। মোৰ এই পৰম শুশ্ৰূষা। আতে হৰিও তুষ্ট হুইবা। যাৰ হৰি তুষ্ট নহইলা তাৰ সকলে কৰ্ম্ম ব্যৰ্থ, যাতো সি আপুনাক আপুনি আদৰ নকৰিলেক।”

“মনু বোলন্ত, ‘হে পিতৃ, তোমাৰ আজ্ঞা মঞি সৰ্ব্বথা কৰিম। কিন্তু আমাক স্থান দিয়োক। সকল লোকৰ নিৱাস যি পৃথিৱী, তেঞ জলতে মগ্ন ভৈলা। এতেকে তাহাঙ্ক উদ্ধাৰিতে যত্ন কৰা।’”

১৬-৩২ ] মৈত্ৰেয়ে কহন্ত, “পাছে ব্ৰহ্মা জলৰ মধ্যত পৃথিৱীক দেখি মনত গুণন্ত, ‘মঞি প্ৰলয়-জলক পান কৰি পৃথিৱীক দেখাইলো। নানা বিধ প্ৰজা স্ৰজন্তে পুনু পৃথিৱী জলতে মগ্ন হয়া ৰসাতলে গৈলা। আবে কি উপায় কৰো? যাৰ হৃদয় হন্তে মঞি জাত হৈলো, সেই ঈশ্বৰে পৃথিৱী উদ্ধাৰ কৰন্তোক।’ এহি গুণিতে ব্ৰহ্মাৰ নাসিকাৰপৰা অঙ্গুষ্ঠ-প্ৰমাণ বৰাহ জাত হৈলা; তেখনে ব্ৰহ্মাৰ আগতে হস্তী সম হৈলা। তাক দেখি ব্ৰহ্মা পুত্ৰগণ[1] সমে বিস্ময় হয়া বোলন্ত, ‘অহো কি অদ্ভুত! এখনে নাসিকাৰপৰা অঙ্গুষ্ঠ-প্ৰমাণ বৰাহ জাত হয়া পৰ্ব্বত-সমান হৈলা। এতেকে জানিলো, ই বিষ্ণু-অৱতাৰ।’ এই বিচাৰ কৰিতে বৰাহ-ৰূপ ভগৱন্তে গৰ্জ্জন কৰি পুত্ৰ সমে ব্ৰহ্মাক হৰিষ কৰাইলা। তাৰায়ো ‘জয় বৰাহ’ বুলি তুতি কৰিলা।[2] তাৰাৰ তুতি-বাক্য শুনি ভগৱন্তে পুনু গৰ্জ্জন কৰি জলত প্ৰৱেশিলা, জলক অতিক্ৰম কৰি পৃথিৱীক দন্তৰ অগ্ৰে উদ্ধাৰিলা; তেখনে আদি দৈত্য হিৰণ্যাক্ষক লাগ পায়া বধিলা।

১ পুত্ৰগণ—মৰীচি-প্ৰমুখ ঋষিসকল, সনকাদি কুমাৰ আৰু মনু (৩. ১৩. ২০)।

২ জন-তপঃ-সত্যলোক-নিৱাসসকলে ঋক্-যজুঃ-সামবেদৰ মন্ত্ৰেৰে স্তুতি কৰিলে।

৩৩-৪৫ ] "তাক দেখি মুনিগণে[৩] অঞ্জলি কৰি বোলন্ত, 'হে, যজ্ঞ-মূৰ্ত্তি ভগৱন্ত, তোমাক নমস্কাৰ কৰো। যাৰ লোম-ৰন্ধ্ৰত সাগৰ লুকাইল সেই কাৰণ-শূকৰ,[৪] তোমাক নমো। তুমি মন্ত্ৰ-তন্ত্ৰ-দ্ৰব্য-দেৱতা-ৰূপ, জ্ঞান-দাতা গুৰু।[৫] হেনয় তোমাক প্ৰণাম কৰো। তোমাৰ দন্তৰ অগ্ৰত পৃথিৱী প্ৰকাশ কৰা; পৃথিৱী সমেও তোমাৰ ৰূপ প্ৰকাশ কৰে। তুমি জগতৰ পিতৃ, পৃথিৱী মাতৃ। এতেকে ইহাঙ্ক থাপনা কৰি আমাৰ কুশল কৰা।' "

৪৬-৫০ ] মৈত্ৰেয়ে কহন্ত, "ঋষিগণে এহি তুতি কৰিলে ভগৱন্ত জলৰ উপৰত পৃথিৱীক স্থাপন কৰি বৈকুণ্ঠক গৈলা। এহি কথা যি শ্ৰৱণ-কীৰ্ত্তন কৰে, তাৰ হৰি প্ৰসন্ন হৈবন্ত। হৰি প্ৰসন্ন হৈলে পুৰুষৰ কি অপ্ৰাপ্য আছে? তথাপি তুচ্ছ বিষয়ত কি কাৰ্য্য? যাতো নিষ্কাম ভক্তিয়ে ভগৱন্তক ভজিলে আপুনি পৰম গতি দেন্ত, এতেকে কৰ্ণপথে হৰি-কথামৃত পান কৰি পশুত বিনে কোনে তৃপিতি নহৈবেক?"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে ত্ৰয়োদশোঽধ্যায়ঃ॥

আক জানি সব লোক হৰি বোল হৰি॥

॥ শ্লোক॥ ত্ৰয়োদশে বৰাহস্যাৱতাৰকথয়া স্থিতং।
শ্ৰৱণং কীৰ্তনং তস্য কীৰ্ত্তেস্তত্তোষকাৰণম্॥ ১৩॥

৩ মুনিগণে—বিৰিঞ্চি প্ৰমুখে জন-তপঃ-সত্যলোক-নিৱাসীসকলে।

৪ কাৰণ-শূকৰ—পৃথিৱী-উদ্ধৰণৰ নিমিত্ত-স্বৰূপ বৰাহ।

৫ যজ্ঞ-ৰূপ ভগৱন্তৰ চৰ্ম্মত গায়ত্ৰী আদি ছন্দ, লোমত কুশ, চকুত ঘিউ, চৰণত চতুৰ্হোত্ৰ, মুখাগ্ৰত স্ৰুক্, নাকৰ বিন্ধাত স্ৰুৱ, উদৰত ইড়া (ভোজনপাত্ৰ), কৰ্ণৰন্ধ্ৰত চমস (সোমপাত্ৰ) ইত্যাদি। তেওঁ অখিল মন্ত্ৰ-দেৱতা-দ্ৰব্য-স্বৰূপ, বৈৰাগ্য ভক্তি আদিৰ দ্বাৰা অনুভাৱিত জ্ঞান-স্বৰূপ আৰু বিদ্যাগুৰু-স্বৰূপ।

## ॥ চতুৰ্দ্দশ অধ্যায়॥

### ॥ কশ্যপৰপৰা দিতিৰ গৰ্ভ-সম্ভৱ॥

চতুৰ্দ্দশ অধ্যায়ে সন্ধ্যা বেলা কশ্যপত হন্তে দিতিৰ গৰ্ভ-সম্ভৱ কহিবা।

১-৬ ] বিদুৰে পুছন্ত, "হে মৈত্ৰেয়, পৃথিৱী উদ্ধাৰিতে যজ্ঞ-বৰাহৰ হিৰণ্যাক্ষ সমে কি নিমিত্তে যুদ্ধ হৈল, তাক কহা।"

মৈত্ৰেয়ে বোলন্ত, "হে বিদুৰ, তুমি ভাল প্ৰশ্ন কৰিলা, যাতো মৃত্যু-পাশ-ছেদনী হৰি-কথা পুছিলা, যি কথায়ে উত্তানপাদ ৰাজাৰ পুত্ৰে মৃত্যুৰ মাথাত ভৰি দিয়া সেই শৰীৰে বিষ্ণুলোক পাইলা। আত ব্ৰহ্মা-কথিত পুৰাতন কথা কহো। প্ৰথমতে তাৰ প্ৰসঙ্গ শুনা।

৭-২৮ ] "দক্ষৰ নন্দিনী দিতি পুত্ৰক ইছায়ে কশ্যপ পতিক হোমৰ গৃহতে প্ৰাৰ্থন্ত, 'হে স্বামী, তোমাৰ নিমিত্তে মোক কামে পীড়া কৰে। এতেকে মোত অনুগ্ৰহ কৰি গৰ্ভাধান কৰা।'

"কশ্যপে বোলন্ত, 'হে দিতি, তোমাৰ প্ৰিয় মই কৰিম অৱশ্যে, যাতো তুমি মোৰ অৰ্দ্ধশৰীৰ। যাত হন্তে ধৰ্ম্ম, অৰ্থ, কাম সিঝে, হেনয় তোমাৰ ইছা কোনে পূৰ নকৰিব? কিন্তু, সন্ধ্যা মুহূৰ্ত্ত মাত্ৰ অপেক্ষা কৰা, যাত শ্ৰীৰুদ্ৰ ভূতগণ সমে ফুৰন্ত, তিনি চক্ষুৰে সবাকে দেখন্ত, যাৰ চৰিত্ৰক কেও নজানে, যাৰ আজ্ঞা ব্ৰহ্মাদিও কৰে।[১] এতেকে তাহাঙ্ক মান্য কৰি সন্ধ্যা কাল অপেক্ষা কৰা।"

॥ চতুৰ্দ্দশ অধ্যায়॥

ভগৱন্তৰ হাতত হিৰণ্যাক্ষ দৈত্যৰ বধৰ নিদান-প্ৰসঙ্গত সন্ধ্যা বেলা কামভাৱে ওচৰ চপা দিতিত কশ্যপে গৰ্ভাধান কৰা কাহিনী বৰ্ণনা কৰা হৈছে।

দক্ষ প্ৰজাপতিৰ তেৰজনী ছোৱালীৰ ভিতৰত দিতিয়ে মৰীচি প্ৰজাপতিৰ পুত্ৰ কশ্যপক পতি-ৰূপে বৰণ কৰিছিল।

১ ঘোৰতম সন্ধ্যা-কাল ভূত-প্ৰেত আদিৰ সময়। সেই সময়ত ভূতেশ ৰুদ্ৰৰ অনুচৰ ভূতবোৰ বিচৰণ কৰে। ৰুদ্ৰও বৃষত উঠি সিবোৰৰ দ্বাৰা আবৃত

২৯-৫০ ] মৈত্রেয়ে কহন্ত, "কশ্যপে এহি বাক্য বুলিলেও দিতি কামে আকুল হয়া বেশ্যা হেন লাজ এড়ি ঋষিৰ বস্ত্ৰত ধৰিলা। ঋষিও তাহান আক্রোশ দেখি দৈৱ-কৃত মানি ৰহস্য স্থানত গর্ভাধান কৰিলা। পাছে স্নান কৰি, প্রাণায়াম কৰি, মৌন হয়া গায়ত্রী জপিলা। দিতিও লজ্জিত হয়া স্বামীৰ সমীপে গৈয়া অধোমুখে বোলন্ত, 'হে স্বামী, ভূতপতি ৰুদ্রে মোৰ গর্ভ নবধন্তোক, যাতো তাহান অপৰাধ কৰিলো। সেই ৰুদ্ৰক প্রণাম কৰো, ভগিনীপতি ভগৱন্ত মোত প্রসন্ন হৱন্তোক।'

"কশ্যপে বোলন্ত, 'হে দিতি, তোমাৰ অশুদ্ধ মন, সন্ধ্যা কাল, মোৰ আজ্ঞা-ভঙ্গ, ৰুদ্ৰকো হেলন,—এহি চাৰি দোষে অধম দুই পুত্ৰ হুইবেক। দুয়ো সকল লোকক নানা দুখ দিবেক। পাছে মহন্তৰ কোপ হৈলে ভগৱন্তে ক্রোধ কৰি অৱতাৰ হয়া দুইকো বধিবা।'

"দিতি বোলন্ত, 'ভগৱন্তৰ হাতত মোৰ পুত্ৰৰ বধ হোক, কিন্তু ব্ৰাহ্মণৰ কোপত নহোক, যাতো বিপ্র-কোপে নষ্ট হৈলে লোকক ভয় দিলে নাৰকীসৱো তাক লাগ নেদে।'

"কশ্যপে বোলন্ত, 'হে দিতি, তুমি অনুতাপ-শোক কৰিলা, তেখনে ভাল-মন্দ বিচাৰ কৰিলা, ভগৱন্তকো নমস্কাৰ কৰিলা, ৰুদ্ৰকো নমিলা, মোকো আদৰিলা,—এহি পঞ্চগুণে তোমাৰ এক নাতি উত্তম হুইবেক, যাৰ কেৱল ভক্তিয়ে হৰি তুষ্ট হুইবা, সেই মহাভাগৱত প্ৰহ্লাদ ভক্তিয়ে ভগৱন্তক মনত প্ৰৱেশ কৰাই সকল সঙ্গ এড়িবা, বিষয়ে লম্পট নহৈবা, সকল গুণৰ আশ্রয় হৈবা, লোকৰ তাপ হৰিবা, বাহিৰে-ভিতৰে কমল-লোচনক দেখিবা।'"

মৈত্রেয়ে কহন্ত, "মহাভাগৱত নাতি হুইবাৰ কথা শুনি দিতি মহাহৰিষ হৈলা, কৃষ্ণৰ হাতত পুত্ৰৰ বধ শুনি আনন্দ কৰিলা, যাতো হৰিৰ হাতত পৰি পুত্ৰৰ কীৰ্ত্তি, গতি, দুয়ো হুইবেক।"

শ্ৰীভাগৱত-কথায়াং তৃতীয় স্কন্ধে চতুর্দশোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ যদ্ভক্তপৌত্ৰপ্ৰহ্লাদমাহাত্ম্যশ্ৰৱণাদ্দিতিঃ।
মুমোদ তমহং ৱন্দে জগদানন্দকাৰকম্ ॥ ১৪ ॥

## ॥ পঞ্চদশ অধ্যায় ॥

### ॥ জয়-বিজয়ৰ শাপ ॥

পঞ্চদশ অধ্যায়ে জয়-বিজয়ৰ শাপ কহিবা।

১-১১ ] মৈত্রেয়ে কহন্ত, "দিতি দেৱক শঙ্কায় এক শত বৎসৰ গর্ভ ধৰিছিলা। গৰ্ভৰ তেজে চন্দ্র-সূর্য্যৰ কান্তি টুটিল। দেৱসৱো হীনবল হয়া ব্ৰহ্মাৰ আগত গোচৰ কৰন্ত, 'হে দেৱদেৱ বিধাতা, তোমাক প্রণাম কৰো। তুমি সকল জগতৰ অভিপ্ৰায় জানা। এতেকে আমাৰ কুশল কৰা। কশ্যপৰ বীৰ্য্যে দিতিৰ গর্ভ দশো দিশ অন্ধকাৰ কৰি বাঢ়ে। তাৰ কাৰণ কহা।'

---

হৈ সৰ্ব্বত্ৰ ফুৰে। শ্মশানৰ ঘূৰণী ৰতাহত বিক্ষিপ্ত আৰু দীপ্তিমান জটা-কলাপ ধূম্ৰবৰ্ণ কৰি অমল সুৱৰ্ণ-সদৃশ দেহ ভস্মেৰে ঢাকি ৰুদ্ৰই চন্দ্ৰ, সূৰ্য্য, অগ্নি, এই তিনি চকুৰে সকলো চাই ফুৰে। ৰুদ্ৰ অৱশ্যে দিতিৰ ভনী সতীৰ স্বামী; তেওঁৰ সেই বুলি স্বজন-পৰজন নাই। ব্ৰহ্মা আদিয়ে যাৰ আদেশত স্বমৰ্য্যাদা পালন কৰি থাকে, যি বিশ্বৰ কাৰণ-স্বৰূপ, যাৰ আজ্ঞা মায়াই পালন কৰে, তেৱেঁই ৰুদ্ৰ-ৰূপে পিশাচৰ নিচিনাকৈ এইদৰে আচৰণ কৰে, ই বিচিত্ৰ (৩. ১৪. ২২-২৮)।

#### ॥ পঞ্চদশ অধ্যায় ॥

দিতিৰ গৰ্ভৰ তেজত হীনপ্ৰভ হোৱা দেৱতাসকলৰ প্ৰশ্ন অনুসৰি ব্ৰহ্মাই জয়-বিজয়ৰ প্ৰতি সনকাদি সিদ্ধৰ অভিশাপৰ ঘটনা বৰ্ণাইছে।

ভট্টদেৱৰ এই অধ্যায়ৰ বৰ্ণনাৰ লগত শঙ্কৰদেৱৰ "কীৰ্ত্তন-ঘোষা"ৰ অন্তৰ্গত ধ্যান-বৰ্ণন আৰু প্ৰহ্লাদ-চৰিত্ৰৰ পদ মিলাই পঢ়িব লগীয়া।

১২-২৫ ] "ব্ৰহ্মা কহন্ত, 'একদিনা মোৰ মানস চাৰি পুত্ৰ সনকাদি ঈশ্বৰৰ ইছায়ে সৰ্ব্ব লোকৰ বন্দিত বৈকুণ্ঠক গৈলা, যাত আদি পুৰুষ ভগৱন্ত শুদ্ধসত্ত্ব মূৰ্ত্তিয়ে ভক্তৰ প্ৰিয় কৰি আছা ; আৰো মুক্তিৰ মূৰ্ত্তি হেন নিশ্ৰেয়স[1] নামে বন আছে, যাত কল্পতৰুসৰ আছে। যি নিষ্কাম-ভাৱে হৰিক ভজিছা, সেই পুৰুষসৰে হৰিৰ সমান মূৰ্ত্তি পায়াছা। বৈমানিকসৰে নাৰীগণ সমে হৰি-গুণ গাৱে। মাধৱী পুষ্পৰ গন্ধে সুগন্ধ বায়ুকো নগণে। নানা পক্ষীগণো ভ্ৰমৰাৰ মুখে হৰি-গুণ শুনে। সুগন্ধ সুন্দৰ নানা পুষ্পসৰে হৰিৰ প্ৰিয় পদে তুলসীক প্ৰশংসে। বৈদুৰ্য্য মৰকত সুৱৰ্ণ বিমানত দিব্য স্ত্ৰীগণে হাস্য-লাস্য-কটাক্ষ কৰি হৰি-ভক্তসকলৰ কাম জন্মাইতে নপাৰে। যেখন হৰিৰ গৃহত হাতত পদ্ম ধৰি লক্ষ্মী ফুৰন্ত, তেখন ফটিকৰ বাৰত প্ৰতিবিম্ব-লক্ষ্মীক দেখি, যেন গৃহ মাৰ্জ্জন্ত। পুষ্কৰিণীসৰত পদ্ম-বনত দাসীগণ সঙ্গে যেখন তুলসী লৈয়া হৰিক পূজন্ত, তেখনে আপুনাৰ সুন্দৰ মুখৰ প্ৰতিবিম্ব দেখি ভগৱন্তে চুম্বন কৰন্ত বুলি মনে মানন্ত। যি হৰি-কথা বিনে আন আন কুকথা শুনে, সি কদাচিতো বৈকুণ্ঠ নযাই, কিন্তু সকল পুণ্য নষ্ট কৰি নৰকত পৰে। যি আমাৰো বাঞ্ছনী নৰ-তনু পায়া হৰিক নভজে, সি হৰিৰ মায়ায় মোহিত হৈলা। আমাৰ উপৰত বৈকুণ্ঠ-লোকক যম-নিয়ম নকৰিও কেৱল হৰি-সেৱামাত্ৰে পাৱে, কিন্তু হৰি-গুণ-কথন-অনুৰাগে লোম-পুলক নেত্ৰ-সলোতক যদি হয়।

২৬-৩৬ ] " 'হেনয় চৈধয় ভুৱনৰ বন্দ্য বৈকুণ্ঠ-লোকক পায়া চাৰি সিদ্ধ অপূৰ্ব্ব আনন্দ লভিলা। তাত ছয় দুৱাৰ এড়াই সপ্তম দ্বাৰ পায়া জয় বিজয় নাম দুই পাৰিষদ দেখিলা। দুয়ো চতুৰ্ভুৰ্জ, সমান-বয়স, গদা ধৰি আছা ; অমোল্য কিৰীটি, কুণ্ডল, বলয়া, বনমালা, বিচিত্ৰ বেশ ধৰিছা। তাৰাত নুপুছি পূৰ্ব্বৰতে সিদ্ধসৰ সমদৃষ্টিয়ে সপ্তম দ্বাৰতো প্ৰৱেশিলা। পাছে জয়-বিজয়ে নগ্ন চাৰি ছৱাল দেখি বেত্ৰ দিয়া নিবাৰিলা।

১ নিশ্ৰেয়স—নৈঃশ্ৰেয়সং নাম ৱনম্।



পাছে সিদ্ধসৰে কৃষ্ণ-দৰ্শন-ইছা-ভঙ্গ-ক্ৰোধে ৰক্তনয়ন হয়া বোলন্ত, অহো, সমদৰ্শী বৈকুণ্ঠ-বাসীৰ মধ্যত তোৰাৰ ই বিষম স্বভাৱ! প্ৰশান্ত পুৰুষ শ্ৰীকৃষ্ণত কিবা শঙ্কা কৰস! এতেকে তোৰা দুয়ো কপটী, যাতো ভগৱন্ততো ভেদ ভয় দেখাইলি। এতেকে আমি তোৰাক শপঞো—এখনে দুয়ো অসুৰ-যোনিক যাৱা, যাত কাম ক্ৰোধ লোভ তিনি শত্ৰু আছে। পাছে দুয়ো পাৰিষদে ব্ৰহ্ম-শাপ জানি মহাভয়ে তাৰাৰ চৰণত পৰি বোলন্ত,=হে মুনিসৰ, তোৰা আমি দুইক যি দণ্ড কৰিলা, সি দণ্ড হোক, যাতো মহন্তৰ অৱজ্ঞা-পাপ হৰিবেক। কিন্তু তোৰাৰ কৃপা-লেশে অসুৰ-যোনিতো আমাৰ কৃষ্ণ-স্মৃতি নষ্ট নহোক[2]।

৩৭-৪৪ ] " 'পাছে ভগৱন্তে আপুনাৰ পাৰিষদে মহন্তক অপৰাধ কৰিবাৰ জানি চৰণ চলায়া লক্ষ্মী সহিতে তেখনে আসিলা ; পাৰিষদ-সৰো সেৱাৰ সামগ্ৰী লৈয়া লক্ষ্মী সহিতে তেখনে আসিলা। সিদ্ধসৰে সমাধি-দৃষ্টি ব্ৰহ্মক সাক্ষাতে দেখিলা।—দুই ভিতি দুই শুক্ল চামৰে বিঞ্চে ; উপৰত ধৱল ছত্ৰ প্ৰকাশ কৰে। সৱাকে কৃপায়ে সমুখ চুইছন্ত ; স্নেহ-নিৰীক্ষণে আনন্দ কৰান্ত। শ্যাম শৰীৰ ; হৃদয়ত লক্ষ্মী ; কটিত পীত বসন, মেখলা ; শিৰত কিৰীটি, কৰ্ণত মকৰ-কুণ্ডল ; কণ্ঠত কৌস্তুভ ; গলত অমোল্য হাৰ, বনমালা ; বাহুত অঙ্গদ ; হস্তত বলয়া ; চৰণত নূপুৰ। পৰম লাৱণ্য মূৰ্ত্তিয়ে বৈকুণ্ঠ-লোকক শোভা কৰন্ত, যাক দেখি লক্ষ্মীৰ দৰ্প গুচিছে, ব্ৰহ্মা মহেশকো অনুগ্ৰহ কৰিছন্ত। হেন ৰূপক তাৰা সাক্ষাতে দেখি দণ্ডৱতে প্ৰণাম কৰিলা। প্ৰণাম কৰিতে পাদ-পদ্মৰ মিশ্ৰ তুলসীৰ গন্ধ নাসা-ৰন্ধ্ৰৰ ভিতৰত প্ৰৱেশি চিত্তত হৰিষ, শৰীৰত পুলক কৰাইলেক।

৪৫-৫০ ] " 'তাৰা প্ৰথমে কৃষ্ণৰ মুখপদ্ম দেখি মহা সন্তোষ হয়া পুনু নখ-মণি-যুক্ত চৰণ দেখি মনত ধ্যান কৰি বোলন্ত,=হে ভগৱন্ত, বিষয়ীজনৰ হৃদয়ত থাকিতেও মনৰ গোচৰ নহৱা। আমাৰ পুনু

২ কৃষ্ণস্মৃতি নষ্ট নহোক—মা ভগৱৎস্মৃতিঘ্নো মোহো ভৱেদিহ।

গোচৰ হৱা, যাতো পিতৃৰ মুখে তোমাৰ তত্ত্ব শুনিছি। চক্ষুৰ গোচৰ পুনু আজিসে হৈলা। হেন নুবুলিবা, তোৱা ব্ৰহ্মকেসে শুনিছা; মঞি পুনু আনসে। তাত শুনা : আমি পুনু সেই ব্ৰহ্ম বুলি তোমাক জানিলো। যদি বোলা, নিৰুপাধি ব্ৰহ্মৰ কেন এতেক ঐশ্বৰ্য্য ? আত শুনা : সেই ব্ৰহ্ম শুদ্ধসত্ত্ব মূৰ্ত্তিয়ে ভক্তৰ সদায় প্ৰীতি কৰিবে লাগিছা। তোমাৰ কৃপাত শ্ৰৱণ-কীৰ্ত্তন-ভক্তি কৰি অহঙ্কাৰ তেজি বিৰক্ত মুনিগণে যাক জানে, সেই ভগৱন্ত তুমি। যাৰা তোমাৰ চৰণত শৰণ পশিয়া কথা-ৰস পায়া আছে, তাৰা তোমাৰ প্ৰসাদে মোক্ষকো নলৱে, আন বিনাশী সম্পত্তি নলৈবে, তাক কি বুলিবো ? আমাৰ নৰকত জন্ম হোক, যাতো তোমাৰ ভক্তক শপিলো, যদি চিত্তে তোমাৰ পাদ-পদ্মক চিন্তে, বাক্যে তোমাৰ গুণ গাৱে, কৰ্ণে তোমাৰ কথা শুনে। হে ভগৱন্ত, যেখন আমাক ই ৰূপ দেখাইলা, তেখনে চক্ষু পৰমানন্দ পাইলে। হেন কৃপাময় তোমাক কোটিবাৰ প্ৰণাম কৰো।' "

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে পঞ্চদশোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ সতামৱজ্ঞামাত্ৰেণ বৈকুণ্ঠে ৱসতোঽপি।
যাতি পাপীয়সীং যোনিমিতি পঞ্চদশে স্থিতম্ ॥ ১৫ ॥

## ॥ ষোড়শ অধ্যায় ॥

**॥ সিদ্ধসকলৰ সান্ত্বন আৰু জয়-বিজয়ক অনুগ্ৰহ ॥**

ষোড়শ অধ্যায়ে সিদ্ধক সান্ত্বন, হৰিৰ স্তুতি, জয়-বিজয়ক অনুগ্ৰহ কহিবা।

১-১২ ] "ব্ৰহ্মা বোলন্ত, 'জানা দেৱগণ, সিদ্ধসৱৰ এহি বাক্য শুনি ভগৱন্ত বোলন্ত,=হে মুনিসৱ, এই দুই পাৰিষদে মোক কদৰ্থিয়া তোৰাক অৱজ্ঞা কৰিলেক। এতেকে আৰাক যি দণ্ড কৰিলা, তাকে মঞি মানিলো। আবে তোৰাক প্ৰসন্ন কৰাওঁ, যাতো ব্ৰাহ্মণেসে মোৰ দেৱতা। যদি বোলা, তোমাৰ কি দোষ ? তাত শুনা : মোৰ ভৃত্যে যি অপকাৰ কৰিলে, তাক মঞি কৰিলো বুলি মানো, যাতো ভৃত্যৰ দোষে স্বামীৰ কীৰ্ত্তি হৰে। যি ব্ৰাহ্মণৰ প্ৰসাদে মোৰ যশে জগত পৱিত্ৰ কৰে, যাৰাৰ সেৱায়ে মোক লক্ষ্মীও নেড়ন্ত, চৰণতো পৱিত্ৰ ৰেণু আছে, সি ব্ৰাহ্মণক[১] অপকাৰ কৰিলে দেৱকো কাটিবো। ব্ৰাহ্মণৰ মুখে যেমনে ভোজন কৰো, যজ্ঞত অগ্নিৰ মুখেও তেমনে নকৰো। মোৰ পাদোদক গঙ্গায়ে সকল লোক পৱিত্ৰ কৰে; হেন

---

**॥ ষোড়শ অধ্যায় ॥**

বিষ্ণুৱে সনকাদি সিদ্ধৰ অনুতাপ দেখি তেওঁলোকক সান্ত্বনা দিছে, আৰু তেওঁলোকক কৈ জয়-বিজয়ে যাতে অসুৰ জন্ম পায়ো পৰমেশ্বৰক নাপাহৰে, তাৰ ব্যৱস্থা কৰিছে।

এই অধ্যায়ৰ প্ৰসঙ্গতো "কীৰ্ত্তন-ঘোষা"ৰ প্ৰহ্লাদ-চৰিত্ৰ পঢ়িব লগীয়া।

১ যি সেৱা কৰা কাৰণে মোৰ চৰণ-ধূলি পৱিত্ৰ হৈছে ( যৎসেৱয়া চৰণপদ্মপৱিত্ৰৰেণুং ), মই সোনকালেই লোকৰ পাপ বিনাশ কৰিব পাৰিছো ( সদ্যঃ ক্ষতাখিলমলং ) আৰু চৰিত্ৰৱান হৈছো ( প্ৰতিলব্ধশীলং ), আৰু মই উদাসীন হোৱাতো লক্ষ্মীয়ে মোক পৰিহাৰ নকৰা হৈছে ( ন শ্ৰীৰ্বিৰক্তমপি মাং ৱিজহাতি ), সেই ব্ৰাহ্মণক।

মঞো যাৰ পদৰেণুক শিৰে বহো, হেনয় ব্ৰাহ্মণক কোনে নসহিব ? মোৰ তনু গো ব্ৰাহ্মণ বৈষ্ণৱসৱক যিজন ক্ৰোধত কটাক্ষ কৰি চাৱে, তাৰ যম-দূতে চক্ষুক কাঢ়ে। ব্ৰাহ্মণে মন্দ বুলিলে ঈশ্বৰ-বুদ্ধিয়ে যি প্ৰীতি কৰি মাতে, সি মোক অৱশ্যে বশ্য কৰে। এতেকে ই দুয়ো মোৰ অভিপ্ৰায় নজানি তোৰাৰ অপৰাধে অসুৰ-যোনিক পায়া, পুনু মোৰ ঠাই সত্বৰে আসোক,—এইমান তোৰ অনুগ্ৰহ কৰা।

১৩-২৬ ] "ব্ৰহ্মা বোলন্ত, 'জানা দেৱগণ, ভগৱন্তৰ এহি বাক্য শুনি সিদ্ধসৱে অভিপ্ৰায় নুবুঝি মনত তৃপিতি নভৈল। পাছে বিচাৰ কৰি লোক-সংগ্ৰহৰ অৰ্থে আমাক প্ৰশংসন্ত জানি হৰিষ হয়া অঞ্জলি কৰি বোলন্ত,=হে ভগৱন্ত, তোমাৰ অভিপ্ৰায় আমি নাজানিলো, যাতো ঈশ্বৰ হয়া আমাক অনুগ্ৰহ কৰিবাক বোলা। তুমি ব্ৰহ্মণ্যৰ ব্ৰাহ্মণেসে দেৱতা, ব্ৰাহ্মণৰো তুমিসে পূজ্য, এতেকে লোক-সংগ্ৰহাৰ্থে ধৰ্ম্ম ৰক্ষা কৰি ব্ৰাহ্মণক মান্য কৰা।[২] চৰণ-পদ্মক আমায়ে লক্ষ্মী নিতান্তে তোমাক সেৱা কৰা; তথাপি তুমি একান্ত ভক্তৰ সঙ্গ পায়া তাঙ্ক আদৰ নকৰা। যাৰ কৃপায়ে যোগীও সংসাৰ তৰে, তাঙ্ক কোনে অনুগ্ৰহ কৰিবেক ? এতেকে আৰা দুইক দণ্ড লাগে, প্ৰসাদ লাগে, তুমি কৰা। তাক অকপটে মানিবো। আমাৰো উচিত দণ্ড কৰা, যাতো তোমাৰ ভক্তক বিনা অপৰাধে শপিলো।

"ভগৱন্তে বোলন্ত,=আৰা দুয়ো এখনে অসুৰ-যোনিক পায়া ক্ৰোধভাৱে মোক চিন্তি পুনৰ মোৰ সমীপক শীঘ্ৰে আসোক। তোৰায়ো খেদ নকৰিবা, যাতো শাপকো মঞিসে কৰাইছো।

২৭-৩৭ ] "ব্ৰহ্মা কহন্ত, 'মুনিসৱে চক্ষুৰ আনন্দ-পাত্ৰ ভগৱন্তক দেখি বৈকুণ্ঠ-লোককো দেখি মহা আনন্দে ভগৱন্তক দণ্ডৱতে প্ৰদক্ষিণ কৰি

২ ব্ৰাহ্মণস্য পৰং দৈৱং ব্ৰাহ্মণা কিল তে প্ৰভো। ( ৩. ১৬. ১৭ )—ব্ৰাহ্মণহিততৰত তোমাৰ এই "ব্ৰাহ্মণহে মোৰ দেৱতা" কথাষাৰ লোকশিক্ষাৰ নিমিত্তে ব্যৱহাৰ মাত্ৰ ( কিলেতি লোকশিক্ষাৰ্থং সূচিতম্—শ্ৰী )।



সৱাকে প্ৰশংসি চলি গৈলা। ভগৱন্তো দুই পাৰিষদক বোলন্ত,=হে জয়, বিজয়, তোৰা দুয়ো অসুৰ-যোনিক যাৰা। কিছো ভয় নকৰিবা। তোৰাৰ কুশল হোক। মঞি সমৰ্থ হয়ো ব্ৰহ্ম-শাপক নষ্ট নকৰো, যাতো মোৰ ইছা আছে, তাতে হেন অভিপ্ৰায় বুজিবা। বৈকুণ্ঠবাসীৰো জন্ম নঘটে; সনকাদিৰো ক্ৰোধ নঘটে; জয়-বিজয়ৰো ব্ৰাহ্মণক অৱজ্ঞা নঘটে; ভগৱন্তৰো ভক্তক অপেক্ষা নঘটে। কিন্তু, কদাচিতো ঈশ্বৰৰ যুদ্ধক ইছা হৈলে, পাৰিষদ বিনে সমান যোদ্ধা নেদেখি ব্ৰাহ্মণক আনায়া জয়-বিজয়ৰ হতায় নিবাৰি ক্ৰোধ তোলাই শাপ দিয়াইলা। তেবে কিছো বিৰোধ নাই। অসুৰ-যোনিতো তোৰা মোক ক্ৰোধভাৱে চিন্তি শাপ এড়াই পুনু অল্প কালতে মোৰ ঠাই আসিবা। বিপ্ৰ-শাপ নিমিত্তে তোৰাৰ আমাৰো ভুৱন-পাৱন কীৰ্ত্তি ৰহিবেক। এতেকে কদাচিতো ভয় নকৰিবা।'

"ভগৱন্তে দাৰীক এহি আদেশ কৰি আপুনাৰ গৃহে লক্ষ্মী সহিতে প্ৰৱেশিলা। দুয়ো পাৰিষদ শ্ৰীহত হয়া বৈকুণ্ঠ-লোকৰপৰা পৰিতে বিমানসৱত হাহাকাৰ শব্দ ভৈল। সেই দুই পাৰিষদ কশ্যপৰ বীৰ্য্যে দিতিৰ গৰ্ভে প্ৰৱেশিলা। সেই দুইৰ তেজে তোৰাৰ তেজ নষ্ট হৈল। আত আমি কি উপায় কৰিবো ? আপুনি ভগৱন্তে কৃপায় আমাৰ কুশল কৰিবা।"

শ্ৰীভাগৱতকথায়াং তৃতীয়স্কন্ধে ষোড়শোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক ॥ ষোড়শে মহতাং দ্ৰোহে স্বভক্তমপি কেশৱঃ।
ন ৰক্ষতীতি নিৰয়াৎ স্বৰাক্যৈনৈৰ দৰ্শিতম্॥ ১৬॥

## ॥ সপ্তদশ অধ্যায় ॥

॥ হিৰণ্যাক্ষ-হিৰণ্যকশিপুৰ জন্ম, হিৰণ্যাক্ষৰ প্ৰভাৱ ॥

সপ্তদশ অধ্যায়ে দুইৰো লোক-ভয়ঙ্কৰ জন্ম, হিৰণ্যাক্ষৰ প্ৰভাৱ কহিবা।

১-] মৈত্ৰেয়ে কহন্ত, "দেৱগণে ব্ৰহ্মাৰ বাক্যে কাৰণ শুনি শঙ্কা তেজিয়া স্বৰ্গক আসিলা। দিতিও স্বামীৰ বচনে দেৱক শঙ্কায়ে শত বৰিষ অন্তৰে জৰঙ্গা দুই পুত্ৰ প্ৰসৱিলা। তেখন পৰ্ব্বত সহিতে পৃথিৱী কম্পিলা; উল্কাপাত-বজ্ৰপাত হৈল; ধূমকেতু উদয় হৈল; দুঃসহ বায়ু বহিল; নদী-নদ সাগৰ-সৰোবৰ খলকিল; মেঘে পূঁজ-তেজ বৰষিল; দেৱৰ প্ৰতিমা কান্দিল; বিনা বাৱে বৃক্ষ উভৰিল; নক্ষত্ৰে যুঝিল। এমনে অনেক উৎপাত দেখি লোকে প্ৰলয় হৈল হেন মানিলেক। পাছে দুয়ো দৈত্য পৰ্ব্বত সমান হৈয়া বাঢ়িল; কিৰীটিৰ অগ্ৰে স্বৰ্গ ছুইল; বাহুৰে দশো দিশ জুড়িল; চৰণে পৃথিৱী কম্পাইল; কটিয়ে আদিত্যকে অতিক্ৰমিল। পাছে কশ্যপে দুইৰো নাম থৈলা; আপুনাৰ দেহ হন্তে যি আগে হয়াছে, তাকে হিৰণ্যকশিপু বুলি; দিতি আগে যাক প্ৰসৱিলা, তাক হিৰণ্যাক্ষ বুলি, যাতো প্ৰৱেশৰ বিপৰ্য্যয়ে প্ৰসৱ হয়।

"পাছে হিৰণ্যকশিপু ব্ৰহ্মাৰ বৰে তিনিও লোক বশ্য কৰি ৰাজা হয়া ৰহিলা। তাৰ কনিষ্ঠ ভাই হিৰণ্যাক্ষো বড় ভাইৰ প্ৰীতি কৰি

---

॥ সপ্তদশ অধ্যায় ॥

এই অধ্যায়ত জয়-বিজয়ৰ দৈত্য-ৰূপে জন্ম হোৱাত লোকসকল কেনেকৈ ভয়-ভীত হৈ উঠিল, দুয়ো দৈত্য কেনেকৈ বাঢ়ি উঠিল, আৰু হিৰণ্যাক্ষই কেনেকৈ দিগ্‌জয় কৰি বৰুণৰ পুৰী বিভাৱৰীত বৰুণক লগ পাই ভগৱন্তৰ সন্ধান পালে, তাকে বৰ্ণোৱা হৈছে।



গদা ধৰি যুদ্ধক ইছায় স্বৰ্গক গৈলা। তাক দেখি দেৱগণে মহাভয়ে পলাইলা। হিৰণ্যাক্ষো দেৱক লাগ নপাই মহানাদ কৰিলেক। পাছে ক্ৰীড়াক মনে সাগৰত নামি অনেক বৎসৰ জল-ক্ৰীড়া কৰিলেক। আনন্দত গদায় ঢৌক কোবাই বৰুণৰ পুৰীক দেখিলা। বৰুণক লাগ পায়া উপহাস্য কৰিতে প্ৰণাম কৰি বোলয়, 'হে মহাৰাজা, মোক যুদ্ধ দিয়া; তুমি লোকপালৰ অধিপতি, যাতো দৈত্য-দানৱক জিনি ৰাজসূয় যজ্ঞ কৰিছা।' এহি বাক্য শুনি বৰুণৰ ক্ৰোধ ভৈল। তাক বুদ্ধিয়ে নিবাৰি বোলন্ত, 'হে মহাবীৰ, আবে আমি যুদ্ধ-কৌতুক এড়ি শান্ত ভৈলো। ইদানীক তোক যিজনে যুদ্ধত তুষ্ট কৰাইবেক, তাক ভগৱন্ত বিনে নেদেখো। এতেকে তাহাক খেদি যা, যাক তোৰ সম বীৰসৰে প্ৰশংসে। তাক লাগ পায়া হতগৰ্ব্ব হয়া যুদ্ধ-ভূমিত কুকুৰ শগুন সমে সুখে শুয়া থাকিবি, যি ভগৱন্তে তোৰ সম দুষ্ট বধিতে বৰাহাদি অৱতাৰ ধৰা।'"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে সপ্তদশোহধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ সতাং দ্ৰোহেণ মহতামপি সংহাৰকাৰণম্।
ইতি সপ্তদশাধ্যায়ে পাৰ্ষদাভ্যাং প্ৰদৰ্শিতম্ ॥ ১৭ ॥

## ॥ অষ্টাদশ অধ্যায় ॥

### হিৰণ্যাক্ষ-বৰাহৰ যুদ্ধ ॥

অষ্টাদশ অধ্যায়ে হিৰণ্যাক্ষ-বৰাহৰ যুদ্ধ কহিবা।

১-৫ ] মৈত্ৰেয়ে কহন্ত, "হিৰণ্যাক্ষে বৰুণৰ বাক্য শুনি ৰঙ্গ-মনে নাৰদৰ মুখে বৰাহৰ বাৰ্ত্তা পায়া তেখনে ৰসাতল পশিলা। পৃথিৱীক আনিতে বৰাহক দেখি হাস্য কৰি বোলয়, 'অহো কি অদ্ভুত, জলতো বৰাহ ফুৰে! আৰে তঞি পৃথিৱীক এড়, যাতো ব্ৰহ্মা আমাক দিয়াছন্ত। যদি নেড়স, তেবে তোৰ কুশল নাই। আমাক মাৰিতে তোক শত্ৰুসৱে পুষিছে। যি তঞি আমাক চুৰি কৰি জিনস, সেই মায়া তোৰ প্ৰাণ লৈয়া সুহৃদৰ শোক গুচাইবো।[১] মোৰ গদাৰ প্ৰহাৰে তঞি মৰিলে তোৰ সেৱক দেৱ-ঋষিসৱ নষ্ট হৈবেক।'

৬-১২ ] "ভগৱন্ত বৰাহে দৈত্যৰ বাক্য-প্ৰহাৰ পায়া দন্তৰ অগ্ৰত পৃথিৱীক ভীত দেখি জলৰপৰা উঠিলা, যেন গ্ৰাহক ভয়ে হস্তিনী সহিতে হস্তী উঠে। পাছে বৰাহে জলৰ উপৰত পৃথিৱী থাপিলা। দেৱসৱো শত্ৰুৰ আগতে পুষ্প-বৃষ্টি কৰিলা, 'জয় বৰাহ' বুলি তুতি

---

॥ অষ্টাদশ অধ্যায় ॥

বৰুণৰপৰা সন্ধান পাই হিৰণ্যাক্ষই পুনৰ নাৰদৰপৰা বৰাহ ৰসাতললৈ যোৱা কথা জানি পৃথিৱীৰ উদ্ধাৰৰত বৰাহক ৰসাতলত বিচাৰি উলিয়ালেগৈ। তাতে বৰাহ-হিৰণ্যাক্ষৰ যুদ্ধ আৰম্ভ হয়। সেই ভীষণ যুদ্ধ চাই থকা দেৱতা সকলৰ মনত আশঙ্কাৰ উৎপত্তি হৈছিল।

১ "যি চৌৰ্য্য-বৃত্তি অৱলম্বন কৰি যুদ্ধত জয়লাভ কৰে ( পৰোক্ষজিৎ ) আৰু মায়াৰে অসুৰ হত্যা কৰে, সেই বিষ্ণুৱেই কি তই ? আমাৰ পৰাভৱৰ কাৰণে শত্ৰুবোৰে তোক পুহিছে' হেৰ মূৰ্খ, তোৰ পৌৰুষ অল্প, যোগমায়াই মাথোন বল, তোক বিনাশ কৰি সুহৃদসকলৰ অশ্ৰু মোচন কৰোঁ।" (৩.১৮.৪)



কৰিলা। পাছে ক্ৰোধ কৰি দৈত্যক বোলন্ত, 'অৰে দৈত্য, যদি আমি বনৰ বৰাহ হঞ, তথাপি তোৰ সদৃশ কুকুৰক খেদি মাৰো। তঞি যদি বীৰ হস, তেৱে মোক মাৰি সুহৃদৰ শোক গুচাৱ।'

১৩-২৮ ] "বৰাহৰ এহি বাক্য শুনি হিৰণ্যাক্ষে মহা ক্ৰোধে গদায় প্ৰহাৰিল। তাকো বৰাহে শ্ৰম কৰি এড়াইলা। পুনু দৈত্য গদা ফুৰাইতে তাহাৰ দ্ৰুত বৰাহেয়ো গদা মাৰিলা। দৈত্যেয়ো গদায়ে গদাক মাৰিল। এমনে হিৰণ্যাক্ষে-বৰাহে অনেক দিন যুদ্ধ কৰিলা। গদাৰ প্ৰহাৰে দুইৰো অঙ্গ ভাগিল, শৰীৰৰো শোণিত বহিল। তথাপি ক্ৰোধত দুয়ো যুদ্ধ নেড়িল। তাক দেখি ঋষিগণ সমে ব্ৰহ্মা আসি বৰাহক বোলন্ত, 'হে ভগৱন্ত, ই দৈত্য গো-ব্ৰাহ্মণ, দেৱতা-বৈষ্ণৱ, সবাৰে অপকাৰী। আক কেহো যুঝন্তা নাই, যাতো আমাত বৰ পায়াছে। আৰো ই মহা মায়াবী। যাৱে ই আপুনাৰ বেলা পায়া নৈ বাঢ়ে, তাৱে সত্বৰে মাৰা। ইদানীক অভিজিৎ মুহূৰ্ত্ত[২] হয়াছে। এতেকে আপুনাৰ মায়া কৰি তাক মাৰি আমাৰ কুশল কৰা।"

শ্ৰীভাগৱতকথায়াং তৃতীয়স্কন্ধে অষ্টাদশোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ উদ্ধৃতা ধৰণী যেন লীলয়া জলসংপ্লুতা।
তং যজ্ঞতনুমীশানং প্ৰণমামি জনাৰ্দনম্ ॥ ১৮ ॥

---

২ অভিজিন্নাম যোগো মৌহূৰ্তিকঃ — মধ্যাহ্ন-স্বৰূপ শুভদ কাল।

## ॥ একোনবিংশ অধ্যায় ॥

### ॥ হিৰণ্যাক্ষ-বধ ॥

উনবিংশ অধ্যায়ে হিৰণ্যাক্ষ-বধ কহিবা।

১-১২ ] মৈত্ৰেয়ে কহন্ত, "ব্ৰহ্মাৰ বাক্য শুনি ভগৱন্ত বৰাহে হাস্য কৰি মহাবেগে দৈত্যক গদা প্ৰহাৰিলা। দৈত্যও গদায়ে গদাক প্ৰহাৰিল। সেই প্ৰহাৰে বৰাহৰ গদা মাটিত পৰিল। তেখনে ছিদ্ৰ পায়া দৈত্যে আউৰ প্ৰহাৰ নকৰিল ; কিন্তু ধৰ্ম্ম চায়া ক্ৰোধ তোলাই ৰহিল। বৰাহৰ হাতৰ গদা পৰিবাৰ দেখি দেৱগণে হাহাকাৰ কৰিলেক। বৰাহো 'ভয় নাই' বুলি দেৱক আশ্বাস কৰি সুদৰ্শন চক্ৰক স্মৰিলা। পাছে দেৱগণে ৰবাহৰ হাতত চক্ৰ দেখি 'তোমাৰ জয় হৌক' বুলি আশীৰ্ব্বাদ দিলা। দৈত্যে চক্ৰ ধৰিবাৰ দেখি ক্ৰোধে অধৰ কামুৰি চক্ষু পকাই চাই 'এহি কোবে মৰিলি' বুলি গদা হানিলেক। বৰাহো বায়ুবেগে গদাক বাম ভৰিয়ে লাথি মাৰিলা। পুনু দৈত্যে গদা মাৰিল। তাক বৰাহে লীলায়ে ধৰিলা। পাছে দৈত্যে অগ্নিসম ত্ৰিশূল হানিলেক। তাক বৰাহে পন্থতে কাটিলা চক্ৰ হানি। ত্ৰিশূল ছেদ দেখি দৈত্যে ক্ৰোধে খেদি আসি বৰাহৰ বক্ষস্থলত এক মুঠি মাৰি অন্তৰ্দ্ধান হৈল। তাৰ প্ৰহাৰে বৰাহে অল্পমাত্ৰ নকম্পিলা।

১৩-২৩ ] "পাছে দৈত্যে অনেক মায়া কৰিল ; যাক দেখি লোকে প্ৰলয় হৈল বুলি মানিল। প্ৰথমে ধূলায় অন্ধকাৰ কৰি প্ৰচণ্ড বায়ু বহিল। দশো দিশৰপৰা শিল পৰিল। মহা মেঘগণে পূঁজ-তেজ,

॥ একোনবিংশ অধ্যায় ॥

ব্ৰহ্মা আদিৰ প্ৰাৰ্থনা শুনি বৰাহ-ৰূপ ভগৱন্তই হিৰণ্যাক্ষক যুদ্ধত বধ কৰে।



কেশ, মল-মূত্ৰ বৰিষিল। পৰ্ব্বতসৱ দেখা দিল।[১] স্ত্ৰী সমে যক্ষ, ৰাক্ষসগণ 'মাৰ, মাৰ' বুলি খেদি আসিল। এমনে অনেক মায়া দেখি ভগৱন্ত বৰাহে সৰ্ব্ব-মায়া-নাশন সুদৰ্শন চক্ৰ মাৰিলা। তেখনে দৈত্যৰ সকল মায়া গুচিল।

২৪-২৯ ] "তাক দেখি হিৰণ্যাক্ষে বৰাহক খেদি আসি ধৰিবাক চায়া মুঠি হানিল। বৰাহো তাৰ কৰ্ণমূলত এক চাপৰ মাৰিলা। সেই চাপৰে দৈত্যৰ সকল শৰীৰ কম্পিল, চক্ষুও থিৰ হৈল, হাত-ভৰি মেলি পৰিল, যেন বায়ু লাগি বৰ বৃক্ষ ভাগি পৰিল। তাক দেখি ব্ৰহ্মাদি দেৱগণে প্ৰশংসি বোলয়, 'অহো, আৰ কি ভাগ্য! এমন মৰণ কাহাৰ হয়? যাক যোগীগণে মনে ধ্যান কৰে, সেই ভগৱন্তৰ মুখ দেখি ই দৈত্যে দেহ এড়িল, যাতো ই পূৰ্ব্বত পাৰিষদ আছিল, ব্ৰাহ্মণৰ শাপেসে অসুৰ হৈল, পুনু তিনি জন্মে বৈকুণ্ঠ যাইবেক।'

৩০-৩৮ ] "আবে বৰাহক স্তুতি বোলন্ত, 'হে ভগৱন্ত, যজ্ঞ-বিস্তাৰক, শুদ্ধসত্ত্ব-মূৰ্ত্তি, তোমাক নমস্কাৰ কৰো। জগতৰ অপকাৰী দৈত্যক বধি বৰ কাৰ্য্য সাধিলা। তোমাৰ চৰণ-সেৱায়ে আমিও সুখী হৈলো।'

মৈত্ৰেয়ে কহন্ত, "ভগৱন্ত বৰাহে এমনে হিৰণ্যাক্ষক বধি অখণ্ড উৎসৱে বৈকুণ্ঠক গৈলা। জানা বিদুৰ, মঞি গুৰু-মুখে যেমনে শুনিলো, তেমনে তোমাৰ আগত ইসৱ কথা কহিলো।"

সূতে বোলন্ত,—বিদুৰে মৈত্ৰেয়ৰ মুখে বৰাহৰ চৰিত্ৰ শুনি পৰম আনন্দ পাইলা, যাতো মহাভাগৱত হৰি-ভকতৰ কথা শুনি আনন্দ পান্ত, হৰি-কথা শুনি পাইবন্ত, তাক কি কহিবো। যি ভগৱন্ত ভক্তিমাত্ৰে পশুকো তাৰিছা, হেন ঈশ্বৰৰ স্মৰণমাত্ৰে সুখ-সেৱ্য ভগৱন্তক কোনে নভজিব? এই হিৰণ্যাক্ষ-বধ-লীলা যি শ্ৰৱণ কৰে, সি মহা-পাপক এড়াৰে, ইহলোকত মহাসুখে থাকি অনন্ত নাৰায়ণ গতি পাৱে।

১ পৰ্ব্বতবোৰে যেন নানা অস্ত্ৰ বৰ্ষণ কৰিছে, এনে প্ৰত্যয় হ'ল।

শ্ৰীভাগৱত-কথায়াং তৃতীয় স্কন্ধে ঊনবিংশোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ লীলয়া নিহতো যেন হিৰণ্যাক্ষো মহাবলঃ।
তৎকথাকথনেনৈৱ মুক্তিৰুক্তোনৱিংশকে ॥ ১৯ ॥

## ॥ বিংশ অধ্যায় ॥

### ॥ ব্ৰহ্মাৰ দেহত্যাগ সৃষ্টি ॥

বিংশ অধ্যায়ে ব্ৰহ্মাৰ দেহ-ত্যাগ সৃষ্টি কহিবা।

৯-১১ ] বিদুৰে পুছন্ত, "হে মৈত্ৰেয়, ব্ৰহ্মা প্ৰজাপতিসৱক স্ৰজি আউৰ কি কৰ্ম্ম কৰিলা? প্ৰজাপতিসৱে কেমনে জগত স্ৰজিলা, আক মোত কহিয়োক।"[১]

১৮-২১ ] মৈত্ৰেয়ে কহন্ত, "ব্ৰহ্মা অবিদ্যাৰ পাঞ্চ পৰ্ব্বা স্ৰজি[২] সি

---

॥ বিংশ অধ্যায় ॥

মাজতে বৰাহ অৱতাৰৰ কথা বৰ্ণনা কৰাৰ পিছত বিংশত পুনৰ তত্ত্বাদিৰ সৰ্গ অনুস্মৰণ কৰি মনুসকলৰ অন্বয় ক'বলৈ আৰম্ভ কৰা হৈছে।

বিদুৰৰ প্ৰশ্ন অনুসৰি দিয়া মৈত্ৰেয়ৰ তত্ত্ব-সৃষ্টিৰ বৰ্ণনা (১২-১৮ শ্লোক) ভট্টদেৱে এৰি গৈছে।

১ বিদুৰে প্ৰশ্ন কৰিছে, প্ৰজাপতি-পতি ব্ৰহ্মাই প্ৰজাসৰ্গ-বিষয়ত মৰীচি আদি প্ৰজাপতিসকলক সৃষ্টি কৰি কি কাম আৰম্ভিলে? মৰীচি আদি বিপ্ৰসকলে আৰু স্বায়ম্ভুৱ মনুৱে ব্ৰহ্মাৰ আদেশত কেনেকৈ জগত সৃষ্টি কৰিলে (কথমেতদভাৱয়ন্)?

২ মৈত্ৰেয়ই বিদুৰৰ প্ৰথম প্ৰশ্নৰ মাত্ৰ উত্তৰ বৰ্ত্তমান অধ্যায়ত দিছে; পোনতে যক্ষ আদিৰ সৃষ্টি বৰ্ণনা কৰিবলৈ গৈ তত্ত্ব-সৃষ্টিৰ কথা সোঁৱৰাই দিছে; তাৰ পিছত কৈছে, গৰ্ভোদকশায়ী ভগৱন্তৰ দ্বাৰা অনুৱিষ্ট হৈ নাৰায়ণৰ নাভি-



দেহ এড়িলা। সেই দেহে ৰাত্ৰি হৈল। তাত উদ্ভৱ যক্ষ ৰাক্ষসগণ ক্ষুধায়ে-তৃষায়ে পীড়িত হয়া ব্ৰহ্মাক খাইবাক প্ৰতি খেদি গৈল।[৩] তাক দেখি ভয়ে ব্ৰহ্মা বোলন্ত, 'তোৰা মোক নখাইবি, কিন্তু ৰাখিবা, যাতো মোৰ পুত্ৰ হয়াছা।'

২২-২৭ ] "পাছে ব্ৰহ্মা দেৱক স্ৰজি সি দেহ এড়িলা। সেই দেহে দিন হৈল। তাক দেৱগণে নিল।[৪]

"জঘনত হন্তে লোলুপ অসুৰসৱক স্ৰজিলা। তাৰা মৈথুনক লাগি ব্ৰহ্মাক খেদি গৈল। তাক দেখি পলাই গৈয়া হৰিত শৰণ পশি প্ৰাৰ্থন্ত, 'হে ভগৱন্ত, তুমি মোক ৰক্ষা কৰা, যাত তোমাৰ আজ্ঞায়ে প্ৰজা স্ৰজিতে পাপীসৱে মৈথুনক লাগি খেদি আসে। তুমিসে ভক্তৰ ক্লেশ হৰা, অভক্তক দুখ দিয়া।'

২৮-৩৭ ] "এহি প্ৰাৰ্থনা শুনি ভগৱন্ত দেহ এড়িবাক বুলিলা।

---

কমলৰপৰা জাত ব্ৰহ্মাই নাম-ৰূপাদিক্ৰমে (স্বয়া সংস্থয়া নামৰূপাদিক্ৰমেণ) লোক-সংস্থা নিৰ্ম্মাণ কৰিলে। তেওঁ পোনতে (অগ্ৰতঃ) ছায়াৰে (ছায়য়া) অৰ্থাৎ তমোময় শৰীৰৰপৰা (ছায়া প্ৰভাপ্ৰতিযোগিনী তয়া অবুদ্ধয়েত্যৰ্থঃ--শ্ৰী) পঞ্চগ্ৰন্থিযুক্ত অবিদ্যাক সৃষ্টি কৰিলে। দ্বাদশ অধ্যায়ৰ টোকা চাব।

৩ আগতে বৰ্ণোৱা মহদাদিৰ সাধাৰণ সৃষ্টিৰ কথা এৰি এতিয়া অসাধাৰণ সৃষ্টিৰ কথা কোৱা হৈছে। ব্ৰহ্মাই নিজৰ তমোময় শৰীৰ ভাল নেদেখি বিসৰ্জ্জন দিলে। সেই শৰীৰ ক্ষুধা-তৃষাৰ উদ্ভৱৰ স্থান ৰাত্ৰি হ'ল। সেই ৰাতিৰপৰা হোৱা যক্ষ আৰু ৰক্ষবোৰে ৰাতিক গ্ৰহণ কৰিলে। সেই যক্ষ-ৰক্ষবোৰে ক্ষুধা-তৃষ্ণাত ব্ৰহ্মাক খেদি খেদি "জক্ষধ্বম্" (খাই পেলা) আৰু "মা ৰক্ষত" (নাৰাখিবি) বুলি চিঞৰাত ব্ৰহ্মাই সিহঁতক ক্ৰমে যক্ষ আৰু ৰক্ষ নাম দিলে। তিৰ্য্যগাদি তামস সৃষ্টিৰ উপলক্ষণা এয়ে (শ্ৰী)।

৪ ব্ৰহ্মাই প্ৰভাৰে (প্ৰভয়া) অৰ্থাৎ জ্যোতিৰ্ম্ময় সাত্ত্বিকী তনুৰে দেৱ-সকলক সৃষ্টি কৰিলে। দেৱসকলে ব্ৰহ্মাৰ পৰিত্যক্ত দিৱস-ৰূপ সেই প্ৰভাময় তনু গ্ৰহণ কৰিলে।

হৰিৰ বচনে তেখনে সি দেহ এড়িলা। সেই দেহে সায়ংসন্ধ্যা ভৈল। তাক দেখি পৰম সুন্দৰী নাৰী মানি অসুৰসব মোহ হৈল।[5]

৩৮-৩৯ ] "হাস্য কৰি গন্ধৰ্ব্ব অপ্সৰাগণ স্ৰজি সি দেহ এড়িল। সেই কান্তি-শৰীৰক তাৰা মহাৰঙ্গে নিল।[6]

৪০-৪১ ] "আলাস কৰি ভূত-প্ৰেত-পিশাচগণ স্ৰজিলা। তাৰাক দিগম্বৰ, মুক্তকেশ দেখি চক্ষু ঝপাই সি দেহ এড়িলা। সেই আলাস-নিদ্ৰা-হাসি-উন্মাদ দেহক ভূতগণে খুজি নিল।[7]

---

৫ ভগৱন্তই ব্ৰহ্মাক কামকলুষিত স্বতনু ত্যাগ কৰিবলৈ কোৱাত ব্ৰহ্মাই তাকে কৰিলে। সেই পৰিত্যক্ত তনু সায়ন্তনী সন্ধ্যা হ'ল। সন্ধ্যা কামোদ্ৰেকৰ সময়, আৰু অসুৰবোৰো ৰজঃপ্ৰধান বাবে স্ত্ৰীলম্পট কাৰণে সন্ধ্যাকে নাৰী-ৰূপে কল্পনা কৰি সম্মোহ-প্ৰাপ্ত হ'ল আৰু বিমূঢ়বুদ্ধি হৈ গ্ৰহণ কৰিলে।

শ্ৰীধৰস্বামীয়ে কৈছে,—সৰ্ব্বত্ৰ তনুত্যাগো নাম তত্তন্মনোভাৱত্যাগো ৱিৱক্ষিতঃ। গ্ৰহণং তত্তদ্ভাৱাপত্তিৰিতি দ্ৰষ্টৱ্যম্ (৩. ২০. ২৮)।—বৰ্ত্তমান বৰ্ণনাৰ সকলো ঠাইতে মনোভাৱ ত্যাগকে তনুত্যাগ আৰু সেই ভাব-গ্ৰহণকে তনু গ্ৰহণ কৰা বুলি বুজিব লাগে।

৬ ব্ৰহ্মাই গভীৰ হাস্য কৰি নিজে নিজকে ঘ্ৰাণ কৰি সৌন্দৰ্য্যৰ দ্বাৰা (কান্ত্যা) গন্ধৰ্ব্ব আৰু অপ্সৰাসকল সৃষ্টি কৰিলে। শ্ৰীধৰে কৈছে, প্ৰহসনমাত্মাৱঘ্ৰাণং চ সৌন্দৰ্যানুভাৱচাতুৰ্যৱিকাৰঃ। তাৰ পিছত ব্ৰহ্মাই সেই কান্তিমতী জ্যোৎস্না-ৰূপা তনু ত্যাগ কৰিলে, আৰু তাকে বিশ্বাবসু আদি গন্ধৰ্ব্ব-অপ্সৰাসকলে প্ৰীতিৰে গ্ৰহণ কৰিলে।

৭ ব্ৰহ্মাই নিজৰ আলস্যৰ দ্বাৰা (আত্মতন্দ্ৰিণা) ভূত-পিশাচবোৰ স্ৰজিলে কিন্তু সিহঁতক নঙঠা আৰু আউল-জাউল চুলিৰে দেখা পাই চকু মুদি ব্ৰহ্মাই সেই হাসি নামৰ বা জৃম্ভণ-ৰূপ তনু (জৃম্ভণাখ্যাং তনুং) ত্যাগ কৰাত তাক ভূত-পিশাচবোৰে গ্ৰহণ কৰিলে। যিহৰপৰা প্ৰাণীবোৰৰ ইন্দ্ৰিয়ৰ বিবশ ভাব হয়, সেয়ে নিদ্ৰা। যি ইন্দ্ৰিয়-বিক্লেদৰ হেতুকে সৎপুৰুষকো ভূতাদিগণে ভ্ৰান্ত কৰে তাকে উন্মাদ বোলে। তন্দ্ৰা, জৃম্ভা, নিদ্ৰা আৰু উন্মাদ হেতুকে ভূত-পিশাচৰ আৰু সিহঁতৰ শৰীৰৰ চাৰিপ্ৰকাৰ ভেদ হয় বুলি কয়।



৪২-৪৩ ] "পৰোক্ষে সাধ্যগণ, পিতৃগণ স্ৰজি সি দেহ এড়িলা। সি তাৱায়ে পাইলা।[8]

৪৪ ] "অন্তৰ্দ্ধান হৈয়া সিদ্ধ-বিদ্যাধৰগণ স্ৰজি সি দেহ তাৰাক দিলা।[9]

৪৫-৪৬ ] "আপুনাৰ প্ৰতিবিম্ব দেখি কিন্নৰ-কিম্পুৰুষগণ স্ৰজি সি দেহ এড়িলা। তাৰায়ো সি দেহ নিল।[10]

৪৭-৪৮ ] "সৃষ্টিৰ বৃদ্ধি নেদেখি চিন্তায় শুয়া দি দেহ এড়িলা, তাৰ কেশ হন্তে ছোট সৰ্পগণ হৈল, হাত-ভৰিত হন্তে বড় বড় সৰ্প হৈল, উৰু-গল হন্তে নাগগণ হৈল।[11] সকল ঠাই ব্ৰহ্মাৰ ভাব-ত্যাগকে দেহ-ত্যাগ বুঝিবা।

---

৮ ব্ৰহ্মাই নিজকে বলবান মানি অদৃশ্য ৰূপৰ দ্বাৰা (পৰোক্ষেণ) সাধ্য আৰু পিতৃসকলক স্ৰজিলে। তেওঁলোকে নিজৰ জন্মদাতা সেই অদৃশ্য ৰূপকে পালে। সেই ৰূপকে সম্প্ৰদানৰ নিমিত্ত কৰি কৰ্ম্মকোৱিদসকলে স্বপিতৃ-ৰূপে সাধ্য-পিতৃসকললৈ শ্ৰাদ্ধাদিৰে হব্য-কব্য আগ বঢ়ায় (সাধ্যেভ্যশ্চ পিতৃভ্যশ্চ কৱয়ো ৱিতন্বতে)।

৯ ব্ৰহ্মাই অন্তৰ্দ্ধান-শক্তিৰ দ্বাৰা (তিৰোধানেন দৃশ্যত্বে সত্যপ্যন্তৰ্ধানশক্ত্যা) সিদ্ধ-বিদ্যাধৰসকল স্ৰজি নিজৰ সেই অন্তৰ্দ্ধান-ৰূপ অদ্ভুত তনু তেওঁলোকক দিলে।

১০ ব্ৰহ্মাই নিজৰ প্ৰতিবিম্ব (আত্মভাসং) দেখি নিজকে নিজে সুন্দৰ মানি সেই প্ৰতিবিম্বৰূপৰ দ্বাৰা (প্ৰতিবিম্বেন) কিন্নৰ-কিম্পুৰুষসকলক স্ৰজিলে। ব্ৰহ্মাই সেই ৰূপ পৰিত্যাগ কৰাত তেওঁলোকে তাক ল'লে আৰু উষাসময়ত সদায় যোৰা পাতি (মিথুনীভূয়) ব্ৰহ্মাৰ কীৰ্ত্তি গান কৰে। শ্ৰীধৰে কৈছে,—প্ৰতিবিম্বদৰ্শিনঃ সুন্দৰস্য শিৰঃকম্পাদিকষ্টা অতএৱ তৎস্ৰষ্টানাং মিথঃ সম্মাননেন নিত্যং মিথুনীভাৱঃ।

১১ সৃষ্টিৰ বৃদ্ধি নেদেখি ব্ৰহ্মাই বহুত চিন্তাত পাদাদিপ্ৰসৰণযুক্ত শৰীৰেৰে (দেহেন ৱৈ ভোগৱতা) শুই থকাত সেই লম্ববান বপু ত্যাগ কৰিলে। সেই দেহৰ সৰি পৰা চুলিৰপৰা অহিবিলাক হ'ল, ভৰি আদি কোঁচাই যোৱাৰপৰা (প্ৰসৰ্পতঃ) সৰ্পবিলাক আৰু নাগবিলাক হ'ল।

৪৯-৫৩ ] "পাছে আপুনাক কৃতকৃত্য মানি মনুগণ স্ৰজিলা। তাৰাকে আপুনাৰ পুৰুষ দেহ দিলা।[১২]

"তপ-জপ যোগী-ঋষিসৱ স্ৰজিলা। তাৰাকো তপ আদি-যুক্ত দেহৰ একো একো ভাগ দিলা।"[১৩]

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে বিংশোঽধ্যায়ঃ ॥

আক জানি সৱ লোকে হৰি বোল হৰি ॥

॥ শ্লোক ॥ যৎপ্ৰসাদাত্তনুং ত্যক্ত্বা স্ৰষ্টা বহুবিধাঃ প্ৰজাঃ।
ৱিধাত্ৰা তমহং ৱন্দে স্বচ্ছন্দোপাত্তৱিগ্ৰহম্ ॥ ২০ ॥

---

১২ ব্ৰহ্মাই নিজকে কৃতাৰ্থ মানি মনেৰে ( মনসা ) লোক-ভাৱন মনুসকলক স্ৰজিলে। তেওঁ নিজৰ পুৰুষাকাৰ দেহ ( পুৰং পুৰুষং ) এৰি তেওঁলোকক দিলে। আগতে সৃষ্টসকলে মনুসকলক দেখি ব্ৰহ্মাক প্ৰশংসা কৰিলে 'হে স্ৰষ্টা, যি কৰিলা, ভাল কৰিলা, মনুসকলৰ সৃষ্টিত অগ্নিহোত্ৰাদি ক্ৰিয়া প্ৰতিষ্ঠিত হ'ব আৰু তেওঁলোকৰ লগত আমি হবিৰ্ভাগাদি খাম।'

১৩ শেষত ব্ৰহ্মাই তপস্যা, উপাসনা, যোগ, বৈৰাগ্যাদিযুক্ত সমাধিৰে ( তপসা ৱিদ্যয়া যুক্তো যোগে সুসমাধিনা ) ঋষিসকলক স্ৰজি তেওঁলোকক সমাধি-যোগ-ঐশ্বৰ্য্য ( ঋদ্ধি ), তপ, বিদ্যা আৰু বিৰক্তি-যুক্ত দেহৰ একো একো ভাগ দিলে।

## ॥ একবিংশ অধ্যায় ॥

**॥ কৰ্দ্দম ঋষিৰ তপস্যা, ভগৱন্ত-স্তুতি আৰু বিৱাহ-প্ৰসঙ্গ ॥**

একবিংশে কৰ্দ্দমৰ তপ, স্তুতি, বিবাহৰো প্ৰসঙ্গ কহিবা।

১-৫ ] বিদুৰে পুছন্ত, "হে মৈত্ৰেয়, স্বায়ম্ভুৱ মনুৰ পুত্ৰ-দুহিতৃৰ বংশচৰিত্ৰ কহ।"

৬-১১ ] মৈত্ৰেয়ে কহন্ত, "প্ৰথমে মনুৰ দুহিতা দেৱহূতিৰ চৰিত্ৰ শুনা। ব্ৰহ্মাৰ পুত্ৰ কৰ্দ্দম ঋষি পিতৃৰ আজ্ঞায় প্ৰজা স্ৰজিতে দশ হাজাৰ বৎসৰ তপ কৰি হৰিক ভজিলা। পাছে ভগৱন্তে তুষ্ট হয়া গৰুড়ৰ কন্ধত উঠি তাক দেখা দিলা: সূৰ্য্যৰ সম শৰীৰৰ কান্তি, নিৰ্ম্মল বসন, কিৰীটি-কুণ্ডল আদি অলঙ্কাৰে মণ্ডিত, বক্ষস্থলত লক্ষ্মী প্ৰকাশে, শ্ৰীৱৎস-কৌস্তুভ আছে, সদায়ে হাস্য-কটাক্ষে মনত আনন্দ কৰান্ত।

১২-২১ ] "এহিমতে কৰ্দ্দম ঋষি ভগৱন্তক দেখি দণ্ডৱতে প্ৰণাম কৰি মহা আনন্দে অঞ্জলি কৰি স্তুতি বোলন্ত, 'হে ভগৱন্ত, যাক দেখিতে যোগীগণে অনেক জন্মে যোগ অভ্যাসি প্ৰাৰ্থনা কৰে, সেই তোমাক দেখি চক্ষু মোৰ সাফল হৈল। হে ঈশ্বৰ, সংসাৰ-তাৰণ তোমাৰ পাদপদ্মক যি সকামে উপাসা কৰে, সি তোমাৰ মায়ায়ে মোহিত হৈল। তথাপি মঞি দুৰ্ব্বুদ্ধি কন্যাক আশায় তোমাৰ চৰণ ভজিলো, যাতো ব্ৰহ্মাৰ বাক্যে বদ্ধ হয়া কালক ভয় কৰ্ম্ম কৰিতে চাঞো।[১]

---

॥ একবিংশ অধ্যায় ॥

এই অধ্যায়ত প্ৰজাপতি কৰ্দ্দমৰ তপস্যাত তুষ্ট হৈ বিষ্ণুৱে স্বায়ম্ভুৱ মনুৰ কন্যা দেৱহূতিৰ লগত ঋষিৰ বিয়া পাতি দিছে।

১ ৱহামি বলিঞ্চ শুক্লানিমিষায় তুভ্যম্ ( ৩. ২১. ১৬ )—হে শুদ্ধসত্ত্বমূৰ্ত্তি, মই কালাত্মা তোমাৰ ( অনিমিষায় তুভ্যম্ ) কৰ্ম্মময়ী আজ্ঞা পালন কৰিম ( ৱহামি বলিঞ্চ কৰ্মময়ীং ত্বদাজ্ঞামনুৱৰ্তে—শ্ৰী )।

যাৰা সৱাকে এৰি তোমাৰ চৰণত শৰণ পশি অন্যোঅন্যে প্ৰীতি কৰি তোমাৰ গুণক শ্ৰৱণ-কীৰ্ত্তন কৰে, তাৰাক কাল-চক্ৰে জগৎনাশ কৰন্তেও কিছো নকৰে।[২] এতেকে তোমাৰ ভক্তক সম্পত্তি দিবাক ইছা নাই। তথাপি আমাক কৃপায় দিয়া। সেই ভক্তি-মুক্তি-দাতা তোমাক নমো।'

২২-৩২ ] "ভগৱন্তে বোলন্ত, "হে ঋষি, তুমি মোক যি নিমিত্তে এতকাল পূজা কৰা তাক জানি আগে কৰিছো, যাতো মোৰ ভজন কদাচিতো ব্যৰ্থ নহে।[৩] ব্ৰহ্মাৰ পুত্ৰ স্বায়ম্ভুৱ মনু সাতো দ্বীপৰ ৰাজা ব্ৰহ্মাৱৰ্ত্ত দেশত আছে। সেই ৰাজা মহিষী সহিতে আপুনাৰ কন্যা লৈয়া তোমাক দেখিতে পৰশুই দিনা আসিবা, এঠাইতে পৰম সুন্দৰী মহাগুণৱতী দেৱহূতি কন্যাক তোমাক বিৱাহ দিবা, যাত তোমাৰ হন্তে নৱ কন্যা[৪] হৈব। পাছে ময়ো অৱতাৰ হুয়া সাংখ্য কহিবো।[৫] তুমি গৃহস্থ-ধৰ্ম্মত সকল কৰ্ম্ম মোত অৰ্পিয়া ভূত-দায়া কৰিবা। পাছে সন্ন্যাস লৈয়া মোক চিন্তিবা।"

২ নিষ্কাম ভক্তসকলক প্ৰশংসা কৰি তেওঁলোকযে কালৰ অধীন নহয়, এই কথাকে কোৱা হৈছে।—হে ভগৱন্ত, তোমাৰ ব্ৰহ্ম-ৰূপ ৰথত ঘুৰি থকা ( অজৰাক্ষভ্ৰমিঃ ), তেৰ মাহৰ ( মলমাসে সৈতে ), তেৰ অৰ ( spoke ) লগা, ( ত্ৰয়োদশাৰম্ ), তিনি শ ছয়ষষ্টি অহোৰাত্ৰ-ৰূপ পৰ্ব্ব থকা ( ত্ৰিশতষষ্টিপৰ্ৱ ), ছয় ঋতুৰূপ পৰিধি থকা ( ষণ্নেমি ), ক্ষণ আদি অশেষ ধাৰ-যুক্ত পাত লগা ( অনন্তচ্ছদি ), চাতুৰ্মাস্য-ৰূপ তিনি নাভি থকা ( ত্ৰিনাভি ), কৰালস্ৰোতা যি সম্বৎসৰ-ৰূপ কালচক্ৰ আছে, সি জগতক আক্ৰমণ কৰি লৰি থাকোঁতেও নিষ্কাম ভক্তৰ আয়ু আক্ৰমণ নকৰে।

৩ ন বৈ জাতু মৃষৈৱ স্যাৎ প্ৰজাধ্যক্ষ! মদৰ্হণম্ ( ৩. ২১. ২৪ )।

৪ কৰ্দ্দম আৰু দেৱহূতিৰ নৱ কন্যা—কলা, অনসূয়া, শ্ৰদ্ধা, হৱিৰ্ভূ, গতি, ক্ৰিয়া, খ্যাতি, অৰুন্ধতী আৰু শান্তি।

৫ ভগৱন্তই কপিল অৱতাৰৰ কথা কৈছে,—তৱ ক্ষেত্ৰে দেৱহূত্যাং প্ৰণেষ্যে তত্ত্বসংহিতাম্ ( ৩. ২১. ৩২ )।



৩৩-৫৬ ] মৈত্ৰেয়ে কহন্ত, "ভগৱন্ত কৰ্দ্দমক এহি বাক্য বুলি গৰুড়ৰ কন্ধে বৈকুণ্ঠক গৈলা। পাছে কৰ্দ্দমে সেই বিন্দু-সৰোবৰত[৬] ভগৱন্তৰ চৰণ অপেক্ষা কৰি ৰহিলা। মনুও সুৱৰ্ণ-মণ্ডিত ৰথত চড়ি ভাৰ্য্যা-কন্যা সমে সেই দিনা তান আশ্ৰমক আসিলা, যাত হৰিৰ হৰিষ-লোতক পৰিছে, যাক সৰস্বতী নদী আৱৰিছে, যাৰ পুণ্য জলক ঋষিগণে সেৱা কৰে, যাত নানাবিধ বৃক্ষ লতাসৱ আছে, অনেক পশু-পক্ষী সৱো আছে, মনু সেই আশ্ৰমত পশি পৰম সুন্দৰ তপস্বী ঋষিক দেখি নমস্কাৰ কৰিলা। ঋষিও আশীৰ্ব্বাদ কৰি যথাসাধ্যে সতকাৰ কৰি হৰিৰ বচন সুমৰি বোলন্ত, 'হে মহাৰাজা, তুমি ৰথত চড়ি ধনুশৰ ধৰি চতুৰঙ্গ সেনা সহিতে লোক-ৰক্ষাৰ অৰ্থে ফুৰা প্ৰসঙ্গতেসে মোৰ আশ্ৰমক আসিলা। তথাপি পুছা, মোত যি কাৰ্য্য থাকে তাকে কহা, মঞি তাক অকপটে কৰিম ॥'

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে একবিংশোঽধ্যায়ঃ ॥

আৰু জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ হিৱায় কামান্ হৰিপাদসংশ্ৰয়ান্ সৎসঙ্গতো কৃষ্ণকথানিমগ্নান্।
ন কালচক্ৰং গ্ৰসতে কদাচিদিত্যেকবিংশে সমুদীৰিতং মুদা ॥২১॥

৬ সৰস্বতী নদীৰ দ্বাৰা পৰিৱেষ্টিত বিন্দুসৰোবৰৰ গাৰত কৰ্দ্দম মুনিৰ আশ্ৰম। কৰ্দ্দমৰ প্ৰতি কৃপা উপস্থিত হোৱাত ইয়াত ভগৱন্তৰ আনন্দ-লোতক পৰিছিল বুলিয়ে আশ্ৰমৰ বিন্দুসৰঃ নাম হৈছিল।

## ॥ দ্বাবিংশ অধ্যায় ॥

### ॥ কৰ্দ্দম আৰু দেৱহূতিৰ বিৱাহ ॥

দ্বাবিংশ অধ্যায়ত দেৱহূতিৰ বিৱাহ মনুৰো চৰিত্ৰ কহিবা।

১-১৪ ] মৈত্ৰেয়ে কহন্ত, "কৰ্দ্দমৰ বাক্য শুনি মনু বোলন্ত 'হে ব্ৰাহ্মণ, ভগৱন্তে আপুনাৰ মুখ হন্তে তোৰা বেদবিদ্ ব্ৰাহ্মণক স্ৰজিলা। তাক ৰাখিবাক লাগি বাহুত হন্তে আমি ক্ষত্ৰিয়ক স্ৰজিলা। তাক তোৰা আমাত সম্বন্ধ কৰিলে কিছো দোষ নাই। এতেকে মঞি গোচৰ কৰো, আমাৰ এই কন্যাখানি তুমি বিৱাহ কৰা, যাতো নাৰদৰ মুখে তোমাৰ ৰূপ-গুণ শুনি মনে বৰি আছে, মঞি শ্ৰদ্ধায়ে দেঞ; তোমাৰো সকলমতে যোগ্য হয়। যাতো নিষ্কামীজনো অযাচিত বস্তু পাইলে নেৰে, সকামী নেৰিবে, তাক কি বুলিম? যি আগে দিলেও নলৱে, পাছে তাক খোজে, এতেকে তাৰ সকল মান্য-যশ গুচে। তুমি পুনু বিৱাহ কৰিবা হেন শুনি আছো। এতেকে মঞি যাচি কন্যা দেঞ; বিৱাহ কৰা।'

১৫-২০ ] "কৰ্দ্দমে বোলন্ত, 'ভাল, অৱশ্যে মঞি বিৱাহ কৰিম। মোৰো ইছা আছে, কন্যায়ো বৰিছে। ই কন্যাক কোনে নাদৰিব, যাৰ দেহৰ কান্তিয়ে অলঙ্কাৰৰ কান্তিক দূৰ কৰে, যাক দেখি বিশ্বাবসু গন্ধৰ্ব্বো মোহ হয়াছে[1]? কন্যাও উত্তমা, মনুৰ দুহিতা, প্ৰিয়ব্ৰতৰ

॥ দ্বাবিংশ অধ্যায় ॥

কৰ্দ্দম প্ৰজাপতি আৰু মনু-কন্যা দেৱহূতিৰ বিয়া বৰ্ণনা কৰি লগতে মনুৰ কথাও কোৱা হৈছে।

১ এদিনাখন দেৱহূতিয়ে ৰাজহৰ্ম্ম্যৰ ওপৰত কন্দুক খেলি আছিল। উৎক্ষিপ্ত কন্দুকৰ প্ৰতি নিক্ষিপ্ত নেত্ৰদ্বয় চঞ্চল হৈ উঠিছিল, আৰু চৰণ দুটিও নূপুৰৰ ধ্বনিৰে মুখৰ হৈ পৰিছিল। গন্ধৰ্ব্ব বিশ্বাবসুৱে ওপৰৰপৰা এনে ৰূপত দেৱহূতিক দেখি বিমূঢ়চিত্ত অৱস্থাত নিজৰ বিমানৰপৰা পৃথিৱীলৈ বাগৰি পৰে।



উত্তানপাদৰ ভগিনী। তাঙ্ক অযত্নে পায়া কোনে বিৱাহ নকৰিব? কিন্তু একখানি নিৰ্ব্বন্ধ কৰো: যাৱে আহান পুত্ৰ নহৱে, তাৱে গৃহত থাকিম। পাছে হৰিৰ আজ্ঞায় সন্যাস লৈবো।' "

২১-২৭ ] মৈত্ৰেয়ে কহন্ত, "কৰ্দ্দমে এহি বাক্য বুলি মৌন হয়া হৰিক চিন্তি ৰহিলা। মনুও অভিপ্ৰায় বুঝি মহিষী সহিতে মহাৰঙ্গে কন্যা বিৱাহ দিলা। শতৰূপায়ো অনেক যৌতক বস্ত্ৰ-অলঙ্কাৰ দিলা। সদৃশ বৰত কন্যা দিয়া মনু নিচিন্ত-মন হৈলা। পাছে ঝিউ জাঞাইক সম্বুদ্ধি অনুজ্ঞা লৈয়া সপৰিয়াৰে দেশে গৈলা।

২৮-৩৯ ] "ৰাজা আসিবাৰ জানি প্ৰজাসৱো পঞ্চম শব্দ কৰি মহা আনন্দে আগ বাঢ়ি গৈলা। পাছে আপুনাৰ পুৰী বৰ্হিষ্মতীক প্ৰৱেশিলা, যাত যজ্ঞ-বৰাহৰ লোম পৰি আছে, সেই লোমে কুশ, কাশি হৈল, যাক লৈয়া ঋষিসৱে যজ্ঞ কৰি হৰিক যজন্ত[2]। পাছে আপুনাৰ গৃহত পশি ধৰ্ম্ম ৰাখি অনেক বিষয় ভোগ কৰিলা, যজ্ঞ কৰি হৰিক যজিলা। ইছায়ে বিষয় ভোগেও তাঙ্ক সংসাৰী কৰিতে নপাৰিল, যাতো হৰিৰ শৰণ লৈয়া প্ৰত্যেক দিনে প্ৰভাতত শ্ৰদ্ধায়ে হৰি-কথা শুনিলা, মনতো চিন্তিলা, আপুনিও কৰিলা। এমনে হৰি-কথাৰ প্ৰসঙ্গে তিনি গুণৰ বৃত্তি জিনি একাত্তৰি যুগ গঞাইলা[3], যাতো হৰিৰ একান্ত ভক্তক তিনিও তাপে বাধা নকৰে। জানা বিদুৰ, প্ৰসঙ্গত মনুৰ চৰিত্ৰ কহিলো; আৱে দেৱহূতিৰ কথা শুনা।"

২ মনুৰ ৰাজধানীৰ নাম বৰ্হিষ্মতী। ইয়াত শৰীৰ-কম্পনৰ হেতুকে যজ্ঞ-বৰাহৰ লোম সৰি পৰি কুশ আৰু কাহি (কহুৱা) বন হয়, আৰু তাৰে বৰ্হি অৰ্থাৎ আস্তৰণ কৰি স্বায়ম্ভুৱ মনুৱে যজ্ঞ-পুৰুষক যজিছিল বাবে ঠাইডোখৰৰ নাম বৰ্হিষ্মতী হয়।

৩ স্বায়ম্ভুৱ মনুৱে বাসুদেৱ-প্ৰসঙ্গৰ গুণত গুণত্ৰয়ৰ গতি অতিক্ৰমি নিজৰ অধিকাৰকাল অৰ্থাৎ এক মন্বন্তৰ বা এসত্তৰ যুগ নিয়ালে (স এৱং স্বান্তৰং নিন্যে যুগানামেকসপ্ততিম্)।

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে দ্বাৱিংশোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ কামভোগাস্তথা তাপা ভগৱৎপাদসংশ্ৰয়ং।
নৈৰাভিভৱিতুং শক্তা ইতি দ্বাৱিংশকে স্থিতম্ ॥ ২২ ॥

## ॥ ত্ৰয়োবিংশ অধ্যায় ॥

### ॥ কৰ্দ্দমৰ গৃহাশ্ৰম ॥

ত্ৰয়োবিংশ অধ্যায়ে কৰ্দ্দমৰ গৃহাশ্ৰম কহিবা।

১-৮ ] মৈত্ৰেয়ে কহন্ত, "পিতৃ গৃহক গৈলে দেৱহূতি স্বামীৰ ইঙ্গিত বুজি সাৱধানে শুদ্ধভাৱে শুশ্ৰূষা কৰিলা। সেৱাত তুষ্ট হৈয়া কৰ্দ্দমে বোলন্ত, 'হে দেৱহূতি, তোমাৰ সেৱাত মঞি তুষ্ট হৈলো, যাতো মোৰ অৰ্থে দেহৰ সুখকো নচাহিলা। এতেকে ভগৱন্তৰ কৃপাত মোৰ অবিনাশী যোগ-সম্পত্তিসৱ তোমাক দিবো[১], যাক পায়া তুমি মহাসুখে দিব্য ভোগ কৰিবা।'

৯-১১ ] "দেৱহূতি বোলন্ত, 'হে দ্বিজোত্তম, তুমিযে সম্পত্তি দিবাক পাৰা, তাক মঞি জানো। কিন্তু পুত্ৰৰ অৰ্থে তোমাৰ-আমাৰ অঙ্গ-সঙ্গ হোক। তাক লাগি গৃহাদি নিৰ্ম্মাণ কৰা। তেৱে স্নান-পান-ভোজনে মহা ৰঙ্গ হয়া কাম-কেলি কৰিম।' "

১১-২৩ ] মৈত্ৰেয়ে কহন্ত, "পত্নীৰ প্ৰীতি-ইচ্ছায় কৰ্দ্দম ঋষি যোগ-বলে তেখনে দিব্য বিমান কৰিলা, যাত সকল সম্পত্তি আছে, যাত সকল বাঞ্ছিত বস্তু পাই। দেৱহূতি এমন বিমান দেখিয়া দাসীগণ নেদেখি মন সন্তোষ নহৈল[২]। তাক জানি কৰ্দ্দমে বোলন্ত, 'হে দেৱহূতি, তুমি এই তীৰ্থত[৩] স্নান কৰি বিমানত উঠা। ই তীৰ্থ হৰি কৰিছা, যাত স্নানিলে সকল কামনা সিঝে।'

২৪-২৯ ] "পাছে দেৱহূতি স্বামীৰ বচনে বিৱৰ্ণ দেহে জলত নামিলা। জলত দেখন্ত, গৃহত সহস্ৰ পদ্মিনী কন্যা আছে। তাৰাও তাঙ্ক দেখি তেখনে উঠি অঞ্জলি কৰি বোলয়, "আমি কিঙ্কৰী ; যি লাগে আজ্ঞা কৰা।' পাছে তাৰা তাঙ্ক উত্তমমতে স্নান কৰাই বস্ত্ৰ-অলঙ্কাৰ পিন্ধাইল, পঞ্চামৃতে ভোজন কৰাই কৰ্পূৰ-তাম্বূল দিল।

৩০-৪৩ ] "পাছে দেৱহূতি দৰ্পণত আপুনাৰ সুন্দৰ ৰূপ দেখি স্বামীক মনত চিন্তিলা। তেখনে তাহান সমীপতে আপুনাক দেখিলা। এমনে ঋষিৰ যোগ-মহিমা দেখি মনত বিস্ময় হৈলা। কৰ্দ্দমেও দেৱহূতিক দেখি ভাৰ্য্যা সমে বিমানত উঠিলা। সেই বিমানত বিদ্যাধৰীগণে-সেৱিত হুয়া দেৱৰ ক্ৰীড়া-স্থানসৱত ফুৰিলা ; বৈশ্ৰম্ভক, সুৰসন, নন্দন, পুষ্পভদ্ৰক, চৈত্ৰৰথ্য-বনতো ৰমিলা ; মানস-সৰোবৰত ক্ৰীড়া কৰিলা ; কামগ বিমানে দেৱহূতিক সকল ভূমণ্ডল দেখাই আপুনাৰ আশ্ৰমক আসিলা। হে বিদুৰ, কৰ্দ্দমৰ ঐশ্বৰ্য্যক আচৰ্য্য নেদেখিবা, যাতো যাৰা হৰি-চৰণক আশ্ৰয় কৰিছা, তাৰাৰ কিছো দুৰ্লভ নাই।

---

॥ ত্ৰয়োবিংশ অধ্যায় ॥

যোগশক্তিৰ দ্বাৰা নিৰ্ম্মিত সৰ্ব্বসম্পত্তিযুক্ত বিমানত উঠি কৰ্দ্দম আৰু দেৱহূতিয়ে ৰতিক্ৰীড়া কৰি ফুৰে। তেওঁলোক দুইৰো নজনী ছোৱালী একেলগে ওপজে।

১ কৰ্দ্দমে তপ, সমাধি, বিদ্যা, আত্মযোগৰ দ্বাৰা ভগৱদাৰাধনাৰপৰা পোৱা দিব্য আৰু কাল-শক্তিৰ প্ৰভাৱতো অবিনষ্ট বিভৱসমূহ সিদ্ধা দেৱহূতিক দান কৰিলে।

২ সকলো সম্পত্তি-যুক্ত বিমান-গৃহ দেৱহূতিয়ে বৰ সন্তোষ মনেৰে নাচালে (পশ্যন্তীং নাতিপ্ৰীতেন চেতসা—২২ শ্লোক ; নাতিপ্ৰীতেন মলিনদেহত্বাৎ পৰিচাৰিকাভাৱাচ্চ—শ্ৰী)। সৰ্ব্বভূতাশয়াভিজ্ঞ কৰ্দ্দমে সেই কথা বুজিলে।

৩ এই তীৰ্থত — বিন্দু-সৰোবৰত।

৪৪-৫৭ ] "এমনে কর্দ্দম-দেৱহূতিৰ আনন্দতে অনেক বৎসৰ নিমিষ হেন গৈল। পাছে ঋষি ভার্য্যাত গর্ভাধান কৰিলা। দেৱহূতিও একে-দিনে নৱ কন্যা প্রসৱিলা। সৱে পদ্মগন্ধী, সর্ব্বাঙ্গসুন্দৰী ভৈলা। পাছে দেৱহূতি মুনিক সন্ন্যাসী হৈবন্ত দেখি মনত বিষাদে কান্দিয়া বোলন্ত, 'হে স্বামী, তুমি আপুনাৰ অঙ্গীকাৰ সৱে পূৰিলা; তথাপি মোক অভয় দিবাক লাগে, যাতে তোমাত শৰণ পশিছো। তোমাৰ দুহিতা-সৱে অৱশ্যে সমান পতিক বৰিব। তুমি বনক গৈলে কোনে মোৰ শোক দূৰ কৰিবেক ? হৰি-ভক্তি বিনে বিষয়-ভোগত এতকাল ব্যৰ্থে গৈল। ভোগ-আশায়েসে তোমাক পতি কৰিলো, মহা মহন্ত বুলি নজানিলো। তথাপি, মোক অভয় দিয়া, যাতো সাধু-সঙ্গত বিষয়-সঙ্গো মোক্ষ সাধে। হৰি-ভক্তি নকৰিলে পুৰুষক জীৱন্তে শৱ বুলি। ময়ো তেমনে হৰিৰ মায়ায়ে বঞ্চিত হয়া তুমি হেন মহন্তক পায়া সংসাৰ তৰিতে নুখুজিলো।"

শ্রীভাগৱত-কথায়াং তৃতীয়স্কন্ধে ত্রয়োবিংশোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ ত্রয়োৱিংশে দেৱহূত্যা ৱাক্যেনেতি নিৰূপিতং।
যথা তথা প্রকাৰেণ সৎসঙ্গো মুক্তিকাৰণম্ ॥ ২৩ ॥

## ॥ চতুৰ্ব্বিংশ অধ্যায় ॥

### ॥ কপিলৰ জন্ম আৰু কৰ্দ্দমৰ সন্ন্যাস ॥

চতুৰ্ব্বিংশ অধ্যায়ে কপিলৰ জন্ম, কৰ্দ্দমৰ সন্ন্যাস কহিবা।

১-৪ ] মৈত্রেয়ে কহন্ত, "পাছে কৰ্দ্দমে বিষ্ণুৰ বাক্য সুমৰি কৃপায়ে দেৱহূতিক বোলন্ত, 'হে ৰাজপুত্রী, তুমি আপুনাক প্রতি খেদ নকৰিবা, যাতো তোমাৰ গৰ্ভত ভগৱন্ত জাত হৈবা। এতেকে কায়-বাক্য-মনে ভগৱন্তক ভজা। তেৱে পুত্র হয়া তোমাৰ হৃদয়ৰ গ্রন্থি ছেদিবা।' "

৫-৮ ] মৈত্রেয়ে কহন্ত, "দেৱহূতি স্বামীৰ বচনক বিশ্বাস কৰিয়া শুদ্ধভাৱে ভগৱন্তক ভজিলা। পাছে ভগৱন্তো কৰ্দ্দমৰ বীৰ্য্যে দেৱহূতিত জাত হৈলা, যেন কাষ্ঠত স্বতঃ সিদ্ধ অগ্নি ঘৰিষণে ব্যক্ত হয়। তেখনে স্বৰ্গত নানা বাদ্য হৈল, গন্ধৰ্ব্বো গীত গাইল, অপেস্বৰাসৱো নৃত্য কৰিল, দশো দিশ প্রসন্ন হৈল, জলো নিৰ্ম্মল পড়িল, লোকৰ মন স্বস্থ হৈল।

৯-১১ ] "পাছে কৰ্দ্দমৰ আশ্রমক ব্রহ্মা পুত্রগণ সমে আসিলা। ভগৱন্তক শুদ্ধসত্ত্ব অংশে অৱতাৰ হৈবাৰ জানি স্তুতি-নতি কৰি কৰ্দ্দমক বোলন্ত, 'হে পুত্র, তুমিসে মোৰ শুশ্রূষা কৰিলা, যাতো শ্রদ্ধায়ে মোৰ বাক্য ধৰিলা। এই তোমাৰ কন্যাসৱক অনুৰূপ চায়া ঋষিসৱক দান কৰা। পুত্র পুনু সাক্ষাতে ঈশ্বৰ, সাংখ্য কহিবাক লাগি অৱতাৰ ধৰিলা, যাতো পদ্ম-লোচন, চৰণত পদ্মচিহ্ন আছে।' আৰে দেৱহূতিক 'হে মানৱী, ভগৱন্তক তুমি পুত্র পাইছা। এতেকে জ্ঞান কহি তোমাৰ বোলন্ত, অবিদ্যা দূৰ কৰিবা, লোকত কপিল নাম হৈবেক, সিদ্ধগণৰো ঈশ্বৰ হৈবা, তোমাৰ কীৰ্ত্তি বঢ়াইবা।' "

---

॥ চতুৰ্ব্বিংশ অধ্যায় ॥

কপিলৰ জন্মৰ পিছত তেওঁৰপৰা ঋণত্রয়ৰ বিমোচনৰ অৰ্থে অনুজ্ঞা লৈ কৰ্দ্দমে প্রব্রজ্যা গ্রহণ কৰে।

২০-২৫ ] মৈত্ৰেয়ে কহন্ত, "ব্ৰহ্মা দুইকো আশ্বাস কৰি মৰীচি আদিক বিবাহৰ অৰ্থে থৈয়া চাৰি সিদ্ধ, নাৰদ সহিতে ব্ৰহ্মলোকক গৈলা। কৰ্দ্দমো ব্ৰহ্মাৰ বচনে সৱে কন্যা দান কৰিলা। তাক পৃথকে শুনা। মৰীচিক কলা, অত্ৰিক অনসূয়া, অঙ্গিৰাক শ্ৰদ্ধা, পুলস্তিক হৱিৰ্ভু, পুলহক গতি, ক্ৰতুক ক্ৰিয়া, ভৃগুক খ্যাতি, বশিষ্ঠক অৰুন্ধতী, অথৰ্ব্বনক শান্তি যথাযোগ্যে বিৱাহ দিলা। নৱ বৰ-কন্যাক বস্ত্ৰ অলঙ্কাৰ দিয়া আনন্দ কৰাই আপুনাৰ আশ্ৰমক পঠাই দিলা।

২৬-৪০ ] "পাছে পুত্ৰক হৰি অৱতাৰ জানি নিৰঞ্জন থানত প্ৰণাম কৰিয়া অনেক স্তুতি-নতি কৰিয়া বোলন্ত, 'হে ভগৱন্ত, মঞি সন্ন্যাস লৈয়া তোমাক মনত চিন্তি বনক যাইবাক চাওঁ। তাত কিবা আজ্ঞা পাওঁ?' ভগৱন্তে বোলন্ত, 'হে ঋষি, মঞি তোমাক কৃপায়ে পুত্ৰ হয়াছো। এতেকে তোমাৰ গৃহত থাকিলেও মোক্ষ হুইবেক। তথাপি যদি বনক চলিবে চাৱা, তেৱে সদায়ে মোক চিন্তিবা। মঞি মাতৃত আত্মজ্ঞান[1] কহিবো, যাক জানিলে অনায়াসে সংসাৰ তৰিবা।' "

৪১-৪৭ ] মৈত্ৰেয়ে কহন্ত, "কপিলৰ বাক্য শুনি কৰ্দ্দমে তাঙ্ক দণ্ডৱতে প্ৰদক্ষিণ কৰি বনক চলি গৈলা, মৌন-ব্ৰত ধৰিলা, অসঙ্গ হৈলা, অহঙ্কাৰ-মমকাৰ ছাড়িলা, কাম-ক্ৰোধ জিনি সমদৃষ্টি ভৈলা, সকল জগতত বাসুদেৱক দেখিলা, জগতক বাসুদেৱতে দেখিয়া ভগৱন্তৰ ভক্তি-বলে ভাগৱতী গতি পাইলা।"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে চতুৰ্ব্বিংশোঽধ্যায়ঃ ॥

আক জানি সৱ লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ ভক্তিঃ সাংখ্যঞ্চ যোগশ্চ কথিতাঃ কৰ্দ্দমালয়ে।
গৃহীতদেহং কপিলং সিদ্ধেশং প্ৰণতোঽস্ম্যহম্ ॥ ২৪ ॥

১ আত্মজ্ঞান—আধ্যাত্মিকীং ৱিদ্যাম্ (৩. ২৪. ৪০)।



## ॥ পঞ্চবিংশ অধ্যায় ॥

॥ কপিলৰ ভক্তি-যোগ-কথন ॥

পঞ্চবিংশ অধ্যায়ে কপিলে মাতৃত ভক্তি-যোগ কহিবা।

৫-১১ ] মৈত্ৰেয়ে কহন্ত, "পিতৃ বনক গৈলে মাতৃৰ প্ৰিয়ক ইছায় কপিল গোসাই সেই আশ্ৰমতে ৰহিলা। পাছে দেৱহূতি কপিল পুত্ৰক অকৰ্ম্মা দেখি ব্ৰহ্মাৰ বচন স্মৰি বোলন্ত, 'হে ভগৱন্ত, মঞি মিছা বিষয়ত অনেক তাপ পাইলো, যি সুখ কৰিতে নৰকত পৰিলো। তুমি লোকক কৃপায় জ্ঞান-প্ৰকাশ সূৰ্য্য যেন অৱতাৰ হয়াছা। এতেকে মোৰ মোহ দূৰ কৰিতে যোগ্য হৱা।'

১২-২৭ ] "মাতৃৰ এহি বাক্য শুনি কপিল গোসাই হাস্য কৰি বোলন্ত, 'জানা মাতৃ, পুৰুষৰ চিত্তে বন্ধ, মোক্ষ, দুইৰো কাৰণ, যাতো হৰিত ৰমিলে মোক্ষ হয়, বিষয়ত ৰমিলে বন্ধ হয়।[1] যেখন অহম্মম-জন্য কাম-ক্ৰোধাদি মল এড়ি মন শুদ্ধ হয়, তেখনে পুৰুষে ব্ৰহ্মজ্ঞান পাৱে।[2] আক পাইবাক লাগি ভগৱন্তৰ ভক্তি বিনে আন সুগম

॥ পঞ্চবিংশ অধ্যায় ॥

দেৱহূতিয়ে বন্ধ-বিমোচনৰ বিষয়ে প্ৰশ্ন কৰাত কপিলে সেই প্ৰসঙ্গত ভক্তি-লক্ষণ বৰ্ণনা কৰে।

১ চেতঃ খল্বস্য বন্ধায় মুক্তয়ে চাত্মনো মতম্।
গুণেষু সক্তং বন্ধায় ৰতং ৱা পুংসি মুক্তয়ে ॥ ১৫
অস্যাত্মনো জীৱস্য গুণেষু, ৱিষয়েষু পুংসি পৰমেশ্বৰে (শ্ৰী)।

২ চিত্ত-সংযমৰপৰা পুৰুষাৰ্থসিদ্ধি হয়—
অহম্মমাভিমানোত্থৈঃ কামলোভাদিভিৰ্মলৈঃ।
ৱীতং যদা মনঃ শুদ্ধমদুঃখমসুখং সমম্ ॥ ১৬
তদা পুৰুষং আত্মানং কেৱলং প্ৰকৃতেঃ পৰম্।
নিৰন্তৰং স্বয়ংজ্যোতিৰণিমানমখণ্ডিতম্ ॥ ১৭

উপায় নাই। সৱাৰে মূল সাধুৰ সঙ্গ। এতেকে সাধুৰ লক্ষণ শুনা: সাধুসৱ পৰম কৃপালু, সৱাৰে সুহৃদ, পৰম শান্ত; মোত সদায় ভক্তি কৰন্ত; মোৰ অৰ্থে ধৰ্ম্ম-কৰ্ম্ম, জ্ঞাতি-কুটুম্বকো এৰিছন্ত; মোৰ কথাক নিতে শ্ৰৱণ-কীৰ্ত্তন কৰন্ত। এমন সাধুৰ সঙ্গ তুমি প্ৰাৰ্থনা কৰা। তেৱে তাৰা তোমাৰ সকল দুঃসঙ্গ-দোষ হৰিবা, যাতো সাধু-সঙ্গত হৰি-কথা-ৰসে কৰ্ণ-মনৰ আনন্দ দেই, মোৰো বীৰ্য্যকো জনাৱে, তাক নিতে শ্ৰৱণ-কীৰ্ত্তন কৰিলে হৰিত শ্ৰদ্ধা, ৰতি, ভক্তি হয়।[৩] ভক্তি হৈলে বিষয়ত বিৰক্তি হয়; তেৱে চিত্ত স্থিৰ কৰি জ্ঞান পায়া এহি শৰীৰতে মোক পাৱে।'[৪]

২৮-৩০ ] "দেৱহূতি পুছন্ত, 'হে ভগৱন্ত, কাক তোমাৰ ভক্তি বুলি, যাক জানি অনায়াসে তোমাৰ স্বৰূপ পাইবো, তাক মই স্ত্ৰীমতি যেমনে বুজিবো, তেমনে কহিয়োক।'

৩১-৪৪ ] মৈত্ৰেয়ে কহন্ত, "এমনে মাতৃৰ মন বুঝি কৃপায় কপিল গোসাই সাংখ্য-যোগ, ভক্তি কহিলা।[৫] প্ৰথমে উত্তম ভক্তি

জ্ঞানবৈৰাগ্যযুক্তেন ভক্তিযুক্তেন চাত্মনা।
পৰিপশ্যত্যুদাসীনং প্ৰকৃতিঞ্চ হতৌজসম্ ॥ ১৮

৩ শ্ৰৱণৰপৰা ক্ৰমে হৰিত শ্ৰদ্ধা, তাৰ পিছত ৰতি, তাৰ পিছত ভক্তি হয় ( অপৱৰ্গৱৰ্ত্মণি শ্ৰদ্ধা ৰতিৰ্ভক্তিৰনুক্ৰমিষ্যতি ॥ ৩.২৫.২৫ )

৪ ভক্তিলাভৰ পিছত কি হয়?—ভগৱন্তৰ সৃষ্টি-ৰচনা আদিৰ অনুচিন্তাৰে ভক্তিৰপৰা ইন্দ্ৰিয়সুলভ সুখ আৰু ঐহিক-পাৰত্ৰিক সম্ভোগৰ প্ৰতি বিৰাগ হোৱাত সাৱধানে, ভক্তিযোগ-যুক্তজনে ভক্তিৰ প্ৰধানত্ব হেতুকে সহজভাৱে চিত্তৰ ভগৱৎপ্ৰাপ্তিৰ অৰ্থে ( চিত্তস্য গ্ৰহণে ) যত্ন কৰে। বিষয়-বিমুখ হোৱাত জীৱই বৈৰাগ্যপ্ৰাপ্ত জ্ঞানৰপৰা এই শৰীৰতে ভগৱন্তক পায় ( মাং প্ৰত্যগাত্মান- মিহাৱৰুন্ধে )। ( ২৬-২৭ শ্লোক )

৫ ভগৱান কপিলে মাতৃ-স্নেহত দেৱহূতিক তত্ত্ব-নিৰূপক সাংখ্যশাস্ত্ৰ আৰু ভক্তি-বিস্তাৰক যোগৰ কথা ক'লে ( তত্ত্বাম্নায়ং যৎ প্ৰৱদন্তি সাংখ্যং প্ৰোৱাচ বৈ ভক্তিৱিতানযোগম্ ॥ ৩.২৫.৩১ )



কহন্ত,[৬] 'পুৰুষৰ সকল ইন্দ্ৰিয়ৰ বৃত্তি নিষ্কামে সদায় হৰিত লাগিলে ভাগৱতী ভক্তি বুলি। তাক মোক্ষতো কৰি বৰ কহি। মোক্ষ পুনু অযত্নে হয়। এতেকে মোৰ একান্ত ভক্তসৱে মুক্তিকো ইছা নকৰে; কিন্তু অন্যোঅন্যে প্ৰীতি কৰি মোৰ গুণ শ্ৰৱণ-কীৰ্ত্তন কৰে। তেৱে তাৰা মোৰ দিব্য ৰূপক দেখে, কথা বাৰ্ত্তাও কহে। পাছে সেই ৰূপে প্ৰাণ-মন হৰে। নুখুজিলেও ভক্তি মোক্ষ-গতি দেই। পাছে সত্য লোকৰ সম্পত্তি, অষ্টাঙ্গ ঐশ্বৰ্য্য, বৈকুণ্ঠ-সম্পত্তিও তাৰাৰ লাগ ধৰে। তাৰা যদি ইছা নকৰে, তথাপি বৈকুণ্ঠ-লোক অৱশ্যে পাৱে। মোৰ ভকতসৱ কদাচিতো বৈকুণ্ঠ-লোকৰপৰা নপৰে। যাতো মোক প্ৰিয় আত্মা বান্ধৱ মানিছে, এতেকে কাল-চক্ৰে নোছোৱে। সৱাকে এৰি আমাত শৰণ পশি যিজনে নিতান্তে ভকতি কৰে, তাক মঞি অৱশ্যে সংসাৰ তাৰি বৈকুণ্ঠলোকক মেওঁ। মঞি ভগৱন্ত বিনে আনক ভজিলে কদাচিতো সংসাৰ নুগুচে। মোক ভয়ে বায়ু বহন্ত; সূৰ্য্যে তাপ কৰন্ত; ইন্দ্ৰে বৰিষন্ত; অগ্নিয়ে দহন্ত; মৃত্যুয়ে মাৰন্ত। এতেকে যোগীসৱে ভকতি কৰি মোৰ অভয় চৰণত ভজে। এহিমানে মাত্ৰ পুৰুষৰ পুৰুষাৰ্থ, ভক্তি কৰিয়া সদা মোত মাত্ৰ চিত্ত দিব॥'"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে পঞ্চবিংশোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক ॥ পঞ্চৱিংশে নিগদিতং হৰিপাদনিষেৱনং।
মোক্ষাধিকং সুখং সৰ্ব্বসুখদং দুঃখনাশনম্ ॥ ২৫ ॥

৬ এইখিনিৰপৰা উত্তমা বা ভাগৱতী ভক্তিৰ লক্ষণ বৰ্ণাইছে। কপিল-দেৱহূতি-সংবাদত সাংখ্যৰ কথা ষড়্বিংশ অধ্যায়ত, ভক্তিৰ কথা সপ্তবিংশ আৰু বিস্তৰভাৱে একোনত্ৰিংশ অধ্যায়ত, যোগৰ কথা অষ্টাবিংশ অধ্যায়ত বৰ্ণিত আছে। বৰ্ত্তমান অধ্যায়ৰ এই শেষাংশত ( শ্লোক ৩২-৪৪ ) শ্ৰৱণাদিৰূপা ভক্তি আৰু ভগৱদ্দৰ্শনহেতু ধ্যান একে কৰি সংক্ষেপকৈ বৰ্ণোৱা হৈছে। ( সিদ্ধান্ত-প্ৰদীপ টীকা। )

## ॥ ষড়্‌বিংশ অধ্যায় ॥

### ॥ চৌবিশ তত্ত্বৰ জন্ম ॥

ছাব্বিশ অধ্যায়ে চৌবিশ তত্ত্বৰ জন্ম, লক্ষণ কহিবা ॥

১-৩ ] "কপিলে কহন্ত, 'হে অম্ব, আৱে তোমাত সাংখ্য কহিবো, যাক জানি পুৰুষে প্ৰকৃতি-গুণে মুক্ত হয়।[১] প্ৰথমে পুৰুষ-প্ৰকৃতি কহো। প্ৰকৃতিৰ পৰ নিৰ্গুণ আত্মাক পুৰুষ বুলি, যাত হন্তে জগত প্ৰকাশ কৰে।[২]

---

॥ ষড়্‌বিংশ অধ্যায় ॥

এই অধ্যায়ত পুৰুষ-প্ৰকৃতি-বিৱেক নিৰ্ণয়ৰ অৰ্থে সাংখ্যমতে চৌবিশ তত্ত্বৰ লক্ষণ-ভেদে জন্মৰ উপবৰ্ণনা দিয়া হৈছে। নাৰায়ণে ব্ৰহ্মাৰ আগত আৰু মৈত্ৰেয়ে বিদুৰৰ আগত যি সৃষ্টি-লীলা কৈছিল, তাকে ইয়াত কপিলদেৱে মাতৃ দেৱহূতিৰ আগত কৈছে। শ্ৰীধৰস্বামীয়ে লিখিছে, তত্ত্বাম্নায়ং যৎ প্ৰৱদন্তি সাংখ্যমিত্যত্ৰ সাংখ্যং ভক্তিৰ্যোগশ্চেতি ত্ৰয়মুপক্ষিপ্তম্। তত্ৰ ভক্তিমুক্ত্বেদানীং সাংখ্যমাহ।—পঞ্চবিংশ অধ্যায়ৰ শেষত ভক্তিৰ কথা কৈ ষড়্‌বিংশ অধ্যায়ত সাংখ্য ৰ্ণোৱা হৈছে।

১ সাংখ্য অৰ্থাৎ তত্ত্বলক্ষণজ্ঞানৰপৰা আত্মজ্ঞান হয় ( তত্ত্বলক্ষণজ্ঞানাদেৱ ৱিৱিক্তাত্মজ্ঞানং ভৱতীতি—শ্ৰী ) আৰু তাৰপৰা অহঙ্কাৰ-নিৱৰ্ত্তন হৈ মুক্তি হয়।

২ অনাদিৰাত্মা পুৰুষো নিৰ্গুণঃ প্ৰকৃতেঃ পৰঃ।
প্ৰত্যগ্‌ধামা স্বয়ংজ্যোতিৰ্ৱিশ্বং যেন সমন্বিতম্ ॥ ৩

তত্ৰ পুৰুষং লক্ষয়তি। অনাদিৰিতি। আত্মৈৱ পুৰুষঃ কোঽসাৱাত্মা প্ৰত্যক্‌প্ৰতিলোমং ধাম স্ফূৰ্তিৰ্যস্য। ক্ষণিকপক্ষং ৱ্যাৱৰ্তয়তি। অনাদিৰিতি। সংসাৰিত্বপক্ষং ৱ্যাৱৰ্তয়তি। প্ৰকৃতেঃ পৰঃ অন্যোঽসঙ্গঃ। জ্ঞানাদিগুণত্বং ৱাৰয়তি নিৰ্গুণঃ। মীমাংসকাদ্যভিমতজ্ঞানৱিষয়ত্বং ৱাৰয়তি। স্বয়ংজ্যোতিঃ। অনেনৈৱ প্ৰাভাকৰাভিমতং জ্ঞানাধাৰত্বেন স্ফুৰণমপি নিৰস্তম্। স্বয়ংজ্যোতিষ্ট্বে হেতুঃ। ৱিশ্বং যেন সমন্বিতং প্ৰকাশত ইতি শেষঃ। এতৈৰেৱ হেতুভিঃ পুৰুষস্য প্ৰকৃতেঃ পৰত্বমপি সিদ্ধম্ ॥ ( শ্ৰী )



১০-১৫ ] "প্ৰকৃতি তিনি-গুণময়, যাত হন্তে কাৰ্য্য-কাৰণ জগত হয়।[৩] আৱে চৌবিশ তত্ত্বৰ লেখা লক্ষণ শুনা। পৃথিৱী, অপ্, তেজ, বায়ু, আকাশ,—আক মহাভূত বুলি। গন্ধ, ৰস, ৰূপ, স্পৰ্শ, শব্দক বিষয় বুলি। ত্বক্, চক্ষু, ৰসনা, ঘ্ৰাণ, শ্ৰোত্ৰ,—আক জ্ঞানেন্দ্ৰিয় বুলি। বাক্, পাণি, পাদ, পায়ু, উপস্থক কৰ্ম্মেন্দ্ৰিয় বুলি। মন, বুদ্ধি, অহঙ্কাৰ, চিত্তক অন্তঃকৰণ বুলি। এই চৌবিশ তত্ত্ব জানিবা।[৪]

১৯-৫২ ] " 'আৱে ইহাৰ সৃষ্টি শুনা। পুৰুষে প্ৰকৃতিত গৰ্ভাধান কৰন্ত। তেবে মহত্তত্ত্ব উপজে, তাকে চিত্তো বুলি।[৫] মহত্তত্ত্ব হন্তে

---

৩ যত্তত্ত্ৰিগুণমৱ্যক্তং নিত্যং সদসদাত্মকম্।
প্ৰধানং প্ৰকৃতিং প্ৰাহুৰৱিশেষং ৱিশেষৱৎ ॥ ১০

তত্ৰ প্ৰকৃতিং লক্ষয়তি। যৎ প্ৰধানং তদেৱ প্ৰকৃতিং প্ৰাহুঃ। কিং তৎ প্ৰধানং স্বতো অৱিশেষম্। ৱিশেষৱদ্বিশেষাণামাশ্ৰয়ঃ তৰ্হি কিং ব্ৰহ্ম ন ?—ত্ৰিগুণম্। কিং মহত্তত্ত্বাদি ন ?—অৱ্যক্তমকাৰ্যম্। কিং কালাদি ন ? সদসদাত্মকং কাৰ্যকাৰণৰূপম্। কিং জীৱঃ প্ৰকৃতিঃ ন ?—নিত্যম্ ॥ ( শ্ৰী )

৪ এই চৌবিশ তত্ত্ব হ'ল প্ৰাধানিক ব্ৰহ্ম বা প্ৰধানকাৰ্য্যাত্মক ব্ৰহ্ম-স্বৰূপ। যঃ কালঃ পঞ্চৱিংশকঃ ( ১৫ শ্লোক ) বুলি কালক পঞ্চবিংশ তত্ত্ব-ৰূপে উপলক্ষিত কৰা হৈছে। এইৰূপে ই প্ৰকৃতিৰ অৱস্থাবিশেষ মাত্ৰ ( প্ৰকৃতেৰেৱাৱস্থাৱিশেষ ইত্যৰ্থঃ—শ্ৰী )। আনমতে, কাল হ'ল ঈশ্বৰৰ বিক্ৰম মাথোন ( প্ৰভাৱং পৌৰুষং প্ৰাহুঃ কালমেকে—১৬ শ্লোক )। এইৰূপে কালৰ দুটা লক্ষণ—সংহাৰকত্ব ( য'ৰপৰা দেহত অহংবুদ্ধি হোৱা জীৱৰ ভয় হয় ) আৰু সৃষ্টিহেতুত্ব ( য'ৰপৰা ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ ক্ষোভ হয়—৩. ২৬. ১৬-১৭ )। ১৮শ শ্লোকত ভগৱন্তক নিৰূপণ কৰিছে—যি সৰ্ব্ব প্ৰাণীৰ অন্তৰত অন্তৰ্যামী পুৰুষ-ৰূপে আৰু বাহিৰত কাল-ৰূপে অনুগত আছে। সেয়ে ভগৱান্। শ্ৰীধৰস্বামীয়ে ব্যাখ্যা-প্ৰসঙ্গত কৈছে, তদেৱং প্ৰকৃতেশ্চতুৰ্ৱিংশতি ভেদাঃ জীৱেশ্বৰয়োশ্চৈক্যৱিৱক্ষাতঃ পঞ্চৱিংশতিস্তত্ত্বানি ভৱন্তি। তয়োৰ্ভেদৱিৱক্ষয়া চ ষড়্‌ৱিংশতিৰ্ভৱন্তি।

৫ ২১শ শ্লোকত প্ৰসঙ্গতঃ চতুৰ্ব্যূহ-উপাসনাৰ কথা ওলাইছে—অধিভূত-ৰূপেণ তস্যৈৱ মহানিতি সংজ্ঞা, অধ্যাত্মৰূপেণ চিত্তমিতি, উপাস্যৰূপেণ ৱাসুদেৱ

অহঙ্কাৰ হয়। সিও সাত্ত্বিক, ৰাজসিক, তামসিকভেদে তিনি বিধ হয়। সাত্ত্বিকত হন্তে মন, দেৱগণ হয়। ৰাজসিকত হন্তে বুদ্ধি, ইন্দ্ৰিয়গণ হয়। তামসিকত হন্তে মহাভূত, বিষয়গণ হয়। এমনে চৌবিশ তত্ত্ব জাত হয়া ব্ৰহ্মাণ্ড কৰিতে নপাৰিলা। পাছে ভগৱন্তে সৱাতে প্ৰৱেশিলা। তেৱে চৌবিশ তত্ত্ব হন্তে ব্ৰহ্মাণ্ড হৈল, যাৰ ভিতৰত তিনিও লোক প্ৰকাশে, বাহিৰত সপ্তাৱৰণ আছে।

৫৩-৬১ ] "'অচেতনে ব্ৰহ্মাণ্ড সহস্ৰ বৎসৰ জলত আছিল। পাছে ভগৱন্ত-অধিষ্ঠানে অনেক ছিদ্ৰ ভৈল। তাক আবে সাৱধানে শুনা: প্ৰথমে মুখ জাত হৈল; তাত বাক্ ইন্দ্ৰিয়, অগ্নি দেৱতা, বাক্য বিষয় বুঝিবা। নাসাত ঘ্ৰাণ ইন্দ্ৰিয়; অশ্বিনীকুমাৰ দেৱতা, গন্ধ বিষয়। অক্ষিত চক্ষু ইন্দ্ৰিয়; সূৰ্য্য দেৱতা, ৰূপ বিষয়। কৰ্ণত শ্ৰোত্ৰ ইন্দ্ৰিয়; দিশ দেৱতা, শব্দ বিষয়। চৰ্ম্মত ত্বক্ ইন্দ্ৰিয়; বায়ু দেৱতা, স্পৰ্শ বিষয়। শিশ্নত ৰেতস ইন্দ্ৰিয়; প্ৰজাপতি দেৱতা, আনন্দ বিষয়। গুদত পায়ু ইন্দ্ৰিয়; মিত্ৰ দেৱতা, মল-ত্যাগ বিষয়। হৃদয়ত মন ইন্দ্ৰিয়; চন্দ্ৰ দেৱতা, অনিৰুদ্ধ উপাস্য। বুদ্ধিত ব্ৰহ্মা দেৱতা; প্ৰদ্যুম্ন উপাস্য। অহঙ্কাৰত ৰুদ্ৰ দেৱতা; সঙ্কৰিষণ উপাস্য। চিত্তত ক্ষেত্ৰজ্ঞ দেৱতা; বাসুদেৱ উপাস্য।[৬]

"'এমনে ইন্দ্ৰিয় সমে দেৱগণে অনেক যত্নেও বিৰাটক তুলিতে নপাৰিলা। পাছে চিত্ত সমে ভগৱন্ত প্ৰৱেশ ভৈলে বিৰাট সচেতন হৈয়া উঠিলা।[৭] যাক বিনে প্ৰাণ ইন্দ্ৰিয় দেৱগণে বিৰাটক চেতন

---

ইতি, অধিষ্ঠাতা তু তস্য ক্ষেত্ৰজ্ঞঃ, এৱমহঙ্কাৰে সংকৰ্ষণ উপাস্যঃ ৰুদ্ৰোঽধিষ্ঠাতা, মনস্যনিৰুদ্ধ উপাস্যঃ, চন্দ্ৰোঽধিষ্ঠাতা, বুদ্ধৌ প্ৰদ্যুম্ন উপাস্যঃ ব্ৰহ্মাধিষ্ঠাতেতি জ্ঞাতৱ্যম্ ॥ (শ্ৰী।) ৩য় স্কন্ধৰ ষষ্ঠ অধ্যায়ৰ টোকা চাব লগীয়া। ভট্টদেৱে মূলৰ তত্ত্বসমূহৰ লক্ষণ বৰ্ণনা সন্নিৱেশ কৰা নাই।

৬ ওপৰৰ ৫ম টোকা আৰু ৩য় স্কন্ধৰ ষষ্ঠ অধ্যায়ৰ টোকা চাব লগীয়া।

৭ দেৱতাসকল উৎপন্ন হৈও যেতিয়া বিৰাট পুৰুষক তুলিব নোৱাৰিলে, তেতিয়া তেওঁলোকে বিৰাটক তুলিবলৈ পুনৰায় ক্ৰমে ইন্দ্ৰিয়স্থান-সমূহত



কৰিতে নপাৰিলা, সেই ভগৱন্তক দেহত বিৱেক কৰি সদায় চিন্তোক।'"[৮]

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে ষড়্‌বিংশোঽধ্যায়ঃ ॥

আৰু জানি সৰ্ব্ব লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ প্ৰাণেন্দ্ৰিয়মনোদেৱা নোত্থাপয়িতুমঞ্জসা।
শকুৱন্তি ৱিনা যেন ব্ৰহ্মাণ্ডং তমহং ব্ৰজে ॥ ২৬ ॥

---

প্ৰৱেশ কৰিলে। অগ্নি বাগিন্দ্ৰিয়েৰে মুখত সোমাল, কিন্তু বিৰাট নুঠিল (নোদতিষ্ঠৎ তদা বিৰাট্)। সূৰ্য্য চক্ষুৰিন্দ্ৰিয়েৰে চক্ষুগোলকত সোমাল, কিন্তু বিৰাট নুঠিল। ইত্যাদি, ইত্যাদি। যেতিয়া ক্ষেত্ৰজ্ঞ (সমষ্টি-দেহাভিমানী আত্মা) চিত্তে সৈতে হৃদয়ত প্ৰৱেশ কৰিলে তেতিয়া বিৰাট পুৰুষ কাৰণ-সলিলৰপৰা চেতনা পাই উঠিল।

৮ এই অধ্যায়ৰ শেষ দুই শ্লোকত (৭১-২২) সাংখ্যানুকথনৰ প্ৰয়োজন দেখুৱাইছে,

তমস্মিন্ প্ৰত্যগাত্মানং ধিয়া যোগপ্ৰৱৃত্তয়া।
ভক্ত্যা ৱিৰক্ত্যা জ্ঞানেন ৱিৱিচ্যাত্মনি চিন্তয়েৎ ॥ ৭২

প্ৰথমং পৰমেশ্বৰে ভক্তিস্ততোঽন্যত্ৰ ৱিৰক্তিস্ততো যোগপ্ৰৱৃত্তা ধীঃ একাগ্ৰং চিত্তং ততো যজ্‌জ্ঞানং তেন প্ৰত্যগাত্মানং ক্ষেত্ৰজ্ঞমস্মিন্নাত্মনি কাৰ্যকাৰণসংঘাতে ৱিৱিচ্য চিন্তয়েৎ ॥ (শ্ৰী)

## ॥ সপ্তবিংশ অধ্যায় ॥

### ॥ সাধন-বলে প্ৰকৃতি-পুৰুষ-বিৱেক আৰু মোক্ষ ॥

সাতাইশ অধ্যায়ে সাধন-বলে প্ৰকৃতি-পুৰুষ-বিৱেকে মোক্ষৰ প্ৰকাৰ কহিবা।

১-৩০ ] "কপিলে বোলন্ত, 'জানা মাতৃ, নিৰ্গুণ আত্মা প্ৰকৃতিৰ গুণত অহঙ্কাৰ বদ্ধ হয়া নানা বিধ সংসাৰ পাৱে।[১] যদ্যপি সংসাৰ মিছা হয়, তথাপি নুগুচে, যেন স্বপ্নত মিছা ভয় দুখাদি নজাগে পৰ্য্যন্ত নুগুচে।[২] তেমনে জ্ঞান-বৈৰাগ্য-ভক্তিৰ বলে যাৱে জ্ঞান নুপজে, তাৱে পুৰুষৰ সংসাৰ নুগুচে। এতেকে পুৰুষে সদায় হৰি-ভক্তি কৰোক। তেৱে প্ৰকৃতি-পুৰুষক পৃথকে জানি জীৱাত্মায়ে পৰমানন্দ পাৱে।[৩] মায়াও আপুনি দূৰ হয়। সেহিবেলা যোগ-সিদ্ধিসৰ

---

॥ সপ্তবিংশ অধ্যায় ॥

এই অধ্যায়ত বহুত সাধনৰ দ্বাৰা পুৰুষ আৰু প্ৰকৃতিক পৃথকৰূপে জানি মোক্ষ লাভ কৰিব পাৰি, তাকে কোৱা হৈছে।

১। পানীত পৰা সূৰ্য্যৰ প্ৰতিবিম্বৰ দৰে (জলাৰ্কৱৎ), দেহস্থ হৈও জীৱ-ৰূপ শুদ্ধ পুৰুষ প্ৰকৃতিৰ গুণত লিপ্ত নহয়, কাৰণ সি নিৰ্গুণ, অকৰ্ত্তা আৰু অধিকাৰী। কিন্তু অহঙ্কাৰত বিমূঢ় হৈ জীৱই প্ৰকৃতিৰ গুণত আসক্ত হৈ 'মই কৰ্ত্তা' বুলি অভিমান কৰে, আৰু সেই অভিমানৰ কাৰণে দেৱ, তিৰ্য্যক, নৰ আদি জন্মৰ সংসাৰ পায়।

২ অৰ্থে হ্যৱিদ্যমানেঽপি সংসৃতি ন নিৱৰ্ততে।
ধ্যায়তো ৱিষয়ানস্য স্বপ্নেঽনৰ্থাগমো যথা ॥ ৪

যদিও জীৱৰ বাস্তৱতে সংসাৰ নহয়, তথাপি অভিমান-হেতুক তাৰ সংসাৰ নুগুচে—স্বপ্নত যেনেকৈ নানা অনৰ্থ ঘটি থাকে সাৰ পোৱা পৰ্য্যন্ত।

৩ বিষয়-চিন্তাৰপৰা যেতিয়া সংসাৰ, সেই কাৰণে মুমুক্ষুৱে তীব্ৰ ভক্তি-যোগ আৰু বৈৰাগ্যেৰে চিত্তক বশ কৰিব, যম আদি যোগপথে শ্ৰদ্ধান্বিত হৈ



লাগ্ ধৰে; তাত মন নেদিলে পুৰুষৰ আত্যন্তিক মোক্ষ হয়, যাত মৃত্যুৰ প্ৰভাৱ নাই।' "

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে সপ্তবিংশোঽধ্যায়ঃ।

আক জানি সব লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ সসাধনেন কথিতং পুম্প্ৰকৃত্যোৰ্ৱিৱেচনং।
যেনেদং তমহং ৱন্দে কপিলং লোকলোচনম্ ॥ ২৭ ॥

## ॥ অষ্টাবিংশ অধ্যায় ॥

### ॥ যোগ-পথে হৰিৰ ধ্যান ॥

অষ্টাবিংশ অধ্যায়ে যোগ-পথে হৰিৰ ধ্যান কহিবা।

১-১২ ] "কপিলে কহন্ত, 'হে মাতৃ, আৱে যোগৰ লক্ষণ শুনা, যাক কৰিলে মন প্ৰসন্ন হয়। প্ৰথমে যম-নিয়ম কহো। পুৰুষে স্বধৰ্ম্ম

---

শ্ৰৱণ-কীৰ্ত্তনেৰে ভগৱন্তত নিষ্কপট প্ৰেম স্থাপন কৰিব; সৰ্ব্বভূতত সমভাব, বৈৰিতা-ত্যাগ, অনাসক্তি, ব্ৰহ্মচৰ্য্য, মৌনব্ৰত, ঈশ্বৰাৰ্পিত স্বধৰ্ম্ম, প্ৰাপ্ত বস্তুত সন্তুষ্টি, পৰিমিতাহাৰ, শমগুণ, কৰুণা, জিতেন্দ্ৰিয়তা, ৰাগদ্বেষহীনতা আদি সাধনৰ দ্বাৰা অদ্বয়ৰূপ ভগৱন্তক দেখা পায়। অহঙ্কাৰ-নিবৃত্তিৰ দ্বাৰা শুদ্ধ ব্ৰহ্মৰ প্ৰতিপত্তি হয়।

॥ অষ্টাবিংশ অধ্যায় ॥

এই অধ্যায়ত পতঞ্জলিৰ অষ্টাঙ্গ যোগৰ দ্বাৰা সকলো উপাধি মোচন কৰি স্বৰূপজ্ঞান-লাভ হয়, ইয়াকে কোৱা হৈছে। সংক্ষেপকৈ ভক্তি আৰু বিস্তৃতকৈ সাংখ্য ইয়াত কপিল মুনিয়ে বৈষ্ণৱ অষ্টাঙ্গ যোগ ব্যাখ্যা কৰিছে। যোগৰ অষ্ট সাধন—যম (abstention), নিয়ম (observation), আসন, প্ৰাণায়াম (breath-control), প্ৰত্যাহাৰ (sense-control), ধ্যান (fixed attention), ধাৰণা (contemplation), সমাধি (concentration)।

কৰিব; অধৰ্ম্ম এড়িব; অযত্নে যি মিলে তাতে সন্তোষ হৈব; মহন্তৰ চৰণ-সেৱা কৰিব; প্ৰবৃত্তি-ধৰ্ম্ম এৰি নিবৃত্তি-ধৰ্ম্ম ধৰিব;[১] অল্প সাত্ত্বিক আহাৰ কৰিব; ব্ৰহ্মচৰ্য্য ধৰিব; নিৰঞ্জন থানত থাকিব; পৰহিংসা নকৰিব; হৰি-পূজা কৰিব; বৃথা কথা নকহিব; ৰাগ-লোভ এৰি পাছে শুচি দেশত কুশাসনত বসি পদ্মাসন ধৰি প্ৰাণায়াম কৰিব; ইন্দ্ৰিয়-মন নিয়মি হৃদয়ত হৰিৰ ৰূপ চিন্তিব।

১৩-১৯] "'কেমন ৰূপ? —শ্যাম-সুন্দৰ, পীতাম্বৰ; প্ৰসন্ন-বদন, কমল-নয়ন; নাসা তিলফুল, অধৰ ৰাতুল; মুখে মন্দ হাস, কটাক্ষ-বিলাস; পৰম নিৰুজ, চাৰু চতুৰ্ভুজ; শঙ্খ-চক্ৰধৰ, গদা-পদ্ম-কৰ; সৰ্ব্বাঙ্গ-সুন্দৰ, ৰূপ-মনোহৰ; কিৰীটিৰ কান্তি, অলঙ্কাৰ-পান্তি; কৰ্ণত কুণ্ডল, শোভে গণ্ডস্থল; কৌস্তুভ কণ্ঠত, শ্ৰীবৎস বক্ষত; বনমালা-চয় ভ্ৰমৰে ৰঞ্জয়; অঙ্গদ বলয়, বাহুত শোভয়; মেখলা কটিত কিঙ্কিণী-ৰঞ্জিত; চৰণ-দুতয় নূপুৰে শোভয়; ৰঙ্গা পদতল, অঙ্কুশ-কমল-ধ্বজ-বজ্ৰ-পান্তি, নখ-চন্দ্ৰ-কান্তি; জঙ্ঘা-জানুবৰ, উৰু কৰিকৰ; কিশোৰ বয়স, আছে সৰ্ব্বৰস; ভকত-বৎসল, পৰম উজ্জ্বল; ভক্ত-হৃদয়ত থাকন্ত সতত।

২০-৩৩] "'এমনে সমগ্ৰ ৰূপত মন থিৰ কৰি একৈক অঙ্গ চিন্তিব চৰণৰপৰা হাস্য পৰ্য্যন্তে।[২]

৩৪-৪৪] "'পাছে হৰিৰ ৰূপত একাগ্ৰ-মন কৰি আন কিছো নেদেখিব। এমনে হৰিত প্ৰীতি হৈলে হৃদয় দ্ৰৱিত, তনু লোমাঞ্চিত, আনন্দ-লোতক হয়। পাছে চিত্তে মূৰ্ত্তিক এৰি পৰমানন্দ-আকাৰে

১ গ্ৰাম্যধৰ্মনিবৃত্তিশ্চ মোক্ষধৰ্মৰতিস্তথা। (শ্লোক ৩) গ্ৰাম্যস্ত্ৰৈৱৰ্গিকো ধৰ্মস্তস্মান্নিবৃত্তিঃ (শ্ৰী)।

২। মূলত তেৰটি শ্লোকেৰে চৰণাৰৱিন্দৰপৰা বদন-কমল পৰ্য্যন্ত এটি এটিকৈ সকলো অঙ্গৰ সুন্দৰ বৰ্ণনা দিয়া হৈছে। শঙ্কৰদেৱৰ "কীৰ্ত্তন-ঘোষা"ৰ ধ্যান-বৰ্ণন খণ্ড চাব লগীয়া।



ৰহে; ধ্যাতা-ধ্যেয় বিভাগ গুচে।[৩] তেৱে জীৱন্মুক্ত হয়া আপুনাৰ দেহকো নেদেখে।[৪] যাৱে প্ৰাৰব্ধ কৰ্ম্ম-ভোগ থাকে, তাৱে দেহ ৰহি থাকে। পাছে তাকো এড়ি পুৰুষে আপুনাৰ স্বৰূপত ৰহে।' "[৫]

৩ ৩৪-৩৫শ শ্লোকত সমাধিৰ কথা কোৱা হৈছে। শ্ৰীধৰে ব্যাখ্যাপ্ৰসঙ্গত কৈছে, সমাধি দুবিধ—নিৰ্বীজ আৰু সবীজ। গীতাত দুৰূহ নিৰ্বীজ সমাধিৰ কথা কোৱা হৈছে—

যতো যতো নিশ্চৰতি মনশ্চঞ্চলমস্থিৰম্।
ততস্ততো নিয়ম্যৈতদাত্মন্যেৱ ৱশং নয়েৎ॥

সবীজ সমাধি সুকৰ; তাত পৰমানন্দমূৰ্ত্তি হৰিৰ ধ্যান কৰোঁতে অযত্নে চিত্তৰ উপৰম হয়। তাৰে কথা ৩৪শ শ্লোকত বৰ্ণিত হৈছে—ধ্যানমাৰ্গৰ দ্বাৰা হৰিত প্ৰেম উপজিলে, সেই ভক্তিৰ হেতুকে হিয়া গলি যায়, আনন্দত পুলক হয় আৰু উৎকণ্ঠাত অশ্ৰুজলে যোগীক মগ্ন কৰে। তেতিয়া চিত্ত ধ্যেয়ৰ ধাৰণত শিথিলযত্ন হয়। ৩৫শ শ্লোকত আছে—যেতিয়া ধ্যানাৱস্থাত, অগ্নিশিখাৰ আশ্ৰয় নোহোৱা হ'লে মহাভূত জ্যোতীৰূপত পৰিণত হোৱাৰ দৰে, মন পৰমানন্দ-অনুভৱ হেতুকে বিৰক্ত, নিৰ্বিষয় আৰু মুক্তাশ্ৰয় (পৰমপুৰুষত আশ্ৰিত) হৈ নিৰ্ব্বাণ লাভ কৰে (বৃত্তিৰূপতাং পৰিত্যজ্য. ব্ৰহ্মাকাৰেণ পৰিণমত ইত্যৰ্থঃ), সেই অৱস্থাত দেহৰ উপাধি নিবৃত্ত হোৱাত (প্ৰতিনিবৃত্ত-গুণপ্ৰৱাহঃ) পুৰুষে আত্মাক ধ্যাতা-ধ্যেয়-বিভাগ-শূন্য (অৱ্যৱধানং—ধ্যাতৃধ্যেয়-ৱিভাগশূন্যম্—শ্ৰী) অখণ্ড (একম্) ৰূপে চিদচিৎ সকলোতে অনুগত দেখা পায়।

৪ ৩৭-৩৮ শ্লোকত জীৱন্মুক্ত অৱস্থা বৰ্ণনা কৰিছে। মদাহীয়ে যেনেকৈ কঁকালৰ কাচুটি আছেনে নাই ক'ব নোৱাৰে, চৰম সিদ্ধয়ো স্বৰূপপ্ৰাপ্ত হৈ দেহৰ কথা ক'ব নোৱাৰা হয়। সেই দেহো আকৌ ইন্দ্ৰিয়বোৰে সৈতে যেতিয়ালৈ প্ৰাৰব্ধ কৰ্ম্ম (স্বাৰম্ভকং কৰ্ম) থাকে, তেতিয়ালৈকে জীয়াই থাকে। আত্মতত্ত্ব লাভ কৰা যোগীয়ে পুত্ৰাদিয়ে সৈতে দেহত স্বপ্নৰ দেহৰ নিচিনা বুলি অভিমান নকৰে।

৫ সিদ্ধ যোগীয়ে সদসদাত্মিকা বৈষ্ণৱী প্ৰকৃতিক বিষ্ণুৰ প্ৰসাদত জয় কৰি ব্ৰহ্মত্ব লাভ কৰে (স্বৰূপেণাৱতিষ্ঠতে)।

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে অষ্টাৱিংশোঽধ্যায়ঃ ॥

আৰু জানি সৰ্ব্ব লোক হৰি বোল হৰি ॥

॥ শ্লোক ॥ যদ্ধ্যানোদৃক্তয়া ভক্ত্যা ভজতে নিজৰূপতাং।
তমহং পৰমানন্দং নমামি প্ৰাণৱল্লভম্ ॥ ২৮ ॥

## ॥ একোনত্ৰিংশ অধ্যায় ॥

### ॥ ভক্তিৰ বিধ আৰু কালৰ বিক্ৰম ॥

ঊনত্ৰিংশ অধ্যায়ে বহুবিধ ভক্তি, কালৰো মহিমা কহিবা ॥

১-৫ ] "দেৱহূতি পুছন্ত, 'হে ভগৱন্ত, সাংখ্য-যোগ শুনিলো। আৰে ভক্তি-যোগৰ পন্থ বাহুল্য কৰি কহা। আৰো বৈৰাগ্যৰ অৰ্থে বিবিধ সংসাৰ, কালৰো স্বৰূপ কহা।'

৬-১৪] "এমনে মাতৃৰ বাক্য শুনি কৃপায়ে কপিলে কহন্ত, 'হে মাতৃ, পুৰুষৰ স্বভাৱ, গুণে ভক্তি-যোগ অনেকমতে প্ৰকাশ কৰে। তাক পৃথকে পৃথকে শুনা। শত্ৰু বধিবাক ইছায় যি হৰি-ভক্তি কৰে, তাক প্ৰাকৃত তামস বুলি। দম্ভভাৱে কৰিলে মধ্য তামস বুলি। মৎসৰভাৱে কৰিলে উত্তম তামস বুলি। ভোগক আঁশায় কৰিলে প্ৰাকৃত ৰাজস বুলি। যশক আশায় কৰিলে মধ্যম ৰাজস বুলি। ঐশ্বৰ্য্যক আশায় কৰিলে উত্তম ৰাজস বুলি। পাপ-ক্ষয়াৰ্থে কৰিলে প্ৰাকৃত সাত্ত্বিক বুলি। হৰিৰ প্ৰীতিৰ অৰ্থে কৰিলে মধ্যম সাত্ত্বিক বুলি। মোৰ কৰ্ত্তব্য বুলি কৰিলে উত্তম সাত্ত্বিক বুলি। এমনে নৱ ভাগ বুঝিবা। পুনু নৱ বিধ ভক্তিক নৱ ভাগ কৰিলে ন-ন-বাং

॥ একোনত্ৰিংশ অধ্যায় ॥

এই অধ্যায়ত বহুবিধা ভক্তি, কালৰ বল-বিক্ৰম আৰু বিৰক্তিৰ অৰ্থে সংসাৰৰ স্বৰূপ বৰ্ণনা কৰা হৈছে।



একাশী বিধ বুঝিবা।[1] নিৰ্গুণ ভক্তি একেবিধ; আৰে তাক শুনা: মোৰ গুণ শ্ৰৱণ মাত্ৰে মঞি পুৰুষোত্তমত নিষ্কামে নিৰন্তৰে মনৰ বৃত্তিকে নিৰ্গুণ ভক্তিৰ স্বৰূপ বুঝিবা। যেন গঙ্গাজল সততে সাগৰতে পৰে, তেমনে মনৰ বৃত্তিও হৰিত থাকে।[2] এমন ভক্তসৱে মোৰ সেৱা বিনে সালোক্য, সাৰ্ষ্টি, সামীপ্য, সাৰূপ্য, একত্ব, সাযুজ্য মঞি দিলেও নলৱে, যাতো সেই ভক্তিকে পৰম সুখ বুলি কহে, যাক আচৰিলে অযত্নে তিনি গুণ এৰাই মোৰ স্বৰূপ পাৱে।

১৫-৩৩ ] "'আৰে এহি ভক্তিৰ সাধন শুনা। মোত অৰ্পিয়া নিষ্কাম স্বধৰ্ম্ম কৰিব; মোক নিতে পূজা কৰিব; প্ৰাণীক হিংসা নকৰিব; মোৰ প্ৰতিমাক দৰ্শন, স্পৰ্শন, প্ৰণাম কৰিব; প্ৰাণীক হৰি-বুদ্ধি কৰিব; বিষয়ত বিৰক্তি, মহন্তক মান্য, দীনক দায়া, সমানত মৈত্ৰী কৰিব; মোৰ নাম-কীৰ্ত্তন কৰিব; মহন্তৰ সঙ্গ লৈব; মোৰ কথা শুনিব। এতেক সাধনে চিত্ত শুদ্ধ হয়া পুৰুষে সাক্ষাতে মোক পাৱে। মঞি সৰ্ব্ব প্ৰাণীৰ হৃদয়ত অন্তৰ্য্যামীৰূপে থাকো। তাক নিন্দা-অসূয়া, হিংসা-অৱজ্ঞা কৰি যি কেৱলে মোৰ প্ৰতিমা পূজে, তাত কদাচিতো মঞি তুষ্ট নহঞ; মনো প্ৰসন্ন নহে; পূজাও বিফল হয়; সংসাৰো নুগুচে।[3]

১ তামস, ৰাজস আৰু সাত্ত্বিক ভক্তি গুণ-তাৰতম্য অনুসৰি ন প্ৰকাৰ হ'ল। এই ন প্ৰকাৰ ভক্তিৰ আকৌ প্ৰত্যেক প্ৰকাৰেই শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদ-সেৱন, অৰ্চ্চন, বন্দন, দাস্য, সখিত্ব আৰু আত্ম-নিৱেদন এই ন বিধ হয়। গতিকে সগুণ ভক্তিৰ একাশীটি প্ৰকাৰ পোৱা গ'ল।

২ মদ্গুণশ্ৰুতিমাত্ৰেণ ময়ি সৰ্ব্বগুহাশয়ে।
মনোগতিৰৱিচ্ছিন্না যথা গঙ্গাম্ভসোঽম্বুধৌ ॥ ১১
লক্ষণং ভক্তিযোগস্য নিৰ্গুণস্য হ্যুদাহৃতম্।
অহৈতুক্যব্যৱহিতা যা ভক্তিঃ পুৰুষোত্তমে ॥ ১২

৩ অহং সৰ্ব্বেষু ভূতেষু ভূতাত্মাৱস্থিতঃ সদা।
তমৱজ্ঞায় মাং মৰ্ত্ত্যঃ কুৰুতেঽৰ্চাবিড়ম্বনম্ ॥ ২১

তাৰে প্ৰতিমা পূজিব, যাৰে সৱাৰো অন্তৰ্য্যামী মোক নজানে।[৪] এতেকে সদায় সৰ্ব্বান্তৰ্য্যামী মোক পূজা কৰোক। তাতে বড়ক বড়ে সৎকাৰ কৰিবেক। তাত তাৰতম্য শুনা। বৃক্ষাদিত কৰি পক্ষীসৱ শ্ৰেষ্ঠ; পক্ষীত কৰি পশুসৱ শ্ৰেষ্ঠ; তাতো কৰি মনুষ্য শ্ৰেষ্ঠ। মনুষ্যৰ মধ্যত ব্ৰাহ্মণ শ্ৰেষ্ঠ; তাৰো মাজত পণ্ডিত শ্ৰেষ্ঠ; তাতো কৰি মোৰ একান্ত ভক্ত শ্ৰেষ্ঠ, যাতো সি ভক্তে সকল জগতক মনে মান্য কৰে, আৰো মোৰ কথা নিৰন্তৰে শ্ৰৱণ-কীৰ্ত্তন কৰে।

৩৭-৪৫ ] "'জানা মাতৃ, তোমাত মঞি ভক্তি-যোগৰ কথা কহিলো। আৰে কালৰ বিক্ৰম শুনা। কাল ভগৱন্তৰে ৰূপ, যাত হন্তে সৱাৰে ভয় হয়, যাৰ শত্ৰু-মিত্ৰ নাই, সদায়ে অপ্ৰমত্ত হৈয়া প্ৰমত্ত জনক অন্ত কৰন্ত, যাক ভয়ে দেৱসৱে আপুনাৰ কাৰ্য্য কৰন্ত, যাক ভয়ে বৃক্ষসৱে কালে কালে ফল-পুষ্প ধৰন্ত, যাক ভয়ে নদ-নদী বহে, সাগৰো মৰ্য্যাদা নলঙ্ঘে, যাৰ আদি-অন্ত নাই, তেঁও পুনু সৱাৰে আদি অন্ত কৰন্ত॥'"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে একোনত্ৰিংশোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ যৎসেৱাৰসসংমগ্নাঃ সালোক্যাদিপদান্যপি।
নেচ্ছন্তি তমহং ৱন্দে তদ্ভক্তিসুখকাম্যয়া॥ ২৯ ॥

যো মাং সৰ্ব্বেষু ভূতেষু সন্তমাত্মানমীশ্বৰম্।
হিত্বাৰ্চাং ভজতে মৌঢ্যাদ্ভস্মন্যেৱ জুহোতি সঃ॥ ২২
৪ অৰ্চাদাৱৰ্চয়েৎ তাৱদীশ্বৰং মাং স্বকৰ্মকৃৎ।
যাৱন্ন ৱেদ স্বহৃদি সৰ্ব্বভূতেষ্ৱৱস্থিতম্॥ ২৫

## ॥ ত্ৰিংশ অধ্যায় ॥

॥ বিষয়ীৰ অধোগতি ॥

ত্ৰিশ অধ্যায়ে কেৱল বিষয়ীজনৰ অধোগতি কহিবা।

১-৩৪ ] "কপিলে কহন্ত, 'জানা মাতৃ, যদ্যপি কালে সৱাকে সংহৰে তথাপি তাৰ বিক্ৰম কেৱে নজানে। আপুনাৰ সুখৰ অৰ্থে যি যি কাৰ্য্য কৰে, তাকে তাকে কালে সংহৰে; পুৰুষে কেৱল দুখ মাত্ৰ পাৱে, যাতো মিছা দেহৰ অৰ্থে মিছা বিষয়ক সত্য কৰি মানে। এতেকে জীৱে যেই যেই যোনিক যাই, তাতে তাতে সুখ পায়া তাক এৰিতে নোখোজে। নৰকত থাকিতেও সি দেহ এৰিতে ইছা নকৰে, যাতো হৰিৰ মায়ায়ে মোহিত হয়া নৰক-আহাৰকে সুখ বুলি মানে। সৎসঙ্গ লৈয়া মোক নভজিয়া নানা দেহত দুখ পায়া পুত্ৰ-ভাৰ্য্যাত আসক্তি কৰে; তাৰাৰ পোষণ-চিন্তায়ে দেহ পোৰে; এতেকে অন্যায় কৰে; গৃহত থাকি নানা দুখ পাৱে। কোনো বেলা দুখৰ প্ৰতিকাৰ কৰি পুত্ৰ-ভাৰ্য্যাৰ সঙ্গে আপুনাক সুখী হেন মানে। আপুনাৰ অৰ্থ নষ্ট হৈলে লোভত পৰৰ অৰ্থ হৰে। পাছে বৃদ্ধ হৈলে পুত্ৰ-ভাৰ্য্যা পুষিতে নাপাৰে, তাৰায়ো পূৰ্ব্বৱতে আদৰ নকৰে; তথাপি বিৰক্তি নহে। তাৰ পাছে জৰা অৱস্থায় দেহ বিৰূপ হয়; পো-বহাৰীসৱো অৱজ্ঞা কৰি অন্ন দেই; তাকে খায়া কুকুৰ হেন থাকে। তাত নানা ৰোগ হয়; অল্প মাত্ৰ অন্ন খাই; সিও জীৰ্ণ নযাই; উঠিবাকো নপাৰে; শুই মাত্ৰ থাকে; মাতিলেও নমাতে; সকল কুটুম্বে বেঢ়িয়া কান্দে; সিও মহা দুখে

॥ ত্ৰিংশ অধ্যায় ॥

আগৰ অধ্যায়ৰ আৰম্ভতে দেৱহূতিয়ে সংসাৰৰ ঘোৰ ৰূপৰ কথা সুধিছিল। বৰ্ত্তমান অধ্যায়ত কায়-কান্তাদি-লালন-আকুল কামীসকলৰ পাপহেতুকে **তামসী** অধোগতি বৰ্ণনা কৰা হৈছে; কালৰ প্ৰভাৱ বৰ্ণন-পূৰ্ব্বক বৈৰাগ্য-উৎপত্তিৰ অৰ্থে এই অধ্যায়েৰে তিনি অধ্যায়ত সংসৃতি বৰ্ণনা সন্নিৱিষ্ট হৈছে।

প্ৰাণ ছাড়ে! পাপৰ ফলে যাতনা-দেহত পশে। ভয়ঙ্কৰ দুই যমদূতে আসি হাতে-গলে বান্ধে, তৰ্জ্জি-গৰ্জ্জি নৰকক লৈয়া যাই। পথত কুকুৰে কামোৰে; তপ্ত বলুকাত যাই; ওপৰত আদিত্যে তাপ কৰে; বনাগ্নিৰো তাপ লাগে; পিঠিত চাবুকে কোবাৰে; দুখতে মূৰ্চ্ছা যাই; পুনু উঠি চলে; পাপক সুমৰি খেদ কৰে; এক হাজাৰ মন্দ লক্ষ প্ৰহৰৰ পন্থক পাপীজনক চাৰি দণ্ডে নিয়া নৰক ঠেকাৰে। তাত যাতনা সংক্ষেপে শুনা। খেড়ে মেঢ়াই অগ্নি দেই; আপুনাৰ মাংস কাটি খুৱাৰে; জীয়ন্ততে শৃগাল-শগুনে আন্ত উভাৰে; সৰ্পে কামোৰে; বিছায়ে দাঙ্কে; ডাসে-মশে খাই; হাত-ভৰি ভাঙ্গে; হাথী ঝপাই মাৰে; পৰ্ব্বতৰপৰা পেল্লাৰে; গাত খানি পোতে; পানীত ডুবাৰে; এমনে অনেক যাতনা ভুঞ্জাৰে। জানা মাতৃ, আক আৰ্চয্য নেদেখিবা, যাতো ইঠাইতে পাপীৰ নৰক-দুখ দেখি, পুণ্যৱন্তৰ স্বৰ্গসুখ দেখি।[1] পাপাৰ্জ্জিত ধন সৱে খাই, কৰ্ত্তামাত্ৰ নৰক যাই।[2] এমনে পাপ অনুসাৰে নৰক ভোগ কৰি মনুষ্যৰ অধত আউঠ কোটি যোনি-অনুক্ৰমে ফুৰি নানা দুখ পায়া পুনু মনুষ্য হয়।' "

শ্ৰীভাগৱত-কথায়াং তৃতীয় স্কন্ধে ত্ৰিংশোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক ॥ হৰিভক্তিং সমুৎসৃজ্য পুঞ্চন্ পুত্ৰাদি কামতঃ।
অৱশো যাতি নিৰয়ানিতি ত্ৰিংশে নিৰূপিতম্॥ ৩০ ॥

১ অত্ৰৈৱ নৰকঃ স্বৰ্গ ইতি মাতঃ! প্ৰচক্ষ্যতে।
যা যাতনা বৈ নাৰক্যস্তা ইহাপ্যুপলক্ষিতাঃ॥ ২৯

২ একঃ প্ৰপদ্যতে ধ্বান্তং হিত্বেদং স্বং কলেৱৰম্।
কুশলেতৰপাথেয়ো ভূতদ্ৰোহেণ যদ্ভৃতম্॥ ৩১

পাপাৰ্জিতং ধনং ভুঞ্জতে বহৱ কৰ্ত্তৈৱ নৰকং যাতীতি॥ (শ্ৰী)

কামীয়ে ভূতদ্ৰোহৰ দ্বাৰা পুষ্ট কলেৱৰ ইয়াতে এৰি অকলশৰে পাপ-ৰূপ পাথেয় লৈ নৰক পায়গৈ।

## ॥ একত্ৰিংশ অধ্যায় ॥

### ॥ পাপ-পুণ্য-মিশ্ৰ মানুষী গতি ॥

একত্ৰিশ অধ্যায়ে পাপ-পুণ্য-মিশ্ৰ মানুষী গতি কহিবা।

১-১০ ] "কপিলে কহন্ত, 'জানা মাতৃ, পাছেসে জীৱ দৈৱাধীন কৰ্ম্মে পুৰুষৰ ৰেতসে মাতৃৰ গৰ্ভত প্ৰৱেশে; তাত এক ৰাত্ৰে শুক্ৰ-শোণিত মিশ্ৰ হুই; পঞ্চ ৰাত্ৰে বুদবুদ; দশ ৰাত্ৰে বদৰী-প্ৰমাণ; এক মাসে শিৰ; দুই মাসে হাত-ভৰি; তিনি মাসত নখ, লোম, অস্থি, ছিদ্ৰ-চিহ্ন হয়; চাৰি মাসত সাত ধাতু;[1] পঞ্চ মাসত ক্ষুধা-তৃষা হয়। ছয় মাসত জালে আৱৰে; মাতৃ যি অন্ন পান-ভোজন কৰে সেই নাড়ী-সঙ্গে সঞ্চৰে; তাতে দেহ বাঢ়ে; মল-মূত্ৰত পৰি থাকে; কৃমিসৱে কামুড়ে; মহা দুখে মূৰ্চ্ছা যাই; লৰিবাকো নপাৰে; দৈৱবশে শ্ৰুতি পাৱে; শতেক জন্মৰ কৰ্ম্ম সুমৰি মহাখেদ কৰে। সাত মাস হৈলে বোধ পায়া ত্ৰাস কৰে; প্ৰসূতি-বাতে দেহ থিৰে নাথাকে।

১১-২১ ] " 'পাছে কৃতাঞ্জলি কৰি অঞ্জলি কৰি জীৱে স্তুতি[2] কৰে,= যি ভগৱন্তে মঞি-দুৰ্জ্জনক এমন অৱস্থা দিয়াছন্ত, সেই কৃষ্ণ-চৰণত শৰণ পশিলো। এই দেহত মঞি মায়ায়ে মোহিত হয়া, নানা কৰ্ম্মে বন্ধ

॥ একত্ৰিংশ অধ্যায় ॥

আগৰ অধ্যায়ৰ শেষত 'পুনু মনুষ্য হয়' ( পুনৰত্ৰাৱ্ৰজেৎ ) বুলি কোৱা হৈছে। ইয়াত পাপ-পুণ্যেৰে বিমিশ্ৰ মানুষ-জন্ম-প্ৰাপ্তি-পূৰ্ব্বক **ৰাজসী** গতি বৰ্ণিত হৈছে।

১ সাত ধাতু—ত্বক্, মাংস, ৰুধিৰ, মেদ, মজ্জা, অস্থি আৰু শুক্ৰ।

২ গৰ্ভৰ ভিতৰত সাতমহীয়া জীৱৰ স্তুতি ( শ্লোক ১২-২১ ) অতি সুন্দৰ।

হয়া নানা দুখ পাঞ। আত থাকিলেও যি অখণ্ডবোধ, নিত্য-মুক্ত, প্ৰকৃতি-পুৰুষত পৰ, তাঙ্ক প্ৰণাম কৰো। যি সৰাৰে অন্তৰ্য্যামী ভগৱন্ত মোক এমন জ্ঞান দিয়া আছা, সেই দীন-দায়াল ঈশ্বৰ আপুনি তুষ্ট হোৱন্তোক। তাঙ্ক কোনে নমস্কাৰ বিনে প্ৰত্যুপকাৰ কৰিবে পাৰে? পশ্বাদি শৰীৰে জীৱে সুখ-দুখমাত্ৰ দেখে। মঞি পুনু তাহান কৃপায়ে ভক্তি-সাধন মনুষ্য-শৰীৰ পায়া বাহিৰে-ভিতৰে তাহাঙ্ক দেখো। হে ভগৱন্ত, গৰ্ভ-বাসত নানা দুখ পান্তেও বাহিৰ হৈবাক ইছা নকৰো, যাতো উপজিল মাত্ৰে তোমাৰ মায়ায়ে পাই দেহত অহঙ্কাৰ হৈবেক। তেৱে নানা-দুখ সংসাৰ হৈবেক। এতেকে মঞি ইঠাইত থাকিয়া হৰি-চৰণ সেৱা কৰি আপুনাক তাৰিবো। 'পুনু যেন নানা দুখ নাপাঞো॥'

২২-৪৮ ] "কপিলে কহন্ত, 'জানা মাতৃ, এমন গৰ্ভত জীৱে হৰিক স্তুতি কৰন্তে দশ মাস হৈলে প্ৰসূতি-বায়ুয়ে অধক লাগি পেহ্লাৰে; মহাদুখ পায়া অধোমুখে বাঝ হয়া পৰে; সৰে শ্ৰুতি গুচে; মাটিত পৰিয়া কান্দে; মাতৃ দুধ দিয়া পোষে; উদৰ-পীড়াতো দুখ দেই; বৰ খুধাতো তিভা খুৱাৰে, যাতো আপুনি কহিতে নপাৰে। এমনে শিশু-কালত দুখ ভুঞ্জে। ছৱাল-কালতো[৩] দুখ নেড়াৰে, যাতো পঢ়িবাক দণ্ডি কৰে। পাছে যুৱা-কালতো কাম-ক্ৰোধাদি দুখ নুগুচে; আৰো মিছা দেহৰ অৰ্থে নানা কৰ্ম্ম কৰে, সি কৰ্ম্মে দুখমাত্ৰ পাৰে। যদি অসন্তৰ সঙ্গ লৈয়া অন্যায় কৰে, তেৱে পূৰ্ব্ববতে নৰকক যাই। বুলিবা, কাক অসন্ত বুলি? তাত শুনাঃ যি হৰিক নভজি কেৱল শিশ্ন-উদৰৰ অৰ্থে উদ্যম কৰে, তাক অসন্ত বুলি। তাৰ সঙ্গ লৈলে সত্য, শৌচ, দায়া আদি সকল গুণে নষ্ট হয়। এতেকে যি আপুনাৰ কুশলক চাৰে, সি স্ত্ৰী-সঙ্গীৰো সঙ্গ কদাচিতো নলৈব; স্ত্ৰী-সঙ্গে ব্ৰহ্মায়ো মোহ

৩ পাঁচ বছৰ পৰ্য্যন্ত শৈশৱ বা শিশুকাল; তাৰ ওপৰত যৌৱনৰ আগ-ভাগ পৌগণ্ড বা ছৱাল-কাল।



হয়াছন্ত।[৪] যি স্ত্ৰী আপুনাৰ কুশল চাৰে, সিও পুৰুষত আসক্ত নকৰিব যাতো দুইৰ সঙ্গে দুইকো বান্ধে; কিন্তু সন্ত-সঙ্গ লৈয়া হৰিত শৰণ পশি সদায়ে হৰি-সেৱা কৰিব; তেৱে সংসাৰ-বন্ধ গুচিব।'"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে একত্ৰিংশোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ জ্ঞানৱানপি দুঃসঙ্গাৎ প্ৰযাতি নৰকং যতঃ॥
ততো দুঃসঙ্গমুৎসৃজ্যমিত্যুক্তমেকত্ৰিংশকে॥ ৩১॥

## ॥ দ্বাত্ৰিংশ অধ্যায়॥

### ॥ পুণ্য-কৰ্ম্মে উৰ্দ্ধগতি॥

বত্ৰিশ অধ্যায়ে পুণ্য-কৰ্ম্মে উৰ্দ্ধগতি কহিবা।

১-৮ ] "কপিলে বোলন্ত, 'জানা মাতৃ, যিজনে গৃহৰ ধৰ্ম্মত থাকি হৰিত বিমুখ হয়া সকামে নানা কৰ্ম্ম কৰে, নানা দেৱতাক পূজে, সি মৰি স্বৰ্গ-ভোগ ভুঞ্জে, পাছে পুণ্য ক্ষয় হৈলে পৃথিৱীত পৰে।[১] যদি

৪ স্বয়ং প্ৰজাপতি ব্ৰহ্মাই নিজ কন্যা সতীক দেখি ৰূপত মোহিত হৈ, কন্যাই মৃগী-ৰূপ লোৱাত তেওঁ মৃগ-ৰূপ ধৰি, নিৰ্লজ্জভাৱে খেদা ধৰিছিল।

॥ দ্বাত্ৰিংশ অধ্যায়॥

**সাত্ত্বিক** কৰ্ম্মৰ দ্বাৰা জীৱৰ উৰ্দ্ধ-গতি হয়; পিছত তত্ত্বজ্ঞানবিহীন কাম্য-কৰ্ম্মাৰ পুনৰাবৃত্তি ঘটে।

১ একত্ৰিংশ অধ্যায়ত পাপকৰ্ম্মাৰ গতি বৰ্ণাই দ্বাত্ৰিংশত কাম্যকৰ্ম্মকাৰীৰ গতি বৰ্ণোৱা হৈছে। গৃহস্থীসকলে গাৰ্হস্থ্য ধৰ্ম্ম অনুসৰি অৰ্থ আৰু কাম অৰ্জ্জন কৰে আৰু কাম-মূঢ় হৈ ভগৱদ্ধৰ্ম্ম-পৰাঙ্মুখ হৈ শ্ৰদ্ধাৰে যজ্ঞ কৰি দেৱ-পিতৃসকলক যজে। তেওঁলোক চন্দ্ৰলোকলৈ ( চান্দ্ৰমসং লোকং ) গৈ সোমৰস পান কৰি ( সোমপাঃ ) পুনৰ পৃথিৱীলৈ আহে ( পুনৰেযন্তি )। ( শ্লোক ১-৩ )

বিস্তৰ পুণ্য কৰি থাকে, তথাপি দেৱ-নন্দনী প্ৰলয়ত লোকসৱ সমে নষ্ট হয়।[২] যি নিষ্কামে হৰিক ভজে, সি পৰম ঈশ্বৰক পাৱে, পুনু সংসাৰত নপৰে।[৩] যি ব্ৰহ্মাক ঈশ্বৰ বুলি উপাসা কৰে, সি ব্ৰহ্মাৰ আয়ু পৰ্য্যন্তে ব্ৰহ্ম-ভুৱনত থাকে। পাছে ব্ৰহ্মাৰ লগতে মোক্ষ পাৱে।[৪]

১১-২২ ] "'এতেকে তুমি ভক্তিভাৱে সাক্ষাতে হৰিত শৰণ লৱা। তেহে সৱাৰে অন্তৰ্য্যামী; তাহান মহিমাও শুনিলা। অহঙ্কাৰ ভেদ-দৃষ্টি নকৰিবা, যাতো ভেদ-দৃষ্টি অহঙ্কাৰ ভৈলে ব্ৰহ্মাদিও পুনু সংসাৰী হয়; আনৰ কোন কথা? এতেকে যিজনে হৰি-কথা নুশুনিয়া কুকথামাত্ৰ শুনে সি দৈৱে নষ্ট ভৈল, যেন শূকৰসৱে অমৃত তেজি পুৰীষ ভোগ কৰে। এতেকে তুমি কায়-বাক্য-মনে হৰিগুণ শ্ৰৱণ-কীৰ্ত্তন কৰি সদায়ে পৰম ঈশ্বৰক ভজা।

২ লোকসমূহ থাকোঁতে কামীসকলৰ পুণ্যক্ষয়ৰ অন্তত পতনৰ কথা কৈ চন্দ্ৰাদি লোকসমূহৰ লয়ৰ সময়ৰ কথা কৈছে—

যদা চাহীন্দ্ৰশয্যায়াং শেতেঽনন্তাসনো হৰিঃ।
তদা লোকা লয়ং যান্তি ত এতে গৃহমেধিনাম্॥ ৪

নৈমিত্তিক প্ৰলয়ত যেতিয়া নাৰায়ণৰ অনন্ত-শয্যাত যোগনিদ্ৰাৰে শয়ন কৰে, তেতিয়া লোকসমূহ লয় যায় আৰু তাৰ লগতে সেই সেই লোকস্থিত কামী-সকলো নষ্ট যায়।

৩ যিসকল ধীৰ লোকে কাম আৰু অৰ্থৰ হেতু স্বধৰ্ম্ম নকৰে, সেই নিঃসঙ্গ, প্ৰশান্ত, শুদ্ধচেতা, নিৰহঙ্কাৰ, নিবৃত্তধৰ্ম্মনিৰতসকলে পৰিশুদ্ধ চিত্তে সকলো কৰ্ম্ম ঈশ্বৰত অৰ্পণ কৰি সাত্বিকভাৱে স্বধৰ্ম্ম আচৰি প্ৰকৃতি-পুৰুষৰ পৰ, সৰ্ব্বাত্মা পৰমপুৰুষক লাভ কৰে। (শ্লোক ৫-৭)।

৪ দ্বিপৰাৰ্ধাৱসানে যঃ প্ৰলয়ো ব্ৰহ্মণস্ত তে।
তাৱদধ্যাসতে লোকং পৰস্য পৰিচিন্তকাঃ॥ ৮

পৰমেশ্বৰ দৃষ্টিত হিৰণ্যগৰ্ভৰ (পৰস্য) উপাসকসকল (পৰিচিন্তকাঃ) দ্বিপৰাৰ্দ্ধকালৰ শেষত হোৱা ব্ৰহ্মাৰ প্ৰলয় পৰ্য্যন্ত ব্ৰহ্মলোকত থাকে।



২৩-২৬ ] "'এমনে হৰি ভজিলে আপুনি জ্ঞান হৈবেক।[৫] ভক্তি কৰিতে যেখন পুৰুষে সৱাতে সমদৃষ্টি হয়, তেখনে আপুনি সাক্ষাত পৰম ঈশ্বৰক পাৱে। যেন একে দুধক চক্ষুৱে শুক্ল বোলে, নাসায়ে গন্ধ বোলে, জিহ্বায়ে স্বাদ বোলে, তেমনে একে ভগৱন্তকে নানা শাস্ত্ৰমতে সগুণ-নিৰ্গুণভাৱে নানা ভাগে কহে; পৰমাৰ্থত পুনু একে ভগৱন্ত।[৬]

২৮-৪৩ ] "'জানা মাতৃ, পৰম ৰহস্য কথা তোমাত কহিলো। আক যাতে তাতে নকহিবা; কিন্তু যি পৰম শ্ৰদ্ধায় ভক্তিভাৱে শুনিবে চাৱে, তাতেসে কহিবা। যি এহি কথাক শ্ৰদ্ধা কৰি শুনে, মোত চিত্ত দিয়া যিবা কৰে, সি দুয়ো মোৰ পদক পাৱে॥'"

শ্ৰীভাগৱত-কথায়াং তৃতীয়স্কন্ধে দ্বাত্ৰিংশোঽধ্যায়ঃ॥

আক জানি সৱ লোক হৰি বোল হৰি॥

॥ শ্লোক॥ হৰিভক্ত্যা ভৱেন্মুক্তিঃ কৰ্ম্মশক্ত্যা তু সংসৃতিঃ।
ইতি দ্বাত্ৰিংশকাধ্যায়ে কপিলেন নিৰূপিতম্॥ ৩২॥

৫ ৱাসুদেৱে ভগৱতি ভক্তিযোগঃ প্ৰযোজিতঃ।
জনয়ত্যাশু বৈৰাগ্যং জ্ঞানং যদ্ ব্ৰহ্মদৰ্শনম্॥ ২৩

ভজনে চ জ্ঞানবৈৰাগ্যে স্বত এৱ ভৱত ইতি॥ (শ্ৰী)

৬ জ্ঞানমাত্ৰং পৰং ব্ৰহ্ম পৰমাত্মেশ্বৰঃ পুমান্।
দৃশ্যাদিভিঃ পৃথক্ভাৱৈৰ্ভগৱানেক ঈয়তে॥ ২৬

দৃশ্যাদিভিঃ দৃশ্যদ্ৰষ্টৃকৰণৰূপেণ পৃথক্ প্ৰতীয়তে॥ (শ্ৰী)

## ॥ ত্রয়স্ত্রিংশ অধ্যায় ॥

### ॥ দেৱহূতিৰ জ্ঞান-লাভ আৰু জীৱন্মুক্তি ॥

তেত্রিশ অধ্যায়ে দেৱহূতিৰ জ্ঞান-লাভ, জীৱন্মুক্তি কহিবা।

১-৮ ] মৈত্রেয়ে কহন্ত, "জানা বিদুৰ, কপিলৰ এহি উপদেশ শুনি কৰ্দ্দমৰ প্রিয় পত্নী দেৱহূতিৰ মোহ-পটল গুচিল। কপিলক প্রণাম কৰি স্তুতি কৰন্ত, 'যাৰ ৰূপক ব্রহ্মায়ো ধ্যান কৰন্ত, যি আপুনি জগতৰ জন্মাদি কৰন্ত, যাৰ জন্মাদি কৰন্তা কেও নাই, সেই তুমি-ঈশ্বৰক কেমনে মঞি গৰ্ভতো ধৰিলো? যদি বোলা, মঞি শিশুক কেনে এতেক স্তুতি কৰা?, আত শুনা: যেন মাৰ্কণ্ডেয়ক প্রলয় দেখাই মায়া-শিশু হয়া বটপত্রত শয়ন কৰি অঙ্গুষ্ঠ পান কৰিলা, তেমনে তোমাৰ ইও শিশু মায়াতেসে ঘটে। তুমি ভকতৰ ৰক্ষাৰ অৰ্থে, অভক্তক সংহৰিতে যেমন বৰাহাদি অৱতাৰ ধৰা, তেমন ইও অৱতাৰ জ্ঞান-পন্থ প্রৱৰ্ত্তাইবে লাগি ধৰিছা। এতেকে তোমাক দেখিয়া কৃতাৰ্থ হৈলো, যাতো তোমাৰ নামক শ্রৱণ-কীৰ্ত্তন-স্মৰণ কৰি চণ্ডালো অতি পূজ্য হয়। যাৰ জিহ্বাৰ অগ্রত তোমাৰ নাম থাকে, সি চণ্ডাল অতি গৰিষ্ঠ হয়, যাতো তোমাৰ নাম-কীৰ্ত্তনে তপ-জপ, যাগ-যোগাদিৰো মহাফল পায়া আছে। সেই পৰমব্রহ্ম-মূৰ্ত্তি ভগৱন্ত কপিল, তোমাক নমস্কাৰ কৰো।'"

৯-১১ ] মৈত্রেয়ে কহন্ত, "মাতৃৰ স্তুতি শুনি কৃপাময় কপিলে বোলন্ত, 'হে মাতৃ, এহি ভক্তি-পন্থ তুমি শ্রদ্ধায়ে আচৰিলে, অচিৰ কালতে জীৱন্মুক্তা হয়া মোক পাইবা।'"

৩২-৩৫ ] মৈত্রেয়ে কহন্ত, "কপিল গোসাই মাতৃত এহি জ্ঞান কহি তান্ত অনুজ্ঞা লৈয়া পিতৃৰ আশ্রমৰপৰা পূৰ্ব্ব-উত্তৰ দিশক গৈলা।

॥ ত্রয়স্ত্রিংশ অধ্যায় ॥

এই অধ্যায়ত কেনেকৈ কপিলৰ উপদেশত দেৱহূতিয়ে জ্ঞান-ভাবৰ দ্বাৰা জীৱন্মুক্তি লাভ কৰে তাক বৰ্ণোৱা হৈছে।



সাগৰে সতকাৰ কৰি স্থান দিলা। তিনিও লোকৰ কুশলৰ অৰ্থে তথাত ৰহিলা। সিদ্ধ-বিদ্যাধৰগণে নানা স্তুতি কৰিলা। সাংখ্যাচাৰ্য্যসৱো উপাসা কৰিলা।

২০-৩২ ] "দেৱহুতি তত্ত্বক জানিয়া, পুত্র-বিৰহে আকুল হয়া কিছো শোক কৰিলা; বিৰহ-দুখে পুত্র-ৰূপ হৰিক চিন্তন্তে দিব্য বিমানতো পৃহা এড়িলা; কিন্তু সেই আশ্রমতে পুত্রৰ উপদেশে যোগ-পথে হৰিক চিন্তিলা; পাছে ভক্তি-বিৰক্তি-জ্ঞানৰ বলে ভগৱন্তত লক্ষমতি ভৈলা; পাছে জীৱন্মুক্ত হৈয়া দেহকো পাসৰিলা; পাছে দেহ এৰি ভগৱন্তক পাইলা। যি ঠাই দেহ এড়িলা, সেই ঠাই সিদ্ধপদ নামে ক্ষেত্র হৈল। দেহগোটে সিদ্ধিদা নাম নদী হৈল॥"

শ্রীভাগৱতকথায়াং কৰিৰত্নকৃতায়াং তৃতীয়স্কন্ধে ত্রয়স্ত্রিংশোঽধ্যায়ঃ॥

তৃতীয় স্কন্ধৰ সংক্ষেপ কথা এহিমানে সাঙ্গ ভৈল। হে সামাজিক-সৱ, ইটো কৃষ্ণকথা সদায় শুনা, যাতো তিনি তাপে তাপিতজনৰ সংসাৰ-সাগৰ তৰিবাৰ উপায় কৃষ্ণ-কথা-ৰস-পান বিনে আৰ নাই। এতেকে কৃষ্ণ-কথা শ্রৱণ-কীৰ্ত্তন সদায় কৰা। বিশেষত কলিযুগে আন উপায় স্বতসে নাই॥ হে কৃষ্ণ, মোৰ ইষ্টদেৱ, তোমাৰ চৰণত কোটিবাৰ প্রণাম কৰো। মোক কিছো দায়া কৰিয়োক; যেমনে কায়-বাক্য-মনে তোমাৰ কথাত বিৰাম নোহো, তেমনে উপায় কৰিয়োক। মহন্তসৱক প্রাৰ্থনা কৰো, তোৰাৰ সঙ্গত যেমনে প্রীতি হৈবেক, তেমনে দায়া কৰিয়োক। প্রথমে ডাক ছাড়ি জয় ৰাম বুলিয়োক॥

॥ শ্লোক ॥ ত্রয়স্ত্রিংশে দেৱহূত্যা স্তুত্যা এতদুদীৰিতং।
নামকীৰ্ত্তনমাত্রেণ পুক্কসোঽপি শুচিৰ্ভৱেৎ॥
সৰ্গপ্রধানকথয়া তৃতীয়াৰ্থনিবন্ধয়া।
যদ্ভক্তো ভক্তিসংৰক্তস্তং প্রপদ্যে জগদ্গুৰুম্॥
দামোদৰং প্রপদ্যেঽহং কৰুণানন্দসাগৰম্।
যৎকৃপালৱলেশেন কথিতৈষা কথা ময়া॥ ৩৩॥

# শব্দসূচী

অনিচ্ছায়ে ৩.৯—অনিচ্ছায়ে ; অনিচ্ছাতে।
অন্যোঅন্যে, ২.৩, ২.৪, ৩.১—পৰস্পৰে।
অপেক্ষা, ৩.১৬—উপেক্ষা ; অৱহেলা।
অভাগী, ৩.২—অভাগ্য ; দুৰ্ভগীয়া।
অমোল্য, ৩.১৫—অমূল্য।
অৰ্দ্ধশৌচী, ২.১৭—অৰ্দ্ধশুচি।
আউঠ, ৩.৩০—? অনন্ত।
আউৰ, ৩.১১—অপৰ ; দ্বিতীয় ; ঠিক পিছৰ।
আচন্ত, ২.৪—আচমন।
আচৰ্য্য, ৩.২৩—আশ্চৰ্য্য।
আন্ত, ৩.৩০—অন্ত্ৰ ; আঁত ; নাড়ী-ভুৰু।
আলাতা, ২.২—অঁৰা ; -যুক্ত।
আলাস, ৩.২০—আলস্য ; এলাহ।
আৰজি, ৩.২—আউজি।
ইছা, ৩.২, ৩.১১, ৩.৩১—ইচ্ছা।
ইছায়, ইছায়ে, ৩.৪, ৩.৮, ৩.২৫—ইচ্ছাত।
ইতৰোৰ, ৩.২—ইতৰৰ ; ইতৰ লোকৰ।
উপালম্ভ, ৩.৩—ঠাট্টা ; মস্কৰা।
উভণ্ডিলা, ৩.২—উভাৰিলে ; উঘালিলে।
উভাৰে, ৩.৩০—উঘালে।
একলায়ে, ২.৫, ৩.৪, ৩.৫—অকলেই ; অকলশৰেই।
একাত্তৰি, ৩.১২—এসত্তৰ।
এঠাই, ৩.৪—ইঠাইলৈ।
এঠাইতে, ৩.২১—ইয়াতে।
এতেক, ৩.১, ৩.২৯—ইমান।
এনাই, ৩.৪—এনে।
কন্ধ, ৩.২১—স্কন্ধ ; কান্ধ।
কল্পি, ২.৫—কল্পিত হয়।
কামুড়ে, ৩.৩১—কামোৰে।
কেন, ৩.১৫—কিয় ?
কেৱলিয়া, ২.১০—কেৱলী ; কেৱল ভক্ত ; পৰম ভক্ত।
কৈসানি, ৩.১—কেতিয়া ?
খৰ্গে, ২.১—খড়্গে ; তৰোৱালেৰে।
খুধা, ৩.১১—ক্ষুধা।
গঞাইলা, ২.১২—পঠালে।
গাণ্ডু, ২.২—গাৰু।
চবিশ, ৩.৫—চৌবিশ।
চাৰি যাই, ৩.১১—বাঢ়ি গৈ।
জৰঞ্জা, যৰঞ্জা, ৩.১, ৩.১৭—যমজ ; যঁজা।
জানন, ৩.৫—জনা ; জনা কামটো।
জালে, ৩.৩১—জৰায়ুৰে।
জোগৃহত, ৩.১—জতুগৃহত।
ঝপাই, ৩.৩০—লগাই দি।
ঝাৰি-খুৰি, ২.২—লোটা-বাটি।
ঠেকাৰে, ৩.৩০—পোৱায়গৈ।
ডাসে-মশে, ৩.৩০—ডাহে-মহে।
তন, ৩.২—স্তন।
তেঞ্ঃ, ৩.১৩—তেওঁ। সি।

তেনয়, তেহ্লো, ২.৭, ৩.১১—তেনে; তেনেকুৱা।
থাকোক, ৩,৫—থাকক; থাওক। থাওক পৰি; বাদ দিয়ক।
দণ্ডি, ৩.৩১—দঁড়ি; দঁড়িয়লি; শাসন; শাস্তি।
দাঙ্কে, ৩.৩০—দাকে; দংশন কৰে।
দায়া, ৩.৯, ৩.৩১—দয়া।
দায়াল, ৩.৩১—দয়াল; দয়ালু।
দ্বাৰায়ে, দ্বাৰে, ২.২, ৩.৫—দ্বাৰা; দ্বাৰায়; যোগে, হতুৱা।
ধন-মাল, ৩.১—ধন-সম্পত্তি; আক্ৰমণ কৰি পোৱা ধন।
ন-ন-বাং, ৩.২৯—নৰে নক পূৰণ কৰি; ন নং; নত ন বাৰকৈ।
নাইকা, ৩.৫—নাইকিয়া।
নিচয়, ২.২—নিশ্চয়।
নিমিষ, ৩.১১, ৩.২৩—নিমেষ; চকুৰ পঁাৰ।
নিৰঞ্জন, ২.১, ৩.২৪—নির্জ্জন; নিজঞ্জাল।
নৈ, ৩.১৮—নৌ; (প্ৰা. অ.) নতু।
পদে, ২.১০—কাৰণে।
পয়াণ, ৩.৪—প্ৰয়াণ।
পৰোৰ,৩.১—পৰৰ; লোকৰ; আনৰ।
পৰ্ব্বা, ৩ ১০, ৩.১২, ৩.২০—গ্ৰন্থি; খলপা; বখলা।
পশুৰাম, ২.৭—পৰশুৰাম।
পাঞ্চ, ৩.১২, ৩.২৯—পঞ্চ; পাঁচ;
পৃহা, ৩.৩৩—স্পৃহা।

পেহ্লাৰে, ৩.৩০—পেলায়।
প্ৰহ্লাদ, ৩.১৪—প্ৰহ্লাদ।
বলুকা, ৩.৩০—বালুকা; বালি।
বহাৰী, ৩.৩০—বোৱাৰী। [স. ব্যৱহাৰিকা।]
বাঞ্ছনী, ৩.১৫—বাঞ্ছনীয়।
বিচাট, ৩.১—উচাট-বিচাট; অস্থিৰতা।
বিঞ্চৈ, ৩.১৫—বিচে।
বুদ্‌বুদ, ৩.৩১—বুৰবুৰণি।
বেথিত, ২.৭—ব্যথিত।
বৈ-বংশে, ৩.১২—বংশই; বংশ-পৰিয়ালে।
ভাগ, ২.১০—ভাগ্য; দশা।
ভাথি, ২.৩—ভাতি। [স. ভ্ৰন্তি।]
মঞ্চ, ২.৮—মৰ্ত্ত্য।
যৰঞ্জ, ৩.১—যঁজা।
যে, ৩.৬—যি; যিখিনি; যিটো।
লখি, ২.৭—লক্ষ্য কৰা হয়।
লম্ভা, ২.১০—ওপৰঞ্চি; অসাৰ ভাগ।
লাগ, ৩.১৪, ৩.২৭—লগ। সঙ্গ।
শপঞ্জো, ৩.১৫—শপোঁ। শাও দিওঁ।
শিথান, ২.২—শিতান; গাৰু।
সঙ্কে, ৩.৩১—ভিতৰেদি।
সত্ৰবাৰ, ২.৭—সোতৰবাৰ।
সপৰিয়াৰে, ৩.১২—সপৰিবাৰে; সপৰিয়ালে।
সাঙ্গে, ৩.৭—সম্পূৰ্ণে।
হতায়, ৩.১৬—হতুৱা; হতুৱাই; হাতেৰে।
হাথী, ৩.৩০—হাতী; হস্তী।